UG AS S4 01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম
(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান
অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° অনুৰাধা শর্মা, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° প্রাণ্‌জিৎ বৰা, অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	ভাষাৰ বর্গীকৰণ	ড° বর্ণালী দাস, সহকাৰী আধ্যাপক, ড° সর্বপল্লী ৰাধাকৃষ্ণণ অকাডেমী
২	পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয়	ড° মিলন নেওগ, সহকাৰী অধ্যাপক, এ. ডি. পি. মহাবিদ্যালয়
৩	ভাষাৰ লক্ষণ আৰু প্রকৃতি	ড° বর্ণালী দাস
৪	ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস	ড° দীপকজ্যোতি মহন্ত, সহকাৰী অধ্যাপক, গোৰেশ্বৰ মহাবিদ্যালয়
৫	ভাষাৰ বিভিন্ন ৰূপ	ড° জোনমণি গগৈ, সহকাৰী অধ্যাপক, কৃষ্ণ বৰা বি. এড. কলেজ
৬	ভাষাৰ পৰিৱর্তন	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
৭	ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্রশাখা	ড° মিলন নেওগ, সহকাৰী অধ্যাপক, এ. ডি. পি. মহাবিদ্যালয়
৮	ভাষা-বিজ্ঞান অধ্যয়ন — বিভিন্ন স্তৰ	ড° বর্ণালী দাস
৯	ধ্বনিতত্ত্ব	চম্পা পাটগিৰি, সহযোগী অধ্যাপক, আর্য বিদ্যাপীঠ মহাবিদ্যালয় ড° মিলন নেওগ
১০	ৰূপতত্ত্ব	গোলাপ সুত, সহকাৰী অধ্যাপক, প্রাগজ্যোতিষ মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী
১১	অর্থতত্ত্ব	ড° পাপু মণি হাজৰিকা, সহকাৰী অধ্যাপক, জগন্নাথ বৰুৱা মহাবিদ্যালয়
১২	বাক্যতত্ত্ব	ড° পাপু মণি হাজৰিকা
১৩	উপভাষা বিজ্ঞান	ড° মণিৰাম কলিতা, সহযোগী অধ্যাপক, সোণাপুৰ মহাবিদ্যালয়
১৪	সমাজ ভাষা-বিজ্ঞান	ড° পাপু মণি হাজৰিকা

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° স্মৃতিৰেখা ভূঞা, সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

পথম প্রকাশ, ২০২৩, দ্বিতীয় প্রকাশ এপ্রিল, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**ভাষাৰ বৰ্গীকৰণ** ভাষাৰ বৰ্গীকৰণ ঃ বংশানুক্রমিক বা ঐতিহাসিক বৰ্গীকৰণ, আকৃতিমূলক বা বাক্যৰীতিগত ৰূপতত্ত্বানুগত বৰ্গীকৰণ	৭-১৬
অধ্যায় ২ ঃ	**পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয়** পৃথিৱীৰ ভাষা-পৰিয়াল ঃ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী, ছেমীয়-হামীয় ভাষাগোষ্ঠী, তিব্বত-চীনীয় ভাষাগোষ্ঠী, অষ্ট্রিক ভাষাগোষ্ঠী, দ্রাবিড় ভাষাগোষ্ঠী, ইউৰাল-আলটাই ভাষাগোষ্ঠী, ককেছীয় ভাষাগোষ্ঠী, এস্কিমো; গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা	১৭-৩৫
অধ্যায় ৩ ঃ	**ভাষাৰ লক্ষণ আৰু প্ৰকৃতি** ভাষাৰ লক্ষণ আৰু প্ৰকৃতি; জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক	৩৬-৪৪
অধ্যায় ৪ ঃ	**ভাষা-বিজ্ঞান চৰ্চাৰ ইতিহাস** ভাষা-বিজ্ঞান চৰ্চা ঃ প্ৰাচীন যুগ, মধ্যযুগ, নৱজাগৰণৰ যুগ, আধুনিক যুগ	৪৫-৬৩
অধ্যায় ৫ ঃ	**ভাষাৰ বিভিন্ন ৰূপ** ভাষাৰ বিভিন্ন ৰূপ	৬৪-৭২
অধ্যায় ৬ ঃ	**ভাষাৰ পৰিৱৰ্তন** ভাষাৰ পৰিৱৰ্তন; ভাষাৰ পৰিৱৰ্তনৰ কাৰণ; ভাষাৰ পৰিৱৰ্তনৰ বিভিন্ন প্ৰকাৰ ঃ ভাষাৰ বাহ্যিক পৰিৱৰ্তন, ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন	৭৩-৯৪
অধ্যায় ৭ ঃ	**ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা** ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা; অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন ঃ বৰ্ণনাত্মক ভাষা-বিজ্ঞান, ঐতিহাসিক ভাষা-বিজ্ঞান, তুলনামূলক ভাষা-বিজ্ঞান; ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা	৯৫ -১০৯
অধ্যায় ৮ ঃ	**ভাষা-বিজ্ঞান অধ্যয়ন — বিভিন্ন স্তৰ** ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ ঃ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অৰ্থতত্ত্ব	১১০-১১৯
অধ্যায় ৯ ঃ	**ধ্বনিতত্ত্ব** ধ্বনি — ধ্বনিতত্ত্ব; বাগিন্দ্রিয়, স্বৰ আৰু ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনি	১২০-১৩১
অধ্যায় ১০ ঃ	**ৰূপতত্ত্ব** ৰূপতত্ত্ব	১৩২-১৪৩
অধ্যায় ১১ ঃ	**অৰ্থতত্ত্ব** অৰ্থতত্ত্ব	১৪৪-১৬২

অধ্যায় ১২ ঃ **বাক্যতত্ত্ব** **১৬৩-১৭৫**
বাক্যতত্ত্ব

অধ্যায় ১৩ ঃ **উপভাষা বিজ্ঞান** **১৭৬-১৮৯**
ভাষা আৰু উপভাষা; উপভাষাৰ গঠন ঃ আঞ্চলিক উপভাষা, সামাজিক উপভাষা, জাতি বা বর্ণগত উপভাষা, লিংগ ভেদে উপভাষা; পাৰস্পৰিক বোধগম্যতা, ব্যক্তি ভাষা, মান্য ভাষা, পৰিস্থিতি নির্ধাৰক ভাষা

অধ্যায় ১৪ ঃ **সমাজ ভাষা-বিজ্ঞান** **১৯০-২০৬**
সমাজ ভাষা-বিজ্ঞান

প্রসঙ্গ পুথি **২০৭-২১০**

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বৰ্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্ৰমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্ৰদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। ইয়াৰে চতুৰ্থ ষাণ্মাসিকত বুনিয়াদী পাঠ্যবিষয় হিচাপে "ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান" শীৰ্ষক এইখন পাঠ্যবিষয় অধ্যয়নৰ বাবে নিৰ্বাচিত কৰি দিয়া হৈছে। এইখন ষষ্ঠ পাঠ্যবিষয়। পাঠ্যবিষয়টিত ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। পাঠ্যবিষয়খন অধ্যয়ন কৰি আপুনি ভাষা-বিজ্ঞানৰ লগত সম্পৰ্কিত বিভিন্ন দিশ সম্পৰ্কে গভীৰ ধাৰণা লাভ কৰিব।

আমি সকলোৱেই জানো যে জীৱশ্ৰেষ্ঠ মানুহৰ মূল সম্পদ হৈছে ভাষা। সামাজিক প্ৰাণী হিচাপে মানুহ চিন্তা-ভাৱনা কৰিব পৰা শক্তিৰ অধিকাৰী আৰু এজনে আনজনৰ লগত ভাব বিনিময় কৰোঁতে যি মাধ্যমৰ ব্যৱহাৰ কৰে তাকেই ভাষা বুলি অভিহিত কৰা হয়। সম্প্ৰতি পৃথিৱীত প্ৰায় ৬,৫০০ মান ভাষাৰ প্ৰচলন আছে। এই ভাষাসমূহক বিভিন্ন বৈশিষ্ট্য তথা বিশেষত্বৰ আধাৰত শ্ৰেণীভুক্ত কৰি আলোচনা কৰা হয়। উদাহৰণস্বৰূপে আমি অসমীয়া ভাষাটোৰেই কথা ক'ব পাৰোঁ। ইতিমধ্যে আপুনি অধ্যয়ন কৰি আহিছে যে অসমীয়া ভাষা 'ইণ্ডো-ইউৰোপীয় ভাষা' পৰিয়ালৰ অন্তৰ্ভুক্ত। এই পাঠ্যবিষয়খনত ভাষাৰ বৰ্গীকৰণ কেনেদৰে কৰা যায়, পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল, ভাষাৰ লক্ষণ আৰু প্ৰকৃতি, ভাষাৰ বিভিন্ন ৰূপ, ভাষাৰ বিভিন্ন পৰিৱৰ্তন, ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। ভাষা-বিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ সম্পৰ্কেও বহলাই আলোচনা দাঙি ধৰি সমগ্ৰ পৃথিৱীত ভাষা-বিজ্ঞান চৰ্চাৰ আৰম্ভ কেনেদৰে হৈছিল আৰু বৰ্তমান ইয়াৰ স্থিতি কেনে সেই বিষয়েও আলোচনা দাঙি ধৰা হৈছে।

এই গোটেইকেইটা বিষয়বস্তু সৰ্বমুঠ চৌধ্যটা অধ্যায়ত সজোৱা হৈছে। ইয়াৰে প্ৰথমটো অধ্যায়ত ভাষা মানে কি সেই বিষয়ে চমুকৈ আলোচনা কৰি ভাষাক কেনেদৰে বৰ্গীকৰণ কৰিব পাৰি, তাৰ শ্ৰেণীবিভাজন সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। ইতিমধ্যে আপুনি জ্ঞাত যে পৃথিৱীত প্ৰচলিত ভাষাসমূহক কেইবাটাও ভাষা-পৰিয়ালত অন্তৰ্ভুক্ত কৰি আলোচনা কৰা হয়। পূৰ্বৱৰ্তী ষাণ্মাসিকত এই বিষয়ে কিছু কথা অধ্যয়ন কৰি আহিছে যদিও এই পাঠ্যবিষয়খনৰ দ্বিতীয়টো অধ্যায়ত সেয়া পুনৰুক্তি কৰা হ'ল আপোনাৰ অধ্যয়ন অধিক বিস্তৃত কৰাৰ বাবে।

তৃতীয়টো অধ্যায়ৰ শিৰোনাম হৈছে — ভাষাৰ লক্ষণ আৰু প্ৰকৃতি। অধ্যায়টোত ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা আলোচনা দাঙি ধৰি জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক কি সেয়া বিশ্লেষণ কৰা গৈছে । ভাষা-বিজ্ঞান চৰ্চাৰ ইতিহাস— শীৰ্ষক চতুৰ্থটো অধ্যায়ত পৃথিৱীৰ বিভিন্ন ঠাইত অতীজতে কেনেধৰণৰ ভাষা-চৰ্চা হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰি সাম্প্ৰতিক সময়ত ভাষা-বিজ্ঞান চৰ্চা কেনেদৰে হৈ আছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। আমি জানোঁ যে কোনো এটা ভাষাৰ বিভিন্ন ৰূপৰ প্ৰচলন থাকে আৰু সেইবোৰৰ মাজত কিছু মিল-অমিল পৰিলক্ষিত হয়। সমাজত প্ৰচলিত ভাষাৰ বিভিন্ন ৰূপ সম্পৰ্কে আমি পাঠ্যবিষয়খনৰ পঞ্চমটো অধ্যায়ত বহলাই সন্নিৱিষ্ট কৰিছোঁ।

ষষ্ঠ অধ্যায়টোৰ শিৰোনাম হ'ল — ভাষাৰ পৰিৱৰ্তন। ভাষাই কেনেদৰে পৰিৱৰ্তন লাভ কৰে, তাৰ কাৰণসমূহ; লগতে পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে এই অধ্যায়টিত আলোচনা দাঙি ধৰা হৈছে। পাঠ্যবিষয়ৰ সপ্তম অধ্যায়টোত ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। ভাষা সদায় পৰিৱৰ্তনশীল। বিভিন্ন সময়ত বিভিন্ন কাৰণত পৰিৱৰ্তিত একোটা ভাষাক ভাষা-বিজ্ঞানীসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসঙ্গিকতা স্বীকাৰ কৰি আহিছে আৰু সেয়েহে ভাষা অধ্যয়নৰ বিষয় আৰু পদ্ধতি অনুসৰি ভাষা-বিজ্ঞানক কিছুমান শাখাত বিভক্ত কৰা দেখা যায়। এই অধ্যায়টোত সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিৰ শিৰোনাম — ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা।

পাঠ্যবিষয়টিৰ অষ্টম অধ্যায়ৰ শিৰোনাম হৈছে— ভাষা-বিজ্ঞান অধ্যয়ন ঃ বিভিন্ন স্তৰ। ইয়াত ভাষাবিজ্ঞানে স্বীকৃতি দিয়া ভাষা বিশ্লেষণৰ চাৰিটা স্তৰৰ কথা আলোচনা কৰা হৈছে। সেই স্তৰকেইটা হৈছে ক্ৰমে— ধ্বনিৰ স্তৰ বা ধ্বনিতত্ত্ব, ৰূপৰ স্তৰ বা ৰূপতত্ত্ব, অৰ্থৰ স্তৰ বা অৰ্থতত্ত্ব আৰু বাক্যৰ স্তৰ বা বাক্যতত্ত্ব। নৱম অধ্যায়ত— ধ্বনিতত্ত্ব মতে ধ্বনি মানে কি, ধ্বনিতত্ত্ব মানে কি সেই সম্পৰ্কে আলোচনা কৰাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ পৰিচয় দাঙি ধৰি স্বৰধ্বনি, ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ভাষা বিশ্লেষণৰ আন এটা উপাদান হ'ল — 'ৰূপতত্ত্ব'। ৰূপতত্ত্ব সম্পৰ্কে পাঠ্যবিষয়খনৰ দশম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। ভাষা-বিজ্ঞান অধ্যয়নৰ আন এটা স্তৰ অৰ্থতত্ত্ব সম্পৰ্কে একাদশ অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে। সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলি ক'লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে য'ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়।

পাঠ্যবিষয়টিৰ দ্বাদশ অধ্যায় — 'বাক্যতত্ত্ব' মানে কি, বাক্যতত্ত্বৰ লগত সম্পর্কিত প্ৰায় আটাইবোৰ দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। ত্ৰয়োদশ অধ্যায়ৰ শিৰোনাম হৈছে 'উপভাষা বিজ্ঞান'। ইয়াত ভাষা আৰু উপভাষাৰ চমু পৰিচয় প্ৰদানৰ লগতে দুয়োটাৰে মাজত থকা সম্পৰ্ক, উপভাষাৰ গঠন, ব্যক্তি ভাষা আৰু মান্য ভাষা ইত্যাদি নানান দিশৰ আলোচনা সামৰা হৈছে। পাঠ্যবিষয়টিৰ শেষৰটো অধ্যায় 'সমাজ ভাষা-বিজ্ঞান'ত আপুনি সমাজ ভাষা-বিজ্ঞান সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ভাষাৰ বৰ্গীকৰণ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাষাৰ বৰ্গীকৰণ

১.৩.১ বংশানুক্রমিক বা ঐতিহাসিক বৰ্গীকৰণ

১.৩.২ আকৃতিমূলক বা বাক্যৰীতিগত ৰূপতত্ত্বানুগত বৰ্গীকৰণ

১.৪ অধ্যায়টিৰ আমি কি শিকিলোঁ

১.৫ অধিক জানিবলৈ

১.৬ অগ্রগতিৰ খতিয়ান

১.৭ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৃথিৱীৰ বিভিন্ন ভাষাক বিভিন্ন শ্রেণীত বিভক্ত কৰাৰ পদ্ধতিসমূহৰ যথাযথ ব্যাখ্যা আগবঢ়াবলৈ সমর্থ হ'ব
- ভাষাৰ আকৃতিমূলক, ঐতিহাসিক, ভৌগোলিক বৰ্গীকৰণৰ দ্বাৰা নির্ণীত ভাষা পৰিয়ালসমূহৰ বিষয়ে বিশ্লেষণ দাঙি ধৰিবলৈ সমর্থ হ'ব
- পৃথিৱীৰ অবর্গীকৃত বা গোষ্ঠী বহির্ভূত ভাষাবোৰৰ সৈতে পৰিচিত হোৱাৰ সুবিধা পাব।

১.২ পৰিচয়

এইটো 'ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান' শীর্ষক পাঠ্যবিষয়খনৰ প্রথম অধ্যায়। আপুনি জানে যে জীৱশ্রেষ্ঠ মানুহৰ শ্রেষ্ঠ সম্পদ হৈছে ভাষা। মানুহ সামাজিক প্রাণী। মানুহ চিন্তা-ভাৱনা কৰিব পৰা শক্তিৰ অধিকাৰী। এই চিন্তা-ভাৱনাক যেতিয়া আন কোনো এজনৰ আগত প্রকাশ কৰাৰ প্রয়োজনীয়তা অনুভৱ হয় তেতিয়া আৱশ্যক হয় এটা মাধ্যমৰ। ভাষা হ'ল এনে এটা মাধ্যম। পৰিৱর্তনশীলতা ভাষাৰ স্বাভাৱিক ধর্ম। স্থান, কাল আৰু পাত্র ভেদে ভাষাৰ ৰূপ ভিন ভিন হয়। ভাষাৰ এনে ৰূপ কিছুমান হ'ল — ব্যক্তিভাষা, উপভাষা, মান্যভাষা, কথিত আৰু লিখিত ভাষা, মাতৃভাষা, দ্বিতীয় ভাষা, ৰাজ্যভাষা, ৰাষ্ট্রভাষা, আন্তঃৰাষ্ট্রীয় ভাষা ইত্যাদি।

ভাষাৰ লগত জাতি-সমাজ আৰু সংস্কৃতিৰো পাৰস্পৰিক সম্পর্ক আছে। সমাজ গঠনৰ প্রাথমিক চর্তই হৈছে ভাষা। একোখন সমাজৰ বিবিধ সামাজিক সংগঠনৰ প্রতিফলন ঘটে ভাষাৰ

মাজেদিয়েই। সেইদৰে সংস্কৃতিও মূৰ্ত হৈ উঠে ভাষাৰ যোগেদি। এখন ঠাইত থকা ভিন্ন সংস্কৃতি সম্পন্ন লোকে যদি একেটা ভাষাকে কয় তেতিয়া সেই ভাষাটোৱেই তেওঁলোকৰ নিজ নিজ সংস্কৃতি প্ৰকাশৰ মাধ্যম হয়। তেনেদৰে জাতিৰ লগত ভাষাৰ পোনপটীয়া সম্পৰ্ক নাই কাৰণ একে জাতিৰ নহ'লেও কোনো এক ভৌগোলিক পৰিবেষ্টনৰ জনসমষ্টিয়ে একেটা ভাষাকে কয়। এই সম্পৰ্কে কিছু কথা ইতিমধ্যে আপুনি দ্বিতীয় আৰু তৃতীয় যাণ্মাসিকত অধ্যয়ন কৰি আহিছে। সেই অধ্যয়নৰ পৰা আপুনি নিশ্চয় অৱগত হৈ আহিছে যে পৃথিৱীত বিভিন্ন ভাষাৰ প্ৰচলন হৈ আছে।

পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ মাজত অনেক সাদৃশ্যও আছে আৰু অনেক বৈসাদৃশ্যও আছে। ভাষাসমূহৰ স্বকীয় বৈশিষ্ট্য, সাদৃশ্য-বৈসাদৃশ্য আদিৰ ভিত্তিত ভাষাবিজ্ঞানীসকলে এইসমূহক এটা শৃংখলাৰ মাজলৈ আনি শ্ৰেণীবদ্ধ কৰে। পৃথিৱীৰ ভাষাসমূহক এনেদৰে শ্ৰেণীবদ্ধ কৰাকে ভাষাৰ বৰ্গীকৰণ বোলে। ভাষাক শ্ৰেণীবদ্ধ কৰিবলৈ চেষ্টা কৰাৰ ফলত ভাষাৰ বৰ্গীকৰণৰ কেইবাটিও পদ্ধতি প্ৰতিষ্ঠিত হয়। যেনে— ঐতিহাসিক, আকৃতিমূলক, ভৌগোলিক, নৃতাত্ত্বিক আদি। এই পদ্ধতিবোৰৰ সহায়ত পৃথিৱীৰ বুকুত থকা প্ৰায়বোৰ ভাষাক একোটাহঁত পৰিয়ালৰ অন্তৰ্ভুক্ত কৰা হয়। এই অধ্যায়টোত মূলতঃ কেনেদৰে ভাষাৰ বৰ্গীকৰণ কৰা হয় সেই বিষয়েহে বহলাই আলোচনা কৰা যাব। পৰৱৰ্তী অধ্যায়ত পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰা হ'ব।

১.৩ ভাষাৰ বৰ্গীকৰণ

পৃথিৱীত অসংখ্য ভাষাৰ প্ৰচলন আছে। এই ভাষাবোৰক ভাষাতাত্ত্বিক পণ্ডিতসকলে এটা শৃংখলাৰ মাজলৈ আনিবলৈ বিভিন্ন প্ৰকাৰে শ্ৰেণীভুক্তকৰণ বা বৰ্গীকৰণৰ প্ৰয়াস কৰি আহিছে। পৃথিৱীত প্ৰচলিত ভাষাবোৰৰ ভিতৰত কোনো এটা ভাষাৰ আন এটাৰ লগত মিল নাই। ভাষাগত স্বকীয়ত্বৰ হেতুকেই ভাষাবোৰে বিভিন্ন নাম পায়। ভাষাবোৰৰ মাজত ভিন্নতা থাকিলেও কেতবোৰ ভাষাৰ মাজত উমৈহতীয়া বৈশিষ্ট্য কিছুমান লক্ষ্য কৰা যায়। কিছুমান ভাষাৰ সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰি পণ্ডিতসকলে কিছুমান ভাষাক একে মূলৰ পৰা উদ্ভৱ হোৱা বুলি মত পোষণ কৰিছে। এনেদৰে বৈচিত্ৰ্যপূৰ্ণ ভাষাবোৰক শৃংখলাবদ্ধ ৰূপ দিবলৈ ভাষাবিজ্ঞানীসকলে, বিশেষকৈ ঐতিহাসিক ভাষাতাত্ত্বিকসকলে ঊনবিংশ শতিকাতে যি চেষ্টা কৰিছিল তাৰ পৰিণতিস্বৰূপে ভাষাৰ বৰ্গীকৰণৰ কেইবাটাও পদ্ধতিৰ সৃষ্টি হয়। সেইবোৰৰ ভিতৰত আকৃতিমূলক বৰ্গীকৰণ, ঐতিহাসিক বৰ্গীকৰণ, ভৌগোলিক বৰ্গীকৰণ, প্ৰৰূপাত্মক বৰ্গীকৰণ, নৃতাত্ত্বিক বৰ্গীকৰণ বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ ভিতৰত ঐতিহাসিক আৰু আকৃতিমূলক বৰ্গীকৰণকে বিজ্ঞানসন্মত বুলি ধৰি লোৱা হৈছে।

ভৌগোলিক পদ্ধতি অনুযায়ীও ভাষাৰ বৰ্গীকৰণ কৰা হয়। কিছুমান ভাষাক বংশগত বা আকৃতিমূলক পদ্ধতিৰ সহায়ত আলোচনা কৰিব নোৱাৰি। এটা নিৰ্দিষ্ট ভৌগোলিক আৱেষ্টনীত প্ৰচলিত ভাষাবোৰক ভৌগোলিক পদ্ধতি অনুযায়ী শ্ৰেণীবিভাজন কৰা হয়। বিশেষকৈ যিবোৰ

ঠাইৰ ভাষাৰ অধ্যয়ন এতিয়ালৈকে সূচাৰুৰূপে হোৱা নাই তাত এই পদ্ধতি ব্যৱহাৰ কৰা হয়। কোনো কোনো পণ্ডিতে ভৌগোলিক পদ্ধতিৰ বাস্তৱ ভিত্তি নাই বুলি মত পোষণ কৰিছে। কাৰণ ভাষা এটা নির্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত আবদ্ধ হৈ নাথাকে। ই আন আন ঠাইতো সিঁচৰতি হৈ পৰে। কিন্তু মূলতঃ আদিম অধিবাসীৰ মাজত প্ৰচলিত ভাষাসমূহক ভৌগোলিক বৰ্গীকৰণৰ পদ্ধতিৰে বিশ্লেষণৰ আওতালৈ অনা হৈছে। এনে কেইটামান ভাষাগোষ্ঠী হ'ল —

ক) আমেৰিকাৰ আদিম ভাষাবৰ্গ

খ) আফ্ৰিকাৰ আদিম ভাষাবৰ্গ

গ) অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ

ঘ) প্ৰত্ন-এছীয় বা হাইপোৰীয় বা উত্তৰ-পূব-সীমান্তীয় ভাষাবৰ্গ।

ভাষাৰ বৰ্গীকৰণৰ আন এটা পদ্ধতি হ'ল— প্ৰৰূপাত্মক বৰ্গীকৰণ। এই বৰ্গীকৰণত কোনো এটা ভাষাৰ বৈশিষ্ট্যৰ আলোচনা কৰা হয়। উদাহৰণস্বৰূপে— কোনো এটা ভাষাত মাত্ৰ তিনিটা বিশিষ্ট স্বৰধ্বনি থাকিব পাৰে, যেনে— ই, আ, উ। সেইদৰে আন এটা ভাষাত আকৌ পাঁচোটা বিশিষ্ট স্বৰধ্বনি থাকিব পাৰে; যেনে— ই, এ, আ, ও, উ। কেতিয়াবা কোনো ভাষাত মহাপ্ৰাণ ধ্বনিৰ প্ৰাধান্য দেখা যায় আৰু কোনো ভাষাত মহাপ্ৰাণ ধ্বনিৰ ব্যৱহাৰ একেবাৰে নাই। যেনে— সংস্কৃত ভাষাত দন্ত্য, মূৰ্ধণ্য, অল্পপ্ৰাণ, মহাপ্ৰাণ ধ্বনিৰ উপৰি নাসিক্যধ্বনি পাঁচোটা আছে। অসমৰ বড়ো-শাখাৰ অন্তৰ্গত বৰো ভাষাত মহাপ্ৰাণ ধ্বনিৰ ব্যৱহাৰ আছে কিন্তু একেটা শাখাৰে দেউৰী ভাষাত মহাপ্ৰাণ ধ্বনি এটাও নাই। অবিভাজ্য ধ্বনিৰ ফালৰ পৰাও ভাষাৰ বৈশিষ্ট্য ধৰা পৰে। ইংৰাজী ভাষাত বলাঘাত বিশিষ্ট ধ্বনি। তেনেদৰে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ বেছি ভাগ ভাষাত সুৰ বিশিষ্ট ধ্বনি। ৰূপ ৰচনাৰ ক্ষেত্ৰতো ভাষাৰ সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। নির্দিষ্টতাবাচক প্ৰত্যয় অসমীয়া ভাষাৰ এটা সুকীয়া বৈশিষ্ট্য। হিন্দী ভাষাৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে লিঙ্গবোধ। ইয়াৰ যিকোনো এটা শব্দ পুৰুষবাচক বা স্ত্ৰীবাচক হ'ব পাৰে। আৰু লিঙ্গ অনুযায়ী ক্ৰিয়াৰূপ আৰু বিশেষণৰ ৰূপৰ সালসলনিও হয়। বাক্য ৰচনাৰ ক্ষেত্ৰতো ভাষাৰ সুকীয়া বৈশিষ্ট্য ধৰা পৰে। ইংৰাজী ভাষাত ক্ৰিয়া ৰূপ নাথাকিলে বাক্য গঠন হ'ব নোৱাৰে। কিন্তু অসমীয়াত পাৰে। যেনে — তোমাৰ নাম কি? এনেদৰে প্ৰৰূপাত্মক বৰ্গীকৰণত ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হয়।

আনহাতে একোটা মানৱ গোষ্ঠীৰ পৰা এটি ভাষা-গোষ্ঠীৰ উদ্ভৱ হোৱা ধাৰণা এটাৰে এচাম ভাষাবিদে নৃতাত্ত্বিত বৰ্গীকৰণৰ ধাৰণা এটি সৃষ্টি কৰিছিল যদিও সেয়া বাস্তৱসন্মত নহয় বুলি অতি সহজেই অনুধাৱন কৰিব পাৰি। কাৰণ মানৱ সমাজৰ ইতিহাসে প্ৰমাণ কৰিছে যে এটা ভাষা কোৱা লোকৰ মাজত বিভিন্ন মানৱ গোষ্ঠীৰ লোক থাকিব পাৰে, ঠিক তেনেদৰে এটা মানৱ গোষ্ঠীৰ অন্তৰ্গত লোকেও বিভিন্ন ভাষা ক'ব পাৰে। এনে মিশ্ৰণ পৃথিৱীৰ ভাষাবোৰৰ ক্ষেত্ৰত স্বাভাৱিক, গতিকে অমিশ্ৰিত ভাষা গোষ্ঠী দেখিবলৈ পোৱা নাযায়। সেই কাৰণে নৃতাত্ত্বিক বৰ্গীকৰণৰ যোগেদি ভাষাৰ আলোচনাৰ কোনো ভিত্তি নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোন দুটা ভাষা বৰ্গীকৰণ পদ্ধতিক বিজ্ঞানসন্মত বুলি বিবেচনা কৰা হয়?

.....

প্রশ্ন নং ২ ঃ নৃতাত্ত্বিক বৰ্গীকৰণৰ যোগেদি ভাষাৰ আলোচনাৰ কোনো ভিত্তি নাই বুলি কিয় কোৱা হয় চমুকৈ লিখক। (৭০-৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

১.৩.১ বংশানুক্রমিক বা ঐতিহাসিক বৰ্গীকৰণ

কিছুমান ভাষাৰ ধ্বনি, ৰূপ, অর্থ আৰু শব্দভাণ্ডাৰ আদিৰ আন কিছুমান ভাষাৰ লগত সাদৃশ্য থকা দেখা যায়। এনেদৰে সাদৃশ্য থকা ভাষাসমূহৰ মাজত ঐতিহাসিক সম্বন্ধ থকা বুলি ধৰি লোৱা হয়। ইয়াৰ ওপৰত ভিত্তি কৰি ভাষাৰ যি শ্রেণীবিভাজন কৰা হয় তাকে ঐতিহাসিক বৰ্গীকৰণ বোলে। ইয়াৰ আন নাম বংশানুক্রমিক বৰ্গীকৰণ। ১৭৮৬ চনত কলিকতাৰ মহামান্য বিচাৰপতি ছাৰ উইলিয়াম জ'নছে ৰয়েল এছিয়াটিক ছ'চাইটিৰ এখন সভাত প্রথমবাৰৰ বাবে সংস্কৃত, গ্রীক, লেটিন, ইংৰাজী আদি ভাষাৰ মাজত সাদৃশ্য থকা কথাটো উলিয়ায়। এই সূত্র ধৰি পৰৱর্তী সময়ত শ্লেগেল, হামব'ল্ট, গ্রিম, শ্লেইচাৰ আদি পণ্ডিতে ঐতিহাসিক ভাষাতত্ত্বৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰে আৰু ইয়াৰ আধাৰত পৃথিৱীৰ বিভিন্ন ভাষাক একোটাহঁত পৰিয়ালৰ অন্তর্গত বুলি ঠাৱৰ কৰা হয়। একে ভাষা কোৱা মানৱ-গোষ্ঠী যেতিয়া বিভিন্ন অঞ্চলত সুকীয়াকৈ বসবাস কৰিবলৈ লয় তেতিয়া বিভিন্ন কাৰণত তেওঁলোকে কোৱা মূল ভাষাটোৰ সুকীয়া ৰূপ এটা গঢ় লৈ উঠে। তথাপিতো একে উৎসৰ পৰা ওলোৱা ভাষাবোৰৰ মাজত ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্য গঠন প্রণালীৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ 'মা' শব্দটো ইংৰাজীত Mother, জার্মানীত Mutter, ওলন্দাজীত Moeder, ইটালীত Modre, ফৰাচীত Mire, স্পেনীয়ত Madre আৰু ৰুছ ভাষাত

Mat ৰূপে ব্যৱহাৰ কৰা হয়। এই 'মা' শব্দটোৰ পূৰ্বৰ ৰূপ চাবলৈ গ'লে সংস্কৃতত mata, গ্ৰীকত mater আৰু লেটিনত mater ৰূপত পোৱা যায়। ভাষাবিজ্ঞানীসকলে ইউৰোপৰ পৰা এছিয়া পৰ্যন্ত প্ৰচলিত এই ভাষাবোৰৰ আদি মূল একে বুলি সিদ্ধান্ত লৈ এটা নিৰ্দিষ্ট গোষ্ঠী বা বংশৰ অন্তৰ্ভুক্ত কৰি তাৰ নাম ইণ্ডো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষা গোষ্ঠী নাম দিছে। এনেদৰে চীন-তিব্বতীয়, চেমীয়-হামীয়, অষ্ট্ৰিক, দ্ৰাবিড়, উৰাল-আলটাই, ককেছীয়, এস্কিমো, উত্তৰ-পূব সীমান্তীয়, বান্টু আদি ভাষা পৰিয়াল গঢ় লৈ উঠিছে। ঐতিহাসিক বা বংশানুগত বৰ্গীকৰণ আসোঁৱামুক্ত নহ'লেও অন্যান্য পদ্ধতিতকৈও বিজ্ঞানসন্মত বুলি বিবেচনা কৰা হৈছে।

১.৩.২ আকৃতিমূলক বা বাক্যৰীতিগত ৰূপতত্ত্বানুগত বৰ্গীকৰণ

আকৃতিমূলক বৰ্গীকৰণত ভাষাৰ ৰূপ গঠন আৰু বাক্যগঠন আদিৰ আলোচনা কৰা হয়। এই বৰ্গীকৰণত ভাষাৰ প্ৰাচীন ইতিহাস বা তুলনামূলক আলোচনাৰ পৰিবৰ্তে ভাষাৰ গঠন পদ্ধতিৰ ওপৰত গুৰুত্ব দিয়া হয়। সেই বাবেই ইয়াক ৰূপতত্ত্বানুগত বৰ্গীকৰণ বুলিও অভিহিত কৰা হয়। সকলো ভাষাৰেই মূল একক বাক্য। বাক্যত ব্যৱহৃত শব্দৰ পাৰস্পৰিক সম্বন্ধ বা পদৰ বিন্যাস কেনেধৰণৰ হয় আৰু বাক্যবোৰ ভাষাত কিদৰে সংযুক্ত হয় তাক বিচাৰ কৰি পৃথিৱীৰ অসংখ্য ভাষা এটা শৃংখলালৈ অনাৰ উদ্দেশ্যতে এই ধৰণৰ বৰ্গীকৰণ প্ৰচলন হৈছিল। ই প্ৰকৃততে বৰ্ণনামূলক পদ্ধতি। ভাষাৰ গাঠনিক দিশৰ প্ৰতি লক্ষ্য কৰি বৰ্ণনামূলক ভাষাবিজ্ঞান প্ৰতিষ্ঠানে বহু বছৰ আগতেই ভাষাবোৰক বৰ্গীকৰণ কৰাৰ চেষ্টা তাৎপৰ্যপূৰ্ণ বুলি মত পোষণ কৰিছে। আউগুষ্ট ৰন শ্লেগেলে পোন প্ৰথমে এই বৰ্গীকৰণৰ সূচনা কৰিছিল। বাক্যৰ উপাদান শব্দ আৰু অৰ্থৰ ভিত্তিত পৃথিৱীৰ ভাষাসমূহক প্ৰধানতঃ তিনি শ্ৰেণীত ভাগ কৰিছিল —

(ক) বিশ্লিষ্ট বা অৱস্থানিক (Analytical)

(খ) শ্লিষ্ট বা প্ৰত্যয়ান্বয়ী (Synthetic)

(খ)অশ্লিষ্ট বা মুক্তান্বয়ী (Agglutinating)

ইয়াৰ পৰৱৰ্তী কালত উইলহেলেম ৰন হামবোল্ট, ফ্ৰিয়োড্ৰিখ মেক্সমূলাৰ আৰু অন্যান্য ভাষাতাত্ত্বিকৰ দ্বাৰা এই বিভাগৰ বৰ্গীকৰণ অধিক বিশ্লেষণাত্মক হৈ উঠিছিল আৰু ভাষাৰ বৰ্গীকৰণৰ এক প্ৰধান বিভাগ হিচাপে স্বীকৃত হৈছিল। আকৃতিমূলক বৰ্গীকৰণৰ দুটা ভাগ—

- অযোগাত্মক বা অৱস্থানিক
- যোগাত্মক বা সংশ্লেষণাত্মক

এই ভাগ দুটাৰ আকৌ কেইবাটাও উপভাগ আছে। সেই আটাইবোৰ আকৃতিমূলক বৰ্গীকৰণত আলোচনা কৰা হয়।

➢ *অযোগাত্মক বা অৱস্থানিক ঃ* অযোগাত্মক বৰ্গীকৰণত ভাষাবোৰত ব্যৱহৃত শব্দৰ আভ্যন্তৰীণ বা বাহ্যিক পৰিৱৰ্তন হোৱাৰ পৰিৱৰ্তে কেৱল অৱস্থানৰ দ্বাৰাই বাক্যৰ অর্থ প্রকাশিত হয়। শব্দৰ স্থান অনুযায়ী বাক্যত ভিন ভিন অর্থ প্রকাশ হয়। স্থান বিশেষে একোটা শব্দ বিশেষ্য, বিশেষণ অথবা ক্রিয়া-বিশেষণ ৰূপে ব্যৱহৃত হ'ব পাৰে। যেনে— Ram beats Shyam. Shyam beats Ram. এই বাক্য দুটাত ৰাম আৰু শ্যাম শব্দ দুটাৰ স্থানৰ পৰিৱৰ্তনৰ ফলত অর্থৰ সালসলনি ঘটিছে। বিভক্তি বা প্রত্যয়ৰ সংযোগত শব্দৰ ৰূপ সাধন নহয় বাবে একেটা শব্দৰ পৰা বেলেগ বেলেগ শব্দৰ সৃষ্টি হ'ব নোৱাৰে। সেইবাবে এনেকুৱা ভাষাত শব্দৰ পৰিমাণ কম পোৱা যায়। চীনীয় আৰু চুডানীয় শাখাৰ ভাষাসমূহ এই শ্রেণীৰ অন্তর্গত।

➢ *যোগাত্মক বা সংশ্লেষণাত্মক ঃ* যোগাত্মক বৰ্গীকৰণত ভাষাৰ বাক্যত ব্যৱহৃত শব্দৰ সৈতে প্রত্যয়/বিভক্তি যোগ হৈ অথবা শব্দৰ আভ্যন্তৰীণ পৰিৱৰ্তন হৈ বাক্যৰ অর্থ পৰিস্ফুট হয়। পদবিন্যাসৰ ওপৰত নির্ভৰ কৰি যোগাত্মক বৰ্গীকৰণৰ ভাষাসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে। যেনে—

- ❍ প্রশ্লিষ্ট
- ❍ অশ্লিষ্ট
- ❍ শ্লিষ্ট

❍ প্রশ্লিষ্ট ঃ কিছুমান ভাষাত বিভিন্ন শব্দ মিলি একাকাৰ হৈ একোটা নতুন শব্দৰ সৃষ্টি হয় আৰু তাকেই বাক্যৰূপে ব্যৱহাৰ কৰা হয়, তেনেকুৱা ভাষাক প্রশ্লিষ্ট ভাষাৰ অন্তর্ভুক্ত কৰা হয়। এনেদৰে বিভিন্ন শব্দ যোগ হওঁতে প্রত্যেক শব্দৰ এক বা একাধিক অক্ষৰ বিলুপ্ত হয় আৰু তাৰ দ্বাৰাই বৃহৎ শব্দ সৃষ্টি কৰি বাক্য গঠন কৰে। প্রশ্লিষ্ট যোগাত্মক ভাষাৰ দুটা ভাগ পোৱা যায়। এটা হৈছে পূর্ণ প্রশ্লিষ্ট আৰু আনটো হৈছে আংশিক প্রশ্লিষ্ট। পূর্ণ প্রশ্লিষ্ট ভাষাত বিভিন্ন শব্দ একাকাৰ হৈ এক শব্দীয় বাক্যৰ সৃষ্টি হয়। যেনে— গ্রীনলেণ্ডৰ ভাষা। আনহাতে আংশিক প্রশ্লিষ্ট ভাষাত সকলো শব্দ একাকাৰ হৈ নাযায় যদিও, আংশিকভাৱে তেনে লক্ষণ দেখা যায়। ইয়াৰ উদাহৰণ হৈছে বাস্ক ভাষা।

❍ অশ্লিষ্ট ঃ যোগাত্মক ভাষাৰ ভিতৰত অশ্লিষ্ট বর্গ বিস্তৃতভাৱে প্রচলিত। অশ্লিষ্ট ভাষাবোৰত বচন-লিংগ-কাৰক আৰু কাল বুজাবলৈ শব্দমূল বা ধাতুৰ লগত প্রত্যয় বা বিভক্তি জাতীয় ৰূপ লগ লাগে। অশ্লিষ্ট ভাষাৰ ভিতৰত তুর্কী ভাষাৰ উদাহৰণ এটা লোৱা হ'ল—

এৱ	ঃ	ঘৰ
এৱ-লেৰ্	ঃ	ঘৰবোৰ
এৱ-লেৰ্-ইম্	ঃ	মোৰ ঘৰবোৰ
এৱ-লেৰ্-ইম্-দেন্	ঃ	মোৰ ঘৰবোৰৰ পৰা

অশ্লিষ্ট ভাষাত বচন, লিংগ আৰু কাৰকবাচক প্ৰত্যয় অথবা বিভক্তিবোৰ কেতিয়াবা শব্দৰ আগত, কেতিয়াবা পিছত আৰু কেতিয়াবা মাজতো ব্যৱহাৰ হয়। সেই অনুসৰি এই বৰ্গৰ ভাষাক চাৰিটা শাখাত ভাগ কৰা হয়।

(ক) পূৰ্বসৰ্গীয় অশ্লিষ্ট ঃ এই শাখাত প্ৰত্যয় বা বিভক্তি সদায় মূল শব্দৰ আগত বহে। বাণ্টু ভাষা-পৰিয়াল ইয়াৰ অন্তৰ্গত।

(খ) পৰসৰ্গীয় অশ্লিষ্ট ঃ এই শাখাত প্ৰত্যয় আৰু বিভক্তি মূল শব্দৰ পিছত যোগ হয়। দ্ৰাবিড় ভাষা-পৰিয়াল ইয়াৰ অন্তৰ্গত।

(গ) পূৰ্বসৰ্গীয়-পৰসৰ্গীয় অশ্লিষ্ট ঃ এই শাখাত প্ৰত্যয় আৰু বিভক্তি ভাষাৰ মূল শব্দৰ আগত আৰু পিছত যুক্ত কৰি শব্দ সাধন কৰা হয়। এই শাখাৰ অন্তৰ্গত ভাষা-পৰিয়াল হ'ল অষ্ট্ৰোনেচীয় বা মালয়ী পলিনেচীয়।

(ঘ) আংশিক অশ্লিষ্ট ঃ এই শাখাত মূল শব্দৰ লগত যুক্ত প্ৰত্যয় বা বিভক্তিয়ে সাধাৰণতে মূল শব্দ ৰূপান্তৰিত নকৰে। কিন্তু কেতিয়াবা মূল শব্দ ৰূপান্তৰিত হোৱাও দেখা যায় বাবে ইয়াক আংশিক অশ্লিষ্ট বুলি কোৱা হয়। পলিনেচীয় আৰু ককেছীয় ভাষা-পৰিয়াল এই শাখাৰ অন্তৰ্গত।

❍ শ্লিষ্ট বৰ্গ ঃ এই বৰ্গৰ অন্তৰ্গত ভাষাত ধাতু আৰু শব্দৰ লগত বিভিন্ন প্ৰত্যয় আৰু বিভক্তি যোগ কৰি নতুন শব্দৰ সৃষ্টি কৰা হয়। যোগ হোৱা প্ৰত্যয় আৰু বিভক্তিবোৰ স্বতন্ত্ৰ ৰূপত ব্যৱহাৰ কৰিব নোৱাৰি। ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ ভাষাবোৰ ইয়াৰ অন্তৰ্গত।

শ্লিষ্ট বৰ্গৰ ভাষাবোৰক দুটা ভাগত ভাগ কৰা হয়। অন্তৰ্মুখী শ্লিষ্ট আৰু বহিৰ্মুখী শ্লিষ্ট। অন্তৰ্মুখী শ্লিষ্ট ভাষাবোৰত প্ৰত্যয় আৰু বিভক্তিসমূহ শব্দৰ মাজত মিলি থাকে। ইয়াৰ ভিতৰত ছেমীয়হেমীয় ভাষা-পৰিয়াল অন্তৰ্গত। আনহাতে বহিৰ্মুখী শ্লিষ্ট ভাষাত প্ৰত্যয় আৰু বিভক্তিসমূহ শব্দৰ বাহিৰত যুক্ত হৈ থাকে। ভাৰত-ইউৰোপীয় ভাষা-পৰিয়াল ইয়াৰ অন্তৰ্গত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বংশানুক্ৰমিক বৰ্গীকৰণ কাক বোলে?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ আকৃতিমূলক বৰ্গীকৰণৰ ভাগ দুটা কি কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ যোগাত্মক বৰ্গীকৰণৰ ভাষাসমূহক কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

.....

.....



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৃথিৱীত প্ৰচলিত বিভিন্ন ভাষাক শৃংখলাবদ্ধ ৰূপ দিবলৈ চেষ্টা কৰাৰ ফলত ভাষাৰ বৰ্গীকৰণৰ কেইটামান পদ্ধতিৰ সৃষ্টি হৈছে।
- ঐতিহাসিক বৰ্গীকৰণ আৰু আকৃতিমূলক বৰ্গীকৰণকে বিজ্ঞানসন্মত বুলি মানি লোৱা হৈছে।
- আকৃতিমূলক বৰ্গীকৰণৰ দুটা ভাগ আছে— অযোগাত্মক আৰু যোগাত্মক। এই দুটা ভাগৰ আকৌ কিছুমান উপভাগ আছে। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।



১.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) ডেকা, খগেশ সেন (২০০২); *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) ঠাকুৰ নগেন আৰু খগেন সেন ডেকা (সম্পা) (২০০০) ঃ *ভাষা-চিন্তা-বিচিত্ৰা*; গুৱাহাটী ঃ পূৰ্বেৰুণ।

৫) ঠাকুৰ, নগেন (১৯১৯) ঃ *পৃথিৱীৰ বিভিন্ন ভাষা*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৭) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৮) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৯) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব*; গুৱাহাটী ঃ বনলতা।

১০) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

১১) ৰাভা হাকাচাম, উপেন (২০০০) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ হাকাচাম ৰামছাদাম।



১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক আৰু আকৃতিমূলক বর্গীকৰণকে বিজ্ঞানসন্মত বুলি ধৰি লোৱা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ একোটা মানৱ গোষ্ঠীৰ পৰা এটি ভাষা-গোষ্ঠীৰ উদ্ভৱ হোৱা ধাৰণা এটাৰে এচাম ভাষাবিদে নৃতাত্ত্বিত বর্গীকৰণৰ ধাৰণা এটি সৃষ্টি কৰিছিল যদিও সেয়া বাস্তৱসন্মত নহয় বুলি অতি সহজেই অনুধাৱন কৰিব পাৰি। কাৰণ মানৱ সমাজৰ ইতিহাসে প্রমাণ কৰিছে যে এটা ভাষা কোৱা লোকৰ মাজত বিভিন্ন মানৱ গোষ্ঠীৰ লোক থাকিব পাৰে, ঠিক তেনেদৰে এটা মানৱ গোষ্ঠীৰ অন্তর্গত লোকেও বিভিন্ন ভাষা ক'ব পাৰে। এনে মিশ্রণ পৃথিৱীৰ ভাষাবোৰৰ ক্ষেত্রত স্বাভাৱিক, গতিকে অমিশ্রিত ভাষা গোষ্ঠী দেখিবলৈ পোৱা নাযায়। সেই কাৰণে নৃতাত্ত্বিক বর্গীকৰণৰ যোগেদি ভাষাৰ আলোচনাৰ কোনো ভিত্তি নাই।

৩ নং প্রশ্নৰ উত্তৰ ঃ কিছুমান ভাষাৰ ধ্বনি, ৰূপ, অর্থ আৰু শব্দভাণ্ডাৰ আদিৰ আন কিছুমান ভাষাৰ লগত সাদৃশ্য থকা দেখা যায় আৰু এনেদৰে সাদৃশ্য থকা ভাষাসমূহৰ মাজত ঐতিহাসিক সম্বন্ধ থকা বুলি ধৰি লোৱা হয়। ইয়াৰ ওপৰত ভিত্তি কৰি ভাষাৰ যি শ্রেণীবিভাজন কৰা হয় তাকে ঐতিহাসিক বর্গীকৰণ বা বংশানুক্রমিক বর্গীকৰণ বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আকৃতিমূলক বর্গীকৰণৰ দুটা ভাগ—অযোগাত্মক বা অৱস্থানিক আৰু যোগাত্মক বা সংশ্লেষণাত্মক।

৫ নং প্রশ্নৰ উত্তৰ ঃ পদবিন্যাসৰ ওপৰত নির্ভৰ কৰি যোগাত্মক বর্গীকৰণৰ ভাষাসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে। যথা — প্রশ্লিষ্ট, অশ্লিষ্ট আৰু শ্লিষ্ট।



১.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষাৰ বর্গীকৰণ কিয় কৰা হয়?

খ) প্ৰৰূপাত্মক বৰ্গীকৰণ কাক বোলে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) প্ৰৰূপাত্মক বৰ্গীকৰণত ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হয়।

খ) যোগাত্মক ভাষাৰ ভিতৰত অশ্লিষ্ট বৰ্গ বিস্তৃতভাৱে প্ৰচলিত।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষাৰ বৰ্গীকৰণ কেনেদৰে কৰা হয়? ইয়াৰ পদ্ধতি সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(ক) প্ৰশ্লিষ্ট (খ) অযোগাত্মক বা অৱস্থানিক

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঐতিহাসিক বৰ্গীকৰণ আৰু আকৃতিমূলক বৰ্গীকৰণ সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাষাৰ বৰ্গীকৰণৰ সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ আকৃতিমূলক বৰ্গীকৰণত ভাষাৰ অধ্যয়ন কিহৰ ভিত্তিত কেনেদৰে কৰা হয় আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ঐতিহাসিক আৰু আকৃতিমূলক বৰ্গীকৰণক আন পদ্ধতিসমূহতকৈ কিয় বিজ্ঞানসন্মত বুলি গ্ৰহণ কৰা হৈছে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ চমু পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ পৃথিৱীৰ ভাষা-পৰিয়াল

২.৩.১ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী

২.৩.২ ছেমীয়-হেমীয় ভাষাগোষ্ঠী

২.৩.৩ তিব্বত-চীনীয় ভাষাগোষ্ঠী

২.৩.৪ অষ্ট্রিক ভাষাগোষ্ঠী

২.৩.৫ দ্রাবিড় ভাষাগোষ্ঠী

২.৩.৬ ইউৰাল-আলটাই ভাষাগোষ্ঠী

২.৩.৭ ককেছীয় ভাষাগোষ্ঠী

২.৩.৮ এস্কিমো বা পৰিয়াল বৰ্হিভূতভাষা

২.৪ গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভাষা-পৰিয়াল মানেনো কি, এই ভাষা-পৰিয়ালবোৰ কি কি —এই সম্পর্কে জানিব পাৰিব
- প্রতিটো ভাষা-পৰিয়ালৰ সাধাৰণ পৰিচয় লাভ কৰিব
- গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা সম্পর্কে সম্যক ধাৰণা আহৰণ কৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ভাষাৰ বর্গীকৰণ সম্পর্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে কেনেদৰে ভাষাৰ বর্গীকৰণ কৰা হয় সেই বিষয়ে অৱগত হ'ল। তদুপৰি দ্বিতীয় ষাণ্মাসিকৰ পাঠ্যবিষয়তে আপুনি অধ্যয়ন কৰি আহিছে যে সমগ্র পৃথিৱীত প্রচলিত ভিন ভিন ভাষাসমূহক

বিভিন্ন বৈশিষ্ট্যৰ আধাৰত কেইবাটাও ভাষাগোষ্ঠীত বিভাজন কৰি আলোচনা কৰা হৈছে। পৃথিৱীৰ ভাষাসমূহক যিকেইটা প্ৰধান ভাষাগোষ্ঠী বা ভাষা পৰিয়ালত ভাগ কৰা হৈছে সেইকেইটাৰ ভিতৰত সৰ্ববৃহৎ ভাষাগোষ্ঠীটো হ'ল 'ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠী'।

এই অধ্যায়টিত আপুনি পৃথিৱী জুৰি থকা বিভিন্ন ভাষাৰ মূল কি বা সেই ভাষাসমূহ কি ভাষাগোষ্ঠীৰ অন্তৰ্গত— সেই বিষয়ে আভাস লাভ কৰিব। বিভিন্ন ভাষাৰ পৰিচয় লাভ কৰি আপুনি উপকৃত হোৱাৰ লগতে পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ বৈশিষ্ট্যপূৰ্ণ দিশৰ লগতো অধ্যায়টিৰ জৰিয়তে পৰিচিত হ'ব পাৰিব।

২.৩ পৃথিৱীৰ ভাষা-পৰিয়াল

পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি থকা মানুহৰ মাজত বিভিন্ন ভাষাৰ প্ৰচলন আছে। এই ভাষাবোৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ। কিন্তু ভাষা বৰ্গীকৰণৰ বিবিধ ধাৰাৰ আধাৰেৰে বিশ্লেষণ কৰিলে দেখা যায় যে এনে দুটা বা ততোধিক ভাষাৰ মূল একেটাই। পৃথিৱীৰ ভাষাসমূহৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে ভাষাবিজ্ঞানীসকলে বিভিন্ন পদ্ধতি আৰু বৌদ্ধিক কৌশলৰ ব্যৱহাৰ কৰি আহিছে। এনে প্ৰচেষ্টাৰ ফলতে ভাষা-পৰিয়াল (Language Family) ধাৰণাৰ বিকাশ হয়। অৰ্থাৎ— ধ্বনিগত, ৰূপগত, শব্দগত, বাক্য গঠনগত আদি বিভিন্ন দিশত মিল থকা ভাষাবোৰৰ ঐতিহাসিক অধ্যয়নৰ দ্বাৰা সেই ভাষাবোৰৰ মূল যদি একেটাই বুলি প্ৰতিপন্ন কৰিব পাৰি, তেন্তে সেই ভাষাসমূহক এটা গোট বা পৰিয়াল হিচাপে ধৰা হয়। পৃথিৱীৰ প্ৰায় চাৰি হাজাৰ ভাষাক এনেদৰে মুঠ ৮টা ভাগত ভাগ কৰা হৈছে। এই ভাষা পৰিয়াল কেইটা হ'ল—

ক) ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়াল (Indo-European)

খ) ছেমীয়-হেমীয় (Semetic Hamitic)

গ) চীন-তিব্বতীয় (Sina-Tibetan)

ঘ) অষ্ট্ৰিক (Austric)

ঙ) দ্ৰাবিড় (Dravidian)

চ) ইউৰাল-আলটাই (Ural-Altaie)

ছ) ককেছীয় (Caucasian)

জ) এস্কিমো (Eskimo)

ওপৰত উল্লেখ কৰা এই সমূহেই হৈছে পৃথিৱীৰ প্ৰধান ভাষা-পৰিয়াল। তাৰ উপৰি আমেৰিকা, অষ্ট্ৰেলিয়া, আফ্ৰিকা, এছিয়াৰ উত্তৰ-পূব সীমান্তত কিছুমান ভাষা আছে যিবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ নাই। এই ভাষাবোৰৰ মাজত যথেষ্ট বৈচিত্ৰ্য থকা বাবে কোনো নিৰ্দিষ্ট গোষ্ঠীৰ মাজত সেইবোৰ অন্তৰ্ভুক্ত কৰিব পৰা নাযায়। কেৱল ভৌগোলিক অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি এই ভাষাসমূহক এনেদৰে বিভক্ত কৰা হৈছে—

ক) আমেৰিকাৰ আদিম ভাষাবৰ্গ (American Group of Languages)

খ) আফ্রিকাৰ আদিম ভাষাবৰ্গ (African Languages)

গ) অষ্ট্রেলিয়াৰ আদিম ভাষাবৰ্গ (Australian Languages)

ঘ) উত্তৰ-পূব সীমান্তীয় ভাষা (Palaco-Asiatic or Hyperborean)

কোনো কোনো ভাষাতত্ত্ববিদে এইবোৰৰ উপৰি আন কেইটামান ভাষাগোষ্ঠীৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল— (ক) কোৰীয়া-জাপানী (Korean and Japanese), (খ) আইবেৰীয়-বাস্ক (Ibero-Basque), (গ) আন্দামানী (Andamanese), (ঘ) পাপুয়ান (Papuan), (ঙ) তাস্‌মানীয় (Tasmanian), (চ) সুদানী-গিনীয় (Sudano-Guinean), (ছ) বুশম্যান-হটেণ্টট্ (Bushman-Hottentot), (জ) বুৰুশাস্কী (Burushaski), (ঝ) লা-তি (La-Ti) আদি।

২.৩.১ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী

পৃথিৱীৰ বিভিন্ন ভাষা-পৰিয়ালৰ মাজত প্ৰথমেই উল্লেখযোগ্য পৰিয়াল হ'ল — ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী। কাৰণ এই বংশৰ ভাষাৰ প্ৰাচীন সাহিত্য (সংস্কৃত, গ্ৰীক, লেটিন) অতি সমৃদ্ধ। এই বংশৰ পৰা উদ্ভৱ হোৱা বহুসংখ্যক আধুনিক ভাষাৰ (ইংৰাজী, জাৰ্মান, ফৰাচী, ইটালীয়, বাংলা, হিন্দী আদি) সাহিত্যিক তথা বৈজ্ঞানিক সমৃদ্ধি অতি বিস্ময়কৰ। লগতে এই পৰিয়ালৰ ভাষা-ভাষী জনগোষ্ঠীৰ বহুসংখ্যকে ৰাজনৈতিক তথা অৰ্থনৈতিক প্ৰতিপত্তি লাভ কৰিছে। এইবোৰ কাৰণতে ইণ্ডো-ইউৰোপীয় পৰিয়ালটি পৃথিৱীৰ আনবোৰ ভাষা-পৰিয়ালতকৈ গুৰুত্বপূৰ্ণ। ভাৰতবৰ্ষত প্ৰচলিত বহু ভাষাই এই ভাষা পৰিয়ালটোৰ অন্তৰ্ভুক্ত। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ বিষয়ে দ্বিতীয় ষাণ্মাসিকতে আপুনি বহলাই অধ্যয়ন কৰি আহিছে বাবে ইয়াত বহলাই আলোচনা কৰা নহ'ল। এই অধ্যায়টোৰ বাবেও আপুনি দ্বিতীয় ষাণ্মাসিকৰ পাঠ্যবিষয়খন অধ্যয়ন কৰাটো বাধ্যতামূলক।



চিন্তা-চৰ্চা কৰক — ২.১

ভাৰতত প্ৰচলিত ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাকেইটাৰ পৰিচয় দিয়ক।

.....

.....

.....


২.৩.২ ছেমীয়-হামীয় ভাষাগোষ্ঠী

ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ পিছতেই উল্লেখনীয় ভাষাগোষ্ঠী হ'ল ছেমীয়-

হামীয় ভাষাগোষ্ঠী। এই ভাষাগোষ্ঠীৰ ভাষাসমূহ এছিয়া আৰু আফ্ৰিকাৰ বিশাল অঞ্চলত প্ৰচলিত। ছেমীয়-হামীয় দুটা ভিন্ন ভাষাগোষ্ঠী যদিও দুইটাৰ মাজত পাৰ্থক্যতকৈ সাদৃশ্যৰ পৰিমাণ সৱহ বাবে দুয়োটাকে ভাষাবিদসকলে এটা ভাষাগোষ্ঠী হিচাপে বিবেচনা কৰে।

ছেমীয় শাখাক প্ৰধানতঃ পূৰ্বী আৰু পশ্চিমা এই দুটা উপশাখাত ভাগ কৰা হৈছে। পূৰ্বী শাখাৰ ভাষাসমূহ হ'ল— বেবিলোনীয় (Babylonian), আক্কাডীয় (Akkadian), আচ্ছিৰীয় (Assyrian)। কিন্তু এই ভাষাসমূহ বিলুপ্ত।

চিত্ৰ ২.১ — ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখা



পশ্চিমা উপশাখাৰ ভাষাসমূহৰ ভিতৰত কানানীয় (Canaanite), আৰামীয় (Aramic), আৰবী (Arabic) আৰু আবিছিনীয় (Abyssinian) প্ৰধান। এই পশ্চিমা উপশাখাৰ পৰা বিকাশ লাভ কৰা ভাষাসমূহেই ছেমীয় শাখাৰ প্ৰধান ভাষা। আৰবী (Arabic) ছেমীয় শাখাৰ সৰ্বশ্ৰেষ্ঠ ভাষা। ইছলাম ধৰ্মৰ বাহক আৰবী ভাষা সপ্তম শতিকাৰ পৰা ইউৰোপ, আফ্ৰিকা আৰু এছিয়াৰ বিভিন্ন ঠাইত বিয়পি পৰিছিল। কোৰাণৰ ভাষাই এই ভাষাৰ নিদৰ্শন দাঙি ধৰে।

হামীয় শাখাৰ অন্যতম প্ৰাচীন মিছৰীয় ভাষাৰ সৰ্বপ্ৰাচীন নিদৰ্শন খ্ৰীষ্টপূৰ্ব চাৰি হাজাৰৰ প্ৰত্নলেখৰ মাজত পোৱা গৈছে। কিন্তু এই ভাষা ৰোমান তথা আৰবসকলৰ আক্ৰমণত বিলুপ্ত হৈ পৰে। হামীয় শাখাৰ আন দুটা উপশাখা হ'ল— লিবিকো বেৰ্‌বেৰ্‌ (Libyco-Berber) আৰু কুৰ্চীয় (Kushite)। লিবিকো বেৰ্‌বেৰ্‌ৰ পৰা বিকাশ লাভ

কৰা কাবিলে (Kabyle), শ্বিল্‌হা (Shilha), টুৱাৰেগ (Tuareg) আদি ভাষাসমূহ উত্তৰ আফ্রিকাৰ লিবিয়া, মৰক্কো, ছাহাৰা কানাৰী আদিত প্রচলিত আছে। কুচীয় পৰা বিকাশ লাভ কৰা ভাষা গাল্লা (Galla), ছোমালী (Somali), ছাহো (Saho), বডৌৱে (Badauye) আদি ইথিওপিয়া, ছোমালিলেণ্ড আদিত প্রচলন হৈ আছে।

২.৩.৩ তিব্বত-চীনীয় বা চীন-তিব্বতীয় ভাষাগোষ্ঠী

পৃথিৱীৰ এটি অন্যতম বৃহৎ ভাষাগোষ্ঠী তিব্বত-চীনীয় বা চীন-তিব্বতীয় পূব আৰু দক্ষিণ-পূব এছিয়াৰ বিশাল ভূখণ্ডত প্রচলিত। এই ভাষাগোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ য়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলত আছিল বুলি অনুমান কৰা হয়। তাৰ পৰাই এফালে চীনদেশ আৰু আনফালে ভাৰতবর্ষ, ব্রহ্মদেশ, শ্যামদেশ আদিত বিয়পি পৰে। জাতিগত দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা কোৱা লোকসকল মংগোলীয়। এই ভাষাগোষ্ঠীক প্রধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— ক) তিব্বত-বর্মী আৰু খ) শ্যাম-চীনীয় বা থাই-চীনীয়।

- *তিব্বত-বর্মী ঃ* এই শাখাটোক আকৌ চাৰিটা প্রধান উপশাখাত ভাগ কৰিব পাৰি— হিমালয়ী, উত্তৰ-অসম, অসম-বর্মী আৰু তিব্বতী। হিমালয়ৰ দাঁতিকাষৰ নেপাল, ভূটান, চিকিম আদি ঠাইত হিমালয়ী উপশাখাৰ ভাষা, যেনে— নেৱাৰী, ৰংগ বা লেপ্‌ছা, কানৌৰী, মাগাৰ আদি প্রচলিত হৈ আছে।

  উত্তৰ অসম উপশাখাৰ অন্তর্গত আদি বা আবৰ, মিছিং, অকা, ডফলা, মিছিমি আদি জনগোষ্ঠীৰ ভাষাসমূহ ব্রহ্মপুত্র আৰু ইয়াৰ দাঁতিকাষৰীয়া ঠাইত প্রচলিত।

  অসম-বর্মী উপশাখাৰ ভাষাক বড়ো-নগা, কুকিছীন আৰু বর্মী— এই তিনিটা ভাগত ভগাব পাৰি। বড়ো-নগা দুটা উপশাখাৰ সমষ্টি— বড়ো আৰু নগা। বড়ো উপশাখাৰ বিভিন্ন ভাষাবোৰ হ'ল— বড়ো, ডিমাছা, গাৰো, ৰাভা, চুটিয়া, লালুং, হাজং আদি। সেইদৰে নগা উপশাখাৰ ভাষাবোৰ হ'ল— নগা, বড়ো, পশ্চিম-নগা, মধ্য-নগা, পূব-নগা, নগা-কুকি আদি। কুকী-চীনৰ প্রধানকৈ দুটা শাখা— মেইথেই আৰু মিজো। বর্মী উপশাখাৰ বহুতো উপভাষা আছে যদিও ব্রহ্মদেশত প্রচলিত বর্মীয় (Burmese) ভাষাই প্রধান।

  তিব্বতী উপশাখাৰ ভাষাসমূহ তিব্বত আৰু পশ্চিম হিমালয় অঞ্চলত প্রচলিত আছে। এই উপশাখাৰ ভাষাৰ ভিতৰত তিব্বতত প্রচলিত 'তিব্বতী' বিশেষভাৱে উল্লেখযোগ্য। ভাৰতৰ পশ্চিম-হিমালয় অঞ্চলৰ লাদাখ, বাল্টিস্থান আদিত তিব্বতী উপশাখাৰ ভাষা 'লাদাখী' আৰু 'বাল্টী' প্রচলিত আছে।
- *শ্যাম-চীনীয় বা থাই-চীনীয় ঃ* তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ আন এটা প্রধান শাখা

শ্যাম-চীনীয় বা থাই-চীনীয়ৰ দুটা উপশাখা হ'ল— টাই বা থাই আৰু চীনীয়।

টাই উপশাখাৰ অন্তৰ্গত শ্যামী বা ছিয়ামী বা থাই, লাও, লু, খুন, মিআও, য়াও, শ্বান, আহোম, খামতি, টুৰুং, ফাকিয়াল আদি ভাষা চীনদেশৰ দক্ষিণ অংশ, থাইলেণ্ড, ব্ৰহ্মদেশ, ভাৰতৰ পূব প্ৰান্ত, ছালুইন নৈৰ উপত্যকা অঞ্চল আদি ঠাইত প্ৰচলিত। অৱশ্যে ইয়াৰ কেইটামান ভাষাৰ অস্তিত্ব বৰ্তমান নাই।

টাই ভাষাৰ ভিতৰত থাইলেণ্ডত প্ৰচলিত থাই বা শ্যাম ভাষাত টাই ভাষাৰ বহু বৈশিষ্ট্য ৰক্ষিত হৈছে বাবে ই উল্লেখ্যযোগ্য টাই ভাষা। থাই ভাষাৰ প্ৰাচীন নিদৰ্শন খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত পোৱা হৈছে আৰু তেতিয়াৰ পৰা এই ভাষাৰ ধাৰাবাহিক সাহিত্যৰ ইতিহাস আছে। তাৰ উপৰি থাইলেণ্ডৰ উত্তৰ-পূব অঞ্চল আৰু ছালুইন নৈৰ উপত্যকাৰ টাইসকলৰ মাজত সৰু-সুৰা টাই ভাষাৰ প্ৰচলন আছে। টাইসকলৰ কিছু সংখ্যক ফৈদে ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণেদি সোমাই অসমত 'আহোম' নামেৰে জনাজাত হৈ থিতাপি লয়। খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ আদিভাগত আহোমসকলে ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু ঊনবিংশ শতিকালৈ ৰাজপাট চলায়। এই টাই-আহোম ভাষাগোষ্ঠীয়ে অসমত বসবাস কৰিবলৈ লৈ নিজৰ ভাষা-সংস্কৃতিক পৰিহাৰ কৰি অসমৰ থলুৱা ভাষা-সংস্কৃতি গ্ৰহণ কৰে। ফলত টাই-আহোম ভাষাও লুপ্ত হৈ পৰে। বৰ্তমান বাইলুং, মহন আদি পুৰোহিত শ্ৰেণীয়ে ধৰ্মীয় কাম-কাজত এই ভাষাটো ব্যৱহাৰ কৰে।

টাই গোষ্ঠীৰ আন এটা উপশাখা হ'ল টাই ফাকে বা ফাকিয়াল। এই গোষ্ঠীটোৱে অষ্টাদশ শতিকাৰ শেষভাগত অসমত প্ৰৱেশ কৰি পূব অংশত বসবাস কৰিবলৈ লয়। এওঁলোকৰ মাজত ভাষাটোৰ প্ৰচলন বৰ্তমানেও আছে।

টাই-খামতিসকল অষ্টাদশ শতিকাত উত্তৰ-ব্ৰহ্মদেশৰ ইৰাৱতী নৈৰ উপত্যকাৰ পৰা আহি অসমত সোমাই বুলি অনুমান কৰা হৈছে। অসমৰ পূব অঞ্চল আৰু অৰুণাচলৰ লোহিত জিলাৰ খামতিসকলৰ মাজত নিজা টাই ভাষাৰ প্ৰচলন আছে। বৌদ্ধ ধৰ্মাৱলম্বী খামতিসকলে টাই-খামতি ভাষাত বৌদ্ধ গ্ৰন্থ আৰু বুৰঞ্জী ৰচনা কৰিছে।

টাই-তুৰুং টাই গোষ্ঠীৰ আন এটা শাখা। এই ভাষা কোৱা লোকসকল ঊনবিংশ শতিকাৰ আগভাগত ব্ৰহ্মদেশৰ নাম-তুৰুং নৈৰ উপত্যকাৰ পৰা অসমলৈ আহি গোলাঘাট মহকুমাত বাস কৰিবলৈ লয়।


টাই-আইতন বা আইতনিয়াসকলো ঊনবিংশ শতিকাৰ প্ৰথম ভাগতে ব্ৰহ্মদেশৰ নাম-তায়ুক নদীৰ উপত্যকাৰ পৰা অসমলৈ আহে। এওঁলোকে গোলাঘাট মহকুমাত বসবাস কৰি আছে।

টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খাময়াঙৰ দুটা ফৈদ— নৰা আৰু খামজঙিয়া। কিন্তু বৰ্তমান দুয়োটাৰে ভাষা একে। ব্ৰহ্মদেশৰ মুংকুং ৰাজ্যৰ পৰা নৰাসকল ত্ৰয়োদশ

শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে প্ৰব্ৰজন হৈ থাকে। আকৌ খামজঙিয়াসকল অষ্টাদশ শতিকাৰ মাজভাগত অসমলৈ আহে। যোৱহাট, গোলাঘাট, ডিব্ৰুগড়, অৰুণাচলৰ লোহিত জিলা আদিত টাই-খামযাং ভাষীলোকে বসবাস কৰি আছে। অৱশ্যে অসমীয়া ভাষাই প্ৰাধান্য লাভ কৰাত নিজ ভাষাৰ ব্যৱহাৰ কমি আহিছে।

চীনীয় উপশাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত চীনদেশৰ চীনা (Chinese) ভাষাই প্ৰধান। এই ভাষাৰ নিদৰ্শন খ্ৰীষ্টপূৰ্ব দুহেজাৰ বছৰৰ পূৰ্বৰ প্ৰত্নলিপিৰ মাজত পোৱা গৈছে। 'ৱু', 'মিন', 'কেন্তোনীয়', 'ফুচু' আদি চীনীয়ৰ উপভাষা। চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ ৰেখাচিত্ৰৰ সহায়ত দেখুওৱা হ'ল—

চিত্ৰ ২.২ — তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ





অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ ভাষাসমূহ মূলতঃ কোন কোন অঞ্চলত প্ৰচলিত?

.....

.....

প্ৰশ্ন নং ২ ঃ টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খামযাঙৰ ফৈদ দুটাৰ নাম লিখক।

.....

২.৩.৪ অষ্ট্ৰিক ভাষাগোষ্ঠী

পৃথিৱীৰ বিভিন্ন ভাষা-গোষ্ঠীৰ ভিতৰত অষ্ট্ৰিক অন্যতম ভাষাগোষ্ঠী। অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভাষা পৃথিৱীৰ বিস্তৃত অঞ্চলত প্ৰচলিত। ভাৰত, ব্ৰহ্মদেশ, ইণ্ডোনেছিয়া,

ফিজি, হাৱাই, টাহিটি আদি ঠাইত এই ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা পৰিব্যাপ্ত।

ভাৰতলৈ অষ্ট্ৰিকসকলৰ আগমন সম্পৰ্কে স্পষ্টকৈ একো ক'ব নোৱাৰি যদিও খ্ৰীষ্টপূৰ্ব আঢ়ৈ হেজাৰ মান বছৰৰ আগতে এই ভাষাগোষ্ঠীৰ বিভিন্ন ফৈদৰ প্ৰৱেশ ঘটে। অষ্ট্ৰিকসকলৰ আদিম বাসস্থান সম্পৰ্কে বিভিন্ন পণ্ডিতে ভিন ভিন মত দিছে। কিছুমানৰ মতে তেওঁলোক উত্তৰ ইণ্ডোনেছিয়াৰ লোক আছিল। আন কিছুমানৰ মতে তেওঁলোকৰ আদিম বাসস্থান পশ্চিম এছিয়াত আছিল আৰু তাৰ পৰাই পৃথিৱীৰ বিভিন্ন ঠাইলৈ প্ৰসাৰিত হৈ পৰে। কিন্তু প্ৰকৃততে তেওঁলোক পূব ফালেদিহে ভাৰতত প্ৰৱেশ কৰে। অষ্ট্ৰিক ভাষাগোষ্ঠীক দুটা প্ৰধান শাখাত ভাগ কৰিব পাৰি—

- অষ্ট্ৰ'-এছীয় (Austro-Asiatic)
- অষ্ট্ৰ'নেছীয় (Austronesian)

- *অষ্ট্ৰ'-এছীয় ঃ* এই শাখাক দুটা উপশাখাত ভাগ কৰিব পাৰি। কোল বা মুণ্ডা (Kol or Munda) আৰু মোন-খোমেৰ (Monkhomer)। কোল বা মুণ্ডা উপশাখাৰ অন্তৰ্গত ভাষাসমূহ হ'ল— চাওতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰীয়া, শবৰ, কুৰ্কু আদি। এই ভাষাসমূহ প্ৰধানকৈ ভাৰতবৰ্ষৰ পশ্চিমবংগ, উৰিষ্যা, মধ্যপ্ৰদেশ আদিত প্ৰচলিত। অসমলৈ চাহ উদ্যোগত শ্ৰমিক হিচাপে ব্ৰিটিছসকলে অনা অধিকাংশ শ্ৰমিকেই কোল উপশাখাৰ বিভিন্ন ভাষা কোৱা লোক আছিল। এইসকল লোকে অসমীয়া ভাষা-সংস্কৃতিকেই আকোঁৱালি লৈছে। অৱশ্যে তাৰ মাজতেই নিজৰ ভাষাকো জীয়াই ৰাখিছে।


  মোন-খোমেৰ উপশাখাৰ ভাষাসমূহৰ ভিতৰত নিকোবৰ দ্বীপপুঞ্জৰ নিকোবৰী ভাষা, মেঘালয় ৰাজ্যৰ খাছী আৰু জয়ন্তীয়া বা ছিণ্টেং ভাষা, দক্ষিণ ব্ৰহ্মদেশ আৰু শ্যামদেশৰ মোন বা টাইলুং, উত্তৰ-ব্ৰহ্মদেশৰ পঙ্গি-জেন আৰু ৰা, কম্বোজৰ খমেৰ, ইণ্ডোনেছিয়াৰ স্তিয়েং আৰু বাহনাৰ, মালয়ৰ ছাকায় উল্লেখযোগ্য। মোন ভাষাৰ নিদৰ্শন একাদশ শতিকাৰ শিলালিপিৰ মাজত পোৱা হৈছে আৰু খোমেৰৰ নিদৰ্শন সপ্তম শতিকাৰ শিলালিপিৰ মাজত পোৱা গৈছে।
- *অষ্ট্ৰ'নেছীয় শাখা ঃ* অষ্ট্ৰ'নেছীয়ৰ অন্তৰ্গত ইণ্ডোনেছীয়, মেলানেচীয়, পলিনেছীয়, মেক্ৰোনেছীয় আদি ভাষাসমূহ মালয় দ্বীপপুঞ্জ, ফিলিপাইন দ্বীপপুঞ্জ, মাদাগাস্কাৰ, ফিজি, নিউজিলেণ্ড, ছামোৱা, টোংগা, হাৱাই প্ৰভৃতি ঠাইত প্ৰচলিত আছে।

  ইণ্ডোনেছীয় উপশাখাৰ ভাষাবোৰৰ ভিতৰত মালগাছী, মালয়, যৱদ্বীপীয়, টগ্‌লা ভাষা প্ৰধান। মালয় আৰু সুমাত্ৰাত কোৱা উপভাষাক কেন্দ্ৰ কৰিয়ে ইণ্ডোনেছীয়াৰ ৰাষ্ট্ৰভাষা "Bhasa Indonesia" গঢ়ি উঠিছে। ত্ৰয়োদশ শতিকাত মালয়ীসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ ফলত আৰবী লিপি ব্যৱহাৰ কৰিছিল। কিন্তু পিছলৈ ৰোমান লিপিৰ প্ৰচলন হয়। টগলা ভাষা ফিলিপাইন, ফৰমেছা আদি ঠাইত প্ৰচলিত, যৱদ্বীপত প্ৰচলিত যৱদ্বীপীয় ভাষা সাহিত্য-সম্পদেৰে সমৃদ্ধিশালী ভাষা।

এই ভাষাৰ সাহিত্যক ভাৰতীয় সাহিত্যই বিশেষভাৱে প্ৰভাৱিত কৰি আছে। মেলানেছীয় উপশাখাৰ ভাষাসমূহ পাপুৱা আৰু নিউজিলেণ্ডৰ মাজৰ দ্বীপপুঞ্জত প্ৰচলিত। পলিনেচীয় উপশাখাৰ ভিতৰুৱা ছামোৱা, টোংগা, মাওৰী, টাহিটীয় আদি অন্যতম ভাষা। মেক্ৰোনেছীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহ ফিজিকে ধৰি বিভিন্ন সৰু সৰু দ্বীপত প্ৰচলিত আছে।

অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভাষাসমূহৰ পাৰস্পৰিক সম্বন্ধ তলত দিয়া ধৰণেৰে দেখুৱাব পাৰি—

চিত্ৰ ২.৩ — অষ্ট্ৰিক ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ



২.৩.৫ দ্ৰাবিড় ভাষাগোষ্ঠী

পৃথিৱীৰ ভাষা-গোষ্ঠীসমূহৰ ভিতৰত দ্ৰাবিড় ভাষাগোষ্ঠীও অন্যতম। এই ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহৰ কেন্দ্ৰভূমি হ'ল ভাৰতবৰ্ষৰ দক্ষিণাংশ। তাৰ বাহিৰেও পাকিস্তানৰ অন্তৰ্গত বেলুচিস্থানৰ পাৰ্বত্য অঞ্চলত আৰু শ্ৰীলংকাৰ উত্তৰাংশত এই গোষ্ঠীৰ দুই-এটা ভাষাৰ প্ৰচলন আছে।

দ্ৰাবিড়সকল খ্ৰীষ্টপূৰ্ব ৩০০০-৩৫০০ বছৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকল নিশ্চিত। তেওঁলোকৰ বহু পিছতহে আৰ্যসকল ভাৰতলৈ আহিছিল। এই ভাষা-পৰিয়াল সম্পৰ্কত বিভিন্ন পণ্ডিতে ভিন্ন মত দিছে। বিখ্যাত ভাষাবিদ পাটেৰ স্মিডটে অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গৰ লগত দ্ৰাবিড় ভাষাৰ সম্বন্ধৰ কথা উল্লেখ কৰিছে আৰু অষ্ট্ৰেলিয়াৰ পৰাই দ্ৰাবিড়সকল ভাৰতলৈ আহিছিল বুলি অনুমান কৰিছে। ৰবাৰ্ট কডৱেলে ইউৰাল-আলটাই ভাষা-পৰিয়ালৰ লগত দ্ৰাবিড় ভাষাৰ সম্পৰ্ক থকা বুলি উল্লেখ কৰিছে। আকৌ কোনো কোনো ভাষাবিদে ফিন্নো-উগ্ৰীয়ৰ লগত এই ভাষাগোষ্ঠীৰ

সম্বন্ধ দেখুৱাব খোজে। কিন্তু হৰপ্পা আৰু মহেঞ্জোদাৰোত আৱিষ্কৃত হোৱা ধ্বংসাৱশেষে দ্রাবিড়সকলৰ অতীত সম্পর্কে নতুনকৈ আলোকপাত কৰিলে। দ্রাবিড়সকলেই যে ভাৰতত নাগৰিক সভ্যতাৰ সৃষ্টি কৰিলে সেয়া হৰপ্পা, মহেঞ্জোদাৰোত আৱিষ্কৃত ধ্বংসাৱশেষে প্রমাণ কৰিছে। প্রথম অৱস্থাত উত্তৰত প্রভাৱ বিস্তাৰ কৰা দ্রাবিড়সকলে পিছত অহা আর্যসকলৰ দ্বাৰা বিতাড়িত হৈ দক্ষিণ ভাৰতত থিতাপি লয়।

দ্রাবিড়সকল ভাৰতলৈ কেতিয়া, ক'ৰ পৰা আহিছিল সেই সম্পর্কে ভিন্ন মত আগবঢ়োৱা দেখা যায়। সুনীতি কুমাৰ চট্টোপাধ্যায়ে ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা দ্রাবিড়সকল ভাৰতলৈ অহাৰ প্রমাণ দেখুৱাইছে। তেওঁৰ মতে পূব ভূমধ্যসাগৰীয় অঞ্চলৰ লীছিয়াৰ লোকসকলে নিজকে 'তৃম্মিলি' (Tammili) বুলি পৰিচয় দিছিল। খ্রীষ্টপূর্ব পঞ্চম শতিকাৰ গ্রীক্-ঐতিহাসিক হিৰোডোটাছে এই নাম 'তের্মিলাই' (Termilai) বুলি লিখিছিল। পূব ভূমধ্যসাগৰৰ অঞ্চলৰ পৰা অহা আদিম দ্রাবিড়সকলে এই নামো তেওঁলোকৰ লগতে ভাৰতলৈ লৈ আনে আৰু পৰৱর্তীকালত এই নামৰ পৰাই সংস্কৃতত দ্রমিল, দ্রবিড় বা দ্রাবিড় নামৰ উৎপত্তি হয়।

আনুমানিক খ্রীষ্টপূর্ব তিনি হাজাৰ মান বছৰৰ পূর্বতে পূব ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা ইৰাক-ইৰাণৰ মাজেদি দ্রাবিড়সকল আহি বেলুছিস্থান, পঞ্জাব, সিন্ধু আদিত উপস্থিত হয়। তাৰ পিছত আর্যসকলৰ আগমনৰ ফলত উত্তৰ-পশ্চিম ভাৰতৰ পৰা বিতাড়িত হৈ বিন্ধ্য পর্বতৰ দক্ষিণত আশ্রয় লয়।

দ্রাবিড়সকল অষ্ট্রিকসকলতকৈ বহু উন্নত আছিল। বিবিধ কৃষি-কর্ম, পশু-পালন, ধাতুনির্মিত অস্ত্র-শস্ত্রৰ ব্যৱহাৰ, সুন্দৰ নগৰ, দূর্গ, নাও আদি নির্মাণ কার্যৰ দ্বাৰা দ্রাবিড়সকলৰ সভ্যতাৰ স্পষ্ট চানেকী দাঙি ধৰিছে।

দ্রাবিড়ী ভাষাসমূহক তিনিটা প্রধান শাখাত ভাগ কৰিব পাৰি— ক) দ্রাবিড় শাখা, খ) অন্ধ্র বা আন্ধ্র শাখা আৰু গ) উত্তৰ-পশ্চিম শাখা।

➢ *দ্রাবিড় শাখা ঃ*

- তামিল (Tamil) ঃ দ্রাবিড় ভাষাৰ প্রাচীনতম নিদর্শন তামিল ভাষাত পোৱা যায়। এই ভাষাৰ সাহিত্যিক ঐতিহ্য প্রায় দুহেজাৰ বছৰ পুৰণি। মূল দ্রাবিড় ভাষাৰ পৰা এই ভাষা কেতিয়া সুকীয়া ৰূপত গঢ় লৈ বিকশিত হয় তাৰ সুনির্দিষ্ট প্রমাণ পোৱা নাযায় যদিও এই ভাষাত মূল-দ্রাবিড়ৰ বহু বৈশিষ্ট্য ৰক্ষিত হৈছে। ভাৰতৰ দক্ষিণ অঞ্চল আৰু শ্রীলংকাৰ উত্তৰাংশতো তামিল ভাষাৰ প্রচলন আছে। বর্তমান ভাৰত চৰকাৰে তামিল ভাষাক 'শাস্ত্রীয় ভাষা' (Classical Language)-ৰ মর্যাদা দিছে।
- মালয়ালম (Malayalam) ঃ তামিল ভাষাৰ পিছতে দ্রাবিড় শাখাৰ উল্লেখযোগ্য ভাষা হ'ল মালয়ালম। এই ভাষা ভাৰতৰ কেৰল প্রদেশত ঘাইকৈ প্রচলিত যদিও লক্ষদ্বীপতো ইয়াৰ প্রচলন আছে। প্রাচীন তামিল ভাষা কেৰল পর্যন্ত

বিয়পি আছিল। কালক্রমত সেই প্রদেশত সুকীয়া বৈশিষ্ট্যৰে মালয়ালম ভাষা গঢ়ি উঠে। চতুর্দশ শতিকাৰ পৰা এই ভাষাৰ সাহিত্যিক প্রবাহ আৰম্ভ হয়। মালয়ালম ভাষাৰ তিনিটা ৰূপ দেখা যায়— এটা সংস্কৃত ভাষাৰ ব্যাপক প্রভাৱ পৰা মালয়ালম ভাষা; এটা বিশুদ্ধ মালয়ালম ভাষা আৰু তামিল প্রভাৱিত মালয়ালম ভাষা। ত্রয়োদশ শতিকাৰ অন্তিম ভাগত ৰচিত ৰামায়ণমূলক সাহিত্যৰ মাজত মালয়ালমৰ প্রাচীন নিদর্শন পোৱা যায়।

- কাণাড়া (কন্নড়) (Kannara) ঃ দ্রাবিড় শাখাৰ আন এটা উল্লেখযোগ্য ভাষা হ'ল কাণাড়া বা কন্নড় ভাষা। এই ভাষা দাক্ষিণাত্যৰ পশ্চিম-দক্ষিণ অঞ্চল আৰু মহিশুৰত প্রচলিত। এই ভাষা প্রাচীন নিদর্শন খ্রীষ্টিয় পঞ্চম শতিকাৰ প্রাচীন শিলালিপিৰ মাজত পোৱা যায়। নৱম শতিকাৰ মাজভাগত ৰচিত 'কবিৰাজ মার্গ' এই ভাষাৰ প্রাচীনতম পুথি। কন্নড় ভাষাত মালয়ালমৰ দৰে সংস্কৃত ভাষাৰ প্রভাৱ লক্ষ্য কৰা যায়।

  দ্রাবিড় শাখাৰ অন্যান্য ভাষাসমূহ হৈছে— টুলু, টোডা, কোডা, কুই, কুঁৰুখ বা ওৰাওঁ, গোণ্ডী আদি। টুলু কাণাড়ী ভাষাৰ এটা উপভাষা। পিছলৈ ই নিজস্ব বৈশিষ্ট্যৰে আত্মপ্রকাশ কৰে। 'কোড়গু' কূর্গ অঞ্চলৰ ভাষা। নীলগিৰি পার্বত্য অঞ্চলৰ বড়্গ, টোডা, কোডা উপজাতিৰ মাজত প্রচলিত ভাষাকেইটা ক্রমে বডগ, টোডা, কোডা। এই তিনিওটাক একেলগে 'নীলগিৰি উপভাষা' বুলিও কোৱা হয়।


➢ *অন্ধ্র শাখা ঃ* অন্ধ্র শাখাৰ প্রধান ভাষা দুটা হ'ল— তেলুগু আৰু কোলাম ভাষা।

- তেলুগু (Telugu) ঃ তেলুগু অন্ধ্র শাখাৰ সর্বশ্রেষ্ঠ ভাষা। দ্রাবিড় গোষ্ঠীৰ ভাষাৰ ভিতৰত এই ভাষা কওঁতাৰ সংখ্যাই সর্বাধিক। ই প্রধানভাৱে অন্ধ্রপ্রদেশৰ ভাষা যদিও মধ্যপ্রদেশ, মহাৰাষ্ট্র আদি অঞ্চলতো ইয়াৰ প্রচলন আছে। এই ভাষাৰ প্রাচীনতম নিদর্শন পোৱা হয় সপ্তম শতিকাৰ শিলালিপিৰ মাজত। কিন্তু সাহিত্যৰ নিদর্শন একাদশ শতিকাৰ পৰাহে পোৱা যায়। একাদশ শতিকাৰ আদিভাগৰ সুপ্রসিদ্ধ কবি নন্নয় ভট্টই *মহাভাৰতৰ* কেইটামান পর্ব অনুবাদ কৰে আৰু সেই অনুবাদেই তেলুগু সাহিত্যৰ প্রাচীন পুথি। প্রাচীন তেলুগুত সংস্কৃতৰ প্রভাৱ গভীৰ। সাহিত্যিক কীর্তিৰ ক্ষেত্রত তামিলৰ পিছতে এই ভাষাৰ স্থান।
- কোলামী (Kolami) ঃ অন্ধ্র শাখাৰ আন এটা ভাষা কোলামী বেৰাৰ অঞ্চলত প্রচলিত। আর্যভাষাৰ অন্তর্গত ভীলিৰ প্রভাৱত এই ভাষা ক্রমান্বয়ে মৃত্যুমুখত পতিত হোৱাৰ উপক্রম ঘটিছে।

➢ *উত্তৰ-পশ্চিম শাখা ঃ* এই শাখাৰ ভাষাৰ ভিতৰত ব্রাহুই ভাষা প্রধান। পাকিস্তানৰ অন্তর্গত বেলুছিস্তানত এই ভাষা প্রচলিত। বর্তমান এই ভাষাৰ ওপৰত ইৰাণী পাস্তু

আৰু বেলুচি ভাষাৰ প্ৰভাৱ বিদ্যমান। এই ভাষা কওঁতাৰ সংখ্যা প্ৰায় তিনি লাখ।

চিত্ৰ ২.৪ — দ্ৰাবিড় ভাষাগোষ্ঠী ভাষাসমূহৰ পাৰস্পৰিক সম্বন্ধ





অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ মোন ভাষা আৰু খোমেৰ ভাষাৰ আদি নিদৰ্শন ক'ত পোৱা গৈছে?

.....

.....

প্ৰশ্ন নং ৪ ঃ দ্ৰাবিড়ী ভাষাসমূহক কেইটা আৰু কি কি প্ৰধান শাখাত ভাগ কৰিব পাৰি?

.....

২.৩.৬ ইউৰাল-আলটাই ভাষাগোষ্ঠী


'ইউৰাল-আল্‌টাই' পৃথিৱীৰ অন্যতম এক প্ৰধান ভাষাগোষ্ঠী। ইউৰোপীয় লেপলেণ্ড, ফিনলেণ্ড, এস্তোনিয়াৰ পৰা হাংগেৰী, বলকান উপদ্বীপৰ ইউৰোপ অংশৰ টুৰস্কৰ পৰা উত্তৰ আৰু মধ্য এছিয়া পৰ্যন্ত এক বিশাল অঞ্চল জুৰি এই ভাষাগোষ্ঠীৰ ভাষাসমূহ প্ৰচলিত আছে। অৱশ্যে ঠাই অনুপাতে এই ভাষা কোৱা লোকৰ সংখ্যা তাকৰ।

ভাষাবিদসকলৰ বহুসংখ্যকে ইউৰাল-আলটাইক দুটা ভিন্ন গোষ্ঠী বুলি ক'ব খোজে। এটা ইউৰাল বা ফিল্লো উগ্ৰীয় গোষ্ঠী আৰু আনটো আল্‌টাই বা তুৰ্কী মংগোল মাঞ্চুগোষ্ঠী। প্ৰথমটোৰ ভিতৰত ফিন্নীয়, এস্তোনীয়, লাপ্পীয়, হাংগেৰীয় আৰু ছাইবেৰীয়ৰ কিছু ভাষা অন্তৰ্গত। আনহাতে তুৰ্কী, টার্টাৰ, উজবেগ মংগোল, মাঞ্চু আদি ভাষা লৈ দ্বিতীয়টো গোষ্ঠী গঠিত। শব্দগত আৰু ধ্বনিগত পাৰ্থক্যৰ ওপৰত ভিত্তি কৰিহে এই দুটা ভাগ কৰা হৈছে। কিন্তু এইটো যুক্তিসংগত হ'ব নোৱাৰে। কিয়নো ভৌগোলিক,

সামাজিক আদি কাৰণত ভাষা এটাৰ মাজত নতুন নতুন বৈশিষ্ট্য দেখা দিয়াটো আচৰিত কথা নহয়। ইউৰাল-আলটাই গোষ্ঠীৰ লোকসকল অঘৰী আছিল বাবে বিভিন্ন ঠাইলৈ প্ৰব্ৰজন কৰোঁতে ভিন্ন লোকৰ সংমিশ্ৰণলৈ আহিছিল। ফলত ভাষাগোষ্ঠীটোৰ ভাষাৰ মাজত বৈসাদৃশ্যই গা কৰি উঠিছিল। হাংগেৰীয় ভাষাৰ লিখিত নিদৰ্শন পোৱা গৈছে ত্ৰয়োদশ শতিকাৰ পৰা। তেনেদৰে মংগোল, তুৰ্কী আদিৰ ষোড়শ, একদশ শতিকামানৰ পৰাহে লিখিত নিদৰ্শন পোৱা গৈছে।

ইউৰাল-আলটাই ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা— ক) ইউৰাল আৰু খ) আলটাই। ইউৰালৰ অন্তৰ্গত ভাষাসমূহক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি— ফিন্নো উগ্ৰীয় আৰু ছামোয়েদ। ফিন্নো উগ্ৰীয়ক আকৌ ফিন্নীয়, উগ্ৰীয় আৰু পেৰমাইন এই তিনিটা উপশাখাত ভাগ কৰিব পাৰি।

চিত্ৰ ২.৫ — ইউৰাল-আলটাই ভাষাগোষ্ঠীৰ ভাষাবোৰৰ সম্পৰ্কৰ ৰেখাচিত্ৰ



ফিন্নীয় উপশাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত ফিনলেণ্ডৰ ভাষা 'ফিন্নীয়', এস্থোনিয়াৰ ভাষা এস্থোনিয়, লিভোনিয়াৰ ভাষা লিভোনীয়, লেপ্‌লেণ্ডৰ ভাষা লাপ্পীয় আদি প্ৰধান। ইয়াৰ ভিতৰত ফিন্‌লেণ্ডৰ ভাষা 'ফিন্নীয়' বিশেষভাৱে উল্লেখযোগ্য। এই ভাষাৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন পোৱা যায় ১৫৪৮ খ্ৰীষ্টাব্দৰ *বাইবেল*ৰ অনুবাদৰ মাজত। এস্থোনিয়াৰ ভাষা 'এস্থোনীয়'ত ষোড়শ শতিকাৰ পৰা সাহিত্য চৰ্চাৰ নিদৰ্শন পোৱা যায়। 'লিভোনিয়' ভাষাৰ ঠাই ক্ৰমশঃ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত লাটভীয় ভাষাই অধিকাৰ কৰিছে।

উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত ওষ্ট্যক, ভোগুল আৰু মেগিয়াৰ বা হাংগেৰীয় ভাষা প্ৰধান। আল্‌টাই শাখাক-প্ৰধানতঃ তুৰ্কী, মংগোল আৰু মঞ্চু এই তিনিটা উপশাখাত ভাগ কৰিব পাৰি। ইয়াৰ ভিতৰত তুৰ্কী উপশাখা উল্লেখযোগ্য। এই ভাষাত

উন্নত সাহিত্যৰ সৃষ্টি হৈছে।

২.৩.৭ ককেছীয় ভাষাগোষ্ঠী

ৰুছ-ছোভিয়েট গণতন্ত্ৰ ৰাজ্যৰ অংশ, আৰ্মেনিয়া মালভূমিৰ উত্তৰে কাস্পিয়ান আৰু কৃষ্ণ সাগৰৰ মাজত অৱস্থিত ককেছাছ পাৰ্বত্য অঞ্চলত ককেছীয়া ভাষাগোষ্ঠীৰ ভাষাসমূহ প্ৰচলিত। ককেছীয়া গোষ্ঠীৰ বিভিন্ন ভাষাৰ ভিতৰত জৰ্জীয়, লেছ্‌ঘীয় আৰু কিৰকাছীয় বিশেষভাৱে উল্লেখযোগ্য।

ককেছীয় গোষ্ঠীক প্ৰধানতঃ ককেছাছ পৰ্বতৰ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দুটা শাখাত ভাগ কৰিছে— ক) উত্তৰ-ককেছীয় আৰু (খ) দক্ষিণ ককেছীয়।

উত্তৰ ককেছীয় শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত কাবাৰডীয়, কিৰকাছীয়, উবিকিছ, লেছ্‌ঘীয় প্ৰধান। দক্ষিণ ককেছীয় শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত জৰ্জিয়াৰ ভাষা জাৰ্জীয় (Georgian) প্ৰধান। সমগ্ৰ ককেছীয় গোষ্ঠীৰ ভিতৰতে এই ভাষাক সৰ্বশ্ৰেষ্ঠ বুলি ক'ব পাৰি। খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা এই ভাষাত সাহিত্য সৃষ্টিৰ নিদৰ্শন পোৱা যায়। আন কেইটামান উল্লেখনীয় ভাষা হ'ল— মিনগ্ৰেলীয়, লাছীছ, ছাভানীয়। মিনগ্ৰেলীয় কৃষ্ণসাগৰৰ পাৰৰ বাটুম অঞ্চলত, লাছীছ এছিয়া মাইনৰৰ আশে-পাশে আৰু ছভানীয় ককেছাছৰ দক্ষিণৰ উচ্চ পাৰ্বত্য অঞ্চলত পোৱা যায়।

২.৩.৮ এস্কিমো

এই ভাষাগোষ্ঠীৰ ভাষাসমূহ গ্ৰীণলেণ্ড, আলাস্কা, আলেউছিয়ান দ্বীপপুঞ্জত প্ৰচলিত। এস্কিমো ভাষাগোষ্ঠীক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— ক) এস্কিমো আৰু খ) আলেউছীয়। এস্কিমো শাখাৰ ভাষাসমূহৰ গ্ৰীণলেণ্ডৰ পৰা আলাস্কা পৰ্যন্ত বিয়পি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ-পূব এছিয়ালৈকে সিঁচৰতি হৈ আছে। আলেউছীয় শাখাৰ ভাষাসমূহ প্ৰধানতঃ আলেউছিয়ান দ্বীপপুঞ্জত প্ৰচলিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত প্ৰধান ভাষা কেইটা কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ ককেছীয় গোষ্ঠীক প্ৰধানতঃ কেইটা আৰু কি কি শাখাত ভাগ কৰিছে?

.....

.....

২.৪ গোষ্ঠী বা পৰিয়াল বহির্ভূত ভাষা

ইতিমধ্যে আলোচনা কৰা গোষ্ঠীভুক্ত ভাষাসমূহৰ উপৰি এনে কিছুমান ভাষা আছে যিবিলাক ভাষাক কোনো ভাষা-পৰিয়ালৰ ভিতৰত অন্তর্ভুক্ত কৰিব নোৱাৰি। সেই ভাষাসমূহক গোষ্ঠী বহির্ভূত ভাষা বুলি কোৱা হয়। এনে ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পর্ক নির্ণয় কৰাটো অতি জটিল কাম। এনে ভাষাৰ প্রত্যেকতে সুকীয়া ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য বিদ্যমান। আদিম অধিবাসী আৰু অঘৰী লোকসকলৰ মাজত এই ভাষাবোৰ প্রচলিত। ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি এই ভাষাবোৰ আলোচনা কৰা হয়। এই সমূহ হ'ল —

- আমেৰিকাৰ আদিম ভাষাবর্গ
- আফ্রিকাৰ আদিম ভাষাবর্গ
- অষ্ট্রেলিয়াৰ আদিম ভাষাবর্গ
- উত্তৰ-পূৱ সীমান্তীয় ভাষাবর্গ

- **আমেৰিকাৰ আদিম ভাষাবর্গ ঃ** ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, উত্তৰ আমেৰিকা, মধ্য-আমেৰিকা আৰু দক্ষিণ আমেৰিকাত 'আমেৰিকাৰ আদিম ভাষাবর্গ'ৰ ভাষা প্রচলিত। এই ঠাইসমূহত বাস কৰি থকা আদিম অধিবাসীসকলৰ ভাষা বাৰশমান আছে আৰু সেইবোৰৰ মাজত পার্থক্য ইমানেই বেছি যে প্রত্যেকেই একোটা গোষ্ঠী বুলি ক'ব পাৰে। কিন্তু ইমানবোৰ বৈসাদৃশ্যৰ মাজতো সাদৃশ্য এটাই যে— এই ভাষাসমূহ বাক্যগঠনৰ দিশত পৰা সংযোগাত্মক। এই ভাষাবর্গক ভৌগোলিক অৱস্থানৰ ওপৰত ভিত্তি কৰি তিনিটা প্রধান ভাগত ভাগ কৰিব পাৰি— কানাডা আৰু যুক্তৰাষ্ট্রত প্রচলিত ভাষা, মেক্সিকো আৰু মধ্য আমেৰিকাত প্রচলিত ভাষা আৰু দক্ষিণ-আমেৰিকাত প্রচলিত ভাষা।

  কানাডা আৰু যুক্তৰাষ্ট্রত প্রচলিত ভাষাসমূহ হ'ল— আল্‌গোন-কিন্, হোকা, ইৰোক্‌ৱা, আঠাবাছকান, হাইভা আদি। এই ভাষাসমূহৰ প্রত্যেকৰে উপভাষা আছে।

  মেক্সিকো আৰু মধ্য-আমেৰিকাৰ ভাষাসমূহৰ হ'ল— কুইছুৱা, আৰাৱাক, কাৰিব, গে, টোছোন আদি। এই প্রত্যেকটো ভাষাৰ উপভাষা আছে।

- **আফ্রিকাৰ আদিম ভাষাবর্গ ঃ** আফ্রিকা মহাদেশৰ আদিম জাতিসমূহৰ মাজত অসংখ্য ভাষা প্রচলিত আছে আৰু এইবোৰৰ মাজত ইমানেই অসামঞ্জস্য যে এইবোৰক এটা ভাষা পৰিয়ালত অন্তর্ভুক্ত কৰিব নোৱাৰি। তথাপি ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পর্কৰ ভিত্তিত ভাষাবোৰক তিনিটা ভাগত ভাগ কৰা হৈছে — বাণ্টু (Bantu), বুশ্‌মান (Bushman) আৰু ছুডানীয় (Sudanese)।

  ➢ *বাণ্টু ঃ* দক্ষিণ-অফ্রিকাৰ এক বিশাল ভূ-খণ্ডত এই ভাষা প্রচলিত। ই পূর্ব-যোগাত্মক। ইয়াৰ অন্তর্গত ভাষাসমূহ হ'ল— স্বাহিলী (Swahili), ঝুলু (Zulu), কাফিৰ (Kafir), বেম্‌বা (Bemra), টোংগা (Tonga), গাণ্ডা (Ganda) আদি।

- *বুশ্‌মান ঃ* আফ্রিকাৰ দক্ষিণ-পশ্চিমত বাস কৰা বুশ্‌মান জাতিৰ মাজত এই ভাষা প্রচলিত। ইয়াৰ দুটা শাখা— বুশ্‌মান আৰু হোত্তেনটোট।
- *ছুডানীয় ঃ* এই শাখাৰ অন্তর্গত ভাষাবোৰ হ'ল মান-ফু, নগোনকে, কানুৰী, নিলোতীয়, হাউছা, বাণ্টুয় আদি। এই ভাষাসমূহৰ আকৌ কেইবাটাও উপভাষা আছে।

- **অষ্ট্রেলিয়াৰ আদিম ভাষাবর্গ ঃ** অষ্ট্রেলিয়াৰ নিউগিনি, ৰাউ, টোলো, টাৰেনেট আদি দ্বীপত আৰু ছোলোমোন দ্বীপপুঞ্জৰ অঞ্চল বিশেষত এই বর্গৰ পাঁচশমান ভাষাৰ প্রচলন আছে। এই ভাষাবর্গৰ ভাষাসমূহক দুটা ভাগত ভাগ কৰিব পাৰিব— উত্তৰ-অষ্ট্রেলীয় আৰু দক্ষিণ অষ্ট্রেলীয়। এই ভাষাসমূহ প্রধানতঃ যোগাত্মক শ্রেণীৰ।
- **উত্তৰ-পূব সীমান্তীয় ভাষা ঃ** এছিয়াৰ উত্তৰ-পূব সীমান্তীয় অঞ্চলত কিছু সংখ্যক লোকৰ মাজত প্রচলিত ভাষাসমূহক উত্তৰ-পূব সীমান্তীয় ভাষা বোলে। এই ভাষাবোৰকো ভৌগোলিক অৱস্থানৰ ওপৰত ভিত্তি কৰি আলোচনা কৰা হৈছে। এই ভাষাসমূহক প্রধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— য়ুকাগিৰ আৰু ছুক্‌ছী। য়ুকাগিৰ অন্তর্গত ভাষাবোৰ উত্তৰ-পূব এছিয়াৰ সীমান্ত অঞ্চলৰ 'য়াকুট' নামৰ অঘৰী জাতিৰ মাজত প্রচলিত।

কোনো কোনো ভাষাতত্ত্ববিদে এইবোৰৰ উপৰি আন কেইটামান ভাষাগোষ্ঠীৰ কথা উল্লেখ কৰাৰ প্রসংগ ইতিমধ্যে আমি উত্থাপন কৰি আহিছোঁ। অৱশ্যে সেই ভাষাসমূহৰ মাজৰ সৰহ সংখ্যক ভাষাই বিলুপ্তপ্রায়। আলোচনাৰ সুবিধাৰ বাবে সেই ভাষাসমূহৰ কিছুমানক প্রাচীন স্তৰৰ ভাষা আৰু অন্য কিছুমানক আধুনিক স্তৰৰ ভাষা হিচাপে ভাগ কৰা হয়।

প্রাচীন স্তৰৰ ভাষাসমূহৰ সৰহভাগেই নদী উপত্যকাক কেন্দ্র কৰি গঢ়ি উঠিছিল। বিভিন্ন প্রত্নলেখ আৰু শিলালেখৰ পৰা এই ভাষাসমূহৰ অস্তিত্ব গম পোৱা যায়। এই ভাষাসমূহ হৈছে ক্রমে প্রাচীন মেচোপটেমিয়াত উদ্ভৱ হোৱা চুমেৰীয় ভাষা, সিন্ধু উপত্যকাত মহেঞ্জোদাৰো, পূব মেচোপটেমিয়াত মিটান্নি, প্রাচীন ইটালীত এক্রস্কান, প্রাচীন ক্রীট দ্বীপত মিনোয়ান ইত্যাদি।

আলোচ্য ভাষাসমূহৰ অন্তর্গত আধুনিক স্তৰৰ ভাষা হিচাপে আমি যি কেইটা ভাষাৰ নাম ল'ব পাৰোঁ সেই কেইটা হৈছে ক্রমে— জাপানী, কোৰিয়ান, আন্দামানী, ভিয়েটনামী, বাস্ক, ইত্যাদি। জাপানত জাপানী ভাষা প্রচলিত। এই ভাষাটো পৃথিৱীৰ ভিতৰতে এটা সমৃদ্ধিশালী ভাষা। দহ কোটিতকৈ অধিক লোকে এই ভাষা কয়। কোৰিয়ান বা কোৰীয় ভাষা কোৰিয়াত প্রচলিত। আন্দামান দ্বীপপুঞ্জত আন্দামানী ভাষা, ভিয়েটনামত ভিয়েটনামী, পীৰেণীজ পর্বতৰ পশ্চিমাংশত বাস্ক ভাষা চলে। এইখিনিতে এটা কথা উল্লেখ নকৰাকৈ নোৱাৰি যে কোনো কোনো ভাষাবিজ্ঞানীয়ে ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ বুৰুশাস্কি ভাষাক গোষ্ঠী বহির্ভূত ভাষাৰ ভিতৰত অন্তর্ভুক্ত কৰিব খোজে। পিছে স্বৰূপার্থত এইটো এনেকুৱা এটা ভাষা যিটো ভাষা সম্পূর্ণভাৱে বিচ্ছিন্ন আৰু আন ভাষাৰ লগত সংগতিবিহীন ভাষা।

এইদৰে পৃথিৱীত বিভিন্ন বর্গীকৃত ভাষাৰ লগতে অবর্গীকৃত বা গোষ্ঠী বহির্ভূত ভাষা কিছুমানৰো অস্তিত্ব আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ পৃথিৱীত পোৱা আদিম ভাষাবৰ্গৰ অন্তৰ্গত ভাষাসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৃথিৱীৰ বিভিন্ন ঠাইত প্রচলিত ভাষাসমূহৰ মূলধ্বনি, শব্দ-গঠন, বাক্য-গঠনৰ মাজত থকা সাদৃশ্যৰ ওপৰত ভিত্তি কৰিয়েই পৃথিৱীৰ ভাষা-পৰিয়ালৰ পৰিকল্পনা কৰা হৈছে। একোটা ভাষা কোৱা লোকসকল বিভিন্ন কাৰণত ভিন্ন ঠাইলৈ প্রব্রজন ঘটাৰ ফলত ভাষাটোৰ মাজত ভিন্ন বৈশিষ্ট্যই গা কৰি উঠিল আৰু দেখাত ভাষাবোৰ পাৰস্পৰিক মিল নথকা ভাষা হৈ পৰিল। ইয়াৰ আধাৰতে পৃথিৱীৰ ভাষাসমূহক প্রধানতঃ আঠটা ভাষা পৰিয়ালত বিভাজন কৰি আলোচনা কৰিব পাৰি। অৱশ্যে কিছু সংখ্যক ভাষা কোনো ভাষা-পৰিয়ালৰ অন্তৰ্ভুক্ত নহয়, সেয়ে সেই ভাষাসমূহক গোষ্ঠী বা পৰিয়াল বৰ্হিভুত ভাষা হিচাপে আলোচনা কৰা হয়।
- পৃথিৱীৰ ভাষা-পৰিয়ালসমূহৰ আদিম বাসস্থান, বিভিন্ন ঠাইলৈ প্রব্রজন, বৰ্তমান সেইবোৰ ক'ত ক'ত প্রচলিত এই বিষয়েও অধ্যায়টিৰ পৰা জানিবলৈ পাৰিলে।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) ঠাকুৰ নগেন; (১৯৯৭) *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) পাঠক, ৰমেশ (২০০৮); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) ৰাভা হাকাচাম, উপেন (২০০০) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ হাকাচাম ৰামছাদাম।

বাংলা গ্ৰন্থ

৬) শ', রামেশ্বর (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপনী।

৭) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত ;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।



২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ ভাষাসমূহ মূলতঃ এছিয়া আৰু আফ্ৰিকাৰ বিশাল অঞ্চলত প্ৰচলিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খামযাঙৰ দুটা ফৈদ— নৰা আৰু খামজঙিয়া। কিন্তু বৰ্তমান দুয়োটাৰে ভাষা একে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোন ভাষাৰ নিদৰ্শন একাদশ শতিকাৰ শিলালিপিৰ মাজত পোৱা হৈছে আৰু খোমেৰৰ নিদৰ্শন সপ্তম শতিকাৰ শিলালিপিৰ মাজত পোৱা গৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দ্ৰাবিড়ী ভাষাসমূহক তিনিটা প্ৰধান শাখাত ভাগ কৰিব পাৰি— ক) দ্ৰাবিড় শাখা, খ) অন্ধ্ৰ বা আন্ধ্ৰ শাখা আৰু গ) উত্তৰ-পশ্চিম শাখা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত ওষ্ট্যক, ভোগুল আৰু মেগিয়াৰ বা হাংগেৰীয় ভাষা প্ৰধান।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ককেছীয় গোষ্ঠীক প্ৰধানতঃ ককেছাছ পৰ্বতৰ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দুটা শাখাত ভাগ কৰিছে— ক) উত্তৰ-ককেছীয় আৰু (খ) দক্ষিণ ককেছীয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীত পোৱা আদিম ভাষাবৰ্গৰ অন্তৰ্গত ভাষাসমূহক ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি — আমেৰিকাৰ আদিম ভাষাবৰ্গ, আফ্ৰিকাৰ আদিম ভাষাবৰ্গ, অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ, উত্তৰ-পূৱ সীমান্তীয় ভাষাবৰ্গ।



২.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) পৃথিৱীৰ ভাষা-পৰিয়াল মানে কি?

খ) পৃথিৱীৰ ভাষা-পৰিয়াল কেইটা আৰু কি কি?

গ) পৃথিৱীৰ ভাষা-পৰিয়ালৰ ভিতৰত আটাইতকৈ সমৃদ্ধিশালী ভাষা-পৰিয়াল কোনটো?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) জাতিগত দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা কোৱা লোকসকল মংগোলীয়।

খ) দ্ৰাবিড়সকল খ্ৰীষ্টপূৰ্ব ৬০০০-৭৫০০ বছৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকল নিশ্চিত।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(ক) কেল্‌টীক (খ) অষ্ট্ৰ'এছীয়

(গ) শ্যাম-চীনীয় (ঘ) আমেৰিকাৰ আদিম ভাষাবৰ্গ

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ আদিম বাসস্থান সম্পৰ্কে থকা মতবোৰ কি কি? এই ভাষা-পৰিয়ালৰ লোকসমূহ কোন কোন ঠাইত বিয়পি পৰে? পৰিয়ালটোৰ অন্তৰ্গত যিকোনো এটা শাখাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দ্ৰাবিড় ভাষাগোষ্ঠীৰ ভাষাসমূহ ভাৰতবৰ্ষৰ কোন কোন ঠাইত প্ৰচলিত? এই ভাষাগোষ্ঠীৰ প্ৰধান শাখা কেইটা আৰু কি কি? প্ৰধান শাখাৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'ইউৰাল-আল্‌টাই ভাষা-পৰিয়াল'ৰ ভাষাসমূহ কোন কোন ঠাইত প্ৰচলিত? এই ভাষাগোষ্ঠীৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ভাষাসমূহক কেইটা ভাগত ভগোৱা হৈছে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ভাষাৰ লক্ষণ আৰু প্ৰকৃতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ ভাষাৰ লক্ষণ আৰু প্ৰকৃতি
৩.৪ জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক
৩.৫ অধ্যায়টিৰ আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্ৰগতিৰ খতিয়ান
৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা মানে কি আৰু তাৰ বৈশিষ্ট্যসমূহ কেনে ধৰণৰ সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষা-জাতি-সমাজ আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পৰ্ক বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি ভাষাৰ বৰ্গীকৰণ আৰু পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যয়নৰ পৰা আপুনি অৱগত হ'ল যে পৃথিৱীত প্ৰচলিত ভাষাসমূহক বিশেষত্বৰ আধাৰত গোষ্ঠীভুক্ত কৰা হৈছে আৰু কিছু সংখ্যক অগোষ্ঠীভুক্ত ভাষাও বিদ্যমান। এই অধ্যায়টোত আমি ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পৰ্কে বহলাই আলোচনা কৰিম।

মন কৰিবলগীয়া যে ভাষাৰ লগত জাতি-সমাজ আৰু সংস্কৃতিৰো পাৰস্পৰিক সম্পৰ্ক আছে। বহু সময়ত সমাজ গঠনৰ প্ৰাথমিক চৰ্তই হৈছে ভাষা। একোখন সমাজৰ বিবিধ সামাজিক সংগঠনৰ প্ৰতিফলন ঘটে ভাষাৰ মাজেদিয়েই। সেইদৰে সংস্কৃতিও মূৰ্ত হৈ উঠে ভাষাৰ যোগেদি। এখন ঠাইত থকা ভিন্ন সংস্কৃতি সম্পন্ন লোকে যদি একেটা ভাষাকে কয় তেতিয়া সেই ভাষাটোৰেই তেওঁলোকৰ নিজ নিজ সংস্কৃতি প্ৰকাশৰ মাধ্যম হয়। তেনেদৰে জাতিৰ লগত ভাষাৰ পোনপটীয়া সম্পৰ্ক নাই। কাৰণ একে জাতিৰ নহ'লেও কোনো এক ভৌগোলিক পৰিবেষ্টনৰ জনসমষ্টিয়ে একেটা ভাষাকে কয়।

এই অধ্যায়টোত ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। অধ্যায়টো

অধ্যয়ন কৰি আপুনি ভাষা মানে কি, ভাষাৰ বৈশিষ্ট্য, জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্কৰ বিষয়ে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৩.৩ ভাষাৰ লক্ষণ আৰু প্ৰকৃতি

'ভাষা' শব্দটো সংস্কৃত 'ভাষ্' ধাতুৰ পৰা উদ্ভৱ হৈছে। এই শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Language'। ভাষা হৈছে মানুহৰ ভাব প্ৰকাশৰ মাধ্যম। ই এনে এটা মাধ্যম যাৰ জৰিয়তে এজন ব্যক্তিয়ে কোনো বাৰ্তা আন এজন ব্যক্তিলৈ প্ৰেৰণ কৰে আৰু দ্বিতীয়জন ব্যক্তিয়ে তাক গ্ৰহণ কৰি প্ৰেৰকৰ সৈতে পুনৰ বাৰ্তা বিনিময় কৰিব পাৰে। ভাষা ক'ব পৰা শক্তি অকল মানুহৰহে আছে। মানুহৰ চিন্তা-ভাৱনাবোৰক প্ৰকাশ কৰিবলৈ মানুহে বাগ্‌যন্ত্ৰৰ সহায়ত কিছুমান ধ্বনিৰ উচ্চাৰণ কৰে, এনেদৰে উচ্চাৰিত হোৱা ধ্বনি প্ৰতীকৰ প্ৰণালীবদ্ধ সমষ্টিয়ে যেতিয়া স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰে, তেতিয়াই ভাষাৰ সৃষ্টি হয়। এই সম্পৰ্কে কিছু কথা আপুনি পূৰ্বৱৰ্তী ষাণ্মাসিক দুটাতো অধ্যয়ন কৰি অহিছে।

ভাষাৰ জৰিয়তে মানুহে এজনৰ ভাব আন এজনলৈ প্ৰেৰণ কৰে। মানুহৰ দৈনন্দিন কাম-কাজ চলায়। ভাষাৰ বিভিন্ন কাৰ্যলৈ লক্ষ্য কৰি বাগ্‌বিজ্ঞানীসকলে নিজা নিজা দৃষ্টিভংগীৰে ভাষাৰ সূত্ৰ নিৰ্ণয় কৰিছে। সেইবোৰৰ ভিতৰত কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল —

- "ব্যক্তবাচা সমুচ্চাৰণ।" — পাণিনি
- "মুখেৰে উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত মানুহৰ মনৰ ভাৱ-প্ৰকাশ কৰা আহিলাই হৈছে ভাষা।" — পতঞ্জলি
- (মানুহৰ বাগিন্দ্ৰিয়ৰ দ্বাৰা) "উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়েৰে ভাৱৰ পূৰ্ণ অভিব্যক্তিৰ নাম ভাষা।" — ড° উপেন্দ্ৰ নাথ গোস্বামী
- "ভাষা মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ উদ্দেশ্যে বাগিন্দ্ৰিয়েৰে উচ্চাৰণ কৰা সুসংগঠিত; সুপৰিকল্পিত ধ্বন্যাত্মক সংকেত বিশেষ। মানুহৰ মনৰ ভাব আৰু চিন্তাৰ শ্ৰদ্ধেয়মান প্ৰতীকেই ভাষা।" — ড° গোলোকচন্দ্ৰ গোস্বামী
- "ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।" — এৰিষ্টট'ল

উল্লিখিত সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে, ভাষাৰ অন্তৰালত কেতবোৰ বিশেষ বৈশিষ্ট্য লুকাই আছে। ভাষাৰ তেনে বৈশিষ্ট্যসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- ভাষাৰ সম্পৰ্ক কেৱল মানুহৰ সৈতেহে আছে। মানুহৰ বাগ্‌যন্ত্ৰৰ দ্বাৰা ধ্বনিৰ উচ্চাৰণ হয় আৰু এই ধ্বনিসমষ্টিৰ অৰ্থবহ ৰূপেই ভাষা।
- ভাষাৰ এটা পদ্ধতি আছে। এই পদ্ধতি ধ্বনি সংযোগৰ দ্বাৰা ৰূপৰ সৃষ্টি আৰু ৰূপৰ সংযোগত ভাব প্ৰকাশ কৰিব পৰা বাক্যৰ সৃষ্টি।
- প্ৰেৰক বা গ্ৰাহকে যি ধ্বনি বা ধ্বনি সমষ্টিৰ উচ্চাৰণ কৰে, সেইবোৰৰ লগত অৰ্থৰ কোনো পোনপটীয়া সম্বন্ধ নাথাকে। এই সম্বন্ধ মানি লোৱা সম্বন্ধহে। অৰ্থাৎ বাগধ্বনি প্ৰতীকবোৰ যাদৃচ্ছিক।

- যাদৃচ্ছিক ধ্বনি প্ৰতীকবোৰৰ সহায়ত মানুহে ভাব বিনিময় কৰি দৈনন্দিন জীৱনৰ কাম-কাজ চলায়।
- ভাষা আয়ত্ত কৰিব লাগে, অৰ্থাৎ ভাষা এক আৰ্জিত সংস্কাৰ। সেয়া হ'লেও, মানুহৰ বাক্-ক্ষমতা জন্মগত।
- ভাষাৰ জৰিয়তে এক পুৰুষৰ অভিজ্ঞতা অন্য এক পুৰুষলৈ বিস্তৃত হয়।
- দৃশ্যাত্মক আৰু শ্ৰৱণাত্মক সংকেত আদিৰ সীমিত ব্যৱহাৰেৰে ভাবৰ আদান-প্ৰদান কৰিব পাৰিলেও সেইবোৰক ভাষা বুলি ক'ব নোৱাৰি।
- একোটা ভাষা একোখন সমাজ বা একোটা ভাষা সম্প্ৰদায়ক কেন্দ্ৰ কৰি বৰ্তি থাকে। ভাষা কোৱা শক্তি অকল মানুহৰহে আছে। চৰাই বা অন্যান্য জীৱ-জন্তুৱে ভাষা ক'ব নোৱাৰে। কিন্তু মইনা, শালিকা, ভাটৌ আদি চৰায়ে শিকাই দিলে দুই এটা শব্দ কোৱা দেখা যায়। এইবোৰক ভাষা বুলি ক'ব নোৱাৰি। কাৰণ ইহঁতে শিকাই দিয়া শব্দকেইটাৰ বাহিৰে আন একো শব্দ বা বাক্য নিজাকৈ প্ৰকাশ কৰিব নোৱাৰে। ই সম্পূৰ্ণ একপক্ষীয়। ইহঁতৰ লগত পাৰস্পৰিক ভাবৰ আদান-প্ৰদান সম্ভৱ নহয়।

ভাষাৰ তিনিটা উপাদান পোৱা যায়— ক) এটা বাৰ্তা বা ভাব, খ) ভাবৰ উৎস বা প্ৰেৰক আৰু গ) গ্ৰহিতা বা গ্ৰাহক।

ভাবৰ বাঙ্ময় ৰূপ হ'ল ভাষা। ভাবৰ সৃষ্টি হয় মগজুত। মগজুৰ জৰিয়তে ভাবক ধ্বনি আৰু ধ্বনি-সমষ্টিলৈ ৰূপান্তৰিত কৰি অৰ্থবহ ৰূপ কৰা প্ৰক্ৰিয়াৰ নাম হ'ল বাণী-ৰূপকৰণ আৰু গ্ৰাহকে সেই বাণী-ৰূপ শুনি অৰ্থ উদ্ধাৰ কৰা পদ্ধতিয়েই হ'ল বাণী-অৰ্থকৰণ। ভাটৌ বা মইনাই নিৰ্দ্দিষ্ট দুই-এটা কথা ক'ব পাৰিলেও ভাব বিনিময় কৰিব নোৱাৰে। গ্ৰামোফোন ৰেকৰ্ডত ধ্বনি আছে, প্ৰেৰকজন নাই। সেইদৰে লিখিত সাহিত্যত লিখাহে আছে, গ্ৰাহক আৰু প্ৰেৰকৰ মাজত ভাব বিনিময়ৰ সুবিধা নাই। সেই বাবে প্ৰকৃত অৰ্থত এইবোৰক ভাষা বুলিব নোৱাৰি। বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনি-প্ৰতীককহে ভাষা বোলে। এইখিনিতে হেৰী হয়জাৰৰ কথা উল্লেখ কৰিব পাৰি। তেওঁৰ মতে ভাষাৰ মূল সম্পদ চাৰিটা হ'ল —উৎপাদকতা, স্থানান্তৰকৰণ, দ্বৈতৰূপ আৰু পৰম্পৰাগত সৰবৰাহ।

- **উৎপাদকতা ঃ** জীৱ-জন্তুৰ ইঙ্গিতধৰ্মী শব্দ একেবোৰেই; আনহাতে মানুহৰ ভাষা হ'ল এক মুক্ত পদ্ধতি। এই মুক্ত পদ্ধতিৰে সীমিত নিয়মৰ জৰিয়তে মানুহে সীমাহীন বাক্যৰ সৃষ্টি কৰিব পাৰে। ইয়াৰে কিছুমান আগতে শিকা আৰু কিছুমান আগেয়ে নজনা, নুশুনা বাক্য। মুঠতে, মানুহে নিজৰ উদ্ভাৱনী শক্তিৰ সহায়ত নতুন নতুন বাক্য সৃষ্টি কৰিবলৈ সক্ষম হয়।
- **স্থানান্তৰকৰণ ঃ** মানুহে দূৰ অতীত বা দূৰৰ ঠাইৰ ঘটনাৰ বিষয়ে সবিশেষ বিৱৰণ দিব পাৰে, ইয়াৰ নামেই স্থানান্তৰকৰণ। অৰ্থাৎ, স্থান আৰু সীমাৰ পৰিধি অতিক্ৰম কৰি মানুহে কথা ক'ব পাৰে। আন কথাত পৰিৱেশ নেদেখাকৈয়ে ভাষাৰ ব্যৱহাৰেৰে মানুহে সেই পৰিৱেশৰ ব্যাখ্যা আগবঢ়াব পাৰে। এনে ক্ষমতাৰ বাবেই মানুহে বিশ্বৰ খবৰ ৰাখিব পাৰিছে । লগতে দূৰ অতীতত ঘটি যোৱা ঘটনাৰ বিষয়ে জানিবলৈ সক্ষম হৈছে।

- **দ্বৈতৰূপ ঃ** শব্দ হ'ল ধ্বনিৰ সমষ্টি। ধ্বনিৰ নিজস্ব একো অর্থ নাই। অথচ এটা ধ্বনিৰ সামান্য সলনিয়ে শব্দৰ অর্থৰ লৰচৰ কৰে। যেনে— মৰম, ধৰম, কৰম, গৰম, নৰম এই শব্দকেইটাৰ প্ৰথম ধ্বনিবোৰ মাত্ৰ বেলেগ। কিন্তু প্ৰত্যেকটো শব্দই বেলেগ বেলেগ অর্থ প্ৰকাশ কৰিছে। ধ্বনিৰ দৰে ৰূপগ্ৰাম বা প্ৰাকৃতিৰ ক্ষেত্ৰতো কথাযাৰ খাটে। যেনে— walk, walks, walked শব্দকেইটাত s আৰু ed লগ লগাৰ ফলত walk-ৰ অর্থৰ সলনি ঘটিছে। মানুহবোৰ— ইয়াত ম+আ+ন+উ+হ+ব+ও+ৰ এই আঠোটা ধ্বনি আছে আৰু ৰূপ আছে দুটা — মানুহ+বোৰ। 'মানুহ' মুক্ত ৰূপ সেয়ে ই অকলে বাক্যত ব্যৱহাৰ হ'ব পাৰে। কিন্তু 'বোৰ' বদ্ধৰূপ । সেয়ে ই মুক্তৰূপৰ লগত লগ-লাগিহে ব্যৱহাৰ হ'ব পাৰে।
- **পৰম্পৰাগত সৰবৰাহ ঃ** এটা শিশুৱে জন্মতে একো ভাষা শিকি নাহে। পিতৃ-মাতৃ বা অন্যান্যসকলৰ পৰা শিশুৱে লাহে লাহে ভাষা এটা আয়ত্ত কৰে। এনেদৰে ভাষা এটা আয়ত্ত কৰাৰ লগতে শিশুৱে পূৰ্ব-পুৰুষৰ ধ্যান-ধাৰণাও উত্তৰাধিকাৰ সূত্ৰে লাভ কৰে।

ভাষাৰ লক্ষণ সম্পৰ্কে আলোচনা কৰি ৰবাট এ. হলে সাতোটা লক্ষণৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল— উৎপাদকতা, দ্বৈতৰূপ, স্থানান্তৰকৰণ, পৰম্পৰাগত সৰবৰাহ, যাদৃচ্ছিকতা, পাৰস্পৰিক বিনিময় আৰু বিশিষ্টতা। ইয়াৰে প্ৰথম চাৰিটাৰ বিষয়ে আমি হেৰী হয়জাৰৰ আলোচনাত পাই আহিছোঁ। যাদৃচ্ছিকতা, পাৰস্পৰিক বিনিময় আৰু বিশিষ্টতা সম্পৰ্কে তলত আলোচনা কৰা হ'ল —

- **যাদৃচ্ছিকতা ঃ** ভাষাৰ ধ্বনিপ্ৰতীকবোৰ যাদৃচ্ছিক বুলি এইবাবেই কোৱা হয় যে শব্দৰ সৈতে অর্থৰ কোনো সহজাত সম্পৰ্ক নাই। শব্দৰ সৈতে অর্থৰ ঘনিষ্ঠ সম্পৰ্ক থকা হ'লে পৃথিৱীত ইমানবোৰ ভাষা নাথাকিলেহেঁতেন। যেনে — 'কুকুৰ' জন্তুটোক বুজাবলৈ পৃথিৱীৰ বিভিন্ন ভাষাত বিভিন্ন শব্দৰ ব্যৱহাৰ আছে —

হিন্দী	—	কুত্তা
ইংৰাজী	—	Dog
ইটালী	—	Cane
ফৰাচী	—	Chen
স্পেনীয়	—	Perro
জার্মানী	—	Hund
ৰুচ	—	Sabaka
টাৰাওন	—	কুৰাক ইত্যাদি।

আমি 'আপিন বিলাংকা' বুলি ক'লে কিছুমান ধ্বনিহে শুনো তাৰ অর্থ বুজি নাপাওঁ। আদি (আবৰ) ভাষাত ইয়াৰ অর্থ 'ভাত দিয়া'। আচলতে শব্দৰ সৈতে অর্থৰ সম্পৰ্ক পৰম্পৰাগতহে। একে ভাষা কোৱা জনসমষ্টিৰ মাজতহে তাৰ অর্থ থাকে কিন্তু অন্যৰ বাবে তাৰ কোনো অর্থ নাথাকে।

- **পাৰস্পৰিক বিনিময় ঃ** ভাষাৰ জৰিয়তে মানুহে ইজনে-সিজনৰ লগত সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাম-কাজ চলায়। মানুহে বিভিন্ন সময়ত ভাষাৰ জৰিয়তে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বেছি সুখী হ'লে, কেতিয়াবা দুখী হ'লে, কেতিয়াবা কিবা বস্তুৰ প্ৰয়োজন হ'লে, ভোক লাগিলে বা বিভিন্ন পৰিস্থিতিত এজনে আনজনৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু এজনে আনজনক সহযোগিতা কৰে। এনেদৰে মানুহে পাৰস্পৰিক ভাবৰ আদান-প্ৰদান কৰি দৈনন্দিন জীৱনৰ কাম চলায়।
- **বিশিষ্টতা ঃ** প্ৰত্যেক ভাষাৰে ধ্বনিগত, ৰূপগত আৰু বাক্য-গঠন-প্ৰণালীৰ নিজস্ব নিয়ম আছে। দ্বিতীয় ভাষা এটা শিকাৰ সময়ত মাতৃভাষাৰ উচ্চাৰণ বৈশিষ্ট্য আৰু বাক্য-গঠন-প্ৰণালীয়ে হেতা-ওপৰা লগায়। ইয়াৰ পৰাই বুজা যায় যে জগতৰ প্ৰতিটো ভাষাই স্বকীয় গুণসম্পন্ন। ইয়াক ভাষাৰ কালিকা বোলা হয় আৰু এয়ে ভাষাৰ বিশিষ্টতা।

ভাষাৰ বিশেষত্ব বা প্ৰকৃতি হ'ল ই বিশেষ সামাজিক গোট একোটাক কেন্দ্ৰ কৰি বৰ্তি থাকে আৰু মূলতে ই সামাজিক সম্পদ। ভাষা এটা মানুহে আয়ত্ত কৰে; পৈত্ৰিক সম্পত্তি হিচাপে বা উত্তৰাধিকাৰ সূত্ৰে লাভ নকৰে। ভাষা যিহেতু অনুকৰণৰ দ্বাৰা আয়ত্ত কৰা হয় সেয়ে ইয়াৰ পৰিৱৰ্তন হৈ থাকে। কাৰণ অনুকৰণ কেতিয়াও অবিকল হ'ব নোৱাৰে। মানুহে সাধাৰণতে কষ্ট নকৰাকৈ সকলো কাম কৰিব বিচাৰে। সেয়ে পৰিৱৰ্তনশীলতা সদায় কঠিনতাৰ পৰা সৰলতাৰ ফালে গতি কৰে। ভাষাৰ স্বাভাৱিক গতি হ'ল স্থূল ৰূপৰ পৰা সূক্ষ্ম ৰূপলৈ গতি কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষা শব্দটো সংস্কৃত কি শব্দৰ পৰা আহিছে?

.....

প্ৰশ্ন নং ২ ঃ শুদ্ধটো লিখক — "ব্যক্তবাচা সমুচ্চাৰণ" বুলি কোনে কৈছিল— পাণিনি / পতঞ্জলি

.....



চিন্তা-চৰ্চা কৰক — ৩.১

ভাষাৰ সংজ্ঞা দাঙি ধৰি ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

৩.৪ জাতি-সমাজ আৰু সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক

নৃতাত্ত্বিক পণ্ডিতসকলে জগতৰ জীৱসমূহক আবয়িক গঠন, প্ৰকৃতি তথা গঢ় গতি অনুসৰি বিভিন্ন গোষ্ঠীত বিভক্ত কৰিছে। এইবোৰৰ একে সাদৃশ্য থকা জনসমুদায় একোটাক জাতি বোলে। দৰাচলতে জাতিৰ লগত ভাষাৰ নিবিড় সম্পৰ্ক নাই। একে জাতিৰ নহ'লেও কোনো এক ভৌগোলিক পৰিৱেষ্টনৰ কোনো এক জনসমষ্টিয়ে একেটা ভাষাকেই কয়। আনহাতে একাধিক ভাষা কোৱা কোনো এক জনসমষ্টিও একেটা জাতিৰেই লোক হ'ব পাৰে। অনুকৰণৰ দ্বাৰা ভাষা আয়ত্ত কৰা হয়। পৰিৱেশ অনুযায়ী মানুহে ভাষা ক'বলৈ শিকে। উদাহৰণস্বৰূপে এটা অসমীয়া শিশুক ইংৰাজী ভাষা কোৱা লোকৰ মাজত ৰাখিলে সময়ত সি ইংৰাজী ভাষা ক'বলৈ শিকিব। ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে ভাষাৰ কোনো জাতিৰ লগত সম্পৰ্ক নাই। মানুহৰ ভাষা ক'ব পৰা ক্ষমতা যদিও জন্মগত সেয়া হ'লেও ইয়াকবংশানুক্ৰমিক বুলিব নোৱাৰি। ই পৰিৱেশৰ অধীন। অসমীয়া ভাষা কোৱা সকলো লোক একেটা জাতিৰ অন্তৰ্গত নহয়, সেইদৰে ইংৰাজী ভাষাটো এটা জাতি বা এক ভৌগোলিক পৰিৱেষ্টনৰ মাজত আৱদ্ধ হৈ থকা নাই। এনেদৰে বিচাৰ কৰিলে দেখা যায় যে, ভাষাৰ লগত জাতিৰ পোনপটীয়া সম্পৰ্ক নাই যদিও, কোনো এজন লোকে যি ভাষাৰ দ্বাৰা মনৰ ভাব আদান-প্ৰদান কৰে সেই ভাষাটোৰ প্ৰতি তেওঁৰ গভীৰ আনুগত্য ওপজে আৰু সেই ভাষাটোক লৈ গৌৰৱ অনুভৱ কৰে।

জাতিৰ নিচিনাকৈ ভাষাৰ প্ৰকাশভংগী সংস্কৃতিৰ ওপৰত নিৰ্ভৰশীল। কোনো জনসমষ্টিৰ সামূহিক জীৱন-পদ্ধতিৰ অভিব্যক্তি হৈছে সেই ঠাইৰ সংস্কৃতি। নৃত্য, গীত, সাজ-পোছাক, চিত্ৰশিল্প, ভাস্কৰ্য, স্থাপত্য প্ৰভৃতিৰ দৰে ভাষাও এটা জাতিৰ সাংস্কৃতিক সম্পদ। সংস্কৃতি বিৱৰ্তনশীল। গতিকে সংস্কৃতিৰ অংগ হিচাপে সময়ৰ সোঁতত ভাষাৰো পৰিৱৰ্তন হয়। তদুপৰি, ভাষাই বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰস্পৰিক সমন্বয়ৰ ক্ষেত্ৰতো বিশেষ প্ৰভাৱ পেলায়। একাধিক সংস্কৃতি সম্পন্ন লোকৰ ভাষা একেটাই হ'ব পাৰে আৰু একে সংস্কৃতি সম্পন্ন লোকৰ ভাষা একাধিক হ'ব পাৰে। ইয়াৰ পৰা বুজা যায় যে, সংস্কৃতিৰ লগত ভাষাৰ তেনে কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই। কিন্তু ভাষাৰ সহায়ত সংস্কৃতি মূৰ্ত হৈ উঠে। কোনো এখন ঠাইত যদি ভিন্ন সংস্কৃতিসম্পন্ন লোকে একেটা ভাষাকে কয় তেতিয়া সেই ভাষাটোৱেই তেওঁলোকৰ নিজ নিজ সংস্কৃতি প্ৰকাশৰ মাধ্যম হয়। এই ফালৰ পৰা ক'ব পাৰি যে ভাষা সংস্কৃতিৰ ধাৰক আৰু বাহক।

আনহাতে সমাজ সংগঠিত হয় জনসমষ্টিৰে। আৰু ভাষা হৈছে কোনো জনসমষ্টিৰ ভাব প্ৰকাশৰ মাধ্যম। এক কথাত ভাষা বৰ্তি থাকে সমাজক কেন্দ্ৰ কৰি। সমাজ অবিহনে ভাষাৰ অস্তিত্ব অসম্ভৱপ্ৰায়। প্ৰকাৰন্তৰে, ভাষা আৰু সমাজৰ মাজত নিবিড় সম্বন্ধ আছে। বহু সময়ত সামাজিক বিধি-বিধানেই ভাষাৰ বাহ্যিক দিশটো নিয়ন্ত্ৰণ কৰে। আকৌ সমাজৰ বিভিন্ন স্তৰৰ মাজত ভাষাৰ বিভিন্নতাও আছে। এনেদৰে চালে সমাজ বাদ দি ভাষাৰ স্বৰূপ অধ্যয়ন কৰিব নোৱাৰি। ইয়াৰ পৰা ক'ব পাৰি যে ভাষাৰ লগত সমাজৰ সম্পৰ্ক অঙ্গাঙ্গী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সংস্কৃতিৰ অংগ হিচাপে সময়ৰ সোঁতত ভাষাৰো পৰিৱৰ্তন হয়নে?

.....



চিন্তা-চৰ্চা কৰক — ৩.২

জাতি-সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰক।

.....

.....

.....

.....

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা সম্পৰ্কে বিভিন্ন পণ্ডিতে নিজ নিজ দৃষ্টিভংগীৰে ভিন ভিন সূত্ৰ আগবঢ়াইছে। ভাষাৰ সূত্ৰৰ আধাৰত ভাষাৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰি।
- বাক্-যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমষ্টিহে ভাষা। ভাষা অকল মানুহে ক'ব পাৰে। অন্য জীৱ-জন্তু বা চৰাই-চিৰিকতিৰ মাতক ভাষা হিচাপে মৰ্যাদা দিয়া নহয়।
- ভাষাৰ বিভিন্ন লক্ষণ আছে। ভাষাবিজ্ঞানীসকলে এই লক্ষণসমূহৰ লগতে ভাষাৰ প্ৰকৃতি সম্পৰ্কেও আলোচনা কৰিছে। ভাষাৰ লগত জাতি, সমাজ আৰু সংস্কৃতিৰ ওতপ্ৰোত সম্পৰ্ক আছে।



৩.৬ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৫) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৬) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৮) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত 'ভাষ্' ধাতুৰ পৰা আহিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পাণিনি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৩.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষাৰ জৰিয়তে এজন ব্যক্তিয়ে আন এজন ব্যক্তিলৈ কি প্ৰেৰণ কৰে?

খ) ভাষাৰ ধ্বনিপ্ৰতীকবোৰ যাদৃচ্ছিক বুলি কিয় কোৱা হয়?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ভাষাৰ তিনিটা উপাদান পোৱা যায়— এটা বাৰ্তা বা ভাব, ভাবৰ উৎস বা প্ৰেৰক আৰু গ্ৰহিতা বা গ্ৰাহক।

খ) ভাষাৰ লগত সমাজৰ কোনো ধৰণৰ সম্পৰ্ক নাই।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

ক) দ্বৈতৰূপ খ) পাৰস্পৰিক বিনিময়

প্ৰশ্ন ২ ঃ ভাষাৰ লক্ষণ আৰু প্ৰকৃতি কেনেধৰণৰ? চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাষাৰ এটি বিজ্ঞানসন্মত সংজ্ঞা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ২ ঃ ভাষাৰ লগত জাতি-সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক কি সেই সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ হেৰী হয়জাৰৰ মতে ভাষাৰ মূল সম্পদ চাৰিটা কি কি? এই বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাষা-বিজ্ঞান চর্চা
৪.৩.১ প্ৰাচীন যুগ
৪.৩.২ মধ্যযুগ
৪.৩.৩ নৱজাগৰণৰ যুগ
৪.৩.৪ আধুনিক যুগ
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা-বিজ্ঞান চর্চাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পর্কে জ্ঞাত হ'ব
- ভাষা-বিজ্ঞান চর্চাৰ বিবিধ ধাৰাবোৰৰ আভাস লাভ কৰিব
- ভাষা-বিজ্ঞান সম্পর্কীয় চর্চাৰ অৱদান আগবঢ়োৱা ভাষাবিদসকলৰ চিন্তা-চর্চাৰ উমান পাব
- বিশ্বত সাম্প্ৰতিক কালত কেনেধৰণৰ ভাষা-চর্চা হৈ আছে সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ভাষাৰ লক্ষণ আৰু প্ৰকৃতি সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোতেই আপুনি অৱগত হ'ল যে জাতি-সমাজ আৰু সংস্কৃতিৰ সৈতে ভাষা কেনেদৰে সংযুক্ত হৈ আছে। এই অধ্যায়টোত আপুনি ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস সম্পর্কে অৱগত হ'ব।

ইতিমধ্যে কৰা আলোচনাৰ পৰা আপুনি ভাষা মানে কি, ভাষাই কি প্ৰকাৰ্য সাধন কৰে সেই বিষয়ে এটি স্পষ্ট ধাৰণা লাভ কৰিছে বুলি অনুধাৱন কৰিব পাৰি। আপুনি নিশ্চয় এই কথাও

অৱগত যে, মানৱ সভ্যতাৰ অগ্ৰগতিত ভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাষাৰ জৰিয়তে মানুহে জ্ঞান-চিন্তাৰ ন ন দিশ উদ্ভাৱন কৰি সভ্যতাৰ ঢাপত আগুৱাই আহি আজিৰ অৱস্থা পাইছেহি। মানুহৰ বৌদ্ধিক চিন্তাৰ অগ্ৰগতিৰ লগে লগে ভাষা সম্পৰ্কীয় কৌতুহল বা ইয়াৰ নিয়ম-প্ৰণালী সম্পৰ্কীয় সজাগতাই বিশেষ মৰ্যাদা লাভ কৰি বৰ্তমানে ই এক বিদ্যায়তনিক বিষয় ৰূপে সমগ্ৰ বিশ্বতে সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। পৰিৱৰ্তিত সময়ৰ বুকুত ভাষাৰ পুংখানুপুংখ অধ্যয়ন, বিশ্লেষণ আৰু নতুন চিন্তাই সমগ্ৰ প্ৰক্ৰিয়াটোক নতুনত্ব প্ৰদান কৰিলে।

এই অধ্যায়টোত ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক ভাষা-বিজ্ঞান চর্চাৰ ইতিহাস সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিব।

৪.৩ ভাষা-বিজ্ঞান চর্চা

মানুহৰ ভাষা বিষয়ক অনুসন্ধিৎসা বা জিজ্ঞাসাৰ ফলতে ভাষা-সম্পৰ্কীয় চিন্তা-চর্চাৰ উদ্ভৱ আৰু বিকাশ হৈছে। এনে চিন্তা প্ৰাচ্য আৰু পাশ্চাত্যৰ বেলেগ বেলেগ দেশত ভিন ভিন ৰূপত গঢ় লৈ উঠিছিল যদিও ভাৰতবর্ষ আৰু গ্ৰীচে সম্পূৰ্ণ মৌলিক চিন্তা প্ৰসূত এক ঐতিহ্যমণ্ডিত পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে চীন, ৰোম, বেবিলন আদি দেশৰ নামো এই প্ৰসংগত উচ্চাৰিত হয়। ভাৰতবর্ষত আর্যসকলৰ বাবে অতি পবিত্ৰ *বেদ*ৰ ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ মানসিকতাই ভাষা-চিন্তাৰ উদ্ৰেক ঘটোৱাৰ দৰেই গ্ৰীচতো ধ্ৰুপদী সাহিত্য বিশেষকৈ মহাকবি হোমাৰৰ *ইলিয়াদ* আৰু *ওডিছী*ৰ পাঠৰ শুদ্ধ ৰূপ সংৰক্ষণৰ উদ্দেশ্যে তেনে চিন্তাৰ সূত্ৰপাত হৈছিল। খ্ৰীঃপূৰ্ব এহেজাৰ বছৰৰ পূৰ্বৰ পৰাই ভাৰতবর্ষত ভাষা সম্পৰ্কীয় চিন্তা-চর্চাৰ আৰম্ভণি ঘটিছিল আৰু প্ৰায় খ্ৰীঃপূৰ্ব পঞ্চম শতিকাৰ পৰা এনে চিন্তাৰ ধাৰাবাহিক ইতিহাস লাভ কৰা যায়। এই আঢ়ৈ হাজাৰ বছৰৰ ভিতৰত হোৱা ভাষা-চিন্তাৰ ইতিহাসক বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰিছে। এনে এক বিভাজন হ'ল—

(ক) ব্যাকৰণ (Grammar) ঃ পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণ চর্চা (খ্ৰীঃপূৰ্ব পঞ্চম শতিকাৰ পৰা ১৭৮৬ খ্ৰীষ্টাব্দ পর্যন্ত)

(খ) ভাষাতত্ত্ব (Philology) ঃ তুলনামূলক-ঐতিহাসিক ভাষা চর্চাৰ ধাৰা (খ্ৰীষ্টীয় ১৭৮৬ৰ পৰা ১৯১৬ খ্ৰীষ্টাব্দলৈ)

(গ) ভাষাবিজ্ঞানৰ ধাৰা (Linguistics) ঃ বিশুদ্ধ বা যথার্থ ভাষাবিজ্ঞানৰ ধাৰা (খ্ৰীষ্টীয় ১৯১৬ ৰ পৰা বর্তমান পর্যন্ত)

ভাৰতবর্ষ আৰু গ্ৰীচত সূচনা হোৱা ভাষা-চিন্তাৰ মাজত কালগত ব্যৱধান আৰু মৌলিক চিন্তাৰ পার্থক্য থাকিলেও দুয়ো দেশৰ ভাষা-চিন্তাৰ মাজত এক ঐক্যসূত্ৰও পৰিলক্ষিত হয়। সেয়েহে ভাষা চিন্তাৰ প্ৰথম ধাৰাটোক 'ব্যাকৰণ' অভিধাৰে চিহ্নিত কৰা হৈছে। অৱশ্যে ভাষা সম্পৰ্কীয় আলোচনাত বর্তমান 'ব্যাকৰণ' শব্দ যি অর্থত ব্যৱহাৰ কৰা হয় তাৰ বিপৰীতে প্ৰাচীন 'ব্যাকৰণ'ৰ

তাৎপর্যপূর্ণ পার্থক্য আছে। সেই বাবে ভাষা-চর্চাৰ প্রাথমিক স্তৰত সূচনা হোৱা 'প্রাচীন ব্যাকৰণ ধাৰা'ক বর্তমান 'পৰম্পৰাগত' বা 'প্রথাগত ব্যাকৰণ' (Traditional Grammar) হিচাপে চিহ্নিত কৰা হৈছে। এই ব্যাকৰণ ধাৰাক দুটা প্রধান উপধাৰাত ভাগ কৰা হৈছে—

(ক) দার্শনিক (Philosophical) আৰু

(খ) নির্দেশাত্মক বা নিয়মাত্মক (Normative or Prescriptive)

'ভাষাতত্ত্ব' শীর্ষক দ্বিতীয় ধাৰাটো অষ্টাদশ শতিকাৰ শেষ ভাগত সূচনা হৈ ঊনবিংশ শতিকাত বিশেষভাৱে প্রতিষ্ঠিত হয়। এই ধাৰাক ক্রমে 'তুলনামূলক' আৰু 'ঐতিহাসিক' ধাৰা হিচাপে ভাগ কৰা হয়। কোনো কোনোৱে দুয়োটা ধাৰাক একেলগ কৰি 'তুলনামূলক-ঐতিহাসিক ধাৰা' বুলিও অভিহিত কৰিছে। অৱশ্যে এই স্তৰটো 'তুলনামূলক ভাষাতত্ত্ব' নামেৰেহে অধিক পৰিচিত।

বিংশ শতিকাৰ প্রাৰম্ভতে বিশেষকৈ ফার্ডিনাণ্ড দ্য চচ্যুৰৰ ভাষা-বিশ্লেষণৰ দ্বাৰা ভাষা-চিন্তাত এক নতুন গতি আহি পৰে। তেতিয়াৰ পৰা বর্তমানলৈকে ভাষা-চিন্তাত নিত্য নতুন চিন্তাধাৰাৰ সংযোজন ঘটি ভাষা অধ্যয়নৰ প্রক্রিয়াটোক এক সুকীয়া বিদ্যায়তনিক শাখা ৰূপে প্রতিষ্ঠিত কৰি তুলিছে। ফলত ন ন শাখা-প্রশাখা গঢ় লৈ উঠিলেও প্রধানকৈ দুটা ধাৰাই সমগ্র বিশ্বত জনপ্রিয়তা লাভ কৰে। সেই ধাৰা দুটা হ'ল ক্রমে— (ক) 'গঠনমূলক ভাষাবিজ্ঞান' বা 'বর্ণনামূলক ভাষাবিজ্ঞান' (Structural Linguistics or Descriptive Linguistics) আৰু (খ) 'ৰূপান্তৰ সৃজনমূলক ব্যাকৰণ' বা 'ৰূপান্তৰ স্ফোট ব্যাকৰণ' (Transformational Generative Grammar)

সময়ৰ দিশৰ পৰা ভাষা-বিজ্ঞান চর্চাৰ এনে ধৰণে যুগ বিভাজন কৰা হৈছে— প্রাচীন যুগ (খ্রীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ ষষ্ঠ শতিকালৈ), মধ্যযুগ (খ্রীঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ চতুদর্শ শতিকালৈ), নৱজাগৰণৰ যুগ (খ্রীঃ চতুদর্শ শতিকাৰ পৰা খ্রীঃ অষ্টাদশ শতিকাৰ আদি ভাগলৈ), ৰমন্যাসিক যুগ (খ্রীঃ অষ্টাদশ শতিকাৰ আদি ভাগৰ পৰা ১৭৮৬ খ্রীঃলৈ), আধুনিক যুগ (খ্রীঃ ১৭৮৬ৰ পৰা বর্তমান পর্যন্ত)। অৱশ্যে প্রত্যেকটো ভাগৰে বিভিন্ন উপবিভাগ কৰিও আলোচনা কৰা যায়।

৪.৩.১ প্রাচীন যুগ

বিশ্বৰ ভাষা চিন্তাৰ প্রাচীনতম ধাৰাটো 'ব্যাকৰণ' অভিধাৰে পৰিচিত। এনে চিন্তাৰ প্রথম সূচনা ভাৰতবর্ষত আৰু পাছত গ্রীচক কেন্দ্র কৰি ইউৰোপীয় চিন্তাজগতত বিকাশ লাভ কৰে। সময়ৰ দিশৰ পৰা ভাষা চিন্তাৰ প্রাচীন যুগত খ্রীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ ষষ্ঠ শতিকা পর্যন্ত সামৰি লোৱা হৈছে। স্থান ভেদে এই সময়ত ব্যাকৰণ সম্পর্কীয় চিন্তাৰ মাজত মৌলিক প্রভেদ বিদ্যমান।

ভাৰতীয় ভাষা-চিন্তাৰ প্রথম উন্মেষ *বেদ*ৰ স্তৰতে হৈছিল। *যজুর্বেদত*

দেৱতাসকলে ইন্দ্রক 'অব্যাকৃত' বা 'অখণ্ড বাক'-ক ব্যাকৃত বা বিশ্লিষ্ট কৰিবলৈ অনুৰোধ কৰিছে। এই 'ব্যাকৃত' বা 'বিশ্লিষ্ট' কৰা অর্থতে পৰৱর্তী কালত 'ব্যাকৰণ' শব্দৰ প্রচলন হয়। পৰৱর্তী ব্রাহ্মণ স্তৰত ই কিছু পদ্ধতিগত ৰূপ পায়। 'ব্যাকৰণ' শব্দৰ প্রথম উল্লেখ পোৱা যায় *অথর্ব বেদৰ* 'গোপথ ব্রাহ্মণ'ত। বি-পূর্বক √কৃ ধাতুত অন (অনট্) প্রত্যয়ৰ সংযোগত সৃষ্ট 'ব্যাকৰণ' শব্দটোৱে ভাষাৰ 'বিশেষ আৰু বিস্তৃত ব্যাখা' বুজায়। ই মূলতঃ শব্দ বিশ্লেষণৰ শাস্ত্র। অৱশ্যে এই স্তৰৰ ভাষা বিষয়ক চিন্তা শৃংখলাবদ্ধ বা পদ্ধতিগত আছিল বুলিব নোৱাৰি। উত্তৰ বৈদিক যুগৰ বেদাংগসমূহৰ মাজত ভাষা বিষয়ক চিন্তাই বহুখিনি উন্নত ৰূপ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ প্রমাণ হিচাপে ক'ব পাৰি ষড় বেদাংগৰ চাৰিটা অঙ্গ 'শিক্ষা', 'নিৰুক্ত', 'ছন্দ' আৰু 'ব্যাকৰণ'-এ প্রাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। মুঠতে, খ্রীঃপূঃ ১২০০-৮০০ ৰ ভিতৰত ভাৰততে যি ভাষা-চর্চাৰ অগ্রগতি হৈছিল সেয়া 'ব্যাকৰণ' ৰূপে জনাজাত হৈছিল। ভাৰতীয় ব্যাকৰণ চর্চা প্রধানকৈ বেদৰ শুদ্ধ পাঠ ৰক্ষা কৰাৰ স্বার্থতে কৰা হৈছিল। একোগৰাকী ছাত্রই (শিষ্যই) দ্বাদশ বছৰ ধৰি ব্যাকৰণ চর্চা কৰিব লগা হোৱাৰ কথা পোৱা যায় আৰু ইয়ে প্রাচীন ভাৰততে ব্যাকৰণ চর্চাৰ গুৰুত্ব কিমান আছিল সেয়া প্রতিপন্ন কৰে।

ভাৰতীয় ব্যাকৰণ পৰম্পৰাৰ পৰিপূর্ণ বিকাশ ঘটে মহর্ষি পাণিনিৰ দ্বাৰা ৰচিত *অষ্টাধ্যায়ীৰ* জৰিয়তে। ব্যাকৰণখন আঠটা অধ্যায়যুক্ত হোৱাৰ বাবে *অষ্টাধ্যায়ী* নামাকৰণ কৰা হয় যদিও ইয়াৰ আন এটা নাম হ'ল *শব্দানুশাসনম*।*অষ্টাধ্যায়ীৰ* ৰচনা কাল আনুমানিক খ্রীঃপূঃ পঞ্চম শতিকা। ভাৰতীয় ব্যাকৰণ চর্চাৰ ইতিহাসত এই ব্যাকৰণখন তথা পাণিনিৰ ভূমিকাৰ প্রতি লক্ষ্য ৰাখি সংস্কৃত ব্যাকৰণ চর্চাৰ ইতিহাসক প্রাক্-পাণিনীয়, পাণিনীয় আৰু উত্তৰ পাণিনীয় এই তিনিটা মূল ধাৰাত ভাগ কৰা হৈছে। সংক্ষিপ্ততা, শৃংখলাবদ্ধতা আৰু বিজ্ঞানসন্মত দৃষ্টিভংগীৰ বাবে *অষ্টাধ্যায়ীয়ে* ভাৰতীয় ব্যাকৰণৰ পৰম্পৰাগত এক গভীৰ আৰু সুদূৰ প্রসাৰী প্রভাৱ পেলাবলৈ সক্ষম হৈছে। পাণিনিৰ পৰৱর্তী সকলো সংস্কৃত ব্যাকৰণ আৰু আনকি পালি-প্রাকৃত ব্যাকৰণ পর্যন্ত তেওঁক আর্হি হিচাপে লৈ ব্যাকৰণ প্রণয়নৰ পয়োভৰ পৰিলক্ষিত হয়। তদুপৰি *অষ্টাধ্যায়ীৰ* বহুতো টীকা-ভাষ্যও পৰৱর্তী কালত ৰচনা হৈছে। এনে টীকা-ভাষ্যৰ ভিতৰত খ্রীঃপূঃ তৃতীয় শতিকাত কাত্যায়ন প্রণীত *ৱার্তিক* আৰু খ্রীঃপূঃ ২য় শতিকাত পতঞ্জলিয়ে ৰচনা কৰা *মহাভাষ্যৰ* নাম বিশেষভাৱে উল্লেখযোগ্য। এই তিনিগৰাকী ব্যাকৰণবিদে সংস্কৃত ব্যাকৰণ পৰম্পৰাক উচ্চ স্তৰলৈ তুলি ধৰিছিল। তেওঁলোকৰ পৰৱর্তী সময়ছোৱাত ভাৰতীয় তথা সংস্কৃত ব্যাকৰণ পৰম্পৰাত কেতবোৰ ধাৰা সৃষ্টি হৈছিল। সেই বোৰৰ ভিতৰত ঐন্দ্র, চান্দ্র, কাতন্দ্র, জৈনেন্দ্র, শাকটায়ন, হেমচন্দ্র, সাৰস্বত, মুগ্ধবোধ আদি অন্যতম। ইয়াৰ উপৰি, কেতবোৰ আঞ্চলিক ধাৰাৰ লগতে পাশ্চাত্যৰ ভাষাতত্ত্ববিদেও সংস্কৃত ব্যাকৰণ প্রণয়নত হাত দিছিল।

পাণিনিয়ে বৈদিক ভাষাৰ শিষ্ট ৰূপটোৰ গঠন পদ্ধতিৰ বিতং বিশ্লেষণ কৰি

বৰ্ণনামূলক ভাষা বিশ্লেষণৰ এনে ৰীতি প্ৰতিষ্ঠা কৰিছিল যে কেৱল সংস্কৃততেই নহয়, পালি-প্ৰাকৃত ব্যাকৰণ সমূহো সেই আদৰ্শৰ অনুগামী হৈ পৰিছিল। কিন্তু মাত্ৰাধিক ৰক্ষণশীলতা আৰু ভাষাৰ বিশুদ্ধ প্ৰয়োগৰ প্ৰতি কঠোৰ মনোভাৱ দেখুওৱা হেতুকে ভাৰতীয় ব্যাকৰণ পৰম্পৰা নিদানমূলক বা নিৰ্দেশাত্মক ৰূপে পৰিগণিত হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পতঞ্জলিয়ে প্ৰণয়ন কৰা *অষ্টাধ্যায়ী*ৰ টীকা-ভাষ্যখনৰ নাম কি?

.....

পাশ্চাত্য জগতৰ ভাষা সম্পৰ্কীয় অধ্যয়নৰ ইতিহাস আলোচনাত প্ৰথমে নাম ল'বলগীয়া দেশখন হ'ল গ্ৰীচ। গ্ৰীচত কেনেদৰে ভাষা-চৰ্চাৰ সূত্ৰপাত হৈছিল সেই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। অৱশ্যে প্ৰথম অৱস্থাত গ্ৰীচত ভাষা-চৰ্চাৰ কোনো সুকীয়া শাখা নাছিল। ইয়াক ধৰ্ম আৰু দৰ্শনৰ ভিতৰুৱা ৰূপেহে আলোচনা কৰা হৈছিল। গ্ৰীক দাৰ্শনিক প্লেটো (খ্ৰীঃপূঃ ৪২৭-৩৪৮), এৰিষ্টটল (খ্ৰীঃপূঃ ৩৮৪-৩২২)ৰ দাৰ্শনিক চিন্তা-চৰ্চাৰ মাজত ভাষা সম্পৰ্কীয় অনেক বিশ্লেষণ পৰিলক্ষিত হয়। তেওঁলোকৰ ৰচনাত বৰ্ণ, অক্ষৰ, পদ আৰু শব্দৰ লগত অৰ্থৰ সম্বন্ধ ইত্যাদি ভাষাৰ উপাদান বা বৈয়াকৰণিক দিশসমূহ অন্তৰ্ভুক্ত কৰিছিল আৰু সেই আলোচনাই পৰৱৰ্তী ব্যাকৰণবিদসকলক যথেষ্ট প্ৰভাৱিত কৰিছিল। এনে কাৰণতে প্লেটো, এৰিষ্টটলৰ দাৰ্শনিক চিন্তা-সম্বলিত ভাষা-চিন্তাক 'দাৰ্শনিক ব্যাকৰণ ধাৰা' বুলি অভিহিত কৰা হয়।

প্লেটোৱে তেওঁৰ *Dialogues* নামৰ গ্ৰন্থৰ Crytylus অধ্যায়ত কেইজনমান আলোচনাকাৰীৰ কথোপকথনৰ মাজেৰে ভাষা সম্পৰ্কে কেতবোৰ মৌলিক প্ৰশ্ন উত্থাপন কৰি সেইবোৰৰ ব্যাখ্যা কৰিছে। ইয়াত তেওঁ 'ভাষা'ক 'শব্দ' অৰ্থত প্ৰয়োগ কৰি শব্দাৰ্থৰ সম্বন্ধ বিচাৰৰ মাজতে ভাষা আলোচনা সীমাবদ্ধ ৰাখিছিল। অৱশ্যে তাৰ মাজতে ধ্বনি আৰু বাক্য সম্বন্ধীয় চিন্তাও প্ৰতিফলিত নোহোৱাকৈ থকা নাই। প্লেটোতকৈ এৰিষ্টটলৰ ভাষা বিষয়ক চিন্তা আছিল গভীৰ আৰু কিছু বিস্তৃত। এৰিষ্টটলে *পয়েটিক্স*ত কাব্যৰ ভাষা কেনে হোৱা উচিত সেই প্ৰসংগত ব্যাকৰণগত বিভিন্ন বিষয়ৰ আলোচনা দাঙি ধৰিছিল। তেওঁ বৰ্ণসমূহক স্বৰ, ব্যঞ্জন আৰু অৰ্ধস্বৰৰ ৰূপে ভাগ কৰি বৰ্ণৰ পৰা অক্ষৰ, অক্ষৰৰ পৰা পদ নিৰ্মাণ হৈ কেনেদৰে বাক্য সৃষ্টি হয় সেই বিষয়ে বৰ্ণনা কৰি ভাষাৰ গাঁথনিক বিশ্লেষণৰ প্ৰাথমিক ধাৰণা দাঙি ধৰিছিল। তদুপৰি তেওঁ বিশেষ্য, ক্ৰিয়া, সংযোজক অব্যয়, কাৰক আদিৰ কথাও উনুকিয়াই গৈছিল। উল্লেখযোগ্য যে তেওঁ 'শৈলী-বিজ্ঞান' সম্পৰ্কেও কেতবোৰ চিন্তা-চৰ্চা উল্লেখ কৰি গৈছে।

এৰিষ্ট'টলৰ পাছত খ্ৰীঃপূঃ তৃতীয় শতিকাৰ দাৰ্শনিক জেনো (Zeno)-ৰ দ্বাৰা প্ৰতিষ্ঠিত ষ্ট'ইক (Stoics) দাৰ্শনিক সম্প্ৰদায়ে ভাষাৰ আলোচনাক এক স্বতন্ত্ৰ জ্ঞান শাখাৰূপে প্ৰতিষ্ঠা কৰাৰ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। ষ্ট'ইকসকলেই পোনতে গ্ৰীক ভাষাৰ পদৰ সংখ্যা-নিৰূপণ, বিভক্তিমূলক প্ৰত্যয়ৰ শ্ৰেণীবিভাজন, অকৰ্মক আৰু সকৰ্মক ক্ৰিয়াৰ পাৰ্থক্য আদি নিৰূপণ কৰি দেখুৱাৰ উপৰি কাৰক, বচন, কাল আদি বিভিন্ন বৈয়াকৰণিক বিষয়বোৰৰ ব্যাখ্যা আগবঢ়াইছিল। ষ্ট'ইকসকলে ভাষাৰ ৰূপ বা আকৃতি (Form) আৰু 'অৰ্থ' (Meaning)ৰ দ্বৈত ৰূপৰ ধাৰণাও আগবঢ়াই গৈছে।

ষ্ট'ইকসকলৰ পৰৱৰ্তী আলেকজেন্দ্ৰীয়সকলে গ্ৰীচৰ ভাষা-চিন্তাত নতুন মাত্ৰা প্ৰদান কৰে। ষ্ট'ইকসকলৰ দাৰ্শনিক চিন্তা-চৰ্চাৰ বিপৰীতে আলেকজেন্দ্ৰীয়সকলে সাহিত্যিক দৃষ্টিকোণৰ পৰা ভাষাৰ বিশ্লেষণত গুৰুত্ব প্ৰদান কৰে। সাহিত্য সমালোচনা আৰু তাৰ পাঠ (text) ৰ ভাষাগত অধ্যয়নেই আছিল— আলেকজেন্দ্ৰীয় ধাৰাৰ মূল উদ্দেশ্য। এৰিষ্টাৰকাছ (Aristarchuse) ক হোমাৰীয় মহাকাব্যৰ বিজ্ঞানসন্মত অধ্যয়নৰ প্ৰতিষ্ঠাপক ৰূপে অভিহিত কৰা হয়। এই ধাৰাৰ ভাষা চিন্তালৈ সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ব্যক্তিগৰাকী হ'ল ডায়'নিছিয়াছ থ্ৰাক্স (Dionysius Thrax, ১৭০-৯০ খ্ৰীঃপূঃ)। থ্ৰাক্সে *টেক্‌নো গ্ৰামাটিকা (Tekne Grammatike)* নামৰ ব্যাকৰণ ৰচনা কৰি গ্ৰীক ভাষা-চিন্তাক পোন প্ৰথম পদ্ধতিগত ৰূপ প্ৰদান কৰে। থ্ৰাক্সৰ মতে, ব্যাকৰণ হ'ল 'সাহিত্যৰ ভাষাৰ সূক্ষ্ম পৰ্যবেক্ষণ'। সেই কাৰণে তেওঁৰ ব্যাকৰণখনত শুদ্ধ উচ্চাৰণ, শব্দ আৰু তাৰ বুৎপত্তিৰ বিচাৰ, সাদৃশ্যৰ আৱিষ্কাৰ, প্ৰধান কাব্যিক গূঢ়োক্তি সম্পৰ্কে গুৰুত্ব দিয়া হৈছিল। তেওঁ শব্দক বাক্যৰ ক্ষুদ্ৰতম উপাদান আৰু বাক্যক স্বয়ংসম্পূৰ্ণ চিন্তাৰূপে গণ্য কৰিছিল। থ্ৰাক্সে পদক আঠ প্ৰকাৰে শ্ৰেণীবিভাগ কৰিছিল আৰু পৰৱৰ্তী কালত তেওঁৰ আৰ্হিতে গ্ৰীক প্ৰথাগত ব্যাকৰণসমূহেও আঠ প্ৰকাৰৰ পদ বিভাজন কৰিছিল। থ্ৰাক্সে গ্ৰীক ভাষাৰ বৰ্ণ সম্পৰ্কেও আলোচনা কৰিছিল। তেওঁ গ্ৰীক ভাষাৰ সাতটা স্বৰধ্বনি আৰু সোতৰটা ব্যঞ্জনধ্বনিৰে মুঠ চৌব্বিশটা বৰ্ণৰ কথা উল্লেখ কৰিছিল। থ্ৰাক্সৰ চিন্তাত এৰিষ্ট'টলৰ ভাষা-চিন্তাৰ অনুৰণন দেখিবলৈ পোৱা গ'লেও নিজস্ব চিন্তাৰে গ্ৰীক ব্যাকৰণ চৰ্চাক উচ্চ পৰ্যায়লৈ তুলি ধৰিলে।

খ্ৰীষ্টীয় দ্বিতীয় শতিকালৈকে গ্ৰীচৰ ভাষা-চিন্তা মূলতে থ্ৰাক্সৰ অনুসৰণতে চলি আছিল। কিন্তু ইয়াৰ মাজতে এপ'লনিয়াছ ডাইক'লাছ (Apollonius Dyscolus, খ্ৰীঃ দ্বিতীয় শতিকা) আৰু তেওঁৰ পুত্ৰ হেৰ'ডিয়াছেও (Herodianus) গ্ৰীক ভাষাৰ অধ্যয়নত প্ৰভূত বৰঙণি যোগায়। এওঁলোক দুজনে গ্ৰীক বাক্যতত্ত্বৰ পোন প্ৰথম পদ্ধতিগত বিশ্লেষণ আগবঢ়ায়। এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা খ্ৰীষ্টীয় দ্বিতীয় শতিকা পৰ্যন্ত আলেকজেন্দ্ৰীয় ব্যাকৰণবিদৰ গোষ্ঠীয়ে

চর্চা কৰা ব্যাকৰণ ধাৰাক 'গ্ৰীক ব্যাকৰণৰ সোণালী যুগ' বুলি ভাষাৰ ইতিহাসকাৰসকলে অভিহিত কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ডায়'নিছিয়াছ থ্ৰাক্সে কোনখন পুথিৰ জৰিয়তে গ্ৰীক ভাষা-চিন্তাক পদ্ধতিগত ৰূপ প্ৰদান কৰে?

.....

খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাত গ্ৰীচ দেশ ৰোমৰ শাসন ব্যৱস্থাৰ অন্তৰ্গত হোৱাৰ ফলত লাহে লাহে গ্ৰীক ভাষাত ব্যাকৰণ চৰ্চা কমি আহি নাইকিয়া হৈ পৰিল। কিন্তু ইয়াৰ সমান্তৰালভাৱে গ্ৰীক ব্যাকৰণৰ আদৰ্শত ৰোমানসকলৰ ভাষা প্ৰাচীন লেটিনত ব্যাকৰণ প্ৰণয়ন হ'বলৈ ধৰে। মাৰ্কাছ টেৰেণ্টিয়াছ ভাৰ্ৰো (Marcus Terentius Varro, খ্ৰীঃপূঃ ১১৬-২৭)ৰে চাব্বিশটা খণ্ডযুক্ত *দ্য লিংগুৱা লেটিনা (De Lingua Latina)* নামৰ ব্যাকৰণখনৰে লেটিন ভাষাত ব্যাকৰণ চৰ্চাৰ পাতনি মেলে। ইয়াত তেওঁ শব্দৰ ব্যুৎপত্তি, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব— এই তিনিটা শিতানত ভগাই লেটিন ভাষাৰ বিষয়ে আলোচনা কৰাৰ লগতে গ্ৰীক আৰু লেটিন ভাষাৰ পাৰ্থক্যও কিছু পৰিমাণে আলোচনা কৰিছিল। ভাৰ্ৰোৰ পাছত যথাক্ৰমে চিচেৰ' (Cicero, খ্ৰীঃপূঃ ১০৬-৪৩), কুইণ্টিলিয়াছ (Quintilias, খ্ৰীঃ প্ৰথম শতিকা), এলিয়াছ ড'নাটাছ (Aelius Donatus,খ্ৰীঃ ৪র্থ শতিকা), প্ৰিশ্চিয়ান (Priscian,খ্ৰীঃ ৫ম-৬ষ্ঠ শতিকা) আদি কেইগৰাকীমান ৰোমান পণ্ডিতে লেটিন ভাষাৰ আলোচনাত মনোনিৱেশ কৰিছিল। সেইসকলৰ ভিতৰত প্ৰিশ্চিয়ানৰ *ইনষ্টিটিউশ্যনছ গ্ৰামাটিকা (Insitiutiones Grammatica)* সমগ্ৰ মধ্যযুগ জুৰি লেটিন ভাষা-শিক্ষাৰ উপযোগী গ্ৰন্থ ৰূপে বিবেচিত হৈছিল। প্ৰংসগক্ৰমে উল্লেখযোগ্য যে ৰোমৰ সম্ৰাট জুলিয়াছ ছিজাৰেও (খ্ৰীঃপূঃ ১০০-৪৪) সামৰিক অভিযানৰ মাজে মাজে পোৱা আজৰি সময়ত ব্যাকৰণ সম্পৰ্কীয় লেখা-মেলা কৰাৰ জনশ্ৰুতি প্ৰচলিত আছে। সি যি কি নহওক, ৰোমান ধাৰাৰ ধ্ৰুপদী যুগটোৰ ভাষা-চিন্তা পূৰ্বৱৰ্তী গ্ৰীক ব্যাকৰণ চিন্তাৰ আধাৰতে হৈছিল বুলি ঠাৱৰ কৰিব পাৰি। তথাপিতো সামগ্ৰিক বিচাৰত লেটিন ব্যাকৰণৰ মূল বিশেষত্ব হ'ল —ভাষাৰ বৈয়াকৰণিক বিৱৰণৰ এক সুনিৰ্দিষ্ট আৰ্হিৰ উদ্ভাৱন।এই আৰ্হি পৰৱৰ্তী মধ্যযুগ অতিক্ৰমি নৱজাগৰণ পৰ্যন্ত পঢ়াশলীয়া ভাষা শিক্ষাৰ মূল আহিলাস্বৰূপে পৰিগণিত হৈছিল। ফলত ব্যাকৰণ 'ভাষা শুদ্ধকৈ কোৱা আৰু লিখাৰ কৌশল সম্বলিত পুথি' ৰূপে পৰিগণিত হয়।

পাশ্চাত্য দেশত গ্ৰীকসকলৰ পূৰ্ব ভাষাৰ ব্যাকৰণগত চিন্তা-চৰ্চাৰ যৎসামান্য পৰিচয় পোৱা যায় বেবিলনীয়সকলৰ মাজত। খ্ৰীঃপূঃ চতুৰ্থ শতিকাৰ আশে পাশে

কুণিফর্ম লিপিত ৰচিত চুমেৰীয় ভাষাৰ সর্বনাম, ক্রিয়া আৰু শব্দৰ অন্যান্য শ্রেণীৰ ৰূপ সাধনৰ সৈতে আক্কাডীয় বা বেবিলনীয় ভাষাৰ তদনুৰূপ শব্দমালাৰ উল্লেখে তাৰ সাক্ষ্য বহন কৰে। ইয়াৰ উপৰি, ধর্মগ্রন্থ বাইবেলত এক ভাষাৰ পৰা বহু ভাষাৰ উৎপত্তিৰ উল্লেখ পোৱা যায়। এনে উল্লেখে পাশ্চাত্যৰ সমাজ, ভাষাৰ পৰিবর্তন সম্বন্ধে অতীতৰে পৰা সজাগ আছিল বুলি ধাৰণা দিয়ে। সি যি কি নহওক, তত্ত্বগতভাৱে কিন্তু বেবিলনীয়সকল ব্যাকৰণ শাস্ত্রৰ উদ্ভাৰক ৰূপে স্বীকৃতি নহ'ল; ইয়াৰ কৃতিত্বৰ অধিকাৰী হ'ল গ্রীকসকলহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কোনে কি নামৰ ব্যাকৰণ ৰচনা কৰি লেটিন ভাষাত ব্যাকৰণ চর্চাৰ পাতনি মেলে?

.....

৪.৩.২ মধ্যযুগ

ইউৰোপীয় ইতিহাসত ৰোমান সাম্রাজ্যৰ পতনৰ পৰা নৱজাগৰণৰ উন্মেষলৈকে অর্থাৎ খ্রীঃ ষষ্ঠ শতিকাৰ পৰা খ্রীঃ চতুর্দশ শতিকালৈ — এই সময়ছোৱাক মধ্যযুগ হিচাপে ধৰা হয়। এই যুগৰ শিক্ষা ব্যৱস্থা আছিল 'সপ্তকাল'ৰ ওপৰত প্রতিষ্ঠিত। ইয়াৰে ব্যাকৰণ, তর্কবিদ্যা আৰু অলংকাৰ শাস্ত্রক 'ত্রিপন্থা' আৰু সঙ্গীত, অঙ্কশাস্ত্র, জ্যামিতি আৰু জ্যোর্তিবিদ্যাক 'চতুষ্পন্থা' বোলা হৈছিল। কিন্তু এই সকলোৰে ভিতৰত ব্যাকৰণ শাস্ত্রৰ অধ্যয়ন অতি গুৰুত্বপূর্ণ হিচাপে বিবেচিত হৈছিল। ইতিমধ্যে লেটিন ভাষা লাহে লাহে ৰোমান ভাষালৈ পৰিবর্তন হোৱাত ধ্রুপদী লেটিনৰ বিশুদ্ধতাৰ ধাৰণা আৰু পূর্বতকৈ দৃঢ় হয়; যাৰ ফলত ব্যাকৰণ ৰচনাৰ প্রকৃতিও সলনি হৈ ই প্রাচীন ভাষাটোৰ ধৰা বন্ধা কেতবোৰ নিয়মৰ সমষ্টিলৈ পর্যবসিত হয়। মধ্যযুগত ব্যাকৰণৰ টীকা ভাষ্য ৰচনাৰ পয়োভৰো পৰিলক্ষিত হয়। মধ্যযুগৰ প্রথম ভাগটো অর্থাৎ খ্রীঃ ষষ্ঠ শতিকাৰ আৰম্ভণিৰ পৰা খ্রীঃ দ্বাদশ শতিকাৰ আগভাগলৈ ইউৰোপীয় ইতিহাসত 'অন্ধকাৰ যুগ' হিচাপে চিহ্নিত কৰা হয় যদিও তাৰ মাজতো যি অলপ-অচৰপ ভাষা সম্পর্কীয় চিন্তা চর্চা হৈছিল তাৰ ভিতৰত খ্রীঃ সপ্তম শতিকাৰ বেডে (Bede), খ্রীঃ অষ্টম শতিকাৰ এলচুইন (Alcuin) আৰু খ্রীঃ দশম শতিকাৰ এইলফ্রিচ (Alfric) নামৰ তিনিগৰাকী ভাষাতাত্ত্বিকৰ ব্যাকৰণকেইখন উল্লেখযোগ্য হিচাপে বিবেচিত হৈছে।

মধ্যযুগৰ দ্বিতীয় ভাগত, অর্থাৎ একাদশ খ্রীঃৰ পৰা নৱজাগৰণলৈকে প্রান্তীয় ভাষাসমূহৰ ব্যাকৰণ ৰচনাৰ প্রতি ব্যাকৰণবিদসকল আগ্রহী হৈ পৰে। খ্রীঃ দ্বাদশ শতিকাত আইচলেণ্ডীয় আৰু খ্রীঃ ত্রয়োদশ শতিকাত ওৱেলচ ভাষাৰ ব্যাকৰণ ৰচিত হৈছিল।

খ্ৰীঃ ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা ইউৰোপত ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত এক নতুন চিন্তাৰ সূচনা হয়। এই সময়ত ফ্ৰান্সৰ পেৰিছ মহানগৰীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা *স্পেকুলেটিভ গ্ৰামাৰ (Speculative Grammar)*ত ব্যাকৰণৰ অন্তৰ্গত বিভিন্ন বিষয়বোৰ দৰ্শন-বিদ্যাৰ আধাৰত ব্যাখ্যা কৰাৰ এক নতুন প্ৰচেষ্টা চলে। ম'ডিষ্টেই (Modistae)ত ৰূপে জনাজাত এই ব্যাকৰণ গোষ্ঠীটোৱে ক'ব খোজে যে 'দাৰ্শনিকসকলহে ব্যাকৰণৰ আৱিষ্কাৰক।' তেওঁলোকে বৈয়াকৰণিক নিয়মবোৰৰ সৰ্বশেষ ব্যাখ্যাৰ বাবে দৰ্শন বিদ্যাক আধাৰ হিচাপে গ্ৰহণ কৰে। ম'ডিষ্টেই ধাৰাৰ ভাষাতাত্ত্বিকসকলৰ মতে, শব্দই প্ৰত্যক্ষভাৱে কোনো বাস্তৱ প্ৰকৃতি সূচিত নকৰে, বৰং বিভিন্ন প্ৰকাৰৰ 'ধৰণ'হে (Modes) সূচিত কৰে। ভাষা একোটাৰ বাক্য বিশেষত ব্যৱহৃত পদসমূহৰ তিনি খলপীয়া ধৰণ থাকিব পাৰে। সেইবোৰ হ'ল যথাক্ৰমে বস্তুৰ স্বাধীন অৱস্থিতি, অন্তনিৰ্হিত বোধ আৰু সূচনা। এই তিনিওটা তৰপে বাস্তৱক বেলেগ বেলেগ ৰূপত প্ৰতিনিধিত্ব কৰে। সেই বাবেই বাক্যত ব্যৱহৃত উপাদানবোৰৰ পৰস্পৰ নিৰ্ভৰশীল আৰু বাক্যৰ গঠনত নিজ নিজ ভূমিকা সূচাৰু ৰূপে পালন কৰে। 'সূচনাৰ ধৰণ' সম্পৰ্কীয় বিশ্লেষণ প্ৰতিষ্ঠা কৰা বাবে এই ধাৰাৰ ভাষা-চিন্তাক 'ম'ডিষ্টেই' ৰূপে নামকৰণ কৰা হৈছে। এই ধাৰাৰ প্ৰতিষ্ঠাপক হ'ল ডেচিয়াৰ মাৰ্টিন (Martin of Decia) আৰু তেওঁৰ সহযোগী এৰফুৰ্টৰ থমাছ (Thomas of Erfurt)- ৰ দ্বাৰা ১৩১০ খ্ৰীঃত ৰচিত *গ্ৰামাটিকা স্পেকুলেটিভা (Grammatica Speculativa)* এই ধাৰাৰ সৰ্বোত্তম নিদৰ্শন।

এইখিনি সময়তে 'সৰ্বভাষিক' বা 'সাৰ্বজনীন ব্যাকৰণ' (Universal Grammar) ৰচনাৰ প্ৰতি ভাষাতাত্ত্বিকসকলে বিশেষ মনোনিৱেশ কৰা পৰিলক্ষিত হয়। ৰ'জাৰ বেকন এই ধাৰাৰ প্ৰৱৰ্তক। বেকনৰ মতে বহিৰ্গঠনৰ ফালৰ পৰা প্ৰতিটো ভাষা ভিন্ন হ'লেও, আভ্যন্তৰীণ নিয়মৰ ক্ষেত্ৰত সকলো ভাষাৰ নিয়ম প্ৰণালীসমূহ একেই। ইয়াৰ ফলশ্ৰুতিত ধ্ৰুপদী লেটিন ভাষাক আধাৰ স্বৰূপে লৈ সাধাৰণ ব্যাকৰণ প্ৰণয়ন কৰাৰ প্ৰথা আৰম্ভ হয়। আনকি লেটিন মূলৰ নোহোৱা ভাষাৰ ক্ষেত্ৰতো লেটিন ভাষাৰ নিয়ম খটু�ৱাই ব্যাকৰণ ৰচনাৰ প্ৰয়াস আৰম্ভ হয়। ফলত ভাষাৰ স্বকীয় বৈশিষ্ট্য উদঘাটনৰ প্ৰয়াস নোহোৱা হৈ ব্যাকৰণ ভাষাৰ ভুল-শুদ্ধ নিৰূপণৰ আহিলাত পৰিণত হয়। ন'কলেও হয় যে এই সময়ত ৰচিত বেছিভাগ ব্যাকৰণেই নিদানমূলক বা নিৰ্দেশাত্মক আছিল। মধ্যযুগত শব্দকোষ-প্ৰণয়ন আৰু অনুবাদ কাৰ্যয়ো বিশেষ গুৰুত্ব লাভ কৰে। কোৰাণক কেন্দ্ৰ কৰি আৰবী ভাষাৰ বিশ্লেষণো এই সময়ৰ ভাষা-চিন্তাৰ আন এক ফচল।

৪.৩.৩ নৱজাগৰণৰ যুগ

মধ্যযুগ আৰু আধুনিক যুগৰ মাজৰ সময়খিনি অৰ্থাৎ খ্ৰীঃ চতুদৰ্শ-ষোড়শ শতিকাত ইউৰোপত আৰম্ভ হোৱা ৰেনেছাঁ বা নৱজাগৰণে ভাষা অধ্যয়নৰ ক্ষেত্ৰখনকো

বিশেষভাৱে প্ৰভাৱিত কৰে। মধ্যযুগত ভাষা বুলিলে ব্যাক�ৰণসিদ্ধ লেটিন ভাষাক বুজাইছিল। নৱজাগৰণে এনে সংকীৰ্ণতা আঁতৰাই প্ৰান্তীয় ভাষাসমূহকো সমান মৰ্যাদা প্ৰদান কৰে। এইছোৱা সময়তে সুদুৰ প্ৰাচ্যলৈ অহা মিছনেৰীসকলে বিপুল পৰিমাণৰ ভাষাতাত্ত্বিক সম্ভাৰ ইউৰোপলৈ সৰবৰাহ কৰে। ভাষাতত্ত্বৰ চৈনিক ধাৰাৰ আৱিষ্কাৰ, আৰবী আৰু হিব্ৰু ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত হোৱা প্ৰগতি আদি এই যুগৰ উল্লেখযোগ্য ভাষাতাত্ত্বিক অৱিহণা। ভালেমান ভাষাত অভিধান প্ৰণয়নৰ বৃহৎ আঁচনিও, লোৱা হয়। ইতিমধ্যে ছপাযন্ত্ৰৰ আৱিষ্কাৰে ভাষা-চৰ্চাৰ পথ আৰু অধিক সুগম কৰি তোলে। তদুপৰি মুদ্ৰণ ব্যৱস্থাই ভাষাৰ সাধু ৰূপ বা মান্য ৰূপ (Standerd from)-ৰ সৃষ্টিতো বিশেষ অৱিহণা যোগায়।

ইউৰোপীয় ভাষাবোৰৰ ভিতৰত ইটালী আৰু স্পেনীয় ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণয়ন হয় খ্ৰীঃ পঞ্চদশ শতিকাত। ইয়াৰ পিছত খ্ৰীঃ ষোড়শ শতিকাৰ আৰম্ভণিতে ফৰাচী, প'লীয় আৰু শ্লাৱীয় ভাষাৰ ব্যাকৰণ প্ৰণীত হয়। ইংৰাজী ভাষাৰ প্ৰথমখন ব্যাকৰণ প্ৰকাশ পায় ১৫৮৬ খ্ৰীঃত। সেইদৰে ৰোমান ভাষাবোৰৰ অধ্যয়নে পূৰ্বতকৈ অধিক প্ৰণালীবদ্ধ ৰূপ পায়। এই যুগৰ ব্যাকৰণ চিন্তাত সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল ফৰাচী পণ্ডিতসকলে। পীয়েৰ ৰামী (Petrus Ramus) এই যুগৰ অগ্ৰণী ভাষা অধ্যয়নকাৰী। তেওঁ শব্দ আৰু শব্দ-সাধন প্ৰক্ৰিয়াৰ বৰ্হিগঠন সম্পৰ্কে যি আলোচনা আগবঢ়াইছিল সেয়া পৰৱৰ্তী কালৰ আধুনিক ভাষা-বিজ্ঞানৰ 'গঠনবাদী চিন্তা'ৰ (Structuralism) মূল আধাৰ হিচাপে পৰিগণিত হৈছে।

ভাষা অধ্যয়নে ক্ৰমাগতভাৱে আধুনিকতাৰ ফালে অগ্ৰসৰ হোৱাৰ সময়তে কেতবোৰ নতুন দাৰ্শনিক চিন্তাৰো আগমন ঘটে। অষ্টাদশ শতিকাত মানৱ জ্ঞানৰ উৎস সন্ধান ভিত্তিত জন্ম হোৱা 'যুক্তিবাদী' (Rationalists) আৰু 'অভিজ্ঞতাবাদী' (Empiricists) চিন্তাধাৰাই ভাষা অধ্যয়নতো বিশেষ প্ৰভাৱ পেলায়। ইতিমধ্যে সপ্তদশ-অষ্টাদশ শতিকাত যোগাযোগৰ বিশ্বজনীন মাধ্যম ৰূপে লেটিন ভাষা অপসাৰিত হোৱাত নতুনকৈ 'সাৰ্বজনীন ব্যাকৰণ' (Universal Grammar) প্ৰণয়নৰ ধাৰণা মূৰ দাঙি উঠে। এই ক্ষেত্ৰত ফ্ৰান্সৰ পৰ্টৰয়েল কনভেণ্ট (The Port Royal Convent) ৰ প্ৰচেষ্টা বিশেষভাৱে লেখত ল'বলগীয়া। ইয়াৰ উপৰি, পূৰ্বৰে পৰা চলি অহা পৰম্পৰাগত ব্যাকৰণ ধাৰাই পঢ়াশালিৰ পাঠ্যক্ৰমৰ মাধ্যমেৰে যথেষ্ট প্ৰসাৰতা লাভ কৰিছিল। ইয়াৰ পাছত ঊনবিংশ শতিকাৰ দুৱাৰদলিত ১৭৮৬ খ্ৰীঃত ছাৰ উইলিয়াম জ'নছে কলকাতাৰ ৰয়েল এছিয়াটিক ছ'চাইটিৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষাৰ সম্পৰ্ক দেখুৱাই এক লিখিত ভাষণ প্ৰদান কৰে আৰু পৰৱৰ্তী সময়ত তাৰ আধাৰত ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়ন আৰম্ভ কৰে। ফলস্বৰূপে ভাষা-অধ্যয়নৰ গতিপথেও নতুন সূৰ সলাই 'ভাষাতত্ত্ব'ৰ জগতত প্ৰৱেশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ইংৰাজী ভাষাৰ প্রথমখন ব্যাকৰণ কেতিয়া প্রকাশ পায় ?

.....

৪.৩.৪ আধুনিক যুগ

পাশ্চাত্য ইতিহাসত নৱজাগৰণ বা ৰেনেছাঁকে আধুনিক যুগৰ সূচনা কাল ৰূপে গণ্য কৰা হয় যদিও, ভাষা অধ্যয়নে অষ্টাদশ শতিকাৰ অন্তিম ভাগতহে পূর্বৰ পৰম্পৰা এৰি বিজ্ঞানসম্মত প্রকৃতি আহৰণৰ দ্বাৰা আধুনিক যুগত প্রৱেশ কৰে। গ্রীক, লেটিন আদি ভাষাৰ উৎস আৰু সাদৃশ্যৰ সন্ধানৰ সৈতে সংস্কৃতৰ সংযোগে ভাষা অধ্যয়নৰ এটা নতুন ধাৰাৰ উন্মেষৰ পথ প্রশস্ত কৰি তোলে। প্রাচীন ভাষাসমূহৰ, বিশেষকৈ সাহিত্য-সম্পদেৰে চহকী প্রাচীন ভাষাসমূহৰ তুলনামূলক আলোচনাক প্রাধান্য দি কৰা ভাষা অধ্যয়ন 'তুলনামূলক ভাষাতত্ত্ব' (Comparative Philogy) বা 'ঐতিহাসিক ভাষাতত্ত্ব' (Historical Languistics) অথবা 'ভাষাতত্ত্ব' (Philology) হিচাপে জনাজাত হয়। 'ভাষাতত্ত্ব' অভিধাটোৱে বিভিন্ন ভাষাৰ প্রাচীন সমলৰ ওপৰত ভিত্তি কৰি তুলনামূলক বিচাৰ, পাৰস্পৰিক সম্পর্ক, অতীত ইতিহাস, মূল নিৰূপণ আৰু কালক্রমিক পৰিৱর্তন আদিৰ আলোচনাক সামৰি লয়। ছাৰ উইলিয়াম জ'নছে আৰম্ভ কৰা ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়নক জার্মান পণ্ডিতসকলে বিস্তৃত ৰূপ প্রদান কৰে আৰু সংস্কৃত-গ্রীক-লেটিন-কেল্টীয়-গোথীয় আদি ভাষাৰ তুলনামূলক অধ্যয়নৰ যোগেদি ইবিলাকৰ মূল যে একে — ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী সেয়া প্রতিপন্ন হয়। এই ধাৰাৰ ভাষা বিশ্লেষণ পদ্ধতিৰ ঘাই বৈশিষ্ট্য হ'ল আলোচ্য ভাষাবোৰৰ শব্দ আৰু তাৰ সৈতে জড়িত ধ্বনিৰ আধাৰত সিবোৰৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্য, অতীত ইতিহাস, পৰিৱর্তনৰ প্রকৃতি আৰু মূল উৎসৰ সন্ধান কৰা।

ঊনবিংশ শতিকাৰ প্রথম ভাগত এই ধাৰাৰ ভাষা বিশ্লেষণ তুলনামূলক অধ্যয়নৰ মাজত সীমাবদ্ধ আছিল। এই ক্ষেত্রত অগ্রণী ভূমিকা লৈছিল ফ্রিয়েড্রিখ ভন শ্লেগেল (Friderich von Schlegel), অগষ্ট ভন শ্লেগেল (August von Schegel), ৰাছমাছ ক্রিষ্টিয়ান ৰাস্ক (Rasmus Kristian Rask), উইলহেম ভন হামব'ল্ট (Wilhem von Humboldt), জেকব গ্রিম (Jacob Grimm), ফেন্জ বোৱাজ (Franz Bopp), অগষ্ট শ্লেইছাৰ (August Scheicher) আদি পণ্ডিতে। সেই একেই শতিকাৰ দ্বিতীয়ার্ধত তুলনামূলক অধ্যয়নৰ পৰিসীমা এৰি ই ঐতিহাসিক

অধ্যয়নলৈ প্ৰসাৰিত হয়। পূৰ্বোক্ত ৰাস্ক, ব'প আৰু গ্ৰিমক ঐতিহাসিক ধাৰাৰ প্ৰতিষ্ঠাপক আখ্যা দিয়া হয়। ৰাস্ক প্ৰাচীন নৰ্ছ আৰু প্ৰাচীন ইংৰাজী ভাষাৰ পদ্ধতিগত ব্যাকৰণৰো জন্মদাতা। আনহাতে গ্ৰীমে *ডাট্ছ গ্ৰামাটিক* নামৰ ব্যাকৰণখনৰ দ্বাৰা জাৰ্মান ভাষাত ভাষাতত্ত্বৰ আৰম্ভণি ঘটায়। বৰ্তমান ভাষা অধ্যয়নত সমগ্ৰ বিশ্বজুৰি স্বীকৃত কেতবোৰ পৰিভাষা আৰু গ্ৰীমৰ ধ্বনিসূত্ৰ নামেৰে জনাজাত ইণ্ডো-ইউৰোপীয় ভাষাৰ ধ্বনিসূত্ৰৰো প্ৰতিষ্ঠাতা তেৱেঁই। ১৮৬১ চনত অগষ্ট শ্লেইচাৰৰ (১৮২১-১৮৬৮ খ্ৰীঃ) *ক'ম্পেডিয়াম অৱ দ্য কম্পাৰেটিভ গ্ৰামাৰ অৱ ইণ্ডো-জাৰ্মানিক লেঙ্গুৱেজজ (Compedium of the Comparative Grammar of the Indogermanic Languages)*, ১৮৮৬ চনত কাৰ্ল ব্ৰুগমেন (Karl Brugmann) আৰু বেৰথল্ড ডেলব্ৰুক (Berthhold Delbruck) এ ৰচনা কৰা *আউটলাইন অৱ দ্য কম্পাৰেটিভ গ্ৰামাৰ অৱ দ্য ইণ্ডো ইউৰোপীয়ান লেঙ্গুৱেজজ (Outline of the Comparatice Grammar)* আদি ঐতিহাসিক ধাৰাৰ উল্লেখযোগ্য সৃষ্টি। এইটো ধাৰালৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা আনকেইগৰাকী উল্লেখযোগ্য পণ্ডিত হ'ল— ফ্ৰেডৰিখ ডিয়েজ (Friedrich Diez), জ'হান কাছপাৰ জিউছ (Johann Kaspar Zeuss), হাৰমান অ'ছথ'ফ (Herman Osthoff), হাৰমান পল (Hermann paul), ইউলিয়াম ডুইট হুইটনী (William Dwight Whitney) আদি।

ঊনবিংশ শতিকাৰ ভাষা অধ্যয়নত স্বকীয় দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত নতুনত্ব প্ৰদান কৰা ভাষাতত্ত্ববিদ গৰাকী হ'ল— ইউল্হেম ভন হামব'ল্ট (Wilhem Von Humboldt, ১৭৬৭-১৮৩৫ খ্ৰীঃ)। এওঁৰ ভাষা চিন্তা সম্পূৰ্ণ ৰূপে ইতিহাস আশ্ৰিত আছিল যদিও পৰৱৰ্তী কালত বিকাশ লাভ কৰা ভাষাবিজ্ঞানৰ কেতবোৰ ধাৰণা, যথা— সমকালিক (Syncronic), ক্ৰমকালিক (Diachronic) আদিকে ধৰি সাধাৰণ ভাষা-বিজ্ঞানৰ বহুতো চিন্তাৰ বীজ তেওঁৰ আলোচনাৰ মাজত বিচাৰি পোৱা যায়।

ঊনবিংশ শতিকাৰ শেষৰফালে তুলনামূলক ঐতিহাসিক অধ্যয়নৰ বস্তুনিষ্ঠ ব্যাখ্যাৰে এক নতুন ভাষা অধ্যয়ন প্ৰক্ৰিয়াৰ উদ্ভৱ হয়। আগষ্ট শ্লেইছাৰে এই ধাৰাৰ প্ৰবক্তাসকলক 'নব্য বৈয়াকৰণ' আখ্যা দিছে। এইচ্ ষ্টেইনথ'ল (K.Stinthol,১৮২৮-১৮৯৯ খ্ৰীঃ) হ'ল এই ধাৰাৰ প্ৰৱৰ্তক। এওঁলোকৰ মতে ভাষাৰ ধ্বনি-পৰিবৰ্তন এক যান্ত্ৰিক প্ৰক্ৰিয়াৰ পৰিণতি আৰু ই নিৰ্দিষ্ট নিয়মৰ অধীন। ইয়াৰ কোনো ব্যতিক্ৰম থাকিব নোৱাৰে। সাদৃশ্যজনিত শব্দ, ঋণকৃত শব্দ আৰু বৈয়াকৰণিক ৰূপৰ বাহিৰে উপভাষা একোটাৰ অন্তৰ্গত একে ধ্বনিৰ একে পৰিৱেশত, নিৰ্দিষ্ট সময়ত একে ধৰণৰ পৰিৱৰ্তন হয়। ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ এই নতুন ব্যাখ্যাই জেক'ব গ্ৰীম আৰু তেওঁৰ অনুগামীসকলৰ দ্বাৰা আৱিষ্কৃত ধ্বনি নিয়মৰ ব্যতিক্ৰমবোৰৰ দূৰীকৰণত সহায় কৰাৰ উপৰি প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰতি সজাগ হ'বলৈকো অনুপ্ৰেৰণা যোগায়।

'নব্য ব্যাকৰণ' ধাৰাৰ উল্লেখযোগ্য চিন্তাবিদসকল হৈছে কার্ল ব্রুগমেন (Karl Brugmann), হার্মান পল (Hermann Paul), বি. ডেলব্রুক (B. Delbruck), জুলিয়াছ জ'লি (Julious Jolly), অ' শ্রেদাৰ (O.Shreder), পিটাৰ গিল্‌ছ (Piter Gills), জে. ৰাইট (J. Wright), এ. মিলেট (A. Millet) আদি। আধুনিক বর্ণনাত্মক ভাষা অধ্যয়নৰ আমেৰিকীয় ধাৰাটোৰ প্রতিষ্ঠাতা ফ্রেন্‌জ বোৱাজ, এডোৱার্ড ছাপিৰ আৰু লিওনার্ড ব্লুমফিল্ড আদি 'নব্য ব্যাকৰণ' ধাৰাৰে অনুগামী আছিল।

মন কৰিবলগীয়া যে অষ্টাদশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ শতিকাৰ প্রাৰম্ভলৈকে পাশ্চাত্য জগতত হোৱা ভাষা অধ্যয়নক 'ভাষাতত্ত্ব' (Philology) নামেৰে বুজোৱা হয়। ইতিমধ্যে ফ্রান্সত ভাষা অধ্যয়ন বুজাবলৈ লেটিন Lingua আৰু Istique শব্দৰ সমাহাৰত সৃষ্টি হোৱা Linguistics অভিধাৰ প্রচলন হয়। ফলত ঊনবিংশ শতিকাৰ ভাষা-চিন্তাক Historical Linguistics নামেৰে নামকৰণ কৰা হয়।

বিংশ শতিকাৰ আৰম্ভণিতে ইউৰোপ আৰু আমেৰিকাত মানুহৰ মুখৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ প্রতি আগ্রহ দেখুৱাই ভাষাতাত্ত্বিকসকলে ভাষা বিশ্লেষণত নতুন দিগন্তৰ সূচনা কৰে। মানুহৰ মুখৰ স্বাভাৱিক কথ্য ভাষাৰ বিৱৰণৰ দ্বাৰা ভাষা বিশ্লেষণৰ দুটা ধাৰা ইউৰোপ আৰু আমেৰিকাত সুকীয়া সুকীয়াকৈ গঢ় লৈ উঠে। ইয়াৰে ইউৰোপীয় ধাৰাটোৰ প্রৱর্তক হ'ল ছুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফার্ডিনাণ্ড দ্য চ্যচুৰ (Ferdinand de Saussure, ১৮৫৭-১৯১৩ খ্রীঃ) আৰু আমেৰিকান ধাৰাটোৰ প্রৱর্তক হ'ল নৃতত্ত্ববিদ ফ্রেন্‌জ বোৱাজ (Frenz Boaz, ১৮৫৮-১৯৪২)

চ্যচুৰে ভাষা সম্পর্কীয় কেতবোৰ মৌলিক চিন্তা আগবঢ়াই ভাষা বিশ্লেষণ প্রক্রিয়াক এক স্বতন্ত্র শ্রেণীৰ বিজ্ঞানৰূপে প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়। চ্যচুৰে জেনেভা বিশ্ববিদ্যালয়ত সাধাৰণ ভাষাবিজ্ঞানৰ অধ্যাপক হৈ থকা সময়ত (১৯০৭-১৯১১) তেওঁ প্রদান কৰা বক্তৃতাসমূহৰ যি টোকা তেওঁৰ ছাত্র-ছাত্রীসকলে লিখি ৰাখিছিল সেইবোৰ তেওঁৰ অকাল মৃত্যু (১৯১৩)-ৰ পাছত দুগৰাকী প্রাক্তন ছাত্র ক্রমে চার্লচ বেলী (Charles Bally) আৰু এলবার্ট চেচেহায়ে (Albert Sechehaye)-ৰ দ্বাৰা সংকলিত হৈ ১৯১৬ চনত প্রকাশ পাইছিল। *Course de Linguistique Generale* (ইংৰাজী নাম *Course in General Linguistics*) নামৰ এই গ্রন্থখনৰ মাজেৰে তেওঁৰ ভাষা সম্পর্কীয় মৌলিক ধ্যান ধাৰণাবোৰ পোহৰলৈ আহে। এই গ্রন্থৰ প্রকাশে কুৰি শতিকাৰ 'সাধাৰণ' আৰু 'গঠনমূলক ভাষাবিজ্ঞান' (Structural Linguistics) চর্চাৰ দুৱাৰ মুকলি কৰে। ইউৰোপ আৰু আমেৰিকা দুয়োখন মহাদেশৰ ভাষাবিদ-পণ্ডিতসকলে চ্যচুৰৰ ভাষা অধ্যয়নৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হয়। পৰৱর্তীকালৰ আমেৰিকাৰ বিখ্যাত ভাষাবিজ্ঞানী লিওনার্ড ব্লুমফিল্ডে অকপটে স্বীকাৰ কৰিছে যে, চচ্যুৰৰ ভাষা অধ্যয়নে আধুনিক ভাষাবিজ্ঞানৰ চর্চাক এক তাত্ত্বিক ভিত্তি প্রদান কৰিলে। সংকেতৰ ওপৰত গুৰুত্ব প্রদান, ভাষাত সূচক আৰু সূচিতৰ

স্থান, লেখন আৰু কথন, ভাষা (Language) আৰু উক্তি (Speech), ধ্বনি পৰিৱৰ্তন, কথন আৰু উক্তিত এককসমূহৰ অন্বয়ী আৰু সহযোগী সম্পৰ্ক, স্থিতিশীল আৰু বিৱৰ্তনমূলক ভাষা-বিজ্ঞান, ভাষাৰ স্বৰূপ আৰু সত্তা, ভাষা, উপভাষা ইত্যাদি বিষয়বোৰৰ আলোচনাত চচ্যুৰৰ গভীৰ জ্ঞান আৰু অন্তর্দৃষ্টি প্রকাশ পাইছে। চচ্যুৰে বিশ্বাস কৰিছিল যে ভাষা এক সামাজিক পৰিঘটনা যাক স্থিতিশীল আৰু ক্রমবিকাশশীল এই দুয়োটা দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব পাৰি। চচ্যুৰৰ ভাষা সূত্র-চাৰিটা যুগ্ম বৈপৰীত্যৰ ওপৰত প্রতিষ্ঠিত। সেই কেইটা হ'ল ক্রমে এককালিক ক্রমকালিক (Syncronic-Diachronic), ভাষা প্রণালী-ভাষা ব্যৱহাৰ (Langue-Parole) আৰু সহাবদ্ধ-ক্রমাবদ্ধ আনুষাঙ্গিক সম্বন্ধ (Syntagmatic-paradigmatic/Associative)। তেওঁ Parole (ব্যক্তিৰ বচন) আৰু Langue (ভাষা)ৰ যি ধাৰণাৰ সূচনা কৰিছিল পৰৱর্তী কালৰ ভাষাৰ অধ্যয়নৰ সি এক প্রধান আহিলা হৈ পৰে। চচ্যুৰৰ মতে ভাষা হ'ল যাদৃচ্ছিকভাৱে আৰোপিত এক সংকেত প্রণালী যিটো সংকেত বিজ্ঞান (Semiotics) নামৰ বিশেষ অধ্যয়নৰ বস্তু হৈ পৰিল। ভাষাৰ এক সুবিন্যস্ত গাঁথনি আছে যাৰ অংশবিলাকক সিহঁতৰ পাৰস্পৰিক সম্পর্কৰ যোগেদিহে বুজিব পাৰি। এই গঠনবাদৰ ধাৰণাই কেৱল ভাষাৰ ক্ষেত্রতে নহয়, সাহিত্যৰ ক্ষেত্রকো বিশেষভাৱে প্রভাৱিত কৰিলে। যুদ্ধোত্তৰ যুগৰ 'সংগঠনবাদ' (Structuralism), 'উত্তৰ সংগঠনবাদ' (Post-Structuralism), নির্গঠনবাদ' (Deconstruction) আদি সাহিত্য সমালোচনাৰ 'বাদ' (ism) সমূহ চচ্যুৰৰ ভাষাবৈজ্ঞানিক অধ্যয়নৰ দ্বাৰা প্রচুৰভাৱে প্রভাৱিত। এনেবোৰ কাৰণতে ফার্ডিনাণ্ড দ্য চচ্যুৰক 'আধুনিক ভাষাবিজ্ঞানৰ পিতৃ' আখ্যা দিয়া হয়। সেইদৰে আমেৰিকান চিন্তা জগতত ফ্রেন্জ বোৱাজে ইণ্ডো-আমেৰিকীয় প্রজাতিসমূহৰ ভাষা সংস্কৃতিৰ অধ্যয়নৰ বাবে আগবাঢ়ি আহি ভাষা চিন্তাৰ এখন নতুন জগত আৱিষ্কাৰ কৰে। ফ্রেন্জ বোৱাজৰ ভাষা সম্পর্কীয় চিন্তাক পৰৱর্তীকালত অধিক পদ্ধতিগতভাৱে বিচাৰ বিশ্লেষণ আগবঢ়ায়— এডোৱার্ড ছাপিৰে (Edward Sapir)। ছাপিৰৰ সূত্রসমূহক আকৌ অধিক বিজ্ঞানসম্মত ৰূপত দাঙি ধৰে লিওনার্ড ব্লুমফিল্ডে (Leonard Bloomfild)। এনেদৰে আধুনিক ভাষাবিজ্ঞানৰ সূত্রপাত হৈ ই ক্রমে গাঁথনিক ভাষাবিজ্ঞান (Strustural Linguistics) আৰু বর্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics) ৰূপে বিকাশ লাভ কৰে। এই কথা আগতেই উল্লেখ কৰা হৈছে যে ইউৰোপ আৰু আমেৰিকাত সুকীয়া সুকীয়াকৈ গঢ় লোৱা ভাষাবিজ্ঞানৰ পৰৱর্তী কালত সমন্বয় ঘটি বিশ্বত 'যথার্থ ভাষাবিজ্ঞানৰ ধাৰা'ৰ জন্ম হয়।

চচ্যুৰৰ ভাষা সম্পর্কীয় ধ্যান ধাৰণাৰ সমপর্যায়ৰ চিন্তাৰে আমেৰিকাত ফ্রেন্জ বোৱাজ'ৰ দ্বাৰা বর্ণনাত্মক ভাষাবিজ্ঞানৰ *A Handbook of American Indian Language* (১৯১১ খ্রীঃ)ত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণাসমূহ প্রকাশিত হৈছে। ইয়াৰ আঁত ধৰিয়েই ১৯২১ চনত এডোৱার্ড ছাপিৰে *Language* শীর্ষক গ্রন্থখন

ৰচনা কৰে। লিওনার্ড ব্লুমফিল্ডে ১৯৩৩ চনত তেওঁৰ কীর্তিস্তম্ভ স্বৰূপ গ্ৰন্থ *Language* প্ৰকাশ কৰি এই ধাৰাটোক অধিক শক্তিশালী কৰি তোলে। ছাপিৰেই আধুনিক ভাষাবিজ্ঞান অধিক জনপ্ৰিয় আৰু জ্ঞানচর্চাৰ এক শাখা ৰূপে প্ৰতিষ্ঠা কৰে। এই ধাৰাৰ অন্যান্য চিন্তাবিদসকলৰ ভিতৰত এইচ. এ. গ্লীছন, চালর্ছ এফ. হকেট, মার্টিন জু, বর্ণার্ড ব্লখ, জর্জ ট্ৰেগাৰ, জেলিগ হেৰিছ আদিৰ নাম উল্লেখযোগ্য। লিওনার্ড ব্লুমফিল্ডৰ পৰৱর্তী কালত জেলিগ হেৰিছৰ (১৯০৯-১৯৯২) *Methods in Structual Linguistics* (১৯৫১) এখন উল্লেখযোগ্য ভাষা বিষয়ক গ্ৰন্থ।

আধুনিক বর্ণনাত্মক বা গাঁথনিক ভাষাবিজ্ঞান ধাৰাৰ উল্লেখযোগ্য বৰঙণি হ'ল— বর্ণ, প্ৰাকৃতি আৰু বাক্যৰ আসন্ন অঙ্গ বিশ্লেষণ (IC Analysis) ৰ বিজ্ঞানসম্মত ব্যাখ্যা। কিন্তু এই ধাৰাত বাক্যৰ গাঁথনিক ক্ৰমৰ ওপৰত মাত্ৰাধিক গুৰুত্ব প্ৰদানৰ হেতু অর্থৰ দিশটো গৌণ হৈ পৰে। ফলত অগ্ৰহণীয় বাক্য তথা অসম্ভৱ কথাও কেৱল গঠনৰ ৰূপৰ খাতিৰতে শুদ্ধ বাক্যৰূপে প্ৰতিষ্ঠা কৰাৰ সুৰুঙা বৈ যায়। ইয়াৰ পৰিণতি স্বৰূপে বিংশ শতিকাৰ দ্বিতীয় ভাগত ৰূপান্তৰ সৃজন অথবা ৰূপান্তৰ উৎপাদক ব্যাকৰণ (Transformational Generative Grammar) নামৰ এক নতুন ভাষাবৈজ্ঞানিক ধাৰাৰ সূত্ৰপাত ঘটে। এই ধাৰাৰ উদ্ভাৰক জন হ'ল — আমেৰিকাৰ চিন্তাবিদ নোআম চমস্কি (Noam Chomsky)। চমস্কিয়ে ১৯৫৭ চনত প্ৰকাশ কৰা বিশ্ববিখ্যাত গ্ৰন্থ *Syntactic Structure*-ৰ জৰিয়তে বিশ্বৰ ভাষা-বিজ্ঞান চর্চাত আলোড়ন তুলিবলৈ সক্ষম হয়। তেওঁ দেখুৱালে যে গাঁথনিক ভাষা বিজ্ঞানীসকলে কোৱাৰ দৰে কেৱল অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা মানুহে ভাষা আহৰণ নকৰে। তেনে হোৱা হ'লে মানুহে নিত্য নতুন বাক্য সৃষ্টি নকৰি একেৰোৰ বাক্যকে দোহাৰি থাকিলেহেঁতেন। চমস্কিৰ মতে ভাষাৰ গাঁথনিৰ সৈতে মানৱ মনৰ গাঁথনিৰ সম্পর্ক আছে। ভাষা মানুহৰ জন্মগত সামর্থ আৰু এই সামর্থই মানৱ প্ৰকৃতিৰ স্বৰূপ নির্ণয় কৰে। ভাষা একোটাৰ ব্যাকৰণসম্মত বা গ্ৰহণীয় বাক্যৰ সংখ্যা অসীম। কিন্তু সেই অসীম বাক্যসমূহৰ মূলতে হৈছে সীমিত সংখ্যক সাৰ বাক্য (Kernal Sentence)। তেনে সীমিত সংখ্যক সাৰ বাক্যৰ পৰা সীমিত সংখ্যক বাক্যতাত্ত্বিক ৰূপান্তৰ নিয়মৰ সহায়ত অজস্ৰ নতুন বাক্য ৰচনা কৰিব পাৰি আৰু সিবোৰৰ গঠন ব্যাখ্যা কৰিব পাৰি। এই সীমিত নিয়মসমূহৰ আধাৰত অসীম সংখ্যক বাক্যৰ সুস্পষ্ট ব্যাখ্যাই হ'ল ৰূপান্তৰ সৃজন ব্যাকৰণৰ মূল কথা। এহাতে ৰূপান্তৰ আৰু আনহাতে সৃজনধর্মিতা — এই দুই বিষয়ৰ সুসমন্বয়ত গঢ় লৈ উঠিছে বাবেই ইয়াৰ নাম 'ৰূপান্তৰ সৃজন ব্যাকৰণ'। ৰূপান্তৰ শব্দটোৱে ভাষাৰ সাৰ বাক্যবোৰ পৰিৱর্তনৰ কথা সূচায়। যেনে সদর্থক বাক্য একোটা প্ৰশ্নবোধকলৈ নিব পাৰি। সেইদৰে কর্তৃবাচ্যৰ বাক্য একোটাক কর্মবাচ্যলৈ ৰূপান্তৰ কৰা সম্ভৱ। আনহাতে, 'সৃজনধর্মিতা' হ'ল মাতৃভাষায়ে স্বাভাৱিকভাৱে হৃদয়ংগম কৰি লোৱা ভাষাটোৰ সীমিত সংখ্যক নিয়মৰ সহায়ত নতুন নতুন বাক্য উৎপাদন কৰাৰ প্ৰৱণতা।

ইয়াৰ বলতেই মানুহে আগতে নুশুনা কথাও বুজিব পাৰে আৰু ক'বও পাৰে।

Syntactic Structure ৰচনাৰ পাছত চমস্কিৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ পায়। সেইবোৰৰ ভিতৰত *Aspect of the Theory of Syntax (1965), Topics in the Theory of Generative Grammar (1975), Language and Problems of Knowledge (1988), The Minimalist Program* (1995) আদিৰ নাম ল'ব পাৰি। এই গ্ৰন্থবোৰত তেওঁৰ ভাষাবৈজ্ঞানিক ধ্যান-ধাৰণা বিধৃত হৈছে। ডেভিদ ক্ৰিষ্টেলৰ ভাষাত ব্লুমফিল্ডৰ পৰৱৰ্তী গাঠনিক ভাষা চিন্তাৰ সৰ্বোৎকৃষ্ট বিকল্প হৈছে চমস্কীয় তত্ত্ব। এই তত্ত্বৰ বিকাশত অৰিহণা যোগোৱা অন্য কেইগৰাকীমান ভাষাচিন্তাবিদ হ'ল— কেয়, পেৰেইৰা, শ্মিয়েৰাৰ, ব্ৰেছনান, থম্পছন, উইজ্‌নগার্ডেন, ষ্টুকী, কাট্‌জ প'ষ্টেল আদি।

অৱশ্যে, ১৯৫৭ চনৰ পাছৰ পৰা চমস্কীয় ধাৰাৰ সমৰ্থন অথবা বিৰোধিতা কৰি Generalised Phrase Structure Grammar, Lexical-functional Grammar, Relational Grammar, Realistic Grammar, Network Grammar, Case for Case Theory, X-bar Theory আদি বিভিন্ন তত্ত্বৰ উদ্ভৱ হয়। ইয়াৰে প্ৰায় আটাইবোৰতে চমস্কিৰ অনুকৰণত Linguisticsৰ ঠাইত Grammar শব্দৰ মুক্ত ব্যৱহাৰ পৰিলক্ষিত হয়।

অতি সাম্প্ৰতিক কালছোৱাত প্ৰেগমেটিকচ (Pragmatics), সমাজ ভাষাবিজ্ঞান (Sociolinguistics), শৈলীবিজ্ঞান (Stylistics), মনস্তাত্ত্বিক ভাষাবিজ্ঞান (Psycho-Linguistics), প্ৰয়োগ ভাষাবিজ্ঞান (Applied Linguistics), যান্ত্ৰিক ভাষাবিজ্ঞান (Corpus Linguistics) আদি ভাষাবিজ্ঞানৰ নিত্য নতুন তত্ত্বৰ অভূতপূৰ্ব বিকাশে ভাষাৰ বিবিধ ব্যৱহাৰ সম্বন্ধে নতুনকৈ অনুসন্ধানৰ পথো মুকলি কৰিছে। ফলত ভাষা-চিন্তাৰ দিগন্ত যথেষ্ট সম্প্ৰসাৰিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ঊনবিংশ শতিকাৰ ভাষা অধ্যয়নত স্বকীয় দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত নতুনত্ব প্ৰদান কৰা ভাষাবিদ গৰাকীৰ নাম কি?

.....

প্ৰশ্ন নং ৬ ঃ চমস্কিৰ কোনখন গ্ৰন্থই বিশ্বৰ ভাষা-বিজ্ঞান চৰ্চাত আলোড়ন তোলে?

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহৰ ভাষা বিষয়ক অনুসন্ধিৎসা বা জিজ্ঞাসাৰ ফলতে ভাষা-সম্পৰ্কীয় চিন্তা-চৰ্চাৰ উদ্ভৱ আৰু বিকাশ হৈছে। এনে চিন্তা প্ৰাচ্য আৰু পাশ্চাত্যৰ বেলেগ বেলেগ দেশত ভিন ভিন ৰূপত গঢ় লৈ উঠিছিল যদিও ভাৰতবৰ্ষ আৰু গ্ৰীচে সম্পূৰ্ণ মৌলিক চিন্তা প্ৰসূত এক ঐতিহ্যমণ্ডিত পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।
- খ্ৰীঃপূৰ্ব পঞ্চম শতিকাৰ পৰা এনে চিন্তাৰ ধাৰাবাহিক ইতিহাস লাভ কৰা যায়। এই আঢ়ৈ হাজাৰ বছৰৰ ভিতৰত হোৱা ভাষা-চিন্তাৰ ইতিহাসক বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰিছে। সময়ৰ দিশৰ পৰা ভাষা-বিজ্ঞান চৰ্চাক এনে ধৰণে যুগ বিভাজন কৰা হৈছে— প্ৰাচীন যুগ (খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ ষষ্ঠ শতিকালৈ), মধ্যযুগ (খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ চতুদৰ্শ শতিকালৈ), নৱজাগৰণৰ যুগ (খ্ৰীঃ চতুদৰ্শ শতিকাৰ পৰা খ্ৰীঃ অষ্টাদশ শতিকাৰ আদি ভাগলৈ), ৰমন্যাসিক যুগ (খ্ৰীঃ অষ্টাদশ শতিকাৰ আদি ভাগৰ পৰা ১৭৮৬ খ্ৰীঃলৈ), আধুনিক যুগ (খ্ৰীঃ ১৭৮৬১ পৰা বৰ্তমান পৰ্যন্ত)। অৱশ্যে প্ৰত্যেকটো ভাগৰে বিভিন্ন উপবিভাগ কৰিও আলোচনা কৰা যায়।
- অধ্যায়টোত প্ৰতিটো যুগতে সমগ্ৰ বিশ্বত কেনে ধৰণৰ ভাষা-বিজ্ঞান চৰ্চা কৰা হৈছিল সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কোঁৱৰ, অৰ্পণা; (২০০২) ঃ *ভাষাবিজ্ঞান উপক্ৰমণিকা;* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ, (২০১২) ঃ *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি মাণিক প্ৰকাশন।

৩) ঠাকুৰ, নগেন; (২০১১) ঃ *ভাষা আৰু ভাষা-চিন্তা;* গুৱাহাটী ঃ বনলতা।

৪) ডেকা, খগেশ সেন; (২০০৯) ঃ *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) পাটগিৰি, দিপ্তী ফুকন; (২০০২) ঃ *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৬) পাদুন, নাহেন্দ্ৰ (সম্পা); (১৯৯৩) ঃ *ভাষাৰ তত্ত্বকথা*; শিৱসাগৰ ঃ আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষাষ্ঠিতম অধিবেশন।

৭) পাঠক, ৰমেশ, (১৯৯০) ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*; ডিব্ৰুগড় ঃ বনলতা।

৮) মহন্ত, পোনা (অনুবাদ), (২০১৪) ঃ *ফার্ডিনাণ্ড দ্য চচ্যুৰৰ সাধাৰণ ভাষাবিজ্ঞান পাঠ*; গুৱাহাটী ঃ পাণবজাৰ।

ইংৰাজী গ্ৰন্থ

৯) R.H.Robins (1997). *A Short History of Linguistics*. London: Routledge .

৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *মহাভাষ্য।*

২ নং প্ৰশ্নৰ উত্তৰ ঃ খ্ৰাক্সে *টেক্‌নো গ্ৰামাটিকা (Tekne Grammatike)* নামৰ ব্যাকৰণ ৰচনা কৰি গ্ৰীক ভাষা-চিন্তাক পোন প্ৰথম পদ্ধতিগত ৰূপ প্ৰদান কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্কাছ টেৰেণ্টিয়াছ ভাৰ্ৰো (Marcus Terentius Varro, খ্ৰীঃপূঃ ১১৬-২৭)ৰে চাব্বিশটা খণ্ডযুক্ত *দ্য লিংগুৱা লেটিনা (De Lingua Latina)* নামৰ ব্যাকৰণখনৰে লেটিন ভাষাত ব্যাকৰণ চর্চাৰ পাতনি মেলে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী ভাষাৰ প্ৰথমখন ব্যাকৰণ প্ৰকাশ পায় ১৫৮৬ খ্ৰীঃত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ইউল্‌হেম ভন হামব'ল্ট (Wilhem Von Humboldt, ১৭৬৭-১৮৩৫ খ্ৰীঃ)।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চমস্কিৰ ১৯৫৭ চনত প্ৰকাশিত বিশ্ববিখ্যাত গ্ৰন্থ *Syntactic Structure*-ৰ জৰিয়তে বিশ্বৰ ভাষা-বিজ্ঞান চর্চাত আলোড়ন তুলিবলৈ সক্ষম হয়।

৪.৭ আৰ্হি প্ৰশ্ন

বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষা অধ্যয়নৰ প্ৰধান স্তৰ তিনিটা কি কি?

খ) *অষ্টাধ্যায়ী*ৰ আন এটা নাম কি?

গ) কোনে কোনে গ্ৰীক বাক্যতত্ত্বৰ পোন প্ৰথম পদ্ধতিগত বিশ্লেষণ আগবঢ়ায়?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) ৰোমৰ সম্ৰাট জুলিয়াছ ছিজাৰেও (খ্ৰীঃপূঃ ১০০-৪৪) সামৰিক অভিযানৰ মাজে

মাজে পোৱা আজৰি সময়ত ব্যাকৰণ সম্পৰ্কীয় লেখা-মেলা কৰাৰ জনশ্রুতি প্রচলিত আছে।

খ) বিংশ শতিকাৰ পাশ্চাত্য জগতত আৰম্ভ হোৱা ভাষা অধ্যয়নক 'ভাষাতত্ত্ব' (Philology) নামেৰে বুজোৱা হয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাচীন ইউৰোপীয় ভাষা-চিন্তাৰ এক চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ আধুনিক ভাষাবিজ্ঞানৰ পিতৃ পুৰুষ বুলিলে কাক বুজায়? সেই গৰাকী পণ্ডিতৰ সময়ৰ পৰা ইউৰোপ আৰু আমেৰিকাত ভাষা চর্চাৰ এটি থুলমূল আভাস দিয়ক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক—

(ক) ভাষা-চর্চাৰ মধ্যযুগ (খ) নৱজাগৰণ যুগৰ ভাষা-চর্চা

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষা অধ্যয়ন প্রক্রিয়াত 'ভাষাতত্ত্ব' (Philology) অভিধাৰ প্রয়োগ ক'ত কিদৰে আৰম্ভ হ'ল? ইয়াক সৰবৰহী কৰাত কোন কেইগৰাকী পণ্ডিতে বিশেষ ভূমিকা পালন কৰিলে আলোচনা কৰক।

প্রশ্ন ২ ঃ আধুনিক ভাষাবিজ্ঞানৰ পিতৃ পুৰুষ বুলিলে কাক বুজায়? সেই গৰাকী পণ্ডিতৰ সময়ৰ পৰা ইউৰোপ আৰু আমেৰিকাত ভাষা চর্চাৰ এটি থুলমূল আভাস দিয়ক।

প্রশ্ন ৩ ঃ বিশ্বত ভাষা-চর্চাৰ ক্রমবিকাশ সম্পর্কে এটি আলোচনা যুগুত কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাষাৰ বিভিন্ন ৰূপ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ভাষাৰ বিভিন্ন ৰূপ
৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৫ অধিক জানিবলৈ
৫.৬ অগ্রগতিৰ খতিয়ান
৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ যে ভিন্ন ভিন্ন ৰূপ থাকে সেই বিষয়ে অনুধাৱন কৰিব পাৰিব
- সাধুভাষা, উপভাষা, মিশ্রভাষা, ৰাজ্যভাষা আদি ভাগত ভাষাক কেনেদৰে বা কি আধাৰত বিভাজন কৰা হয় সেই বিষয়ে অৱগত হ'ব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বিশ্বত কেনেদৰে ভাষা-চর্চাৰ সূত্রপাত হৈছিল আৰু তাৰ ক্রমবিকশিত ধাৰাসমূহৰ বিষয়ে বহলাই অধ্যয়ন কৰিলে। তদুপৰি পাঠ্যবিষয়টিৰ পূর্ব্বৱর্তী অধ্যায় কেইটিত আপুনি ভাষাৰ বিভিন্ন দিশ সম্পর্কে কিছু কথা অধ্যয়ন কৰি আহিছে। সেই আলোচনাসমূহত নিশ্চয় আপুনি 'মান্যভাষা', 'উপভাষা' আদি অভিধা ব্যৱহাৰ হোৱা দেখি আহিছে। সেইবোৰ প্রকৃততে ভাষাৰ বিভিন্ন ৰূপ। ভাষাবিদসকলে সেইকেইটাৰ উপৰি ভাষাৰ আৰু বিভিন্ন ৰূপ আছে বুলি আঙুলিয়াই দি বহলাই আলোচনা আগবঢ়াইছে।

এই অধ্যায়টোত আমি ভাষাৰ বিভিন্ন ৰূপ সম্পর্কে বহলাই অধ্যয়ন কৰিম। এই অধ্যয়নে আপোনাক ভাষাৰ বিভিন্ন ৰূপ লগত পৰিচয় কৰাই দিব।

৫.৩ ভাষাৰ বিভিন্ন ৰূপ

ভাষাৰ ৰূপ বৈচিত্র্যপূর্ণ। স্থান, কাল, পাত্রভেদে ভাষাৰ ৰূপ ভিন ভিন। পৃথিৱীত প্রচলিত প্রতিটো ভাষাই স্বকীয় বৈশিষ্ট্যৰে প্রোজ্জ্বল। ভাষা পৰিৱর্তনশীল হোৱা হেতুকে অকল ভিন ভিন ভাষাৰ মাজতে নহয় একেটা ভাষাৰ মাজতো ভিন্নতাই দেখা দিয়ে। ভাষাৰ এনে ভিন ভিন

ৰূপবোৰ হ'ল— কথিত ভাষা, লিখিত ভাষা, মৃতভাষা, জীৱিত ভাষা, মাতৃভাষা, আঞ্চলিক ভাষা, দ্বিতীয় ভাষা, ৰাজ্য ভাষা, ৰাষ্ট্ৰভাষা, আন্তঃৰাষ্ট্ৰীয় ভাষা, কৃত্ৰিম ভাষা, মিশ্ৰিত ভাষা, সাধুভাষা, উপভাষা, গুপ্তভাষা, বৰ্গভাষা আদি। তলত এই ভাষা ৰূপ কেইটাৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

- **সাধুভাষা ঃ** মান্যভাষাটোকে সাধাৰণতে সাধুভাষা বুলি কোৱা হয়। দৰাচলতে মান্যভাষাটোও এটা উপভাষাহে। এটা ভাষাৰ সকলো উপভাষাতে উমৈহতীয়া কাম-কাজ চলাবলৈ যাওঁতে খেলিমেলি হোৱা স্বাভাৱিক। সেইবাবে উপভাষাবোৰৰ মাজৰ সাংস্কৃতিকভাৱে মৰ্যদাপ্ৰাপ্ত ৰূপটো সামূহিকভাৱে কাম-কাজ চলাবৰ বাবে বাছি লোৱা হয়। এনেদৰে মৰ্যাদাপ্ৰাপ্ত ভাষাটো কিতাপ-পত্ৰ লিখা, শিক্ষাদান কৰা, সভা-সমিতিত ভাষণ দিয়া আদি কামত ব্যৱহাৰ কৰা হয়। চৰকাৰী বিভিন্ন কাম-কাজত এই ভাষাটোৱেই ব্যৱহাৰ কৰা হয়। পিছলৈ এই ধৰণে মৰ্যাদাপ্ৰাপ্ত উপভাষাটোকে মান্যভাষা বা সাধুভাষা বুলি কোৱা হয়। প্ৰকৃততে সাধুভাষা বা মান্যভাষা হিচাপে স্বীকৃত হোৱাৰ পিছত ই বিশেষ অঞ্চলৰ ভাষা হৈ নাথাকি প্ৰত্যেকটো উপভাষাৰে উমৈহতীয়া সম্পত্তি যেন হৈ পৰে। পিছলৈ আনকি সেই অঞ্চলৰ নিভাঁজ কথ্য ৰূপৰ প্ৰতিনিধিত্ব এই ভাষাই নকৰে; কাৰণ মান্যভাষা লিখিত আৰু কথ্য ৰূপতকৈ সদায় পিছ পৰি থাকে। উদাহৰণস্বৰূপে আমি যদি অসমীয়া ভাষাটোলৈ চাওঁ দেখো যে ইয়াৰ বিভিন্ন আঞ্চলিক ৰূপ বিদ্যমান যদিও শিৱসাগৰ অঞ্চলত প্ৰচলিত উপভাষাটোৱেই বৰ্তমান অসমৰ মান্যভাষা। মূলতঃ খ্ৰীষ্টান মিছনেৰীসকলে সেই অঞ্চলৰ পৰাই পোনপ্ৰথম অসমীয়া ছপা আলোচনী তথা কিতাপ প্ৰকাশ কৰিবলৈ লোৱাত সেই অঞ্চলত প্ৰচলিত অসমীয়া উপভাষাটোৱে সাধুভাষাৰ ৰূপ লাভ কৰে।
- **উপভাষা ঃ** কোনো এটা ভাষা সম্প্ৰদায় বিস্তৃত অঞ্চলত বিয়পি পৰিলে সেই ভাষাৰ কেতবোৰ আঞ্চলিক ৰূপ গঢ় লৈ উঠিব পাৰে। এনেদৰে গঢ় লৈ উঠা আঞ্চলিক বা ক্ষেত্ৰীয় ভাষাৰূপক উপভাষা বোলে। উদাহৰণস্বৰূপে — অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত শদিয়াৰ পৰা ধুবুৰীলৈ বিস্তৃত অসমীয়া ভাষাৰ কামৰূপী, গোৱালপৰীয়া, নগএঞা, শিৱসাগৰীয়া আদি একো একোটা সুকীয়া বৈশিষ্ট্যপূৰ্ণ উপভাষা। এইবোৰ অঞ্চলৰ উপভাষা নিজা নিজা বৈশিষ্ট্যৰে পৰিপূৰ্ণ। সাধাৰণতে উপভাষা ভাষা এটাৰ কথনভংগীৰ ভিন্নতাৰ ফলস্বৰূপে সৃষ্টি হয়। এই ভিন্নতা অনুযায়ী উপভাষাক দুটা ভাগত ভাগ কৰিব পাৰি—

    ক) আঞ্চলিক উপভাষা

    খ) সামাজিক উপভাষা

ভাষাৰ খণ্ডিত ৰূপ হ'ল উপভাষা। এটা ভাষাৰ অঞ্চল অনুসৰি খণ্ডিত হোৱা ভাষিক ৰূপকে ভাষাটোৰ অন্তৰ্গত আঞ্চলিক উপভাষা বুলি কোৱা হয়। উপভাষাৰ সৃষ্টিৰ মূল কাৰণ হ'ল মানুহৰ মাজত যোগাযোগৰ অভাৱ। বিভিন্ন কাৰণত একে ভাষা কোৱা ভিন ভিন অঞ্চলৰ মাজত যেতিয়া যোগাযোগৰ অভাৱ হয় তেতিয়া উক্ত অঞ্চলবোৰত বসবাস কৰা লোকৰ মাজত মিলামিছাৰ অভাৱ ঘটে আৰু সেইবোৰ অঞ্চলত দুটা সুকীয়া উপভাষা গঢ়

লৈ উঠে। ভৌগোলিক, প্ৰাকৃতিক, ৰাজনৈতিক, সামাজিক, ঐতিহাসিক, সাংস্কৃতিক আদি দিশসমূহে ভিন ভিন অঞ্চলৰ মাজত যোগাযোগৰ অভাৱ ঘটায় আৰু একোটা আঞ্চলিক উপভাষাৰ সৃষ্টিত অৱিহণা যোগায়। দুটা অঞ্চলৰ মাজত ডাঙৰ পাহাৰ, ডাঙৰ নদী অথবা হাবি-জংগল থাকিলে অঞ্চল দুটাৰ মানুহৰ মাজত যোগাযোগৰ অভাৱ ঘটে। ফলস্বৰূপে দুয়োটা অঞ্চলৰ ভাষাৰূপৰ বিভিন্নতাই দেখা দিয়ে। উদাহৰণস্বৰূপে একে ভাষিক অঞ্চল হ'লেও অবিভক্ত কামৰূপৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পা�ৰৰ ভাষা আৰু দক্ষিণ পা�ৰৰ ভাষাৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। তেনেদৰে একেটা ভাষিক পৰিৱেষ্টনৰ বেলেগ বেলেগ অঞ্চল যদি বেলেগ বেলেগ শাসকৰ অধীন হয় তেতিয়া সেই সেই অঞ্চলৰ মাজত যোগাযোগ ব্যাহত হয়। এনেদৰে যোগাযোগ ব্যাহত হোৱাৰ ফলত সেইবোৰ অঞ্চলত সুকীয়া উপভাষাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে, মধ্যযুগত অসমত উজনি অসম আহোমসকলে আৰু নামনি অসম কোঁচসকলে শাসন কৰিছিল। ফলত ৰাজ্যৰ মিলাপ্ৰীতিৰ অভাৱৰ বাবে দুয়োটা অঞ্চলৰ ভাষাৰ পাৰ্থক্যই দেখা দিছিল। উপভাষা সৃষ্টিৰ আন এটা উল্লেখনীয় দিশ হৈছে সাংস্কৃতিক দিশ। এটা ভৌগোলিক পৰিৱেষ্টনৰ কোনো এটা অঞ্চল যদি সাহিত্য, সংস্কৃতিৰ দিশত বেছিকৈ আগবঢ়া হয় তেতিয়া সেই অঞ্চলত প্ৰচলিত ভাষাটোৱে সুকীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে আৰু সময়ত সেই ভাষাটোৱেই মান্যভাষা হিচাপে স্বীকৃতি লাভ কৰে। কিন্তু সাংস্কৃতিক কেন্দ্ৰৰ সালসলনি ঘটিলে পূৰ্বৰ মান্যভাষাটো উপভাষা হিচাপে স্বীকৃত হ'ব পাৰে আৰু যিটো অঞ্চলৰ ভাষাই নতুনকৈ সাহিত্য, সংস্কৃতিৰ দিশত আগবাঢ়ি যায় সেই অঞ্চলৰ ভাষাটোৱে মান্যভাষা হিচাপে স্বীকৃতি পায়।

সামাজিক বাধা বা দূৰত্বই ভাষাত সৃষ্টি কৰা ব্যৱধান বা প্ৰভেদৰ ফলত সামাজিক উপভাষাৰ সৃষ্টি হয়। এটা ভাষাৰ অন্তৰ্গত এটা দল বা ফৈদে যেতিয়া একে ধৰণৰ সামাজিক বান্ধোনেৰে বান্ধ খাই একে ব্যৱস্থাপনাৰে বসবাস কৰি অন্যান্য দল বা ফৈদতকৈ সুকীয়া ধৰণেৰে ভাব প্ৰকাশ কৰে তেতিয়াই সামাজিক উপভাষাৰ সৃষ্টি হয়। সাধাৰণতে সমাজত বাস কৰা মানুহৰ বিভিন্ন শ্ৰেণী বা স্তৰ, জাতি বা বৰ্ণ, জীৱিকা নিৰ্বাহৰ মাধ্যম, ধৰ্ম আৰু লিংগ অনুসৰি ভাষাৰ বিভিন্নতা গঢ় লৈ উঠে আৰু ভাষাই সুকীয়া ৰূপ লাভ কৰে।

একেখন সমাজৰ একেটা অঞ্চলত বাস কৰা উচ্চশ্ৰেণীৰ লোক এজনৰ লগত নিম্নশ্ৰেণীৰ লোক এজনৰ ভাষাৰ অমিল দেখা যায়। এই অমিলবোৰৰ ফলত শ্ৰেণীগতভাৱে সামাজিক উপভাষাৰ সৃষ্টি হয়। সমাজৰ উচ্চ শ্ৰেণীৰ লোকসকল শিক্ষিত আৰু নিম্নশ্ৰেণীৰ প্ৰায়ভাগ লোকেই অশিক্ষিত। সেয়ে তেওঁলোকে ব্যৱহাৰ কৰা ভাষাৰ মাজত পাৰ্থক্য দেখা যায়। জাতি বা বৰ্ণ অনুসৰিও সমাজত ভাষাৰ বিভিন্নতা পৰিলক্ষিত হয়। কোনো এখন সমাজত যেতিয়া বৰ্ণ বৈষম্য অধিক হয়, তেতিয়া বিভিন্ন বৰ্ণৰ লোকৰ ভাষাৰ মাজত কিছুমান সুকীয়া ৰূপৰ সৃষ্টি হয়। এই সুকীয়া ৰূপসমূহকে জাতিগত উপভাষা বা বৰ্ণভাষা বুলি অভিহিত কৰা হয়। এখন সমাজত ধৰ্ম অনুযায়ীও ভাষাৰ ৰূপ বেলেগ বেলেগ হোৱা দেখা যায়। যেনে — একে অসমীয়া হ'লেও হিন্দু আৰু মুছলমান মানুহৰ ভাষাৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়।

মুছলমান মানুহৰ 'নিকাহ হয়' এজন হিন্দু মানুহে 'বিয়া কৰায়'। ভাষাৰ এই পার্থক্য যে অকল হিন্দু বা মুছলমান মানুহৰ ক্ষেত্রতহে আছে এনে নহয়, কিয়নো এখন সমাজত বিভিন্ন ধর্মৰ লোকে বাস কৰিব পাৰে সেয়ে এটা ধর্মৰ মানুহৰ ভাষাৰ আন ধর্মাৱলম্বী মানুহৰ ভাষাৰ লগত প্রত্যেকৰে পার্থক্য দেখিবলৈ পোৱা যায়।

- **মিশ্রভাষা ঃ** দুটা বা অধিক ভাষা সম্প্রদায়ৰ লোকে জীৱন-জীৱিকা নির্বাহৰ প্রয়োজনত কোনো ঠাইত অস্থায়ীভাৱে থাকিবলৈ ল'লে ভিন ভিন ভাষাৰ সমিল-মিলত পাৰস্পৰিক কার্য চলাবলৈ এক প্রকাৰ নতুন ভাষাৰ সৃষ্টি হয়। ইয়াৰ নাম মিশ্রভাষা। এনেকুৱা ভাষা কেৱল দৈনন্দিন জীৱনৰ সাধাৰণ কার্য চলাবৰ বাবেহে ব্যৱহাৰ হয়। মিশ্রিত ভাষাৰ ভিতৰত পিজিন বা পিজিন ইংলিছ, মৰিচাছ ক্রেওল, বীছ-লা-মাৰ আৰু চিনুক ভাষা বিশেষভাৱে উল্লেখযোগ্য। পিজিন ইংলিছ চীনদেশত প্রচলিত। ইংৰাজী আৰু চীনা ভাষাৰ মিশ্রণত পিজিন ইংলিছ ভাষাৰ সৃষ্টি হৈছে। ইংৰাজী, পর্তুগীজ আৰু স্পেনীয় ভাষাৰ মিশ্রণত সৃষ্টি হৈছে বীছ-লা-মাৰ ভাষা। পশ্চিম প্রশান্ত মহাসাগৰীয় অঞ্চলত এই ভাষাৰ প্রচলন আছে। ফৰাচী ভাষাৰ উপাদানৰ লগত নিগ্রোসকলৰ ভাষাৰ উপাদানৰ মিশ্রণৰ ফলত সৃষ্টি হৈছে মৰিচাচ ক্রেওল ভাষা। এই ভাষা মৰিচাছ দ্বীপত প্রচলিত। আচলতে 'পিজিন' ৰূপে গঢ় লোৱা ভাষাৰূপ একোটা যেতিয়া কোনো অঞ্চলৰ প্রথম ভাষা হৈ পৰে, তেতিয়া তাক ক্রেওল বোলা হয়।
- **কথিত আৰু লিখিত ভাষা ঃ** আমি যিধৰণে কথা কওঁ তেনেদৰে আমি নিলিখোঁ। ভাষা বুলি ক'লে সাধাৰণতে কথিত ভাষাকেই বুজা যায় যদিও ভাষাৰ লিখিত ৰূপ এটাও আছে। পৃথিৱীত প্রচলিত আটাইবোৰ ভাষাৰ লিখিত ৰূপ নাই, কিছুমানৰহে আছে। কথিত ভাষা পৰিৱর্তনশীল। সময়ে সময়ে ই পৰিৱর্তন হৈ থাকে। লিখিত ভাষাৰো পৰিৱর্তন ঘটে। কিন্তু কথিত ভাষাৰ পৰিৱর্তনৰ বহু কাল বিৰতিৰ পিছতহে **লিখিত** ভাষা পৰিৱর্তন হয়। কথিত ভাষাত ব্যাকৰণৰ নিয়ম প্রযোজ্য নহয়, কিন্তু লিখিত ভাষা ব্যাকৰণৰ নীতি-নিয়মেৰে শৃংখলিত।
- **মৃতভাষা আৰু জীৱিত ভাষা ঃ** কোনো এটা ভৌগোলিক পৰিসীমাত বসবাস কৰা বেছিভাগ মানুহে যেতিয়া তাত প্রচলিত যি কোনো এটা ভাষা ব্যৱহাৰ কৰিবলৈ এৰি দিয়ে তেতিয়া সেই ভাষাটোক মৃতভাষা বোলা হয়। কিন্তু মৃতভাষা এটা ধার্মিক বা সাংস্কৃতিক কার্যৰ মাজেদি এক শ্রেণীৰ লোকৰ মাজত চলি থাকে, যেনে— সংস্কৃত ভাষা। আনহাতে এটা ভৌগোলিক পৰিসীমাত বসবাস কৰা লোকে যদি ভাষাটো সুন্দৰভাৱে ব্যৱহাৰ কৰি থাকে তেতিয়া তাক জীৱিত ভাষা বোলা হয়। জীৱিত ভাষা সময়ৰ লগে লগে পৰিৱর্তিত হৈ থাকে।
- **মাতৃভাষা ঃ** জন্মৰ পিছতে মানুহে যিটো ভাষা আয়ত্ত কৰে, যিটোৰ জৰিয়তে মনৰ ভাৱ প্রকাশ কৰি যোগাযোগ স্থাপন কৰে তাকে মাতৃভাষা বোলে। মাতৃভাষাৰ সহায়েৰে মানুহে নিজৰ ভাৱ প্রকাশ কৰিব পাৰে। ভাষা যিহেতু পৰিৱেশ অনুযায়ীহে আয়ত্ত কৰা হয় সেয়ে মানুহে জন্মতে শিকা ভাষাটো সৰু কালতে এৰিবলগীয়াও হ'ব পাৰে। আজিকালি 'মাতৃভাষা' শব্দগুচ্ছৰ সলনি 'প্রথম ভাষা' (First language) শব্দগুচ্ছ ব্যৱহাৰ হোৱাটো বিশেষভাৱে মন কৰিবলগীয়া।

- **আঞ্চলিক ভাষা ঃ** বিভিন্ন জাতিয়ে বসবাস কৰা কোনো এখন ঠাইত বেলেগ বেলেগ ভাষা কোৱা লোকসকলে পাৰস্পৰিক যোগাযোগৰ বাবে যিটো ভাষা ব্যৱহাৰ কৰে সেই ভাষাটোকে আঞ্চলিক ভাষা বোলে।
- **দ্বিতীয় ভাষা ঃ** এজন লোকে নিজৰ প্ৰথম ভাষা বা মাতৃভাষাৰ উপৰি আয়ত্ত কৰা আন এটা ভাষাক দ্বিতীয় ভাষা বোলে। ভিন্ন ভাষী লোক এজনে কোনো এখন ঠাইত বৃত্তিগত বা আন কেনো কাৰণত বসবাস কৰিবলগীয়া হ'লে সেই ঠাইৰ মানুহৰ শিক্ষা-দীক্ষা, প্ৰশাসনীয় কাম-কাজ অথবা দৈনন্দিন জীৱন প্ৰৱাহত ব্যৱহাৰ হৈ থকা ভাষাৰূপটো আয়ত্ত কৰি ল'বলগীয়া হয়। এনেদৰে আয়ত্ত কৰা ভাষাটোকে দ্বিতীয় ভাষা বোলা হৈছে।
- **কৃত্ৰিম ভাষা ঃ** দৈনন্দিন জীৱন-প্ৰৱাহত মানুহে কথা-বতৰা কওঁতে সাধাৰণতে স্বাভাৱিক (Natural) ভাষাৰূপ একোটা ব্যৱহাৰ কৰে। কিন্তু, কেতবোৰ প্ৰয়োজনত মানুহে একোটাহঁত ভাষাৰূপ নিজেও সৃষ্টি কৰি লয়। এনে ভাষাৰূপক কৃত্ৰিম ভাষা বোলা হয়। কৃত্ৰিম ভাষা সাধাৰণতে স্বাভাৱিক ভাষাৰ আধাৰতে গঢ় লৈ উঠে।
- **ৰাজ্যভাষা ঃ** এখন ৰাজ্যত একাধিক ভাষাৰ প্ৰচলন থাকিলে সেইবোৰৰ কোনো এটা ভাষাক ৰাজ্যখনৰ সামূহিক কাম-কাজ চলাবলৈ বাছি লোৱা হয়। ৰাজ্যৰ শিক্ষাদান আদিও এই ভাষাটোৰ মাধ্যমত কৰা হয়। এনেকুৱা ভাষাকে ৰাজ্যভাষা বুলি কোৱা হয়। ৰাজ্যভাষা হিচাপে বাছি লোৱা ভাষাটো ৰাজ্যখনৰ বেছিভাগ মানুহে বুজি পোৱা হ'ব লাগে আৰু সেই ভাষা ঐতিহ্যপূৰ্ণ তথা সাংস্কৃতিকভাৱে মৰ্যাদাসম্পন্ন হ'ব লাগে। অসম ৰাজ্যৰ ৰাজ্যিক ভাষা অসমীয়া। অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন ভাষা কোৱা মানুহ আছে যদিও অসমীয়া ভাষাটো প্ৰায় অঞ্চলৰ মানুহে বুজি পায়। ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ উপৰিও উত্তৰ-পূব সীমান্ত অঞ্চল (অৰুণাচল) আৰু নাগালেণ্ডৰ পাৰস্পৰিক বিনিময়ৰ ভাষা অসমীয়া। অসমীয়া ভাষাটো অতি প্ৰাচীন কালৰে পৰা চলি আহিছে আৰু এই ভাষাটোতে সাহিত্য সম্পদো প্ৰাচীন কালৰে পৰা ৰচিত হৈ আহিছে। সেয়ে অসমীয়া ভাষাটোৱে অসমৰ ৰাজ্যভাষা হিচাপে স্বীকৃতি পাইছে।
- **ৰাষ্ট্ৰভাষা ঃ** ৰাষ্ট্ৰ এখনৰ বিভিন্ন ৰাজ্যৰ মাজত যোগাযোগ আৰু সামূহিক কাৰ্য চলাবৰ নিমিত্তে যি ভাষা বাছি লোৱা হয় তাকে ৰাষ্ট্ৰভাষা বোলে। এখন ৰাষ্ট্ৰত বহুতো ৰাজ্য থাকে আৰু প্ৰত্যেক ৰাজ্যৰে একোটা ৰাজ্যভাষা থাকে। সেয়ে যি কোনো এটা ভাষাক ৰাষ্ট্ৰভাষা হিচাপে বাছি লোৱাত সমস্যা হৈ পৰে। ৰাষ্ট্ৰভাষা স্বাভাৱিক নাইবা কৃত্ৰিমো হ'ব পাৰে। যিকোনো ৰাজ্যভাষা এটাক ৰাষ্ট্ৰভাষা হিচাপে স্বীকৃতি দিলে সি হ'ব স্বাভাৱিক ভাষা আৰু ৰাষ্ট্ৰীয় কাম-কাজ চলাবৰ নিমিত্তে মানুহে সজাই-পৰাই লোৱা ভাষাটো হ'ব কৃত্ৰিম ভাষা। ভাৰতত এসময়ত মহাত্মা গান্ধীয়ে 'হিন্দুস্তানী' নামেৰে কৃত্ৰিম ভাষা এটা ৰাষ্ট্ৰভাষা হিচাপে ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰিছিল। সেইদৰে 'সংস্কৃত'ৰ কথাও ভবা হৈছিল। ৰাষ্ট্ৰভাষা অকল সামূহিক কামৰ বাবেই নহয়, উচ্চশিক্ষাৰ মাধ্যম হিচাপেও উপযুক্ত হ'ব লাগিব। হিন্দী ভাষাটো ভাৰতৰ বহু অঞ্চলত বুজি পোৱাৰ লগতে অসম্পূৰ্ণ ৰূপ এটাত ক'বও পাৰে। ইয়াৰ সাহিত্যিক মৰ্যাদাও আছে। এখন ৰাষ্ট্ৰত একাধিক ৰাষ্ট্ৰভাষাৰ প্ৰচলন থাকিব পাৰে। চুইজাৰলেণ্ডত

চুইচ, ফৰাচী আৰু জার্মান— এই তিনিওটা ভাষাই ৰাষ্ট্রভাষা হিচাপে স্বীকৃত হৈছে।

- **আন্তঃৰাষ্ট্রীয় ভাষা ঃ** বিভিন্ন ৰাষ্ট্রৰ মাজত যোগাযোগ গঢ়িবৰ বাবে ব্যৱহাৰ কৰা ভাষাক আন্তঃৰাষ্ট্রীয় ভাষা বোলে। আন্তঃৰাষ্ট্রীয় ভাষা হিচাপে মর্যাদা পাবলৈ হ'লে ভাষাটো হ'ব লাগিব শক্তিশালী, সুবিস্তৃত আৰু সৰল। বর্তমান ইংৰাজী ভাষাটো এই আটাইবোৰ গুণেৰে সমৃদ্ধ। সেয়ে এই ভাষাটোৱেই আন্তঃৰাষ্ট্রীয় ভাষাৰ মর্যাদা লাভ কৰিছে। আন্তঃৰাষ্ট্রীয় ভাষা স্বাভাৱিক নাইবা কৃত্রিমো হ'ব পাৰে। পণ্ডিতসকলে কৃত্রিম ভাষা একোটাক আন্তঃৰাষ্ট্রীয় ভাষা হিচাপে মর্যাদা দিবলৈ সময়ে সময়ে যত্ন কৰি আহিছে। ৰার্ছৰ ডঃ ঝমেনহক নামৰ পণ্ডিত গৰাকীয়ে ১৮৮৬ চনত 'এছপিৰেণ্টো' নামৰ এটা কৃত্রিম ভাষাৰ আৱিষ্কাৰ কৰিছিল আৰু সেই ভাষাটোৱে প্রসিদ্ধিও লাভ কৰিছিল। আন কেইটামান কৃত্রিম ভাষা হ'ল — ইডো, গ্লোৱো, নোৱিয়েল, ৰোলাপক আদি।
- **গুপ্তভাষা ঃ** কোনো কোনো পৰিস্থিতিত এজনৰ মনোভাৱ যাতে আন এজনে বুজি নাপায় তাৰ কাৰণেও এক ভাষাৰূপৰ উদ্ভৱ হয়। এনে ভাষাৰূপক গুপ্তভাষা বোলে। বিশেষকৈ চোৰ ডকাইতৰ দল, ব্যৱসায়ী, সৈন্য বাহিনী, ৰাজনৈতিক বিদ্রোহী দল আদিৰ মাজত আনে বুজিব নোৱৰাকৈ সৃষ্টি কৰি লোৱা গুপ্তভাষাৰ প্রচলন লক্ষ্য কৰিব পাৰি। গুপ্তভাষাৰ সৃষ্টিত বিভিন্ন পদ্ধতি অৱলম্বন কৰা হয়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান পদ্ধতি, যেনে —
  - ➢ শব্দৰ অক্ষৰ ওলোটাই ব্যৱহাৰ কৰি, যেনে — তুমি > মিতু, পানী > নীপা, ঘৰ > ৰঘ ইত্যাদি।
  - ➢ কোনো এটা শব্দৰ প্রচলিত অর্থৰ সলনি আন এটা অর্থত ব্যৱহাৰ কৰি। যেনে — গোসাঁই ঘৰ (আৰক্ষী চকী)।
  - ➢ শব্দত নতুন ধ্বনি বা অক্ষৰ সংযোগ কৰি। যেনে — তুমিচ্ কিচ্ কৈছাচ্? (তুমি কি কৈছা?), ঘিলতি বিলাতি কিলাহিঁ (ঘটি বাতি কাঁহী)।
  - ➢ আখৰৰ সলনি সংখ্যা বা সংখ্যাৰ সলনি দিন বা মাহৰ নাম উল্লেখ কৰি। যেনে— A -1, B-2, C-3, D-4 নাইবা 1. জানুৱাৰী, 2. ফেব্রুৱাৰী, 3. মার্চ ইত্যাদি। উল্লেখযোগ্য যে গুপ্তভাষাই একোটাহঁত স্বাভাৱিক ভাষাৰ ব্যাকৰণৰ ৰীতিকে অনুকৰণ কৰে।
- **বর্গভাষা ঃ** আনে বুজি নোপোৱাকৈ কেৱল নির্দিষ্ট এটা দলৰ মাজত বুজিব পৰাকৈ সৃষ্টি কৰি লোৱা ভাষাক বর্গভাষা বোলে। বর্গভাষাও এটা কৃত্রিম ভাষা। বর্গভাষাৰ জৰিয়তে মানুহৰ বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায়। বর্গভাষা খেলাৰ চলেৰে সৃষ্টি কৰা গোপন ভাষা। ই সদায় হাস্যৰসমিশ্রিত আৰু ব্যঙ্গাত্মক। বর্গভাষা অস্থায়ী। এটা বিশেষ দলৰ মাজতহে ই চলে আৰু দলটো ভাঙি যোৱাৰ লগে লগে বর্গভাষাও নাইকিয়া হয়। বর্গভাষা দুইধৰণে গঠন কৰা হয়।
  - ➢ আন ভাষাৰ শব্দ ব্যৱহাৰ কৰি। যেনে — তাৰ নট (nut)টো ঢিলা হৈছে। সেইদৰে হিন্দী ভাষাৰ 'চীজ' শব্দটো ইংৰাজীত এটা ব্যঙ্গ অর্থত ব্যৱহাৰ কৰা হৈছে— He is a big cheese.
  - ➢ কোনো শব্দৰ যাদৃচ্ছিকভাৱে অর্থ আৰোপ বা ব্যঙ্গ অর্থত প্রয়োগ কৰি। যেনে — যাৰ

টকা-পইছা নাই তেওঁকো ব্যঙ্গাৰ্থত সদাগৰ বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উপভাষাৰ ভাগ দুটা কি কি?

.....

প্রশ্ন নং ২ ঃ কৃত্রিম ভাষা কাক বোলে?

.....

.....

প্রশ্ন নং ৩ ঃ 'এছপিৰেণ্টো' কি?

.....

প্রশ্ন নং ৪ ঃ বৰ্গভাষা কাক বোলে?

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ ৰূপ বৈচিত্র্যপূর্ণ। স্থান, কাল, পাত্রভেদে ভাষাৰ ৰূপ ভিন ভিন। পৃথিৱীত প্রচলিত প্রতিটো ভাষাই স্বকীয় বৈশিষ্ট্যৰে প্রোজ্জ্বল। ভাষা পৰিৱর্তনশীল হোৱা হেতুকে অকল ভিন ভিন ভাষাৰ মাজতে নহয় একেটা ভাষাৰ মাজতো ভিন্নতাই দেখা দিয়ে।
- ভাষাৰ ভিন ভিন ৰূপবোৰ হ'ল— কথিত ভাষা, লিখিত ভাষা, মৃতভাষা, জীৱিত ভাষা, মাতৃভাষা, আঞ্চলিক ভাষা, দ্বিতীয় ভাষা, ৰাজ্য ভাষা, ৰাষ্ট্রভাষা, আন্তঃৰাষ্ট্রীয় ভাষা, কৃত্রিম ভাষা, মিশ্রিত ভাষা, সাধুভাষা, উপভাষা, গুপ্তভাষা, বৰ্গভাষা আদি। অধ্যায়টোত এই ভাষা ৰূপ কেইটাৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।



৫.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) গোস্বামী, গোলোকচন্দ্র (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্রাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৫) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৬) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৮) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আঞ্চলিক উপভাষা আৰু সামাজিক উপভাষা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দৈনন্দিন জীৱন-প্ৰৱাহত মানুহে কথা-বতৰা কওঁতে সাধাৰণতে স্বাভাৱিক (Natural) ভাষাৰূপ একোটা ব্যৱহাৰ কৰে। কিন্তু, কেতবোৰ প্ৰয়োজনত মানুহে একোটাহঁত ভাষাৰূপ নিজেও সৃষ্টি কৰি লয়। এনে ভাষাৰূপক কৃত্ৰিম ভাষা বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'এছপিৰেণ্টো' ৰাৰ্ছৰ ডঃ ঝমেনহক নামৰ পণ্ডিত গৰাকীয়ে ১৮৮৬ চনত আৱিষ্কাৰ কৰা কৃত্ৰিম ভাষা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আনে বুজি নোপোৱাকৈ কেৱল নিৰ্দিষ্ট এটা দলৰ মাজত বুজিব পৰাকৈ সৃষ্টি কৰি লোৱা ভাষাক বৰ্গভাষা বোলে।

৫.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মান্যভাষা আৰু সাধুভাষাৰ কিবা পাৰ্থক্য আছেনে?

খ) দ্বিতীয় ভাষা কাক বোলে।

গ) মহাত্মা গান্ধীয়ে ৰাষ্ট্ৰভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ সৃষ্টি কৰিব খোজা ভাষাটোৰ নাম কি আছিল?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) সামাজিক বাধা বা দূৰত্বই ভাষাত সৃষ্টি কৰা ব্যৱধান বা প্ৰভেদৰ ফলত সামাজিক উপভাষাৰ সৃষ্টি হয়।

খ) বৰ্গভাষা অতি স্বাভাৱিকভাৱে সৃষ্টি হোৱা ভাষা।

গ) মৃতভাষা এটা ধার্মিক বা সাংস্কৃতিক কার্যৰ মাজেদি এক শ্রেণীৰ লোকৰ মাজত চলি থাকে।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

ক) ৰাজ্যভাষা খ) আন্তঃৰাষ্ট্রীয় ভাষা

গ) মিশ্রভাষা ঘ) গুপ্তভাষা

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ কাৰণসমূহ ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ২ ঃ ভাষাৰ ৰূপসমূহৰ চমু পৰিচয় দাঙি ধৰক।

*** ***** ***

অধ্যায় ৬ঃ ভাষাৰ পৰিৱৰ্তন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ভাষাৰ পৰিৱৰ্তন
৬.৪ ভাষাৰ পৰিৱৰ্তনৰ কাৰণ
৬.৫ ভাষাৰ পৰিৱৰ্তনৰ বিভিন্ন প্ৰকাৰ
৬.৫.১ ভাষাৰ বাহ্যিক পৰিৱৰ্তন
৬.৫.২ ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাষাৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সামাজিক, ৰাজনৈতিক, ভৌগোলিক আৰু মনোবৈজ্ঞানিক আদি কাৰণত ভাষাৰ কেনেদৰে পৰিৱৰ্তন ঘটে তাৰ ব্যাখ্যা কৰিব পাৰিব
- ভাষাৰ পৰিৱৰ্তনৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে অৱগত হ'ব
- এটা ভাষাই আন এটা ভাষাৰ পৰা কেনেদৰে শব্দ ধাৰ কৰে সেই বিষয়ে জানিব
- ভাষাৰ বাহ্যিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন মানে কি সেই বিষয়ে অনুধাৱন কৰিব পাৰিব
- অল্পপ্ৰাণীভৱন, মহাপ্ৰাণীভৱন, সঘোষীভৱন, মূৰ্ধন্যীভৱন, স্বৰভক্তি, অনুনাসিকীভৱন, আগম, অপনিহিতি, লোপ, ধ্বনিবিপর্যয় আদি ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে আলোচনা জানিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ভাষাৰ বিভিন্ন ৰূপৰ বিষয়ে অধ্যয়ন কৰিলে। আপুনি সেই অধ্যায়টোতে গম পালে যে ভাষাৰ পৰিৱৰ্তনো সাধন হয়। এই অধ্যায়টোত ভাষাৰ পৰিৱৰ্তন সম্পৰ্কে কিছু কথা অধ্যয়ন কৰিবলৈ পাব।

ইতিমধ্যে কৈ অহা হৈছে যে ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াৰ পৰিৱৰ্তনশীলতা। ভাষাই কেনেদৰে পৰিৱৰ্তন লাভ কৰে তাৰ কাৰণসমূহৰ লগতে পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ বিষয়েও এই অধ্যায়টোৰ জৰিয়তে আপুনি অৱগত হ'ব পাৰিব। মন কৰিবলগীয়া যে ভাষাৰ পৰিৱৰ্তন মূলতঃ দুই ধৰণে ঘটে— বাহ্যিক আৰু আভ্যন্তৰীণ। অধ্যায়টো অধ্যয়ন কৰি আপুনি ভাষাৰ এই প্ৰক্ৰিয়াসমূহৰ বিষয়েও অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৬.৩ ভাষাৰ পৰিৱৰ্তন

সমাজৰ লগত ভাষাৰ সম্পৰ্ক অঙ্গাঙ্গী। সমাজ জীৱনৰ পৰিৱৰ্তনৰ নিচিনাকৈ ভাষাইও সময়ৰ লগে লগে বিভিন্ন দিশৰ পৰা পৰিৱৰ্তন লাভ কৰে। সভ্যতাৰ বিকাশৰ লগে লগে মানৰ সমাজৰ প্ৰায় আটাইবোৰ দিশতে পৰিৱৰ্তন সংঘটিত হৈছে। ই এক স্বাভাৱিক প্ৰক্ৰিয়া। মানুহৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক চিন্তাৰ পৰিৱৰ্তনে ভাষাৰ জগতলৈও পৰিৱৰ্তন আনে। মুঠতে, সমাজৰ পৰিৱৰ্তনৰ প্ৰভাৱ সদায় ভাষাৰ ওপৰত পৰে। বিশেষকৈ এখন সমাজ আন এখন সমাজৰ লগত যোগাযোগ স্থাপন হ'লে দুয়োখন সমাজত বাস কৰা লোকৰ কথিত ভাষাৰ ওপৰত প্ৰভাৱ পৰে। কথিত ভাষাৰ পৰিৱৰ্তন সঘনে হয়; কিন্তু লিখিত ভাষাৰ পৰিৱৰ্তনৰ গতি অতি মন্থৰ । কাৰণ লিখিত ভাষাক ব্যাকৰণৰ কঠোৰ শাসনেৰে বান্ধি ৰখা হয়। তথাপিতো সময়ৰ পৰিৱৰ্তনৰ লগে লগে লিখিত ভাষাৰো পৰিৱৰ্তন হয়। পৰিৱৰ্তনশীলতা ভাষাৰ প্ৰধান বৈশিষ্ট্য। পৰিৱৰ্তনৰ অবিহনে ভাষা এটা মৃত ৰূপত পৰিণত হ'ব পাৰে। সংস্কৃত ভাষাক কঠোৰ শাসনেৰে বান্ধি পেলোৱাৰ ফলত এই ভাষাটো মৃত প্ৰায় হ'বলৈ ধৰিছে। স্থবিৰতাই ভাষাক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। গতিশীলতাই ভাষাক জীৱন্ত কৰি ৰাখে। গতিশীলতাই সময়ৰ গতিত বিভিন্ন ভাষাৰো জন্ম দিয়ে।

ভাষাৰ পৰিৱৰ্তনে সদায় জটিলতাৰ পৰা সৰলতালৈ গতি কৰে। ভাৰতীয় আৰ্য ভাষাই জটিলতা পৰিহাৰ কৰি পালি আৰু প্ৰাকৃতৰ ৰূপ লয়। প্ৰাকৃত ৰূপবোৰ খণ্ড খণ্ড হৈ অপভ্ৰংশ ৰূপৰ সৃষ্টি হয়। অপভ্ৰংশ স্তৰত একেবাৰে জটিলতা কমি ইয়াৰ পৰা নব্য-ভাৰতীয় আৰ্য ভাষা সমূহৰ সৃষ্টি হয়। এনেদৰে মাগধী প্ৰাকৃতৰ পৰা মাগধী অপভ্ৰংশ আৰু তাৰ অৱহট্‌ঠ ৰূপৰ পৰাই অসমীয়া, বাংলা আৰু উড়িয়া আদি ভাষাৰ উৎপত্তি হৈছে। এই ভাষাসমূহে বিকাশ লাভ কৰি অন্যান্য ভাষাৰ সংস্পৰ্শলৈ আহি সুকীয়া ৰূপ গ্ৰহণ কৰে। পৰিৱৰ্তনৰ গতিপথত আৰ্যভিন্ন ভাষাসমূহৰ প্ৰভাৱত অসমীয়া ভাষাও সুকীয়া বিশেষত্বৰে গঢ় লৈ উঠে। অসমীয়া ভাষাই উদ্ভৱৰ সময়ৰ পৰা প্ৰাচীন অসমীয়া, মধ্য অসমীয়াকে ধৰি আধুনিক অসমীয়ালৈকে উচ্চাৰণ, ব্যাকৰণ, শব্দ আদিৰ দিশত ভালেমান পৰিৱৰ্তন লাভ কৰি আহিছে। এনেদৰে অসমীয়া ভাষাই সময়ৰ সোঁতত গতি কৰোঁতে লিখিত আৰু কথিত দুয়োটা ৰূপতে পৰিৱৰ্তন সাধিত হৈছে।

৬.৪ ভাষাৰ পৰিৱৰ্তনৰ কাৰণ

ভাষাৰ পৰিৱৰ্তন স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক। মানুহৰ ভাব প্ৰকাশৰ মাধ্যম হৈছে ভাষা।

সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে মানুহৰ জ্ঞানৰ জগতত নতুন ভাব, নতুন ধাৰণাই ঠাই পায়। বিজ্ঞানৰ অৱদানৰ ফলত নতুন নতুন বস্তুৰ আৱিষ্কাৰ হৈছে। এই বস্তুবোৰৰ নাম জানিবলৈ নিজৰ ভাষাত শব্দৰ অভাৱ হ'লে মানুহে নতুন শব্দৰ প্ৰয়োজন অনুভৱ কৰে। সেয়ে অন্যান্য ভাষা-ভাষীৰ সংস্পৰ্শলৈ আহি মানুহে সেই অভাৱ পূ�ৰণ কৰে। অন্য ভাষাৰ পৰা শব্দ লোৱাৰ ফলত অনুক�ৰণৰ অপূৰ্ণতা বা উচ্চা�ৰণৰ জটিলতাৰ কাৰণে শব্দবোৰ মানুহে নিজৰ ভাষাৰ ঠাঁচত সজাই লয়। ইয়াৰ ফলত ভাষাত নানা পৰিৱৰ্তনে দেখা দিয়ে। সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, ভৌগোলিক, ভাষাগত, মনোবৈজ্ঞানিক ইত্যাদি কাৰণৰ ফলত ভাষাৰ পৰিৱৰ্তন সাধিত হয়।

- **সামাজিক ঃ** ভাষাৰ পৰিৱৰ্তনত সমাজৰ বিভিন্ন দিশৰ পৰিৱৰ্তনৰ প্ৰভাৱ পৰে। ব্যৱসায়-বাণিজ্য, শিক্ষা-দীক্ষা, প্ৰশাসনীয় তাগিদা, ভ্ৰমণ আদি কাৰণত এখন ঠাইৰ মানুহৰ আন এখন ঠাইৰ মানুহৰ লগত সম্পৰ্ক ঘটাৰ ফলত একো একোখন সমাজত প্ৰচলিত ভাষাই পৰিৱৰ্তন লাভ কৰে। সেইদৰে যুদ্ধ-বিগ্ৰহ, বিদেশী আক্ৰমণ আদিৰ কাৰণেও সমাজ জীৱনত পৰিৱৰ্তন ঘটে। যুদ্ধৰ সময়ত বিভিন্ন ভাষা-ভাষীৰ সংমিশ্ৰণ ঘটাৰ ফলত ভাষাৰ পৰিৱৰ্তন হয়। অসমীয়া সমাজত আই, বৌ, বৌটিৰ ঠাইত মা, মামা, আৰু পিতা, দেউতা আদিৰ ঠাইত ডেডী, পাপা আদি শব্দৰ ব্যৱহাৰ হ'বলৈ ধৰাটো নিঃসন্দেহে পাশ্চাত্য প্ৰভাৱৰ ফল। তেনেদৰে বিভিন্ন জাতিৰ মাজত হোৱা বিয়া-বাৰুৰ ফলত ভাষাৰ ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত দিশত পৰিৱৰ্তন ঘটে। সাংস্কৃতিক কাৰণত এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ পৰা সংস্কৃতি সমাহৰণ কৰোঁতে শব্দৰ আদান-প্ৰদানৰ কাৰণেও ভাষাৰ পৰিৱৰ্তন হয়। অসমীয়া সমাজত মুছলমান আৰু ইংৰাজসকলৰ আগমনৰ ফলত বহুতো শব্দ অসমীয়া ভাষাত সোমাই পৰে আৰু তাৰ লগে লগে অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰৰ পৰিৱৰ্তন হয়।
- **সাংস্কৃতিক ঃ** এখন সমাজৰ সংস্কৃতিয়ে আন এখন সমাজক প্ৰভাৱিত কৰাৰ ফলত সাংস্কৃতিক বিষয় বা বস্তুবোৰৰ লগতে সেইবোৰক বুজোৱা শব্দবোৰো ধাৰ কৰিব লগা হয়। যেনে— অসমত বিভিন্ন জনগোষ্ঠী বসবাস কৰাৰ ফলত এটা জনগোষ্ঠীৰ লগত আন এটা জনগোষ্ঠীৰ সাংস্কৃতিক মিলনৰ পৰিণতি স্বৰূপে সাজপাৰ, অলংকাৰ, প্ৰসাধন, খাদ্য সামগ্ৰী ইত্যাদি বিষয়ক শব্দৰ আদান-প্ৰদান ঘটিছে। তাৰ ফলতো ভাষাৰ পৰিৱৰ্তন ঘটে।
- **ৰাজনৈতিক ঃ** এটা ভাষা কোৱা অঞ্চল বিভিন্ন সময়ত বিভিন্ন শাসনৰ অধীন হ'লে তেতিয়া শাসকসকলৰ ভাষাৰ শব্দ কিছুমান শাসিত অঞ্চলৰ ভাষাত সোমাই পৰে। উদাহৰণস্বৰূপে, আহোমসকলে অসমত ৰাজত্ব কৰাৰ ফলত টাই ভাষাৰ শব্দ অসমীয়া ভাষাত সোমাই পৰে। আহোমৰ পিছত ব্ৰিটিছ শাসনৰ ফলত ইংৰাজী ভাষাৰ ভালেমান শব্দ অসমীয়া ভাষালৈ আমদানি হয়। আকৌ আহোম ৰাজত্বকালত সঘনাই হোৱা মুছলমান আক্ৰমণৰ ফলত ফাৰ্চী আৰু আৰবী ভাষাৰ বহুতো শব্দ অসমীয়া ভাষাত ব্যৱহাৰ হ'বলৈ লয়। এনেদৰে অসমীয়া ভাষাৰ লগত বিভিন্ন ভাষাৰ সংমিশ্ৰণৰ ফলত নতুন ধৰণৰ শব্দগঠন আৰু বাক্যগঠন হ'বলৈ ধৰিলে আৰু এনেদৰে অসমীয়া ভাষাৰ পৰিৱৰ্তন সাধিত হ'বলৈ ধৰিলে।
- **ভৌগোলিক ঃ** ভৌগোলিক অৱস্থানৰ কাৰণেও ভাষাৰ পৰিৱৰ্তন হয়। যি কোনো এটা

জনসমষ্টি বেলেগ বেলেগ ঠাইলৈ স্থানান্তৰিত হোৱাৰ ফলত নতুন পৰিবেশত নতুন ৰীতি-নীতি আঁকোৱালি লোৱাৰ লগে লগে নতুন শব্দৰ ব্যৱহাৰ হ'বলৈ ধৰে। যেনে— অসমীয়া ভাষাৰ মিঠা বস্তুৰ নাম— মিচিৰি, চেনী আৰু গুড় ক্ৰমে মিছৰ দেশ, চীনদেশ আৰু গৌড় দেশৰ পৰা আহিছে।

- **ভাষাগত ঃ** বিভিন্ন ঠাইৰ পৰা বিভিন্ন ভাষা কোৱা লোক যেতিয়া একে ঠাইতে থাকিবলৈ লয় তেতিয়া তেওঁলোকৰ মাজত ভাবৰ আদান-প্ৰদান কৰোঁতে ভাষাত ব্যৱহাৰ হোৱা শব্দৰ আদান-প্ৰদান হয়। শব্দৰ আদান-প্ৰদানৰ লগে লগে ধ্বনিৰ উচ্চাৰণ, ৰূপ-সংযোগ আৰু বাক্য ৰীতিৰ সালসলনি ঘটাৰ ফলত মূল ভাষাটোৰ পৰিৱৰ্তন ঘটে। যেনে — ভাৰতত আৰ্য আৰু আৰ্যভিন্ন লোক একেলগে বাস কৰাৰ ফলত উভয়ৰে ভাষাৰ বহুতো পৰিৱৰ্তন সংঘটিত হৈছে।
- **মনোবৈজ্ঞানিক ঃ** মনোবৈজ্ঞানিক কাৰণতো ভাষাৰ পৰিৱৰ্তন ঘটে। যেতিয়া কোনো এটা জনসমষ্টিয়ে আন এটা জনসমষ্টিক উচ্চ বুলি ভাবে; তেতিয়া সেই জনসমষ্টিৰ পৰা শব্দ ধাৰ কৰে। নিজৰ ভাষাত উপযুক্ত শব্দ থাকিলেও তাক ব্যৱহাৰ নকৰি অন্যান্য ভাষাৰ পৰা লোৱা শব্দ গ্ৰহণ কৰি তেওঁলোকে নিজৰ ভাষাত ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে— অসমীয়া ভাষাই ইংৰাজী ভাষাৰ বহু শব্দ আৰু নতুন বাক্য গ্ৰহণ কৰিছে। ভাষাৰ পৰিৱৰ্তনত মানুহৰ মনৰ সুখ-দুখৰ কথাইও সহায় কৰে। দুখৰ সময়ত লাহে লাহে কথা কয় আৰু সুখৰ সময়ত আনন্দত উত্তেজিত হৈ খৰকৈ কথা কোৱাৰ ফলত ধ্বনিৰ পৰিৱৰ্তন হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষাৰ পৰিৱৰ্তন সাধিত হোৱাৰ কাৰণসমূহ কি কি ?

.....



চিন্তা-চৰ্চা কৰক — ৬.১

ভাষাৰ পৰিৱৰ্তনৰ কাৰণসমূহ বহলাই আলোচনা কৰক।

.....

.....

.....

.....

.....

৬.৫ ভাষাৰ পৰিৱৰ্তনৰ বিভিন্ন প্ৰকাৰ

পৰিৱৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। ভাষাই সদায় জটিলতাৰ পৰা সৰলতালৈ গতি কৰে। নিৰ্দিষ্ট ভৌগোলিক সীমাৰ মাজত আৱদ্ধ থাকিও ভাষাৰ পৰিৱৰ্তন হ'ব পাৰে। মানুহে

বিভিন্ন সময়ত সমাজ, সংস্কৃতি, বিজ্ঞান, ধর্ম, ব্যৱসায়-বাণিজ্য, শিক্ষা-দীক্ষা আদি কাৰণত বিভিন্ন ঠাইৰ মানুহৰ লগত সম্পর্ক স্থাপন কৰে। এই সম্পর্ক ঘটে ভাষাৰ মাধ্যমেৰে। ফলত ভাষাৰ পৰিৱর্তন ঘটিবলৈ ধৰে। এনেদৰে বিভিন্ন সময়ত বিভিন্ন জনৰ মুখ বাগৰি ভাষাই ক্রমবিকাশৰ ফালে গতি কৰে। ভাষাৰ পৰিৱর্তনক দুটা ভাগত ভাগ কৰা হয়। যথা—

- বাহ্যিক পৰিৱর্তন অর্থাৎ অন্য ভাষাৰ প্রভাৱ বা অন্য ভাষাৰ সংশ্ৰৱৰ ফলত হোৱা পৰিৱর্তন।
- আভ্যন্তৰীণ পৰিৱর্তন অর্থাৎ ভাষাৰ নিজৰ ভিতৰতে হোৱা ক্ষয় বা বিকাশৰ ফলস্বৰূপে হোৱা পৰিৱর্তন।

এই অধ্যায়টোত আমি কেৱল ভাষাৰ বাহ্যিক পৰিৱর্তনৰ বিষয়েহে বহলাই আলোচনা কৰিম। ইয়াৰ পৰৱর্তী অধ্যায়টোত ভাষাৰ আভ্যন্তৰীণ পৰিৱর্তন সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হ'ব।

৬.৫.১ ভাষাৰ বাহ্যিক পৰিৱর্তন

কোনো এটা ভাষা কোৱা সম্প্রদায় যেতিয়া আন এটা ভাষা কোৱা সম্প্রদায়ৰ সংস্পর্শলৈ আহে তেতিয়া ভাষাৰ যি পৰিৱর্তন সংঘটিত হয় তাকে বাহ্যিক পৰিৱর্তন বোলে। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ চিন্তা-চর্চা কৰাৰ শক্তিও বাঢ়িবলৈ ধৰিলে। সমাজ-সংস্কৃতিৰ পৰিৱর্তনৰ ফলত আৰু বিজ্ঞানৰ নতুন নতুন অৱদানৰ ফলত মানুহে নতুন জ্ঞান লাভ কৰিবলৈ ধৰিলে। এই নতুন চিন্তাৰ খোৰাক যোগাবলৈ কেতিয়াবা মানুহে নিজৰ ভাষাত উপযুক্ত শব্দ বিচাৰি নাপাই আন ভাষাৰ পৰা শব্দ ধাৰ কৰে। এই শব্দ গ্রহণ কৰোঁতে কেতিয়াবা ধ্বনি-ৰীতিৰ সালসলনি ঘটাই ভাষাক নিজা ঠাঁচত গঢ় দি লয় আৰু কেতিয়াবা হুবহু একে ৰূপত ব্যৱহাৰ কৰে। এনেদৰে ভাষাৰ পৰিৱর্তন ঘটে। পৃথিৱীৰ প্রত্যেক দেশৰে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থা সুকীয়া। প্রত্যেক সমাজৰে নীতি-নিয়ম, খাদ্য-সামগ্রী, সাজ-পাৰ, বিলাসৰ সামগ্রী, ব্যৱসায়-বাণিজ্য, শিক্ষা, ক্রীড়া ইত্যাদি বিষয়ৰ লগত সম্পর্কিত নিজা শব্দ থাকে। যেতিয়া ৰাজনৈতিক, বাণিজ্যিক, সামাজিক আদি কাৰণত এটা ভাষা কোৱা লোকে আন এটা অঞ্চলৰ অন্য ভাষা কোৱা লোকৰ লগত মিলামিছা কৰে তেতিয়া এই শব্দবোৰ ভাষাত সোমাই পৰে। অসমীয়া ভাষাত ইংৰাজী, পার্চী-আৰবী আৰু অন্যান্য ভাৰতীয় ভাষাৰ বহুত শব্দ সোমাই পৰিছে। সেইদৰে ইংৰাজী ভাষায়ো গ্রীক, লেটিন, ফৰাচী আদি ভাষাৰ পৰা বহু শব্দ গ্রহণ কৰিছে। কেতিয়াবা নিজৰ ভাষাৰ প্রতি থকা হীনমন্যতা বা অৱহেলাৰ বাবেও কিছুমান শব্দ আনৰ পৰা ধাৰ কৰে। আন এটা ভাষাৰ প্রতি থকা শ্রদ্ধাজনিত মনোবৃত্তি অর্থাৎ ভাষাটোক উচ্চ মর্যাদাসম্পন্ন বুলি ভবাৰ ফলতো শব্দ ধাৰ কৰা হয়। অসমীয়া ভাষী লোকসকলে ইংৰাজী ভাষাৰ প্রতি থকা উচ্চ মনোভাবৰ কাৰণে দৈনন্দিন জীৱনত বহুতো ইংৰাজী শব্দৰ ব্যৱহাৰ কৰে। সেইবাবে খেলা-ধূলা,

বিলাসৰ সামগ্ৰী, বেমাৰ-আজাৰ, ঔষধ পাতি আদিকে ধৰি সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰতো ইংৰাজী ভাষাৰ শব্দ সোমাই পৰিছে। পিতা-মাতা, দেউতা-আইতা আদিৰ ঠাইত ডেডী, মামী, পাপা, ব্ৰাডাৰ, চিষ্টাৰ, আঙ্কোল, আণ্টি ইত্যাদি শব্দ তাৰে কেইটামান উদাহৰণ মাত্ৰ।

ভাষাৰ বাহ্যিক পৰিৱৰ্তনৰ চাৰিটা স্তৰ আছে— ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত।

- *ধ্বনিগত ধাৰ ঃ* বাহ্যিক পৰিৱৰ্তনত ভাষাৰ ধ্বনিগত পৰিৱৰ্তন খুব কমেই দেখা যায়। ভাষাৰ ধ্বনিবোৰত কিছুমান পৰস্পৰ সংপৃক্ত নিয়ম থাকে আৰু এটা নিয়মৰ পৰিৱৰ্তন হ'লেই আন আন নিয়মবো পৰিৱৰ্তন কৰিবলগীয়া হয় সেয়ে ধ্বনিগত পৰিৱৰ্তন খুব কম হয়। ধ্বনিগত ধাৰৰ এটা উদাহৰণ হ'ল ভাৰতীয় আৰ্য ভাষাত মূৰ্ধন্য ধ্বনিৰ ব্যৱহাৰ। ভাৰতীয় আৰ্য ভাষাৰ মূল হৈছে ইণ্ডো-ইউৰোপীয় ভাষা। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভিতৰত ভাৰতীয় আৰ্য ভাষাৰ বাহিৰে আন কোনো ভাষাতে মূৰ্ধন্য ধ্বনিৰ ব্যৱহাৰ পোৱা নাযায়। ভাৰতীয় আৰ্য ভাষাত ভাৰতৰ দক্ষিণাঞ্চলত থকা দ্ৰাবিড় ভাষাৰ প্ৰভাৱত মূৰ্ধন্য ধ্বনিৰ প্ৰৱেশ ঘটিছে। অসমীয়া ভাষা ভাৰতীয় আৰ্য ভাষাৰ পৰা ক্ৰম বিকশিত হ'লেও ইয়াত মূৰ্ধন্য ধ্বনিৰ ব্যৱহাৰ নাই। অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য ধ্বনিসমূহ তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱত দন্তমূলীয় ধ্বনিৰূপে উচ্চাৰণ হোৱা বুলি অনুমান কৰা হৈছে। সেইদৰে সংস্কৃতৰ শ, ষ, স এই ধ্বনি তিনিটা একক ব্যঞ্জনৰূপে অসমীয়াত পশ্চ তালব্য উষ্ম 'স' (x) ৰূপে উচ্চাৰণ হয়।
- *ৰূপগত ধাৰ ঃ* ভাষাৰ ধ্বনিগত পৰিৱৰ্তনৰ দৰে ৰূপগত পৰিৱৰ্তনো সামান্য পৰিমাণেহে হয়। ভাষাই সাধাৰণতে শব্দহে ধাৰ কৰে, বিভক্তি প্ৰত্যয় আদি নকৰে। কিন্তু কেতিয়াবা ভাষাই দেশী প্ৰত্যয়, বিদেশী শব্দৰ মূলৰ লগত যোগ কৰি নতুন শব্দ গঠন কৰে। অসমীয়া ভাষাত এনে ৰূপগত ধাৰৰ উদাহৰণ বহুতো পোৱা যায়। আৰৱী-পাৰ্চী ভাষাৰ পৰা পূৰ্ব প্ৰত্যয় আৰু পৰ প্ৰত্যয় গ্ৰহণ কৰি অসমীয়া ভাষাই নতুন শব্দ সাধন কৰিছে। যেনে— বেটাইম, বেআইনী, বেতাল, বেদখল, বেনিয়ম, বদনাম, বেইমান, বেনামী, দগাবাজ, দাদাগিৰি, গুণ্ডাগিৰি, কাগজৰালা,ফুলদানি, পিকদানি ইত্যাদি। অসমীয়া ভাষাত '-ঈ' আৰু '-অনী' প্ৰত্যয় যোগ কৰি ৰূপগত পৰিৱৰ্তন ঘটাই শব্দ গঠন কৰিব পাৰি। যেনে— হাকিমনী, মেমনী, মাষ্টৰী, বিলাতী, প্ৰফেছাৰনী, উকিলনী, বেপাৰী ইত্যাদি। সাম্প্ৰতিক সময়ত দেখা পোৱা অসমীয়া ভাষাৰ ৰূপগত ধাৰৰ আন এটা উদাহৰণ হ'ল সম্বন্ধবাচক পদৰ পুৰুষ বিভক্তি উহ্য ৰখাৰ প্ৰৱণতা। যেনে— মোৰ দেউতা, তোৰ দেউতাৰ, তোমাৰ দেউতাৰা, তাৰ দেউতাক আদিৰ ঠাইত তোৰ দেউতা, তোমাৰ দেউতা, তাৰ দেউতা আদিৰ ব্যৱহাৰ। অসমীয়া ভাষাৰ বাহিৰে আন ভাৰতীয় ভাষা বা

ইংৰাজী ভাষাতো পুৰুষ অনুসৰি সম্বন্ধবাচক পদৰ ৰূপান্তৰ ঘটা নিয়ম পোৱা নাযায়। অসমীয়া ভাষাৰ এই ৰূপতাত্ত্বিক উপাদানৰ ক্ৰম বিলুপ্তি নিঃসন্দেহে অন্য ভাষাৰ প্ৰভাৱত সংঘটিত হৈছে।

- *শব্দগত ধাৰ ঃ* এটা ভাষাই আন এটা ভাষাৰ পৰা শব্দ ধাৰ কৰোঁতে শব্দ-সম্ভাৰৰ ক্ষেত্ৰত নানা পৰিৱৰ্তন হোৱা দেখা যায়। কেতিয়াবা শব্দবিলাক অবিকলভাৱে ব্যৱহাৰ কৰা হয় আৰু কেতিয়াবা নিজা ঠাঁচত গঢ় দি ব্যৱহাৰ কৰা হয়। বাহ্যিক পৰিৱৰ্তনৰ ফলত অসমীয়া ভাষাত গঠন হোৱা শব্দক চাৰি ভাগত ভাগ কৰা হয়।
  - যথাযথ ধাৰ
  - মিশ্ৰিত ধাৰ
  - পৰিৱৰ্তিত ৰূপত হোৱা ধাৰ
  - অৰ্থৰ বা অনুবাদমূলক ধাৰ

- যথাযথ ধাৰ ঃ অসমীয়া ভাষাই ভাৰতীয় আৰ্যমূলৰ পৰা ভাষাতাত্ত্বিক বিৱৰ্তনৰ মাজেদি অতিক্ৰম কৰোঁতে তৎসম, তদ্ভৱ শব্দৰ লগতে প্ৰাদেশিক ভাষা আৰু বিদেশী ভাষাৰ পৰাও বহুতো শব্দ গ্ৰহণ কৰিছে। সামাজিক, সাংস্কৃতিক পৰিৱৰ্তনৰ ফলত মানুহৰ জীৱন যাত্ৰাৰ পৰিৱৰ্তন হ'ল। সেয়ে কিছুমান শব্দৰ ব্যৱহাৰ কমি গৈ নতুন শব্দৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। বিৱৰ্তনৰ গতিপথত অসমীয়া ভাষাই যুগৰ লগত খাপ খোৱাকৈ ইংৰাজী, পৰ্টুগীজ, আৰবী-পাৰ্চী আদি ভাষাৰ পৰা অনেক শব্দ গ্ৰহণ কৰিছে। এনে শব্দ কিছুমান একে ৰূপ তথা একে অৰ্থতে গ্ৰহণ কৰা হৈছে আৰু আন কিছুমান উচ্চাৰণৰ সুবিধাৰ কাৰণে ধ্বনিৰ পৰিৱৰ্তন ঘটাই গ্ৰহণ কৰা হৈছে। উদাহৰণস্বৰূপে—

  ক) চিকিৎসা সম্পৰ্কীয় ঃ ডাক্তৰ, এলোপেথিক, হস্পিটাল, ফাৰ্মাচী, এক্স-ৰে, কলেৰা, টাইফয়েদ, কেন্সাৰ, মেলেৰিয়া, জণ্ডিছ, প্লেগ, ফেনাইল, পেনিচিলিন, পাউদাৰ ইত্যাদি।

  খ) শিক্ষা সম্পৰ্কীয় ঃ স্কুল, কলেজ, মিউজিয়াম, পাছ, ফেইল, ডিভিজন, লাইব্ৰেৰী, হল, ক্লাছ, ডেস্ক, বেঞ্চ, ব্লেক বোৰ্ড, পেঞ্চিল, স্কেল, টেবুল, পেপাৰ, ফাইল, অফিচাৰ ইত্যাদি।

  গ) সুকুমাৰ কলা আৰু সাহিত্য সংস্কৃতি বিষয়ক শব্দঃ ট্ৰেজেদি, কমেডি, নভেল, ৰোমাণ্টিক, ষ্টাইল, থিয়েটাৰ, প্ৰগেম, ফটো, ফটোগ্ৰাফ, চিনেমা ইত্যাদি।

  ঘ) খোৱা-বোৱা, সাজ-পাৰ, বিলাসী সামগ্ৰী বুজোৱা শব্দ ঃ চক্‌লেট, কাট্‌লেট, জাম, জেলি, কেক্, বাৰ্লি, ব্ৰেড, বেড টি, কাপ-প্লেট, কেট্‌লি, ব্ৰেকফাষ্ট, কেপ, কোট, পেণ্ট, কলাৰ, টাই, চেণ্ডেল, ফ্ৰক, চেমিজ, টাৱেল, জেকেট, ব্লাউজ, টুথপেষ্ট, টুথব্ৰাছ, গ্ৰামোফন, টেপ ৰেকৰ্ডাৰ, ৰেডিঅ',

লিপষ্টিক আদি।

ঙ) শাসন সম্পৰ্কীয় শব্দ ঃ গৱৰ্ণমেন্ট, পার্লিয়ামেন্ট, ডিপার্টমেন্ট, হাইকৰ্ট, ট্রেজাৰী, কাউন্সিল, অফিচ, ফৰম, মিনিষ্টাৰ, ছাৰ, কমিছনাৰ, ৰেজিষ্টাৰ, চেয়াৰমেন, মিটিং, পিষ্টল, কনিষ্টবল, মিলিটেৰী ইত্যাদি।

চ) ব্যৱসায়-বাণিজ্য, যান-বাহন সম্পৰ্কীয় শব্দ ঃ চেক, নট, ৰেচন, কন্টল, ষ্টোৰ, ফার্ম, কোম্পানী, বাছ, ভান, ট্রেইন, জংচন, ছিগ্‌নেল, হেণ্ডেল, পেট্রল, ৰে'ল, টায়াৰ, পাম্প, ফেৰি ইত্যাদি।

ইয়াৰ বাহিৰেও অসমীয়া ভাষাত পাচী-আৰবী, টাই, তিব্বতবর্মী, অষ্ট্রিক, দ্রাবিড় আদি ভাষাৰ পৰাও বহুতো শব্দ সোমাই পৰিছে।

❍ মিশ্রিত ধাৰ ঃ কিছুমান শব্দৰ এটা অংশ দেশী আৰু আনটো অংশ বিদেশী বা অন্যান্য ভাষাৰ পৰা ধাৰ কৰা। তেনেকুৱা শব্দক মিশ্রিত শব্দ বোলে। এই শ্রেণীৰ শব্দৰ অর্থটোও ধাৰ কৰা। এনে ধৰণৰ শব্দবোৰ অসমীয়া ভাষাত ঘাইকৈ ইংৰাজী আৰু আৰবী-পাচী ভাষাৰ পৰা গ্রহণ কৰা হৈছে। উদাহৰণস্বৰূপে— ৰেল গাড়ী, বাছ গাড়ী, মটৰ গাড়ী, মেচিন নাও, হাট-বজাৰ, লাট-চাহাব, মেমচাহাব, ছীল-মোহৰ, হেড্ পণ্ডিত ইত্যাদি।

অসমীয়া শব্দৰ লগত বিদেশী ভাষাৰ প্রত্যয় সংযোগ কৰি গঠন কৰা শব্দ কিছুমান হ'ল— ফুলদানী, পিকদানী, ডাক্তৰখানা, বেইজ্জত, বেনামী, গুণ্ডাগিৰি, মৌজাদাৰ, চৌকিদাৰ, ফেৰিৱালা ইত্যাদি।

ঠিক তেনেদৰে অসমীয়া '-ঈ' আৰু '-অনী' স্ত্রীলিংগবাচক প্রত্যয় বিদেশী শব্দৰ লগত যোগ কৰিও শব্দ গঠন কৰা হয়। যেনে— '-ঈ' প্রত্যয়ৰ যোগত— মাষ্টাৰী, বেপাৰী, ব্যৱসায়ী, দোকানী, ডাক্তৰী আদি। '-অনী' প্রত্যয়ৰ যোগত — প্রফেছাৰনী, হাকিমনী, উকিলনী, ডাক্তৰণী, মাষ্টৰনী, অফিচাৰনী ইত্যাদি।

অসমীয়া নির্দিষ্টতাবাচক -টো, -খন, -জন, -গৰাকী আদি প্রত্যয়ৰ লগত বিদেশী শব্দ যোগ হৈও কিছুমান নতুন শব্দ গঠিত হৈছে। যেনে— টেবুলখন, ফেনখন, ব্রাছডাল, মেচিনটো, ইঞ্জিনীয়াৰজন, মিচজনী, চিষ্টাৰজনী ইত্যাদি।

❍ পৰিৱর্তিত ৰূপত ব্যৱহাৰ হোৱা ধাৰ ঃ কেতিয়াবা ভাষাই অন্য ভাষাৰ পৰা লোৱা শব্দবোৰ নিজৰ ভাষাৰ ঠাঁচত সজাই লয়। অসমীয়া ভাষাই ইংৰাজী আৰু পাচী ভাষাৰ পৰা লোৱা শব্দবোৰ নিজৰ ভাষাৰ উচ্চাৰণৰ সুবিধা অনুসৰি গঢ় দি লৈছে। যেনে— আলমাৰী (Almirah), পুলিচ (police), কেৰাচিন (Kerosene), টচলাইট (Torch light), ইছতেছন (Station), লাট চাহাব (Lord), বাকচ (Box), হাফপেন (Half pant), গিলাচ (Glass), টিউবেল

(Tube-well), ফেল (fail), ৰেল (Rail), ৰিজাল (Result), চাইকেল (cycle), কমেন (comment), জর্জ (judge), লেম (lamp) ইত্যাদি। সেইদৰে আৰবী-পাচীৰ শব্দৰ 'ব' ধ্বনি অসমীয়া ভাষাত 'প' ধ্বনি হিচাপে উচ্চাৰিত হয়। যেনে— গোলাপ, কিতাপ, হিচাপ ইত্যাদি।

- অনুবাদমূলক ধাৰ ঃ কেতিয়াবা কোনো বিদেশী শব্দৰ আৰ্হিত বা অনুকৰণত অসমীয়া ভাষাই শব্দ অনুবাদ কৰি লোৱা দেখা যায়। এনেকুৱা ধাৰত অর্থটোহে ধাৰ কৰা হয়। ৰূপ ধাৰ কৰা নহয়। অসমীয়া ভাষাত ইংৰাজী ভাষাৰ অনুকৰণত বহুতো শব্দ অনূদিত হৈ সোমাইছে। যেনে— সুপ্রভাত (Good morning), শুভৰাত্রি (Good night), মধ্যাহ্ন ভোজন (Lunch), সান্ধ্য ভোজন (Dinner), ক'লা বজাৰ (Black market), ক'লা টকা (Black money), অনাতাঁৰ (Radio), দূৰদর্শন (Television), কৰমর্দন (Handsake), ঘূৰণীয়া মেজ-মেল (Round table conference), ৰূপালী জয়ন্তী (Silver Jubilee), সোণালী জয়ন্তী (Golden Jubilee), পাদটীকা (Foot note), সুবর্ণ সুযোগ (Golden opportunity), উদাহৰণস্বৰূপে (For the example) ইত্যাদি।

➢ *বাক্যগত ধাৰ ঃ* ভাষাত বাক্যগত ধাৰৰ উদাহৰণ বিৰল। ভাষাৰ ধ্বনিগত পৰিৱর্তন প্রথমতে ঘটে। ধ্বনিৰ পৰিৱর্তনে ৰূপগত আৰু বাক্যগত দিশত প্রভাৱ পেলায়। ভাষাৰ বাক্যগত ধাৰ বহুত সময়ৰ পিছতহে চকুত পৰে। ভাষা এটাত ব্যৱহাৰ হোৱা বাক্যবোৰত বাক্যগত ধাৰ সোমাই পৰে আৰু বাক্যত ব্যৱহৃত পদবোৰৰ বিশ্লেষণৰ দ্বাৰা বাক্যগত ধাৰ নির্ণয় কৰিব পাৰি। অসমীয়া ভাষাতো ইংৰাজী ভাষাৰ বাক্যৰীতিৰ প্রভাৱ পৰিছে। আধুনিক অসমীয়া ভাষাই অৰুণোদয় যুগত মিছনেৰীসকলৰ হাতত প্রতিষ্ঠা লাভ কৰিছিল। মিছনেৰীসকলৰ ভাষা আছিল ইংৰাজী। সেই সময়ত অসমীয়া লেখকসকলে ইংৰাজী ভাষাৰ দ্বাৰা প্রভাৱিত হৈ অসমীয়া বাক্য গঠন কৰিছিল। ইংৰাজী ভাষাৰ প্রভাৱ পৰাৰ কাৰণ এটা হ'ল সুদীর্ঘ দিন ইংৰাজে অসমত ৰাজত্ব চলোৱাটো। প্রাচীন গদ্যৰ লগত আধুনিক অসমীয়া গদ্যৰ তুলনা কৰিলে বাক্যগত পৰিৱর্তন দৃষ্টিগোচৰ হয়। উদাহৰণস্বৰূপে—

ক) আধুনিক বাক্যঃ মই যিটো কথা ক'লো সেইটো তেওঁৰ বিশ্বাস হ'ল।

পৰম্পৰাগত বাক্যঃ মই কোৱা কথাটো তেওঁৰ বিশ্বাস হ'ল।

খ) আধুনিক বাক্যঃ মই যদি পৰামর্শ দিওঁ তুমি ল'বানে?

পৰম্পৰাগত বাক্যঃ মই দিয়া পৰামর্শ তুমি ল'বানে?

তেনেদৰে অসমীয়া ভাষাৰ আধুনিক ব্যৱহাৰত কিছুমানে প্রত্যয় বিভক্তিহীন বাক্যও ব্যৱহাৰ কৰে। যেনে—

ক) ৰাম অফিচত গ'ল / ৰাম অফিচ গ'ল (অশুদ্ধ)

ৰাম অফিচলৈ গ'ল (শুদ্ধ)

খ) তোমাৰ মা ঘৰত আছেনে? (অশুদ্ধ)

তোমাৰ মাৰা ঘৰত আছেনে? (শুদ্ধ)

এনেদৰে কথিত ভাষা সময়ৰ সোঁতত পৰিৱৰ্তন হৈ আহি আছে। কথিত ৰূপৰ পৰিৱৰ্তনৰ ফলত এটা সময়ত লিখিত ৰূপৰো পৰিৱৰ্তন ঘটে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ভাষাৰ পৰিৱৰ্তনৰ কাৰণ কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৩ ঃ ভাষাৰ বাহ্যিক পৰিৱৰ্তনৰ স্তৰ কেইটা কি কি?

.....



চিন্তা-চর্চা কৰক — ৬.২

কি কি কাৰণত ভাষাৰ পৰিৱৰ্তন ঘটে? ভাষাৰ বাহ্যিক পৰিৱৰ্তনৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

.....

.....

.....

.....

.....

৬.৫.২ ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন

ভাষাই সদায় জটিলতাৰ পৰা সৰলতালৈ গতি কৰে। যি কোনো ভাষা পুৰুষানুক্রমে এটা চামৰ পৰা আন এটা চামলৈ মুখে মুখে চলি আহি থাকে। এনেদৰে মুখ বাগৰি চলি আহোঁতে সময়ৰ সোঁতত বিভিন্ন উপৰূপৰ সৃষ্টি হয়। আৰু এই উপৰূপবোৰক মূল ভাষাৰ লগত মিলাই চালে ইয়াৰ পৰিৱৰ্তনসমূহ দেখা পোৱা যায়। উপৰূপবোৰত বিশেষকৈ ধ্বনিৰ উচ্চাৰণ, ব্যাকৰণ, শব্দ আদিৰ দিশত বহুতো পৰিৱৰ্তন দেখা যায়। কেতিয়াবা ভাষা এটাই আন ভাষাৰ পৰা শব্দ ধাৰ নকৰাকৈও ভাষাটোৰ শব্দমালা, শব্দৰ অর্থ, ৰূপৰ গঠন আৰু ধ্বনিতত্ত্বৰ ক্ষেত্রত পৰিৱৰ্তন হ'লে তাক আভ্যন্তৰীণ পৰিৱৰ্তন বোলে। ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনত কিছুমান শব্দৰ লোপ হয় আৰু কিছুমান নতুন শব্দৰ উৎপত্তি হয়। আভ্যন্তৰীণ পৰিৱৰ্তনত ধ্বনিৰ লোপ বা

পৰিৱৰ্তনো হয় আৰু কেতিয়াবা ধ্বনিৰ নিয়মৰো পৰিৱৰ্তন ঘটে আৰু বাক্য গঠনৰ নিয়মতো পৰিৱৰ্তন হোৱা দেখা যায়। ভাষাবিজ্ঞানীসকলে ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন সমূহ অধ্যয়ন কৰি কিছুমান ধাৰা বা প্ৰক্ৰিয়াৰ উদ্ভাৱন কৰিছে। এই সকলোবোৰ প্ৰক্ৰিয়াই সকলো ভাষাতে সমানে ক্ৰিয়াশীল নহয়। কিছুমান প্ৰক্ৰিয়া কিছুমান ভাষাত অচল আৰু কিছুমানত উৎপাদনক্ষম হ'ব পাৰে। আভ্যন্তৰীণ পৰিৱৰ্তনৰ ধাৰা বা প্ৰধান প্ৰক্ৰিয়াসমূহ হৈছে— সাদৃশ্য, পশ্চ গঠন, লোকব্যুৎপত্তি, সমীভৱন, বিসমীভৱন, স্বৰভক্তি, ধ্বনি বিপৰ্যয়, লোপ, সমাক্ষৰ লোপ, আগম, অপিনিহিতি, মিশ্ৰণ, স্বৰসংগতি, মেলাপ্ৰপিজিম, অভিশ্ৰুতি, ঘোষীভবন, অঘোষীভবন, মহাপ্ৰাণী ভবন, অল্পপ্ৰাণীভবন, অনুনাসিকীভবন, স্বতঃঅনুনাসিকীভবন ইত্যাদি।

ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনৰ প্ৰধান প্ৰক্ৰিয়া বা ধাৰাসমূহে ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত আদি দিশত ক্ৰিয়া কৰি থাকে। তলত এই ধাৰাসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

- *সাদৃশ্য ঃ* সাদৃশ্যমূলক গঠনৰ মূল ভিত্তি হ'ল সাধাৰণীকৰণ। সাধাৰণীকৰণ মানুহৰ সহজাত প্ৰবৃত্তি। শিশু এটাই মাতৃভাষা আহৰণ কৰোঁতে ডাঙৰৰ মুখৰ পৰা শুনি শুনি সি আয়ত্ত কৰা শব্দবোৰ সাধাৰণীকৰণ কৰে। যেনে— অসমীয়া শিশুৱে মাতৃভাষা আহৰণ কৰাৰ সময়ত ডাঙৰৰ মুখত শুনা খাওঁ - খাইছিলোঁ, দিওঁ - দিছিলোঁ, কৰে - কৰিছিল আদি ৰূপৰ সাধাৰণীকৰণ কৰি যাইছিলোঁ, যাইছিল আদি ৰূপৰ উৎপন্ন কৰে। নঞৰ্থক ৰূপৰ গঠনৰ ক্ষেত্ৰতো এনে সাধাৰণীকৰণ কৰে। যেনে— কিনো - নিকিনোঁ, লিখোঁ - নিলিখোঁ ইত্যাদি। সেইদৰে শিশুৱে যাওঁ - নাযাওঁৰ অনুকৰণত পাৰোঁ - নাপাৰোঁ আদি ৰূপৰ সৃষ্টি কৰে। তেনেদৰে বিদেশী ভাষা শিকাৰ সময়তো I go, You go ৰ দৰে he go; call - called, kill - killed আদিৰ দৰে read - readed, Seed - Seeded আদি ৰূপ ব্যৱহাৰ কৰে। তেনেদৰে ইংৰাজী ভাষাৰ বহুবচনৰ ৰূপ boy - boys আদিৰ সাদৃশ্যত child - childs; box - boxes ৰ সাদৃশ্যত ox - oxes আদি ব্যৱহাৰ কৰা দেখা যায়। আভ্যন্তৰীণ পৰিৱৰ্তন ভাষাৰ গঠনৰ ধ্বনিগত, ৰূপগত আৰু বাক্যগত এই তিনিওটা স্তৰতে সাদৃশ্য লক্ষ্য কৰা যায়।
  - ধ্বনিগত সাদৃশ্য ঃ কিছুমান শব্দৰ ধ্বনিৰ সাদৃশ্যৰ কাৰণে উচ্চাৰণৰ তাৰতম্য ঘটে। অসমীয়া কিছুমান শব্দৰ শেষত থকা 'ৱ' ধ্বনি 'ব' হোৱা দেখা যায়। যেনে— শংকৱদেৱ, মাধৱদেৱ, স্বভাৱ, ভাৱ আদি শব্দ শংকৱদেব, মাধৱদেব, স্বভাব, ভাব এনেকৈ উচ্চাৰণ হয়। এই পৰিৱৰ্তনৰ ফলত স্বৰমধ্যৱৰ্তী 'ৱ' ধ্বনিও 'ব' লৈ পৰিৱৰ্তিত হোৱা দেখা গৈছে। বৰ্তমান জীৱন, যুৱক, স্বাভাৱিক আদি শব্দ জীবন, যুবক, স্বাভাবিক এনেধৱণে উচ্চাৰিত হয়। সেইদৰে অসমীয়া ভাষাত আৰবী-পাৰ্চী ভাষাৰ পৰা অহা শব্দবোৰত সাদৃশ্যৰ প্ৰভাৱত 'ব' ধ্বনি

'প' লৈ পৰিৱৰ্তিত হৈছে। যেনে— কিতাপ, গোলাপ, হিচাপ ইত্যাদি। ইংৰাজী ভাষাতো ধ্বনিৰ উচ্চাৰণৰ ক্ষেত্ৰত সাদৃশ্যই কাম কৰা দেখা যায়। যেনে— Shall আৰু Will শব্দৰ 'l' আছে কাৰণে অতীতকাল ৰূপত ক্ৰমে Should আৰু Would হয়। Can ৰ পৰা হোৱা Could শব্দত 'l' নাই যদিও সাদৃশ্যৰ বাবে এই ৰূপ পালে।

- ৰূপগত সাদৃশ্য ঃ অসমীয়া ভাষাত '-ঈ' আৰু '-অনী' প্ৰত্যয় বিদেশী ভাষাৰ লগত যোগ কৰি নতুন ৰূপ গঠন কৰা হয়। যেনে— মাষ্টৰী, মাষ্টৰনী, ডাক্তৰনী, প্ৰফেছাৰী, প্ৰফেছাৰনী ইত্যাদি। সংস্কৃত ভাষাত যোৰ বুজোৱা শব্দ দ্বিবচনৰ 'ঔ' যুক্ত হয়। যেনে— পাদ-পাদৌ, বণিক-বণিকৌ ইত্যাদি। পৰস্পৰ ঘনিষ্ঠ সম্পৰ্ক থকা দুজন ব্যক্তি বা দেৱতাক বুজোৱা শব্দৰ লগতো 'ঔ' বিভক্তি যোগ কৰা হয়। যেনে— ৰাম-লক্ষ্মণৌ, লক্ষ্মী-নাৰায়ণৌ, মিত্ৰ-বৰুণৌ ইত্যাদি। পিছলৈ একো সম্বন্ধ নথকা প্ৰাণীক একেলগে বুজাবলৈও দ্বিবচনৰ ৰূপ ব্যৱহাৰ হ'ব ধৰিলে। যেনে — সিংহ-শৃংগালৌ, ব্যাঘ্ৰঃ-হৰিণৌ ইত্যাদি।
- বাক্যগত সাদৃশ্য ঃ কিছুমান বাক্য বস্তুৰ গুণ বা কাৰ্যৰ লগত তুলনা কৰি গঠন কৰা হয়। তিতা-মিঠা, টেঙা আদি বিশেষণ বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাৰ দৰে বাক্যৰ ক্ষেত্ৰতো প্ৰয়োগ হয়। যেনে — 'ভাতৰ তিতা সহ্য কৰিব পাৰি কিন্তু মাতৰ তিতা সহ্য কৰিবলৈ টান', 'মিঠা মাতে সকলোকে মোহিত কৰে' ইত্যাদি। বাৰীত বেঙেনা লাগিছে, গছত কল লাগিছে ইয়াৰ সাদৃশ্যত মনত আনন্দ লাগিছে আদি সৃষ্টি হৈছে। তেনেদৰে 'কাড় যোৱাদি গ'ল'ৰ সাদৃশ্যত গুলী যোৱাদি গ'ল, বুলেট যোৱাদি গ'ল, বিজুলী বেগেৰে আহিলে, ধুমুহা অহাদি আহিলে আদি ৰূপৰ সৃষ্টি হৈছে। সেইদৰে বিশেষ্য শব্দৰ লগত নিৰ্দিষ্ট কিছুমান ক্ৰিয়াৰূপ ব্যৱহাৰ কৰি অসমীয়া ভাষাত কোনো কাৰ্য কৰা বা হোৱা বুজোৱা হয়। যেনে— ভাত ৰান্ধে, চাহ কৰে, ঘৰ সাজে ইত্যাদি।

➢ *পশ্চ গঠন ঃ* পশ্চ গঠনো এক প্ৰকাৰ সাদৃশ্যই। মূল শব্দৰ গঠন সম্পৰ্কে ধাৰণা নথকা বাবে আন শব্দৰ সাদৃশ্যত শব্দটো চুটি-দীঘল কৰাৰ ই এক পদ্ধতি। যেনে — ইংৰাজী ভাষাৰ 'peas' শব্দটো মূলতে একবচন আছিল। কিন্তু boy-boys, cow-cows ৰ আৰ্হিত 'peas' বহুবচনাত্মক বুলি ভাবি 's' গুচাই একবচনৰ ৰূপ pea কৰা হ'ল। অসমীয়া ভাষাত মামা-মামী, খুৰা-খুৰী হোৱাৰ আৰ্হিত 'মাহী' আৰু 'পেহী' শব্দৰ ওলোটা প্ৰক্ৰিয়াৰে 'পেহা' আৰু 'মহা' শব্দৰ গঠন হৈছে। ল'ৰা, ৰাম, সি আদি শব্দৰ পাছত 'হঁত' বহুবচনাত্মক প্ৰত্যয় যোগ কৰি ল'ৰাহঁত, ৰামহঁত, সিহঁত গঠন কৰাৰ সাদৃশ্যত 'গিৰি' শব্দৰ লগত 'হঁত' যোগ কৰি 'গিৰিহঁত'ৰ গঠন কৰা হৈছে। সেইদৰে 'গিৰি'ৰ পৰা 'গিৰিয়েক', 'গিৰিয়েৰা' আদি পশ্চ গঠন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ধ্বনিগত সাদৃশ্য কাক বোলে?

.....

প্রশ্ন নং ৫ ঃ পশ্চ গঠন কি?

.....

ভাষাৰ পৰিৱৰ্তনত আন কেতবোৰ প্রক্রিয়ায়ো কাম কৰা দেখা যায়। এইবোৰ বিশেষভাৱে ধ্বনিগত পৰিৱৰ্তনৰ সৈতে জড়িত। অনুকৰণৰ অপূর্ণতা, দ্রুত উচ্চাৰণ, জিভাৰ জড়তা, উচ্চাৰণ উজু কৰাৰ প্রৱণতা, সংক্ষিপ্তকৰণ, ধ্বনিৰ পাৰস্পৰিক প্রভাৱ, শ্বাসাঘাতৰ প্রভাৱ আদি বিভিন্ন কাৰণত ভাষাৰ ধ্বনিগত পৰিৱৰ্তন হ'ব পাৰে। ভাষাবিদসকলে ধ্বনি পৰিৱৰ্তনৰ কাৰণসমূহ অধ্যয়ন কৰি সেইবোৰক কিছুমান নিয়মৰ আওতালৈ আনিছে। এই নিয়মসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- সমীভৱন ঃ ওচৰা-উচৰিকৈ থকা দুটা সুকীয়া ধ্বনিৰ এটাই আনটোৰ প্রভাৱত সমৰূপতা লাভ কৰা প্রক্রিয়াৰ নাম সমীভৱন। স্বৰৰ লগত স্বৰৰ বা ব্যঞ্জনৰ লগত ব্যঞ্জনৰ সমীভৱন হ'ব পাৰে। স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ ভিত্তিত সমীভৱনক দুটা ভাগত ভাগ কৰা হয়— (ক) স্বৰ সমীভৱন, (খ) ব্যঞ্জন সমীভৱন।

  (ক) স্বৰ সমীভৱন ঃ সূর্য > সূৰ্য
  ন-মিল-এ > নিমিলে
  ন-শুন-ও> নুশুনে ইত্যাদি।

  (খ) ব্যঞ্জন সমীভৱন ঃ ধর্ম > ধম্ম
  লগ্ন > লগ্‌গ ইত্যাদি।

  সেইদৰে ধ্বনিৰ স্থান অনুসৰি সমীভৱনক তিনিটা ভাগত ভাগ কৰা হয়— প্রগত সমীভৱন, পৰাগত সমীভৱন আৰু পাৰস্পৰিক বা অন্যোন্য সমীভৱন।

- প্রগত সমীভৱন ঃ পূর্ববর্তী ধ্বনিৰ প্রভাৱত পৰৱর্তী ধ্বনিয়ে সমৰূপতা লাভ কৰিলে তাক প্রগত সমীভৱন বোলে। যেনে—

  (ক) প্রগত স্বৰ সমীভৱন ঃ
  কৃপণ > কিৰপণ > কিৰ্‌পিন
  বিৰণ > বিৰিণা

  (খ) প্রগত ব্যঞ্জন সমীভৱন ঃ
  অগ্নি > অগ্‌গি
  চক্র > চক্‌ক

- পৰাগত সমীভৱন ঃ পৰৱর্তী ধ্বনিৰ প্রভাৱত পূর্ববর্তী ধ্বনিয়ে সমৰূপতা

লাভ কৰিলে তাক পৰাগত সমীভৱন বোলা হয়। পৰাগত সমীভৱনো স্বৰ আৰু ব্যঞ্জন দুয়ো ক্ষেত্ৰতে হয়। যেনে—

(ক) পৰাগত স্বৰ সমীভৱন ঃ

ন-কিন-এ = নিকিনে

ন-শুন-এ = নুশুনে

(খ) পৰাগত ব্যঞ্জন সমীভৱন ঃ

জগৎ + নাথ > জগন্নাথ

সৎ + জন > সজ্জন

- পাৰস্পৰিক বা অন্যোন্য সমীভৱন ঃ সন্নিহিত দুয়োটা ধ্বনিয়ে পৰস্পৰৰ প্ৰভাৱত সুকীয়া ৰূপ পালে তাক পাৰস্পৰিক বা অন্যোন্য সমীভৱন বোলে। যেনে— সত্য > সচ্চ

  তৎ + হিত > তদ্ধিত।

➢ *বিষমীভৱন ঃ* সমীভৱনৰ বিপৰীত প্ৰক্ৰিয়াৰ নাম বিষমীভৱন। কোনো এটা শব্দৰ ওচৰা-ওচৰিকৈ থকা দুটা সমধ্বনিৰ এটা আনটোৰ প্ৰভাৱত ভিন্ন ধ্বনিলৈ ৰূপান্তৰিত হোৱা প্ৰক্ৰিয়াৰ নাম বিষমীভৱন। ইয়াৰো দুটা ভাগ — স্বৰ বিষমীভৱন আৰু ব্যঞ্জন বিষমীভৱন।

- স্বৰ বিষমীভৱন ঃ দুটা সম স্বৰধ্বনি ওচৰা-ওচৰিকৈ থাকিলে এটা সমস্বৰধ্বনি আন এটা স্বৰধ্বনিলৈ পৰিৱৰ্তিত হোৱাকে স্বৰ বিষমীভৱন বোলে। উজনি অসমত কথিত উপভাষাত দুটা আ স্বৰ একেলগে উচ্চাৰণ নোহোৱাটো স্বৰ বিষমীভৱনৰ ভাল উদাহৰণ। যেনে—

  চাকা > চকা

  আদা > এদা

  আন্ধাৰ > এন্ধাৰ

- ব্যঞ্জন সমীভৱন ঃ দুটা সম ব্যঞ্জনধ্বনি ওচৰা-ওচৰিকৈ থাকিলে উচ্চাৰণৰ সুবিধাৰ কাৰণে এটা সম ব্যঞ্জন ধ্বনি আন এটা ভিন্ন ব্যঞ্জন ধ্বনিলৈ পৰিৱৰ্তন হোৱাকে ব্যঞ্জন সমীভৱন বোলে। যেনে—

  পিপিল্লিকা > কিপিল্লীকা

  সম্মিলন > সন্মিলন

  সম্মুখ > সন্মুখ

  শৰীৰ > শৰীল

➢ *ধ্বনি বিপৰ্যয় ঃ* অনুকৰণৰ অসম্পূৰ্ণতা বা খৰকৈ কথা কোৱাৰ ফলত কেতিয়াবা শব্দত থকা ধ্বনিৰ স্থান পৰিৱৰ্তন হয়। ধ্বনিৰ এনে পাৰস্পৰিক স্থান পৰিৱৰ্তনৰ নাম ধ্বনি বিপৰ্যয়। স্বৰ আৰু ব্যঞ্জন ধ্বনি উভয় ক্ষেত্ৰতে ধ্বনি বিপৰ্যয় হ'ব পাৰে।

যেনে—

(ক) স্বৰধ্বনি বিপর্যয় ঃ

উন্দুৰ > ইন্দুৰ (কাম.) > এন্দুৰ

লেতেকু > লেতুক (কাম.)

(খ) ব্যঞ্জন ধ্বনি বিপর্যয় ঃ

প্রশ্ন > পণ্হ - (প্রা.)

আলানি > আনালি (কাম.)

লোকচান > লোচ্কান (কাম.)

ৱার্তা > বাত্রা (কাম) বতৰা

ৱিক্সা > ৱিচ্কা (কাম.)

জোৎস্না > জোণ্হা (প্রা.)

➢ *স্বৰভক্তি বা বিপ্রকর্ষ ঃ* উচ্চাৰণৰ সৰলীকৰণৰ বাবে যুক্ত ধ্বনিৰ মাজত এটা স্বৰধ্বনি সুমুৱাই সংযুক্ত ব্যঞ্জনধ্বনিটোক দুভাগ কৰা হয়। এই পদ্ধতিকে স্বৰভক্তি বা বিপ্রকর্ষ বোলে। অসমীয়া ভাষাত স্বৰভক্তিৰ দ্বাৰা বহুতো সংস্কৃত শব্দ সৰলীকৃত হৈছে। উদাহৰণস্বৰূপে—

ভক্ত > ভকত	পদ্ম > পদুম
ধর্ম > ধৰম	শক্তি > শকতি
ৰত্ন > ৰতন	কর্ম > কৰম
যত্ন > যতন	বর্ষণ > বৰিষণ

➢ *লোপ ঃ* কেতিয়াবা শ্বাসাঘাত বা বলাঘাত আৰু কেতিয়াবা উচ্চাৰণৰ লৰালৰিৰ বাবে একোটা ধ্বনি সংকুচিত হয় বা বাদ পৰি যায় ইয়াকে লোপ বোলে। স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ আদি, মধ্য আৰু অন্ত্য তিনিওটা স্থানতে লোপ ঘটিব পাৰে। যেনে—

আদি স্বৰ লোপ ঃ	অভ্যন্তৰ > ভিতৰ
	অলাবু > লাও
মধ্য স্বৰ লোপ ঃ	কুকুৰা > কুক্ৰা (কাম.)
	গৃহিণী > ঘৈণী
অন্ত্য স্বৰ লোপ ঃ	শিলা > শিল
	পুৰী > পুৰ
আদি ব্যঞ্জন লোপ ঃ	স্থান > থান
	বিশুদ্ধ > শুদ্ধ
	নিহত > হত
মধ্য ব্যঞ্জন লোপ ঃ	দন্ত > দাঁত

ননন্দ > ননদ

আঙ্গুলি > আঙুলি

অন্ত্য ব্যঞ্জন লোপ ঃ পুত্র > পো

বিবাহ > বিয়া

মাতা > মা

মৃতক > মৃত

পূৰণ > পূৰ

শৱ > শ

- অক্ষৰ লোপ ঃ উচ্চাৰণৰ ক্ষীপ্রতাৰ হেতু শব্দৰ একোটাহঁত অংশ বাদ পৰি যোৱাকে অক্ষৰ লোপ বোলে। ইংৰাজী ভাষাত অক্ষৰ লোপৰ বহুতো উদাহৰণ পোৱা যায়। যেনে — University > versity

  Untill > till

  Telephone > phone

  Examination > exam

- সমাক্ষৰ লোপ ঃ শব্দ এটাৰ ওচৰা-উচৰিকৈ থকা দুটা সম অক্ষৰৰ উচ্চাৰণৰ পুনৰাবৃত্তি আঁতৰাবৰ কাৰণে এটাক বাদ দিয়া প্রক্রিয়াৰ নাম সমাক্ষৰ লোপ। যেনে—

  সাহস > সাহ

  দাদা > দা

  চিত্ত > চিত

  ইংৰাজী ভাষাতো সমাক্ষৰ লোপৰ উদাহৰণ পোৱা যায়। যেনে—

  Gentle + ly > gently

  Simple + ly > simply

➢ *আগম ঃ* শুনিবলৈ শুৱলা কৰিবলৈ বা উচ্চাৰণৰ সুবিধাৰ বাবে শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত স্বৰধ্বনি বা ব্যঞ্জন ধ্বনিৰ সংযোগ কৰা হয়। ইয়াকে আগম বোলে। যেনে—

আদি স্বৰাগম ঃ স্কুল - ইস্কুল

কণ - অকণ

কুমাৰী - অকুমাৰী

বালক - নাবালক

মধ্য স্বৰাগম ঃ মধ্য স্বৰাগমক স্বৰভক্তি বা বিপ্রকর্ষ বোলে। (এই বিষয়ে ওপৰত আলোচনা কৰা হৈছে।) যেনে— ভক্তি > ভকতি, ৰত্ন > ৰতন।

অন্ত্য স্বৰাগম ঃ পিতা > পিতাই

বোপা > বোপাই

সোণ > সোণাই

আদি ব্যঞ্জনাগম ঃ ঔষ্ঠ > হোঁঠ (হি.)

অস্থি > হড্ডি (হি.)

মধ্য ব্যঞ্জনাগম ঃ বানৰ > বান্দৰ

সুনৰ > সুন্দৰ

অন্ত্য ব্যঞ্জনাগম ঃ জোৎস্না > জোনাক

ভল্লু > ভালু > ভালুক।

- *অপিনিহিতি ঃ* শব্দৰ পৰৱৰ্তী অক্ষৰত থকা ই বা উ ধ্বনি পূৰ্বৱৰ্তী অক্ষৰলৈ অহা পদ্ধতিকে অপিনিহিতি বোলে। মান্য অসমীয়া ভাষাত অপিনিহিতিৰ উদাহৰণ বেছি পোৱা নাযায়। যেনে—ৰাজ্য > * ৰাজিঅ > ৰাইজ

কন্যা > * কনিআ > কইনা

বাক্য > *বাকিঅ > বাইক

কামৰূপী উপভাষাত অপিনিহিতিৰ দ্বাৰা সাধিত শব্দৰ বহু উদাহৰণ পোৱা যায়। যেনে—

শালিকা > শাইল্‌খা

নাৰিকল > নাইৰকল

ভদীয়া > ভইদা

- *মিশ্রণ ঃ* কেতিয়াবা এটা শব্দৰ এটা অংশ আৰু আন এটা শব্দৰ এটা অংশ লগ লাগি একোটা নতুন শব্দৰ সৃষ্টি হয়। ইয়াকে মিশ্রণ বোলে। যেনে—

সৌৱর্ণ + দাৰু - সোণাৰু দ্যুতি + শালা > জুইশাল - জুহাল

জয় + কাৰ - জোকাৰ নৱ + কোমল - নোমল

- *স্বৰসংগতি ঃ* শব্দৰ এটা অক্ষৰত থকা স্বৰধ্বনিৰ প্রভাৱত আন এটা অক্ষৰৰ স্বৰধ্বনিৰ গুণগত পৰিৱৰ্তনক স্বৰসংগতি বোলা হয়। অসমীয়া ভাষাত পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্রভাৱত পূৰ্বৱৰ্তী অক্ষৰত থকা নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ পৰিৱৰ্তন হোৱা দেখা যায়। যেনে —

ঢোল + ঈয়া = ঢুলীয়া

খোল + ঈয়া = খুলীয়া

গোধিকা > গুই

অজলা > আজ'লী

- *অভিশ্রুতি ঃ* পৰৱৰ্তী অক্ষৰত থকা আন গুণবিশিষ্ট স্বৰধ্বনি বা অর্ধ স্বৰধ্বনিৰ প্রভাৱত পূৰ্বৱৰ্তী অক্ষৰত থকা স্বৰধ্বনিৰ পৰিৱৰ্তনক স্বৰপৰিৱৰ্তন বা অভিশ্রুতি বোলে। আনহাতে পৰৱৰ্তী অক্ষৰৰ ব্যঞ্জন ধ্বনিৰ প্রভাৱতো কেতিয়াবা পূৰ্বৱৰ্তী

অক্ষৰৰ স্বৰধ্বনিৰ পৰিৱৰ্তন হ'ব পাৰে। দুটা স্বৰধ্বনি লগলাগি এটা সম্পূৰ্ণ ভিন্ন স্বৰধ্বনিত পৰিণত হোৱা দৃষ্টান্তকো অভিশ্রুতিৰ অন্তৰ্গত কৰা হয়। যেনে— ময়ুৰ > মঊৰ > মইৰ > মৈৰা (কাম.), ম'ৰা (মান্য অস.)

কৰ্কট > কেঁকোৰা

ৰৌদ্র > ৰ'দ

- *ঘোষীভৱন ঃ* মূল শব্দত থকা অঘোষ ধ্বনি কেতিয়াবা ঘোষ ধ্বনিলৈ পৰিৱৰ্তন হয়। ধ্বনিৰ এই প্রণালীক ঘোষীভৱন বোলে। যেনে—

  একাদশ > এগৰাহ > এঘাৰ

  বক > বগলী শকুন > শগুণ

- *অঘোষীভৱন ঃ* মূল শব্দত থকা ঘোষ ধ্বনি একোটা অঘোষ ধ্বনিলৈ পৰিৱৰ্তন হৈ শব্দৰূপৰ পৰিৱৰ্তন ঘটায়। ইয়াকে অঘোষীভৱন বোলে। যেনে—

  কিতাব > কিতাপ

  হিচাব > হিচাপ

- *মহাপ্রাণীভৱন ঃ* মূলৰ অল্প প্রাণ ধ্বনি মহাপ্রাণ ধ্বনিলৈ পৰিৱৰ্তিত হ'লে তাক মহাপ্রাণীভৱন বোলে। যেনে—

  মাপ > মাফ

  পেচক > ফেঁচা

  বাষ্প > ভাপ

- *অল্পপ্রাণীভৱন ঃ* মহাপ্রাণ ধ্বনি অল্পপ্রাণ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাকে অল্পপ্রাণীভৱন বোলে। যেনে— চক্ষু > চক্‌খু > চকু

  শিৰ + স্থান > শিতান

  শৃংখল > শিকলি

- *অনুনাসিকীভৱন ঃ* কেতিয়াবা কোনো নাসিক্য ধ্বনি লোপ পাই তাৰ পূৰ্বৱৰ্তী স্বৰধ্বনিক অনুনাসিক কৰে। সাধাৰণতে স্পর্শ ধ্বনিৰ লগত সংযুক্ত নাসিক্য ধ্বনিহে এই প্রক্রিয়া অনুসৰি লোপ পাই পূৰ্বৱৰ্তী স্বৰক অনুনাসিক কৰে। ধ্বনিৰ এনে প্রণালীক অনুনাসিকীভৱন বোলে। যেনে—

  কম্পন > কঁপনি

  কণ্টক > কাঁইট

  ষণ্ড > ষাঁড়

  অঙ্কণ > আঁক

- *স্বতঃ অনুনাসিকীভৱন ঃ* মূল শব্দটোত নাসিক্য ধ্বনি নথকা সত্ত্বেও পৰৱৰ্তী কালত শব্দটোত আনুনাসিক ধ্বনিৰ আগমন হয়। তেনেকৈ অনুনাসিকতাপ্রাপ্ত হোৱাকে স্বতঃ অনুনাসিকীভৱন বোলে। যেনে —

পেচক > ফেঁচা হর্ষ > হাঁহি

স্রোত > সোঁত কোষ > কোঁহ

গর্ত > গাঁত

এনেদৰে বিভিন্ন প্রক্রিয়াৰ সহায়ত ভাষাৰ পৰিৱৰ্তন সাধিত হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৬ ঃ সমীভৱনক ধ্বনিৰ স্থান অনুসৰি কেইটা ভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ৭ ঃ বিষমীভৱনৰ ভাগ দুটা কি কি?

.....

চিন্তা-চর্চা কৰক — ৬.৩

ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনৰ প্রক্রিয়াসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰক।

.....

.....

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ পৰিৱৰ্তনত সামাজিক পৰিৱৰ্তনে প্রভাৱ পেলায়। প্রথমতে ভাষাৰ কথিত ভাষাৰ পৰিৱৰ্তন হয় তাৰ পিছতে লিখিত ৰূপৰ পৰিৱৰ্তন হ'বলৈ ধৰে। ভাষাৰ পৰিৱৰ্তনে সদায় জটিলতাৰ পৰা সৰলতালৈ গতি কৰে।
- ভাষাৰ পৰিৱৰ্তনৰ অন্যতম কাৰণ হ'ল — ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, ভৌগোলিক, মনোবৈজ্ঞানিক আৰু ভাষাগত। এটা ভাষাই আন এটা ভাষাৰ পৰা সদায় শব্দ ধাৰ কৰে। শব্দ ধাৰ কৰাৰ সময়ত উচ্চাৰণৰ সুবিধাৰ কাৰণে বা অনুকৰণৰ অপূর্ণতাৰ বাবেও ভাষাৰ পৰিৱৰ্তন ঘটে।
- ভাষাৰ পৰিৱৰ্তনৰ প্রধান কাৰণ দুটা — বাহ্যিক পৰিৱৰ্তন আৰু আভ্যন্তৰীণ পৰিৱৰ্তন।

- বাহ্যিক পৰিৱৰ্তনক শব্দগত, ধ্বনিগত, ৰূপগত আৰু বাক্যগত এই চাৰিটা স্তৰত আলোচনা কৰা হয়।
- ভাষাই সদায় জটিলতাৰ পৰা সৰলতালৈ গতি কৰে। যি কোনো ভাষা পুৰুষানুক্ৰমে এটা চামৰ পৰা আন এটা চামলৈ মুখে মুখে চলি আহি থাকে। এনেদৰে মুখ বাগৰি চলি আহোঁতে সময়ৰ সোঁতত বিভিন্ন উপৰূপৰ সৃষ্টি হয়। আৰু এই উপৰূপবোৰক মূল ভাষাৰ লগত মিলাই চালে ইয়াৰ পৰিৱৰ্তনসমূহ দেখা পোৱা যায়। উপৰূপবোৰত বিশেষকৈ ধ্বনিৰ উচ্চাৰণ, ব্যাকৰণ, শব্দ আদিৰ দিশত বহুতো পৰিৱৰ্তন দেখা যায়। কেতিয়াবা ভাষা এটাই আন ভাষাৰ পৰা শব্দ ধাৰ নকৰাকৈও ভাষাটোৰ শব্দমালা, শব্দৰ অৰ্থ, ৰূপৰ গঠন আৰু ধ্বনিতত্ত্বৰ ক্ষেত্ৰত পৰিৱৰ্তন হ'লে তাক আভ্যন্তৰীণ পৰিৱৰ্তন বোলে।
- ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন সম্বন্ধে পুংখানুপুংখভাৱে অধ্যয়ন কৰি ভাষাবিদসকলে সেইবোৰক বিভিন্ন প্ৰকাৰে সূত্ৰবদ্ধ কৰিছে। ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনত কিছুমান শব্দৰ লোপ হয় আৰু কিছুমান নতুন শব্দৰ উৎপত্তি হয়। আভ্যন্তৰীণ পৰিৱৰ্তনত ধ্বনিৰ লোপ বা পৰিৱৰ্তনো হয় আৰু কেতিয়াবা ধ্বনিৰ নিয়মবো পৰিৱৰ্তন ঘটে আৰু বাক্য গঠনৰ নিয়মতো পৰিৱৰ্তন হোৱা দেখা যায়। ভাষাবিজ্ঞানীসকলে ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন সমূহ অধ্যয়ন কৰি কিছুমান ধাৰা বা প্ৰক্ৰিয়াৰ উদ্ভাৱন কৰিছে। এই সকলোবোৰ প্ৰক্ৰিয়াই সকলো ভাষাতে সমানে ক্ৰিয়াশীল নহয়। কিছুমান প্ৰক্ৰিয়া কিছুমান ভাষাত অচল আৰু কিছুমানত উৎপাদনক্ষম হ'ব পাৰে।
- অধ্যায়টোত ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তনৰ কেইটামান উল্লেখযোগ্য দিশ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা হ'ল।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।
২) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৩) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৪) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।
৫) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।
৬) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৮) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

ইংৰাজী গ্ৰন্থ

৯) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

১০) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.

৬.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাৰ পৰিৱৰ্তন সাধিত হোৱাৰ কাৰণসমূহ হ'ল — সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ভৌগোলিক, মনোবৈজ্ঞানিক আৰু ভাষাগত।

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাৰ পৰিৱৰ্তনৰ কাৰণ দুই প্ৰকাৰৰ — বাহ্যিক পৰিৱৰ্তন আৰু আভ্যন্তৰীণ পৰিৱৰ্তন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাৰ বাহ্যিক পৰিৱৰ্তনৰ স্তৰ চাৰিটা —

১) শব্দগত ২) ধ্বনিগত

৩) ৰূপগত ৪) বাক্যগত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কিছুমান শব্দৰ ধ্বনিৰ সাদৃশ্যৰ কাৰণে উচ্চাৰণৰ তাৰতম্য ঘটে তাকে ধ্বনিগত সাদৃশ্য বোলা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চ গঠনো এক প্ৰকাৰ সাদৃশ্যই। মূল শব্দৰ গঠন সম্পৰ্কে ধাৰণা নথকা বাবে আন শব্দৰ সাদৃশ্যত শব্দটো চুটি-দীঘল কৰাৰ ই এক পদ্ধতি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সমীভৱনক ধ্বনিৰ স্থান অনুসৰি তিনিটা ভাগত ভাগ কৰিব পাৰি — প্ৰগত সমীভৱন, পৰাগত সমীভৱন আৰু পাৰস্পৰিক বা অন্যোন্য সমীভৱন।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিষমীভৱনৰ ভাগ দুটা হ'ল — স্বৰ বিষমীভৱন আৰু ব্যঞ্জন বিষমীভৱন।

৬.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) সাংস্কৃতিক কাৰণত কেনেদৰে ভাষাৰ পৰিৱৰ্তন ঘটে?

খ) যথাযথ ধাৰ মানে কি?

গ) সমাক্ষৰ লোপ কাক বোলে ?

ঘ) অনুনাসিকীভৱন কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ভাষাৰ পৰিৱৰ্তনে সদায় জটিলতাৰ পৰা জটিলতালৈ গতি কৰে।

খ) বাহ্যিক পৰিৱৰ্তনত ভাষাৰ ধ্বনিগত পৰিৱৰ্তন খুব কমেই দেখা যায়।

গ) মহাপ্ৰাণ ধ্বনি অল্পপ্ৰাণ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাকে অল্পপ্ৰাণীভৱন বোলে।

ঘ) উচ্চাৰণৰ সৱলীকৰণৰ বাবে যুক্ত ধ্বনিৰ মাজত এটা স্বৰধ্বনি সুমুৱাই সংযুক্ত ব্যঞ্জনধ্বনিটোক দুভাগ কৰা হয় আৰু তাকে আগম বোলে।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষাৰ পৰিৱৰ্তনৰ কাৰণসমূহ উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ লোপ মানে কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক—

ক) বাক্যগত ধাৰ খ) শব্দগত ধাৰ

গ) সমীভৱন ঘ) বিষমীভৱন

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ফলত ভাষাই কেনেদৰে পৰিৱৰ্তন লাভ কৰে— ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ 'মনোবৈজ্ঞানিক কাৰণত ভাষাৰ পৰিৱৰ্তন হয়।' — কথাষাৰৰ সত্যতা নিৰূপণ কৰক।

প্ৰশ্ন ৩ ঃ ভাষাৰ পৰিৱৰ্তনৰ প্ৰকাৰ কেইটা উদাহৰণসহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৪ ঃ বাহ্যিক পৰিৱৰ্তনৰ অন্তৰ্গত স্তৰ কেইটাৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন কেনেদৰে হয় আৰু ইয়াৰ প্ৰক্ৰিয়াসমূহ কি কি?

প্ৰশ্ন ৬ ঃ আভ্যন্তৰীণ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ সহায়ত ভাষাৰ কেনেদৰে পৰিৱৰ্তন হয় উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা
৭.৪ অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন
৭.৪.১ বৰ্ণনাত্মক ভাষা-বিজ্ঞান
৭.৪.২ ঐতিহাসিক ভাষা-বিজ্ঞান
৭.৪.৩ তুলনামূলক ভাষা-বিজ্ঞান
৭.৫ ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ বিষয়ে অৱগত হ'ব
- বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ কোনবোৰ দিশ অধ্যয়ন কৰা হয় সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষাৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা-অৰ্থবিস্তাৰ, অৰ্থসংকোচ আৰু অৰ্থ সংশ্লেষৰ আলোচনাত ঐতিহাসিক ভাষা-বিজ্ঞানৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- তুলনামূলক ভাষা-বিজ্ঞানত ভাষাৰ কোনবোৰ দিশ অধ্যয়ন কৰা হয়, সেই সম্পৰ্কে অধিক ব্যাখ্যা কৰিব পাৰিব
- ভাষাচিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাসমূহ বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোৰ জৰিয়তে আপুনি ভাষা পৰিৱৰ্তনৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়টোত আপুনি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

আপুনি নিশ্চয় এটা কথা জানে যে ভাষাৰ বিজ্ঞানসন্মত, শৃংখলাবদ্ধ অধ্যয়ন বা আলোচনাই হৈছে ভাষা-বিজ্ঞান। ভাষা-বিজ্ঞানত মানৱ ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়। সমগ্ৰ পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ প্ৰত্যেকৰে গঠন প্ৰণালী সুকীয়া সুকীয়া। ভাষাৰ গঠনৰ চাৰিটা স্তৰ, যথা — ধ্বনিৰ স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ আৰু অৰ্থৰ স্তৰক ভাষা-বিজ্ঞানৰ দ্বাৰা বিশ্লেষণ কৰা হয়। কেতিয়াবা কোনো ভাষা-বিজ্ঞানীয়ে কোনো এটা ভাষাক অধ্যয়নৰ কাৰণে বাছি লৈ ভাষাৰ আলোচনা ধ্বনিৰ স্তৰ বা ৰূপৰ স্তৰতে সীমাবদ্ধ ৰাখে। কেতিয়াবা আকৌ ভাষাৰ গঠনৰ আটাইকেইটা স্তৰকে সামৰি লৈ ভাষাটোৰ সম্পৰ্কে পুঙ্খানুপুঙ্খ অধ্যয়ন চলায়।

ভাষা সদায় পৰিৱৰ্তনশীল। বিভিন্ন সময়ত বিভিন্ন কাৰণত পৰিৱৰ্তিত একোটা ভাষাক ভাষা-বিজ্ঞানীসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসঙ্গিকতা স্বীকাৰ কৰি আহিছে আৰু সেয়েহে ভাষা অধ্যয়নৰ বিষয় আৰু পদ্ধতি অনুসৰি ভাষা-বিজ্ঞানক কিছুমান শাখাত বিভক্ত কৰা দেখা যায়।

৭.৩ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা

কুৰি শতিকাৰ আগলৈকে ভাষা-বিজ্ঞানীসকল একোটা ভাষাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন অৰ্থাৎ এটা কাল বা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা গতি-প্ৰকৃতি সম্পৰ্কে কৰা আলোচনাৰ মাজতে আবদ্ধ আছিল। তাৰ লগে লগে দুই বা ততোধিক ভাষাৰ মাজত তুলনামূলক অধ্যয়নেও বিশেষ গুৰুত্ব লাভ কৰিছিল। কুৰি শতিকাৰ প্ৰাৰম্ভৰে পৰা চুইচ ভাষা-বিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চ্যচুৰৰ দ্বাৰা আৱিষ্কৃত নতুন ভাষাসূত্ৰৰ আধাৰত ভাষাৰ গঠন পদ্ধতিৰ সমকালীন ৰূপৰ আলোচনাই বিশেষ মৰ্যাদা লাভ কৰে। সি যি কি নহওক অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষা-বিজ্ঞানক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। এই প্ৰধান ভাগকেইটা হ'ল —

- বৰ্ণনাত্মক ভাষা-বিজ্ঞান (Descriptive Linguistics)
- ঐতিহাসিক ভাষা-বিজ্ঞান (Historical Linguistics)
- তুলনামূলক ভাষা-বিজ্ঞান (Comparative Linguistics)

আন কোনো কোনো ভাষা-বিজ্ঞানীয়ে ভাষা-বিশ্লেষণৰ পদ্ধতিৰ প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাক তলত দিয়াৰ দৰেও নামকৰণ কৰিছে —

- সমকালিক ভাষা-বিজ্ঞান (Synchronic Linguistics)
- ক্ৰমকালিক ভাষা-বিজ্ঞান (Diachronic Linguistics)
- তুলনামূলক ভাষা-বিজ্ঞান (Comparative Linguistics)

আধুনিক ভাষা-বিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চ্যচুৰৰ ভাষা-চিন্তাৰ এটা প্ৰধান দিশ হৈছে ভাষাৰ অধ্যয়নক দুটা ভাগ কৰি দেখুওৱা; এটা হৈছে কালক্ৰমিক বা ঐতিহাসিক (Diachronic) আৰু আনটো হৈছে এককালিক (Synchronic)। অৱশ্যে তেওঁ এককালিক ভাষা অধ্যয়নতহে বেছি গুৰুত্ব দিছিল, কিয়নো ঐতিহাসিক ভাষা-চিন্তা ভাষাৰ পৰিৱৰ্তনৰ অধ্যয়নৰ মাজতে সীমাবদ্ধ।

ভাষা-অধ্যয়নক এই সীমাবদ্ধতাৰ পৰা মুকলি কৰি ভাষাক এক জীৱন্ত সম্পদৰূপে লক্ষ্য কৰাই আছিল চ্যুচুৰৰ প্ৰধান লক্ষ্য। সেইবাবে তেওঁ ভাষাৰ প্ৰচলিত প্ৰৱাহৰ, অৰ্থাৎ সমকালীন ৰূপৰ বিচাৰ বিশ্লেষণত বিশেষ গুৰুত্ব দিছিল।

মানৱ সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে জ্ঞানৰ জগততো সদা নতুন নতুন চিন্তা-চৰ্চাৰ দিশ উন্মোচিত হৈছে। বিশেষকৈ ঊনবিংশ শতিকাত পশ্চিমীয়া ভাষা-চিন্তাৰ জগতত প্ৰচলিত ধ্যান-ধাৰণা, চিন্তা-চৰ্চাৰ পৰা আতঁৰি আহি এক নতুন চিন্তা-চেতনাৰ আদৰ্শৰ জোৱাৰ ববলৈ ধৰে। ফলত ভাষা-বিজ্ঞানীসকলৰ ভাষা-চিন্তাতো নতুন নতুন ৰীতিৰ সংযোজন ঘটে। ভাষা-চিন্তাৰ এই নতুন ৰীতিসমূহ কেৱল ভাষা-চিন্তাৰ মাজতে আবদ্ধ নাথাকি ভাষাৰ লগত সম্পৰ্ক থকা অন্যান্য বিষয়সমূহ, যেনে — নৃবিজ্ঞান, সমাজবিজ্ঞান, মনোবিজ্ঞান, দৰ্শন, ভূগোল, প্ৰযুক্তি বিদ্যা আদিৰ লগতো জড়িত হৈ পৰিল। ফলস্বৰূপে কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা আধুনিক ভাষা-বিজ্ঞানৰ অংগ হিচাপে নতুন নতুন প্ৰশাখাই ভাষা-বিজ্ঞানৰ অধ্যয়নৰ বিস্তীৰ্ণ ক্ষেত্ৰখন সামৰি ল'লে। ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক নতুন দিশবোৰক তলত দিয়া ধৰণে নামকৰণ কৰা হৈছে—

(ক) বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞান (Contrastive Linguistics)

(খ) মনোভাষা-বিজ্ঞান (Psycholinguistics)

(গ) সমাজ ভাষা-বিজ্ঞান (Sociolinguistics)

(ঘ) ভূ-ভাষা-বিজ্ঞান (Geographical Linguistics)

(ঙ) প্ৰয়োগ ভাষা-বিজ্ঞান (Applied Linguistics)

(চ) ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ (Transformational Generative Grammar)

৭.৪ অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন

আগতেই উল্লেখ কৰা হৈছে যে, ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষা-বিজ্ঞানক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। তলত এই ভাগসমূহৰ চমু বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ল।

৭.৪.১ বৰ্ণনাত্মক ভাষা-বিজ্ঞান

ভাষা এটাৰ নিৰ্দিষ্ট এক কালৰ ভাষিক গতি-প্ৰকৃতি সম্পৰ্কে বিজ্ঞানসন্মতভাৱে কৰা অধ্যয়নেই হৈছে বৰ্ণনাত্মক ভাষা-বিজ্ঞান। ভাষা এটা ক'ৰপৰা উৎপত্তি হৈছে ভাষাটোৰ পূৰ্ব ৰূপ কি আছিল বা কেনে পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ ৰূপ লাভ কৰিছেহি এনেবোৰ বিষয় বৰ্ণনাত্মক ভাষা-বিজ্ঞানত আলোচনা কৰা নহয়। ইয়াত ভাষা-বিজ্ঞানীসকলে এটা সময়ৰ পৰিধিৰ মাজত বৰ্তি থকা ভাষাৰ ৰূপটোকহে অধ্যয়ন কৰাত অধিক গুৰুত্ব দিয়া দেখা যায়।

বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষা এটাৰ কথিত ৰূপৰ যথাযথ বৰ্ণনাৰে বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়োৱা হয়। মন কৰিবলগীয়া কথা যে, একেটা ভাষাকে বিভিন্ন পৰিৱেশ, পৰিস্থিতি অনুসৰি একেজন মানুহে ভিন্ন ধৰণে ব্যৱহাৰ কৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে ভাষাৰ এনে সূক্ষ্মাতিসূক্ষ্ম কথাবোৰলৈ আওকাণ কৰা দেখা যায়। তেওঁলোকে ভাষাৰ গাঁথনিক স্তৰটোতহে অধিক গুৰুত্ব দিয়ে। ভাষাৰ গঠন পদ্ধতিৰ দিশত অধিক গুৰুত্ব আৰোপ কৰাৰ বাবে বৰ্ণনাত্মক ভাষা-বিজ্ঞানক আধুনিক ভাষা বিজ্ঞানীসকলে 'গঠনাত্মক ভাষা-বিজ্ঞান' (Structural Linguistics) বুলিও অভিহিত কৰিছে। অৰ্থাৎ গঠনাত্মক ভাষা-বিজ্ঞানক বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰে এক আধুনিক ৰূপ বুলি ক'ব পৰা যায়। ভাষাৰ প্ৰধান উপাদানসমূহ হৈছে — ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ। এই প্ৰত্যেকটো উপাদানেই পৰস্পৰে পৰস্পৰৰ লগত সুসংগতভাৱে জড়িত। বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ প্ৰতিটো স্তৰ, যেনে — ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব সম্পৰ্কে পুঙ্খানুপুঙ্খভাৱে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়।

- *ধ্বনিতত্ত্ব (Phonology)ঃ* ধ্বনিতত্ত্বত ভাষাটোৰ বিশিষ্ট ধ্বনি আৰু সিহঁতৰ উপধ্বনিসমূহৰ বৰ্ণনা কৰা হয়। ইয়াত ভাষা-বিজ্ঞানীসকলে প্ৰথমে অধ্যয়ন কৰিবলগীয়া ভাষাটোৰ সামগ্ৰীখিনি ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সংগ্ৰহ কৰি লৈ ধ্বনিসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰিব লাগে। অধ্যয়ন কৰা ভাষাটোৰ উচ্চাৰিত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিসমূহ চিনাক্ত কৰাৰ পাছত বৰ্ণ বিশ্লেষণৰ নিয়মেৰে বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰিব লাগে। ধ্বনিসমূহৰপৰা বৰ্ণ চিনাক্ত কৰাৰ পাছত বৰ্ণৰ অন্তৰ্নিহিত ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি তালিকা প্ৰস্তুত কৰিব লাগে। তদুপৰি দ্বিস্বৰ ধ্বনি, ত্ৰিস্বৰ ধ্বনি, যুক্তব্যঞ্জন আদিৰো তালিকা কৰি দেখুৱাব লাগে। ভাষাৰ শ্বাসাঘাত বা বলাঘাত, সুৰ আৰু সুৰ লহৰ আদিও ধ্বনিতত্ত্বৰ বিশ্লেষণৰ বিষয়। এনেদৰে বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ সহায়ত ভাষা এটাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি চোৱা হয়।
- *ৰূপতত্ত্ব (Morphology)ঃ* ইয়াত ভাষাটোৰ শব্দমূল আৰু ক্ৰিয়ামূল বা ধাতুত বিভিন্ন বিভক্তি আৰু প্ৰত্যয় যোগ হৈ কেনেদৰে নতুন নতুন ৰূপ গঠন কৰে তাৰ বৰ্ণনা থাকে। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহ বাচি উলিওৱাৰ পাছত ধ্বনি সংযোগৰ ফলত সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। শব্দৰ গঠন-ৰীতি সম্পৰ্কে ৰূপতত্ত্বত আলোচনা কৰা হয়।
- *বাক্যতত্ত্ব (Syntax)ঃ* ধ্বনি সংযোগ আৰু ৰূপ সংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক অৰ্থৰ সঙ্গতি ৰাখি যথাস্থানত বহুৱাই বাক্যৰ সৃষ্টি কৰা হয়। প্ৰত্যেক ভাষাৰে বাক্যবিন্যাসৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। সাধাৰণতে অসমীয়া ভাষাত বাক্যৰ ক্ৰম হৈছে - কৰ্তা + কৰ্ম + ক্ৰিয়া । কিন্তু ইংৰাজী ভাষাত কৰ্তা + ক্ৰিয়া + কৰ্ম। এনেবোৰ কথা বাক্যবিন্যাসৰ ভিতৰুৱা। তদুপৰি বাক্যৰ বিভিন্ন প্ৰকাৰ, ৰূপান্তৰ

প্ৰক্ৰিয়াৰ সহায়ত নতুন নতুন বাক্য সৃষ্টি আদিও বাক্যতত্ত্বই সামৰি লয়।

- *অৰ্থতত্ত্ব (Semantics)ঃ* বৰ্ণনাত্মক ভাষা-বিজ্ঞানত শব্দৰ অৰ্থৰ দিশটোও সামৰি লোৱা হয়। শব্দ আৰু অৰ্থৰ সম্বন্ধ, পৰিস্থিতিভেদে শব্দৰ অৰ্থৰ ভেদ, সময় অনুক্ৰমে অৰ্থৰ ভেদ, সমাৰ্থবাচকতা, বিপৰীতাৰ্থ আৰু শব্দৰ মাজত লুকাই থকা অন্তৰ্ৱৰ্তী অৰ্থৰ বিশ্লেষণ বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লয়।

  ভাষা এটা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পাছত ইয়াৰ কিছুমান উপৰূপৰ সৃষ্টি হোৱা দেখা যায়। ভাষাৰ এই উপৰূপবোৰৰ অধ্যয়নো বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি ল'ব খোজে। অৰ্থাৎ বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাত থাকিব পৰা বিভিন্ন উপভাষা বা আঞ্চলিক উপভাষাসমূহ(Subdialects)ৰ অস্তিত্ব সম্বন্ধেও আলোকপাত কৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ পদ্ধতিৰে অধ্যয়ন কৰা এখন গ্ৰন্থ হ'ল ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ *A Descriptive Analysis of the Boro Language*.

৭.৪.২ ঐতিহাসিক ভাষা-বিজ্ঞান

ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষা এটাৰ ক্ৰমবিৱৰ্তনৰ ধাৰা সম্পৰ্কে আলোচনা আগবঢ়োৱা হয়। ভাষা এটাৰ মূল উৎস কি আছিল, কি কি পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ অৱস্থা পাইছেহি আদি কথাবোৰ ঐতিহাসিক ভাষা-বিজ্ঞানৰ আলোচনাৰ বিষয়। বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ দৰে ঐতিহাসিক ভাষা-বিজ্ঞানৰ অধ্যয়নতো ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত এই চাৰিটা দিশ চালিজাৰি চাই বৰ্তমানৰ ভাষাটোৰ ৰূপৰ লগত সংগতি ৰাখি অতীতক খুচৰি চাই ভাষাৰ ক্ৰমবিৱৰ্তনৰ এটি ইতিহাস দাঙি ধৰা হয়। ঐতিহাসিক ভাষাবিজ্ঞানে ভাষাৰ লিখিত ৰূপক প্ৰামাণ্য উপাদান হিচাপে লৈ আলোচনা কৰে। আনহাতে বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কথিত ৰূপটোত অধিক গুৰুত্ব দিয়ে। শব্দৰূপ আৰু তাৰ পৰিৱৰ্তনৰ ধাৰা আলোচনা কৰোঁতে ঐতিহাসিক ভাষা-বিজ্ঞানীয়ে প্ৰাচীন শিলালিপি, তাম্ৰফলি, পৰিব্ৰাজকৰ টোকা, প্ৰাচীন হাতেলিখা পুথি আদি বিভিন্ন পাঠৰ অধ্যয়ন কৰে। তাৰ পিছত সাধাৰণীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন ৰূপৰ ভিতৰত একোটাক সেই সময়ৰ শুদ্ধ বা মান্যৰূপ বুলি গ্ৰহণ কৰে আৰু তাৰ ভিত্তিতে বৰ্তমান ৰূপসমূহৰ গঠন প্ৰণালী আলোচনা কৰে। এই আলোচনা যথেষ্ট তাত্ত্বিক। বাক্যবিন্যাসৰ আলোচনাতকৈ অৰ্থতত্ত্বৰ আলোচনাত ঐতিহাসিক ভাষা-বিজ্ঞানে অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। শব্দৰ পুৰণি অৰ্থ কি আছিল, কি কি পৰিৱৰ্তন কেনেধৰণে সাধিত হৈছে সেই কথা তেওঁলোকে পুঙ্খানুপুঙ্খভাৱে বিশ্লেষণ কৰে। বহুসময়ত তেওঁলোকে এইটোও প্ৰতিপন্ন কৰিব বিচাৰে যে প্ৰাচীন অৰ্থটোহে শব্দটোৰ আচল আৰু শুদ্ধ অৰ্থ।

পৃথিৱীৰ ভাষাসমূহত শব্দৰ অৰ্থ পৰিৱৰ্তনৰ বিভিন্ন উদাহৰণ পোৱা যায়। সংস্কৃত 'মহাজন' শব্দই মহান লোকক বুজাইছিল। কিন্তু বৰ্তমান দোকানী, বেপাৰী, পুঁজিপতি আদি লোককহে বুজোৱা হ'ল। আনকি যিসকল লোকে বিভিন্ন ব্যৱসায়, যেনে — গাখীৰৰ ব্যৱসায়, খৰিৰ ব্যৱসায়, মাছৰ ব্যৱসায় আদি কৰি ধন উপাৰ্জন কৰিছে তেওঁলোককো 'মহাজন' বুলিয়েই মাতে। সেইদৰে ইংৰাজী 'deer' শব্দই যি কোনো জন্তুকে বুজাইছিল, কিন্তু 'deer' শব্দৰ অৰ্থ সংকুচিত হৈ কেৱল এবিধ জন্তু 'হৰিণ'ক বুজাবলৈ ধৰিলে। গতিকে দেখা যায়, সমাজ পৰিৱৰ্তনৰ লগে লগে ভাষাৰ অৰ্থৰো পৰিৱৰ্তন হয়। শব্দৰ অৰ্থৰ পৰিসৰ কেতিয়াবা বহল হয়, কেতিয়াবা সংকুচিত হয় আৰু কেতিয়াবা একোটাহঁত শব্দত সম্পূৰ্ণ ভিন্ন অৰ্থও আৰোপিত হয়। শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা— অৰ্থসংকোচ, অৰ্থবিস্তাৰ আৰু অৰ্থসংশ্লেষৰ আলোচনাত ঐতিহাসিক ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সুনীতি কুমাৰ চেটাৰ্জীৰ *The Origin and Development of the Bengali Language* আৰু বাণীকান্ত কাকতিৰ *Assamese: Its Formation and Development* এই শাৰীৰ মূল্যৱান গ্ৰন্থ। বৰ্তমান প্ৰচলিত অসমীয়া শব্দৰ আৰু ৰূপসমূহৰ মূল সংস্কৃতত কি আছিল আৰু প্ৰাকৃতৰ কোন স্তৰৰ মাজেদি পৰিৱৰ্তিত হৈ অসমীয়া ভাষাই বৰ্তমান ৰূপ পৰিগ্ৰহ কৰিছে — ইত্যাদি কথা কাকতিৰ গ্ৰন্থত বহলাই আলোচনা কৰা হৈছে।

৭.৪.৩ তুলনামূলক ভাষা-বিজ্ঞান

ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নত বৰ্ণনাত্মক আৰু ঐতিহাসিক ভাষা-বিজ্ঞানৰ যেনেদৰে গুৰুত্ব আছে ঠিক তেনেদৰে তুলনামূলক ভাষা-বিজ্ঞানৰো ভাষাৰ প্ৰণালীবদ্ধ আলোচনাত সমানেই গুৰুত্ব আছে। ঐতিহাসিক ভাষা-বিজ্ঞানত এটা স্তৰৰ পৰা আন এটা স্তৰলৈকে ভাষাৰ পৰিৱৰ্তনৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হয় আৰু ভাষাটোৰ মূল নিৰ্ণয় কৰা হয়। আনহাতে বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ প্ৰচলিত প্ৰৱাহৰ সামগ্ৰিক গাঁথনিক স্বৰূপ দাঙি ধৰা হয়। তুলনামূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ মাজত ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত আদি দিশত পৰস্পৰৰ সম্পৰ্ক দেখুৱাই অধ্যয়ন কৰা হয়। এনে তুলনামূলক অধ্যয়নৰ দ্বাৰা আলোচ্য ভাষাসমূহ যে একে মূলৰ পৰা ওলোৱা সেইটো প্ৰমাণ কৰি দেখুৱাব পাৰি। কেতিয়াবা আকৌ একেটা ভাষাৰে প্ৰাচীন আৰু আধুনিক ৰূপৰ তুলনা কৰা যায়। তাকো তুলনামূলক ভাষা-বিজ্ঞানৰ শাৰীত পেলোৱা হয়।

ভাষা এটাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন আৰু ভাষাৰ পূৰ্বৰূপ নিৰ্ণয় কৰাত তুলনামূলক ভাষা-বিজ্ঞানৰ অধ্যয়নে সহায় কৰে। ভাষাৰ বৰ্গীকৰণৰ ক্ষেত্ৰতো তুলনামূলক অধ্যয়নে বিশেষভাৱে সহায় কৰে। ঐতিহাসিক ভাষা-বিজ্ঞানৰ গাত আঁউজিয়ে তুলনামূলক

ভাষা-বিজ্ঞানীয়ে ভাষাৰ তুলনামূলক বিশ্লেষণ কৰে। তুলনামূলক অধ্যয়নৰ দ্বাৰা ওঠৰ শতিকাত সংস্কৃত-গ্ৰীক আৰু লেটিন ভাষা যে একেমূলৰ সেই সিদ্ধান্তত উপনীত হৈছিল। Robert Caldweel ৰ *A Comparative Grammar of the Dravidian Language* (1913), John Beames ৰ *A Comparative Grammar of Modern Aryan Languages of India* আদি এই শাৰীৰ দুখন মূল্যৱান গ্ৰন্থ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানক কেইটা আৰু কি কি প্ৰধান ভাগত বিভক্ত কৰিব পাৰি?

.....

.....

প্ৰশ্ন নং ২ ঃ বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ কোনটো ৰূপত গুৰুত্ব দিয়া হয়? লিখিত নে কথিত?

.....

৭.৫ ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা

ভাষা অধ্যয়নৰ উক্ত তিনিটা প্ৰধান শাখাৰ উপৰি আৰু কিছুমান ভাগত বিভক্ত কৰা হৈছে বুলি ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। শিক্ষাৰ প্ৰসাৰ আৰু বৈজ্ঞানিক উপকৰণৰ প্ৰগতিৰ লগে লগে ভাষা-বিজ্ঞানৰ নানা সমল যুক্ত হৈ নতুন নামকৰণেৰে নতুন শাখাৰ বিকাশ ঘটিল। তলত সেই শাখাসমূহৰ চমু পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল—

- **বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞান ঃ** বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞানক তুলনামূলক ভাষা বিজ্ঞানৰে এক নতুন ৰূপ বুলি ক'ব পাৰি। ইয়াত দুটা সমগোত্ৰীয় বা বিসমগোত্ৰীয় ভাষাৰ প্ৰভেদবোৰ বৰ্ণনাত্মক বিশ্লেষণৰ দ্বাৰা তুলনা কৰি দেখুওৱা হয়। আলোচ্য কোনোটো ভাষাকে ইয়াত ঐতিহাসিক দৃষ্টিকোণেৰে অধ্যয়ন কৰা নহয়। এনে অধ্যয়নত সাধাৰণতে ভাষাৰ কথিত ৰূপত গুৰুত্ব আৰোপ কৰি অধ্যয়ন কৰিবলৈ লোৱা ভাষা দুটাৰ মাজত ধ্বনি, ৰূপ, বাক্য, অৰ্থ — এই সকলো স্তৰতে তুলনা দাঙি ধৰে আৰু দুয়োটা ভাষাৰ মাজত থকা ভেদখিনি সুস্পষ্ট ৰূপত বৰ্ণনা কৰে।

  বৈপৰীত্যমূলক ভাষা-বিজ্ঞান আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ মাজত অধ্যয়নৰ দৃষ্টিভংগীৰ যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰথমতে, তুলনামূলক ভাষা-বিজ্ঞানত আলোচ্য ভাষাসমূহ সমগোত্ৰীয় বা একেমূলৰ পৰা ওলোৱা হ'ব লাগে। কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় বা ভিন্নগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ মাজত তুলনা কৰা হয়। দ্বিতীয়তে, তুলনামূলক ভাষা-বিজ্ঞানত ভাষা-বিজ্ঞানীসকলে আলোচ্য ভাষাসমূহ যে

একেমূলৰ পৰা ওলোৱা আৰু ভাষাসমূহৰ মাজত অধিক সাদৃশ্য বৰ্তমান সেইকথা প্ৰমাণ কৰাৰ প্ৰয়াস কৰে। কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত দুয়োটা ভাষাৰ মাজত থকা ভেদখিনিহে স্পষ্ট ৰূপত দাঙি ধৰে। তৃতীয়তে, তুলনামূলক ভাষা-বিজ্ঞানে ভাষাৰ অধ্যয়নত লিখিত ভাষাকহে প্ৰামাণিক তথ্য হিচাপে গ্ৰহণ কৰে কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত কথ্য ভাষাহে আলোচনা বা বিশ্লেষণৰ মূল বিষয়, লিখিত ভাষা নহয়। জাপানী আৰু অসমীয়া ভাষাৰ তুলনামূলক বিশ্লেষণ ভেদাত্মক ভাষা-বিজ্ঞানৰ বিষয় হ'ব পাৰে, কিন্তু তুলনামূলক ভাষা-বিজ্ঞানৰ নহয়। ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাৰ গৱেষণা গ্ৰন্থ *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya* স্বৰূপাৰ্থত বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ অন্তৰ্গত।

- **মনোভাষা-বিজ্ঞান ঃ** মানুহৰ ভাষিক আচৰণ আৰু মানসিক প্ৰক্ৰিয়াসমূহৰ সম্বন্ধ সম্পৰ্কে য'ত পুঙ্খানুপুঙ্খ অধ্যয়ন কৰা হয় সেয়াই হৈছে মনোভাষা-বিজ্ঞান। অৰ্থাৎ মনস্তাত্ত্বিক দৃষ্টিকোণৰপৰা কৰা ভাষা বিশ্লেষণকে মনোভাষা-বিজ্ঞান বোলে। অৱশ্যে সকলো ধৰণৰ মানৱ আচৰণৰ অধ্যয়ন মনস্তত্ত্বৰ ভিতৰত নপৰে। মনস্তত্ত্বৰ অধ্যয়নৰ মূল বিষয়বস্তু হ'ল— শিক্ষা (learning), অনুৰক্তি (motivation), উপলব্ধি (perception) আৰু ব্যক্তিভেদে থকা দক্ষতাৰ ভেদ ইত্যাদি। এই আচৰণসমূহ অধ্যয়ন কৰোঁতে ভাষা-বিজ্ঞানীজনে আচৰণ বিশেষৰ প্ৰকৃতি আলোচনা কৰাতকৈ এই আচৰণসমূহৰ অন্তৰালত থকা অভিপ্ৰায় বা প্ৰেৰণাৰ কথাহে আলোচনা কৰে। মনোভাষা-বিজ্ঞানত সাধাৰণতে তলত দিয়া প্ৰশ্নসমূহৰ সমিধান বিচৰা হয়।
  - মানুহে কোৱা ভাষাকহে কিয় ভাষা বুলি কোৱা হয়?
  - মানৱ শিশুৱে কেনেদৰে ভাষা আহৰণ কৰে?
  - মানুহে কেনেদৰে কথা কয় আৰু কথা কোৱাৰ অন্তৰালত কি কি মানসিক প্ৰক্ৰিয়া জড়িত হৈ আছে?
  - মানুহে ভাষা কেনেকৈ বুজি পায়? ভাষাৰ অৰ্থবোধ কৰাৰ ক্ষেত্ৰত কি কি প্ৰক্ৰিয়া অৰ্ন্তনিহিত হৈ আছে?

  এই আটাইকেইটা দিশ সামৰি মনোভাষা-বিজ্ঞানে একোটা পৰীক্ষামূলক আলোচনা আগবঢ়ায়। অৰ্থাৎ মনোভাষা-বিজ্ঞানীয়ে কোনো এটা বিশেষ ভাষাৰ অধ্যয়ন নকৰে। সাধাৰণতে আমি ভাষা বুলিলে যি বুজোঁ সেই ভাষাৰ পিছফালে থকা মনৰ ক্ৰিয়া-কলাপৰ কথাহে ইয়াৰ প্ৰধান আলোচ্য বিষয়।

  মানৱ শিশুৱে কাৰ্য-কাৰণ নিৰ্ণয় কৰিব নোৱৰা বয়সত ভাষাৰ জটিল নীতি নিয়মবোৰ কেনেকৈ আয়ত্ত কৰে, শব্দৰ পৰা কেনেকৈ অৰ্থ উদ্ধাৰ কৰে, লোকে কোৱা শুনি নিজৰ মনৰ প্ৰতিক্ৰিয়া ভাষাৰ মাধ্যমেৰে কেনেকৈ প্ৰকাশ কৰে— ইত্যাদি কথা মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ ভিতৰুৱা। চমস্কি আদি বহু কেইগৰাকী ভাষাবিদৰ ভাষাবিষয়ক সূত্ৰৰ ভিত্তিও মনোভাষা-বিজ্ঞান। এজন মানুহে যিমান পৰিমাণৰ কথা জানে, সিমান পৰিমাণৰ কথা কোনো

এক সময়ত প্ৰকাশ কৰিব নোৱাৰিব পাৰে অথবা কোৱা ভাষাত বহুতো ভুল-ভ্ৰান্তি, বিসংগতি থাকিব পাৰে। কিন্তু সেইবোৰ বাহ্যিক আৰু ক্ষণস্থায়ী। এই বাহ্যিক আৰু ক্ষণস্থায়ী ভুল-ভ্ৰান্তিৰ ঊৰ্ধত থকা এটা সাধাৰণ আদৰ্শ ভাষা-প্ৰণালী বক্তা আৰু শ্ৰোতা দুয়োৱে মনতে ধাৰণা কৰি লয় আৰু ইয়াৰ ফলস্বৰূপেই শ্ৰোতাই ভুল-ভ্ৰান্তিৰ মাজতো বিশুদ্ধভাৱে ভাষা বুজে। এই আদৰ্শ ভাষা-প্ৰণালীটো সম্পূৰ্ণভাৱে মনৰ বস্তু, বিমূৰ্ত। তাৰ অধ্যয়নত প্ৰজ্ঞা বা অন্তৰানুভূতিৰ স্থান বিশেষভাৱে স্বীকৃত। অৰ্থাৎ মনোভাষা-বিজ্ঞান বস্তুধৰ্মী পৰ্যবেক্ষণৰ ঊৰ্ধত। গতিকে দেখা যায় মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ যথেষ্ট বহল। মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ যোগেদি পোৱা তথ্যসমূহক শিক্ষা দিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

- **সমাজ-ভাষা-বিজ্ঞান** ঃ মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ মাধ্যম হ'ল ভাষা, যাক মানুহে পৰম্পৰাগতভাৱে ইজনে সিজনৰপৰা আহৰণ কৰে। অন্যহাতেদি ভাষাৰ মাধ্যমেদি মানৱ সভ্যতা, সংস্কৃতিৰ বিকাশ ঘটে। সমাজৰ পৰিৱৰ্তনৰ লগে লগে ভাষায়ো ৰূপ সলায়, অৰ্থাৎ সভ্যতাভেদে ভাষাই সুকীয়া সুকীয়া ৰূপ ল'বলৈ ধৰে। ভাষা আৰু সমাজ কোনোটোৱে এটাই আনটোক বাদ দি থাকিব নোৱাৰে। ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ সকলো দিশ সমাজ ভাষা-বিজ্ঞানত অধ্যয়ন কৰা হয়। সমাজ ভাষা-বিজ্ঞানৰ অধ্যয়নৰ যোগেদি ভাষিক আৰু সামাজিক স্তৰত বিভিন্ন ধৰণে আত্মপ্ৰকাশ কৰা ভাষাৰ বিভিন্নতা একত্ৰীকৰণ কৰিবলৈ প্ৰয়াস কৰা হয়।

এখন সমাজত ভাষাৰ ভেদৰ বহুতো উপাদান নিহিত হৈ থাকে। এই উপাদান অনুসৰি ভাষাক সমাজতাত্ত্বিক দিশত বিশ্লেষণ কৰিলে বিভিন্ন ৰূপ পোৱা যায়। উদাহৰণস্বৰূপে, সমগ্ৰ অসমৰ মানুহে অসমীয়া ভাষাক মান্যভাষাৰূপে ব্যৱহাৰ কৰে যদিও পৰিৱেশ আৰু পৰিস্থিতিভেদে বিভিন্ন ৰূপ পোৱা যায়। অসমীয়া ভাষাত ভেদ সৃষ্টি কৰা উপাদানবিলাক তলত দিয়াৰ দৰে দেখুৱাব পাৰি —

- বক্তা আৰু শ্ৰোতাৰ প্ৰকৃতি, যেনে — আৰ্থ-সামাজিক, লিঙ্গভেদে, ব্যৱসায় অনুসৰি ভাষাৰ ভিন্নতা পৰিলক্ষিত হয়।
- বক্তাই কাৰ সৈতে কথাবতৰা পাতিছে — তেওঁতকৈ বয়সত সৰু নে ডাঙৰ নে সমনীয়া — সেই অনুসৰি ভিন্নতা পৰিলক্ষিত হয়।
- ব্যক্তিৰ বৃত্তি, সম্বন্ধ, যেনে — শিক্ষক, ছাত্ৰ, পুৰোহিত, ধৰ্মযাজক, পিতৃ, পুত্ৰ, স্বামী, পত্নী ইত্যাদি অনুসৰি ভাষাৰ ভিন্নতা লক্ষ্য কৰিব পাৰি।
- বিষয় অনুসৰি, যথা — বক্তৃতা দিয়া, কিবা এটা কথা জনোৱা, যুক্তিৰে কথা কোৱা বা আলাপ আলোচনা আদিৰ ভিত্তিতো ভাষা ভিন্ন হ'ব পাৰে।
- মাধ্যম অনুসৰি, যেনে — কোৱাৰ মাধ্যম, লিখাৰ মাধ্যম, প্ৰচাৰ মাধ্যম অনুসৰিও ভাষাৰ ভিন্নতা সংঘটিত হয়।

এইবোৰৰ উপৰি বিভিন্ন জীৱিকা অনুসৰিও কথিত ভাষাৰ মাজত পাৰ্থক্য হ'ব পাৰে। উদাহৰণস্বৰূপে, চাকৰিজীৱি শিক্ষিত আৰু অৰ্ধশিক্ষিত শ্ৰেণীৰ মাজত, মাছমৰীয়া, ধোবা, নাপিত, খৰিভাৰী, খেতি-বাতিৰ ওপৰত নিৰ্ভৰশীল লোকৰ মাত কথাত পাৰ্থক্য ওলাই

পৰে। তদুপৰি উচ্চ, মধ্য, নিম্ন মধ্য, নিম্ন বিত্ত শ্ৰেণীৰ মানুহ একে সম্প্ৰদায়ৰ হ'লেও ভাষাৰ কথন ৰীতিত পাৰ্থক্য ওলাই পৰে। সাধাৰণতে সামাজিক আৰু অৰ্থনৈতিক কাৰণত এনে হোৱাটো স্বাভাৱিক। এই সকলো বিষয় সমাজ ভাষা-বিজ্ঞানীয়ে আলোচনা কৰিব পাৰে।

বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে ভাষাৰ গাঁথনিক দিশৰ আলোচনাৰ মাজতে সীমাবদ্ধ থাকে। তেওঁলোকে ভাষিক গাঁথনিৰ লগত সামাজিক গাঁথনি মিলাবলৈ বিশেষ প্ৰয়োজন অনুভৱ নকৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীসকলে ভাষাৰ পৰিৱৰ্তনৰ কথাত চকু দিয়ে যদিও, ভাষাৰ পৰিৱৰ্তনত যে সামাজিক শক্তি এটা লুকাই থাকে এনে কথালৈ আওকাণ কৰি চলে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে আওকাণ কৰি চলা এনেবোৰ কথালৈ সমাজ ভাষা-বিজ্ঞানীয়ে মনোযোগ দিয়ে।

এনেধৰণে দেখা যায় যে সমাজ-ভাষা-বিজ্ঞানৰ ক্ষেত্ৰ বৰ ব্যাপক। সামাজিক কাৰণত হ'ব পৰা ভাষাৰ সকলো ধৰণৰ ভেদকে ইয়াত সমানে মূল্য দিয়া হয়। সম্ভৰপৰ সকলো ধৰণৰ ভেদকে স্পষ্ট আৰু সংহত ৰূপত চিত্ৰৰ দৰে তুলি ধৰিব খোজাত সমাজ-ভাষা-বিজ্ঞানী বিশেষ আগ্ৰহী। ভাষাৰ ক্ষেত্ৰত ভুল-শুদ্ধৰ বিচাৰ বৈজ্ঞানিক বিচাৰ নহয়। সমাজ-ভাষা-বিজ্ঞানীয়েও ভুল-শুদ্ধৰ মাপকাঠিৰে ভাষাভেদৰ মূল্যায়ন নকৰে। তেওঁলোকে ভাষাভেদৰ প্ৰয়োগত সীমাৰেখা চিহ্নিত কৰি উলিয়ায়। নিজ নিজ সীমাৰেখাৰ ভিতৰত প্ৰতিটো ভেদেই শুদ্ধ। কেৱল সীমাৰ বাহিৰতহে সি অগ্ৰহণীয় হৈ পৰে।

- **ভূ-ভাষা-বিজ্ঞান ঃ** ভূ-ভাষা-বিজ্ঞান ভাষা-বিজ্ঞানৰ এটি নতুন শাখা। ইয়াত ভাষাৰ ব্যৱহাৰিক দিশবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। কোনো এক ভৌগোলিক পৰিৱেষ্টনত প্ৰচলিত ভাষাৰ বিভিন্ন ভাষাৰ সৈতে সংমিশ্ৰণ ঘটাৰ ফলত ৰূপৰ পৰিৱৰ্তন ঘটে। কেতিয়াবা আকৌ এটা ভাষাই অন্য এটা ভাষাৰ লগত মিশ্ৰণ ঘটি নিজস্ব বৈশিষ্ট্যখিনি হেৰুৱাই আন ভাষাৰ লগত মিলি যায়। এনেধৰণৰ কথাবোৰ ভাষা-ভূগোল বিজ্ঞানে সামৰি লয়। ভাষা-উপভাষাসমূহত প্ৰচলিত ধ্বনি, ৰূপ, শব্দ, বাক্যবিন্যাস আদিৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তন বৰ্ণনাত্মক, ঐতিহাসিক আৰু তুলনামূলক দৃষ্টিকোণৰ পৰা অধ্যয়ন চলাই বিচাৰ-বিশ্লেষণ কৰি সেই ভাষা-উপভাষাসমূহৰ ভৌগোলিক সীমা নিৰ্ণয় কৰাতো ভূ-ভাষাবিজ্ঞানে সহায় কৰে।
- **প্ৰয়োগ ভাষা-বিজ্ঞান ঃ** ভাষাৰ ব্যৱহাৰিক বা প্ৰায়োগিক দিশসমূহক লৈ ভাষা-বিজ্ঞানৰ যিটো শাখা গঢ় লৈ উঠিছে তাৰ নাম প্ৰয়োগ ভাষা-বিজ্ঞান। আন কথাত ভাষা-বিজ্ঞান অধ্যয়ন কৰি পোৱা জ্ঞান দৈনন্দিন জীৱনৰ কোনো এক ক্ষেত্ৰত প্ৰয়োগ কৰা বা কামত লগোৱাটোকে প্ৰয়োগ ভাষা-বিজ্ঞান বুলিব পাৰি। প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে ভাষা এটা অধ্যয়ন কৰি ভাষাটো আয়ত্ত কৰিবৰ বাবে বা আনক শিকাবৰ বাবে কিছুমান কৌশল অৱলম্বন কৰে। বিষয়টো কেনেদৰে উপস্থাপন কৰিব, কেনেদৰে শিক্ষা দিব, ভাষাটোৰ শুদ্ধ উচ্চাৰণ কেনেকুৱা, সুৰ-লহৰ আদি কেনেকুৱা ইত্যাদি বিষয়ে প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে পৰামৰ্শ দাঙি ধৰে। ভাষাৰ অনুশীলন কৰিবৰ বাবে তেওঁলোকে শব্দৰ নমুনা, বাক্যৰ নমুনা আদিও দাঙি ধৰে। ভাষা-শিক্ষক আৰু ভাষা-বিজ্ঞানীৰ মাজত গুণগত পাৰ্থক্য পৰিলক্ষিত হয়। ভাষা-শিক্ষকৰ ভাষা অধ্যয়নৰ বিজ্ঞানসম্মত জ্ঞান নাথাকিব পাৰে। কিন্তু প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে ভাষা শিকোৱাৰ ক্ষেত্ৰত

দাঙি ধৰা কৌশলসমূহ ভাষা শিক্ষকেও আহৰণ কৰি ল'ব পাৰে।

বৰ্তমানৰ জ্ঞান-বিজ্ঞানৰ সম্প্ৰসাৰণৰ যুগত প্ৰয়োগ ভাষা-বিজ্ঞানৰ পৰিসৰ বৰ ব্যাপক হৈ পৰিছে। বৰ্তমানে ই তলত উল্লেখ কৰা বিষয়সমূহ সামৰে।

- ভাষা-শিক্ষা ঃ মাতৃভাষা, দ্বিতীয় ভাষা আৰু বিদেশী ভাষা আদি সকলো ধৰণৰ ভাষাৰ শিক্ষা প্ৰদান।
- কলা-বোবা আৰু জন্মৰে পৰা মানসিক বিকাশত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা লোকক ভাষাৰ শিক্ষাদান।
- মাতৃভাষাত কথন আৰু লিখন শৈলীৰ বিকাশ সাধন।
- অভিধান প্ৰণয়ন।
- পঠন আৰু ৰচনাৰ দক্ষতাৰ বিকাশ সাধন; অৰ্থাৎ বাক্-বিন্যাসত পটুতা।
- সমাজৰ স্তৰ বিন্যাস অৰ্থাৎ গাঁথনিক দিশৰ অধ্যয়ন আৰু
- যন্ত্ৰৰ সহায়ত অনুবাদ।

- **ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ ঃ** বৰ্ণনাত্মক তথা গাঁথনিক ভাষা-বিজ্ঞান ধাৰাৰ তাত্ত্বিক দুৰ্বলতা দেখুৱাই মাৰ্কিন ভাষা-বিজ্ঞানী নোৱম চমস্কিয়ে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিত যি নতুন ভাষা-বৈজ্ঞানিক তত্ত্বৰ উন্মেষ ঘটায়, তাৰ নাম ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ। এই তত্ত্বৰ সৈতে ব্যাকৰণ (Grammar) শব্দটো জড়িত হৈ থাকিলেও প্ৰকৃতপক্ষে ই এক ভাষাবৈজ্ঞানিক তত্ত্ব। এই তত্ত্বৰ মূল ভিত্তি হৈছে ৰূপান্তৰ (Transformation) আৰু সৃজনাত্মক (Generative)। মানুহ সৃজন ক্ষমতাৰ অধিকাৰী বাবে একোটাহঁত ভাষাৰ সীমিত সংখ্যক গাঁথনিক নিয়মৰ জৰিয়তে অসীম সংখ্যক বাক্য উৎপাদন কৰিব পাৰে। মানুহৰ ভাষাৰ সৈতে বুদ্ধিদীপ্ত মনোজগত অনৰৰতে জড়িত হৈ থাকে। এই মানসিক বাস্তৱৰ সৈতে সম্পৃক্ত হৈ থকা ভাষা-সম্পদৰ স্বৰূপ উদ্‌ঘাটন কৰাই ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণৰ কাম। বাক্যৰ পৰা ধ্বনি তথা অৰ্থলৈ কৰা ক্ৰমাগত বিশ্লেষণ এই ভাষা-বিজ্ঞানৰ প্ৰধান বৈশিষ্ট্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তুলনাত্মক ভাষা-বিজ্ঞানৰ দৃষ্টিভংগীৰে অধ্যয়ন কৰা দুখন গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ ঃ বিসমগোত্ৰীয় দুটা ভাষাৰ মাজত বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ অধ্যয়ন হ'ব পাৰেনে?

.....

প্ৰশ্ন নং ৫ ঃ ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ দিশসমূহ ভাষা-বিজ্ঞানৰ কোনটো শাখাত অধ্যয়ন কৰা হয়?

.....

প্ৰশ্ন নং ৬ ঃ অভিধান প্ৰণয়ন বিষয়টো প্ৰয়োগ-ভাষা-বিজ্ঞানৰ পৰিসৰৰ ভিতৰত সাঙুৰি ল'ব পৰা যায়নে?

.....

প্ৰশ্ন নং ৭ ঃ মনোভাষা-বিজ্ঞান অধ্যয়নৰ মূল বিষয়সমূহ কি কি?

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত আমি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ বিষয়ে অধ্যয়ন কৰিলোঁ। ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি যে ভাষা-বিজ্ঞানক বৰ্ণনাত্মক, ঐতিহাসিক, তুলনামূলক — এই তিনিটা ভাগত ভাগ কৰা হৈছে সেই বিষয়ে জনাৰ উপৰি প্ৰত্যেকটো শাখাত কি কি বিষয়ত গুৰুত্ব আৰোপ কৰি কেনেদৰে অধ্যয়ন কৰা হয় সেই সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব পাৰিলোঁ।
- মানৱ-সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে ভাষা-বিজ্ঞানৰ নানা সমল প্ৰযুক্ত হৈ নতুন নামকৰণেৰে কিছুমান নতুন শাখাৰ বিকাশ ঘটিল। সেইবোৰক ভেদাত্মক বা বৈপৰীত্যমূলক, মনোভাষা-বিজ্ঞান, সমাজ ভাষা-বিজ্ঞান, ভূ-ভাষা-বিজ্ঞান, প্ৰয়োগ ভাষা-বিজ্ঞান, ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ আদি নামেৰে নামকৰণ কৰা হৈছে বুলিও জানিব পাৰিলোঁ।
- বৰ্ণনাত্মক ভাষা-বিজ্ঞানত কোনো এটা কালৰ ভাষাৰ কথিত ৰূপৰ আভ্যন্তৰীণ গঠনৰ দিশত অধিক গুৰুত্ব দিয়া হয় আনহাতে ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষাৰ মূল নিৰ্ণয়ত গুৰুত্ব দিয়া হয়। আকৌ তুলনাত্মক ভাষা-বিজ্ঞানত সমগোত্ৰীয় দুটা ভাষাৰ মাজত তুলনা দাঙি ধৰা হয়, কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় বা বিসমগোত্ৰীয় দুই বা ততোধিক ভাষাৰ ভেদাত্মক বিশ্লেষণ কৰা হয়।
- সমাজ ভাষা-বিজ্ঞানত ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ সকলো দিশৰ অধ্যয়ন কৰা হয় ।প্ৰয়োগ ভাষা-বিজ্ঞানত ব্যৱহাৰিক বা প্ৰায়োগিক দিশত ভাষা শিক্ষা দিবৰ বাবে ভাষা-বিজ্ঞানৰ অধ্যয়নৰ সহায়ত জ্ঞানৰ যি প্ৰয়োগ কৌশল আৱিষ্কাৰ কৰা হৈছে সেই সম্পৰ্কে অধ্যয়ন কৰা হয় বুলি আমি এই অধ্যায়টোৰ জৰিয়তে জানিব পাৰিলোঁ।
- ভাষা এটা অধ্যয়ন কৰোঁতে কোনটো শাখা প্ৰয়োগ কৰা হৈছে সেই সম্পৰ্কে আমি এই অধ্যায়টিৰ জৰিয়তে এটা ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ম।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৪) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৫) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৬) পাদুন, নাহেন্দ্ৰ (সম্পাঃ) (১৯৯৬-৯৭); *চিন্তা-প্ৰৱাহ;* শিৱসাগৰ ঃ শিৱসাগৰ কলেজ।

৭) পাদুন, নাহেন্দ্ৰ (সম্পাঃ) (১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

৮) মৱল, দীপঙ্কৰ(১৯৯১); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৯) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

ইংৰাজী গ্ৰন্থ

১০) Chatterji, S. K. (1979); *The Origin and Development of the Bengali Language.* London: Georege Allen & Unwin.

১১) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১২) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers' Book Stall.

১৩) Hall, R. A. (1964). *Introductory Linguistics.* Philadelphia: Chilton Company.

১৪) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা (১) বৰ্ণনাত্মক, (২) ঐতিহাসিক, (৩) তুলনামূলক ভাষা-বিজ্ঞান।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কথিত ৰূপত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (১) Robert Caldwell-ৰ *A Comparative Grammar of the Dravidian Language* (1913) আৰু

(২) John Beams-ৰ *A Comparative Grammar of Modern Aryan Language of India*

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজ ভাষা-বিজ্ঞানত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সাঙুৰি ল'ব পৰা যায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষা, অনুৰক্তি, উপলব্ধি আৰু ব্যক্তিভেদে থকা দক্ষতাৰ ভেদ ইত্যাদি।



৭.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষা-বিজ্ঞানৰ প্ৰধান শাখাসমূহ কি কি?

খ) বৰ্ণনাত্মক ভাষা-বিজ্ঞান বুলিলে কি বুজে?

গ) উপভাষা অধ্যয়নত সমাজ ভাষা-বিজ্ঞানৰ প্ৰয়োজনীয়তা আছেনে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ধ্বনিতত্ত্বত ভাষাটোৰ বিশিষ্ট ধ্বনি আৰু সিহঁতৰ উপধ্বনিসমূহৰ বৰ্ণনা কৰা হয়।

খ) ভূ-ভাষা-বিজ্ঞান ভাষা-বিজ্ঞানৰ এটি নতুন শাখা আৰু ইয়াত ভাষাৰ ভাষাগত দিশবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষা অধ্যয়নৰ কোনবোৰ দিশত গুৰুত্ব আৰোপ কৰা হয় উদাহৰণসহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ভাষাৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা বুলিলে কি বুজে? আপোনাৰ নিজৰ ভাষাত বুজাই লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তুলনাত্মক ভাষা-বিজ্ঞান আৰু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ মাজত পাৰ্থক্য আছেনে? উদাহৰণসহ বাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ বৰ্ণনাত্মক ভাষা-বিজ্ঞান বুলিলে কি বুজে? বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন আছেনে? বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ প্ৰয়োগ ভাষা-বিজ্ঞান বুলিলে কি বুজে? প্ৰয়োগ ভাষা-বিজ্ঞানৰ প্ৰয়োজনীয়তা কিমান? প্ৰয়োগ ভাষাবিজ্ঞানে কেনেধৰণৰ বিষয়সমূহ সাঙুৰিব পাৰে লিখক।

*** ***** ***

অধ্যায় ৮ ঃ ভাষা-বিজ্ঞান অধ্যয়ন — বিভিন্ন স্তৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ
৮.৩.১ ধ্বনিতত্ত্ব
৮.৩.২ ৰূপতত্ত্ব
৮.৩.৩ বাক্যতত্ত্ব
৮.৩.৪ অর্থতত্ত্ব
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনি, ধ্বনিসংযোগ বা ৰূপ, অর্থ, বাক্য ইত্যাদিৰ বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণেই যে ভাষা-বিজ্ঞান সেই বিষয়ে অৱগত হ'ব
- ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ধ্বনিতত্ত্বত ভাষাৰ কি কি বিষয় আলোচনা কৰা হয় সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ৰূপতত্ত্বত কিহৰ বিষয়ে অধ্যয়ন কৰা হয় সেই সম্পর্কে অধিক জানিব পাৰিব
- ভাষাৰ অধ্যয়নত বাক্যতত্ত্বৰ গুৰুত্ব কিমান সেই বিষয়ে বাখ্যা আগবঢ়াব পাৰিব
- অর্থতত্ত্বত ভাষাৰ অর্থ কিদৰে নিৰূপণ কৰা হয় সেই বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত আপুনি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্রশাখাৰ বিষয়ে বহলাই অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি ভাষা-বিজ্ঞানৰ স্তৰসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

ভাষাৰ বিজ্ঞানসন্মত, শৃংখলাবদ্ধ অধ্যয়ন বা আলোচনাই হ'ল ভাষা-বিজ্ঞান। ভাষা-বিজ্ঞানত মানৱ ভাষাৰ প্রণালীবদ্ধ অধ্যয়ন কৰা হয়। মনত ৰখা ভাল যে, ভাষা-বিজ্ঞান কোনো এক নির্দিষ্ট ভাষাৰ অধ্যয়নতে সীমাবদ্ধ নাথাকে। ই ভাষা অধ্যয়নৰ বাবে কেতবোৰ সাধাৰণ সূত্র


হে আৱিষ্কাৰ কৰে আৰু সেই সূত্ৰবোৰৰ সহায়ত যি কোনো ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰিব পাৰি। মুঠতে ভাষা-বিজ্ঞানৰ অধ্যয়নৰ পৰিধি অতি ব্যাপক। পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ প্ৰত্যেকৰে গঠন প্ৰণালী সুকীয়া সুকীয়া। ভাষাৰ উপাদান বুলিলে ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদিকে বুজায়। সেই অনুসৰি ভাষাৰ অধ্যয়নৰো চাৰিটা স্তৰ, যেনে— ধ্বনিৰ স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ, অৰ্থৰ স্তৰ। ভাষা-বিজ্ঞানৰ সহায়ত এই স্তৰসমূহৰ বিশ্লেষণ কৰা হয়।

ভাষা-বিজ্ঞানৰ অধ্যয়নৰ ধ্বনিৰ স্তৰত ধ্বনিসমূহৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়। ধ্বনিসংযোগৰ ফলত সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰা হয় ৰূপৰ স্তৰত। সেইদৰে ধ্বনিসংযোগ আৰু ৰূপসংযোগৰ ফলত সৃষ্টি হোৱা বাক্যৰ বিষয়ে বাক্যৰ স্তৰত আলোচনা কৰা হয়। সেইদৰে অৰ্থতত্ত্বত শব্দৰ অৰ্থৰ বিষয়ে অধ্যয়ন কৰা হয়। অধ্যায়টোত এই বিষয়কেইটাৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ব।

৮.৩ ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ

ভাষা-বিজ্ঞানৰ অধ্যয়নৰ পৰিধি অতি ব্যাপক। ইয়াৰ উদ্দেশ্য হৈছে বৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষাৰ বিশ্লেষণ দাঙি ধৰা। ভাষা হৈছে মানুহৰ ভাব প্ৰকাশৰ এটা অন্যতম মাধ্যম। ই এনে এটা মাধ্যম, যাৰ জৰিয়তে এজন বক্তাই কোনো বাৰ্তা আন এজন ব্যক্তিলৈ প্ৰেৰণ কৰে আৰু দ্বিতীয়জন ব্যক্তিয়ে তাক গ্ৰহণ কৰি প্ৰেৰকৰ সৈতে পুনৰ বাৰ্তা বিনিময় কৰিব পাৰে। সেয়ে, স্বাভাৱিকতে বক্তাই বাৰ্তা প্ৰেৰণ কৰিবলৈ হ'লে মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰিব লাগিব। মুখেৰে উচ্চাৰিত এই ধ্বনিবোৰে একোটা অৰ্থবাচক শব্দৰ সৃষ্টি কৰে কৰে আৰু এই অৰ্থপূৰ্ণ শব্দবোৰ লগলাগি একোটা বাক্যৰ সৃষ্টি হয়; যি বাক্য বাৰ্তাৰূপে শ্ৰোতাৰ কাণত পৰে। ধ্বনি, ৰূপ, বাক্য, অৰ্থ ভাষাৰ এই উপাদান কেইটাৰ সংযোগ প্ৰণালীটো এনেদৰে দেখুৱাব পাৰি—

চিত্ৰ ৮.১ — ভাষাৰ বিভিন্ন উপাদানৰ সংযোগ প্ৰণালী




এই প্ৰণালীটোৰ পৰা এইটো স্পষ্ট যে ভাষাৰ অধ্যয়নৰ চাৰিটা স্তৰ থাকে— ধ্বনি, শব্দ বা ৰূপ, বাক্য আৰু অৰ্থ। এই স্তৰ চাৰিটাক তলত দিয়া শাখাকেইটাৰ জৰিয়তে অধ্যয়ন কৰিব পাৰি—

ধ্বনি	—	ধ্বনিতত্ত্ব
শব্দ বা ৰূপ	—	ৰূপতত্ত্ব
বাক্য	—	বাক্যতত্ত্ব
অৰ্থ	—	অৰ্থতত্ত্ব

ভাষাৰ গঠন প্ৰণালী বিশ্লেষণৰ বিভিন্ন স্তৰসমূহক ৰেখাচিত্ৰৰ সহায়ত এনেদৰে দেখুৱাব পাৰি—

চিত্ৰ ৮.২ — ভাষাৰ গঠন প্ৰণালীৰ বিভিন্ন স্তৰৰ ৰেখাচিত্ৰ



এনেদৰে ভাষাৰ অধ্যয়নৰ স্তৰক ভাষাৰ গঠন প্ৰণালীৰ বিচাৰ আৰু বিশ্লেষণৰ পদ্ধতি অনুসৰি চাৰিটা ভাগত ভাগ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষাৰ উপাদান কেইটা কি কি?

.....

.....

৮.৩.১ ধ্বনিতত্ত্ব

ভাষাৰ ধ্বনিসমূহৰ বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰ নাম ধ্বনিতত্ত্ব। যেনে— অসমীয়া ধ্বনিতত্ত্ব, বাংলা ধ্বনিতত্ত্ব। ধ্বনিতত্ত্বত ভাষা বিশেষত উচ্চাৰিত বাগ্‌ধ্বনি, ধ্বনিসমূহৰ পৰিৱৰ্তন, বৰ্ণ আৰু উপধ্বনি সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। মানুহৰ বাগ্‌যন্ত্ৰৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ ধ্বনি উচ্চাৰিত হ'লেও কোনো এক ভাষাত মাত্ৰ কেইটামান ধ্বনিহে প্ৰয়োগ হয়। গতিকে ধ্বনিতত্ত্বত কোনো এটা বিশেষ ভাষাত ব্যৱহৃত ধ্বনিসমূহৰহে অধ্যয়ন কৰা হয়। ধ্বনিৰ স্বৰূপ আৰু সিৰোৰৰ প্ৰায়োগিক বিশ্লেষণ ধ্বনিতত্ত্বৰ কাম। ইয়াত ধ্বনিবিজ্ঞান (Phonetics) আৰু বৰ্ণবিজ্ঞান (Phonemics) দুয়োটা বিষয় জড়িত হৈ থাকে। হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই অহা আৰু বাহিৰৰ পৰা মুখৰ ভিতৰলৈ সোমাই অহা বায়ুপ্ৰবাহৰ সহায়ত বাগিন্দ্ৰিয়ৰ সঞ্চালনত এক প্ৰকাৰ

নাদৰ সৃষ্টি হয়, এই নাদকেই 'বাগ্ধ্বনি' বুলি কোৱা হয়। উদাহৰণস্বৰূপে 'মই ভাত খাওঁ' এই বাক্যটোত ম+ই, ভ+আ+ত, খ+আ+ওঁ আদি কেইবাটাও ধ্বনি উচ্চাৰিত হয়। বাগ্ধ্বনিসমূহক দুটা ভাগত ভগোৱা হয়। এটা হ'ল বিভাজ্য আৰু আনটো অবিভাজ্য। যিবোৰ ধ্বনিক নির্দিষ্ট গোট হিচাপে ভাগ কৰি দেখুৱাব পাৰি সেই ধ্বনিসমূহক বিভাজ্য ধ্বনি আৰু যিবোৰ ধ্বনিক ভাগ কৰি দেখুৱাব নোৱাৰি অথচ সেইবোৰৰ অস্তিত্ব অনুভৱ কৰিব পাৰি তাক অবিভাজ্য ধ্বনি বোলে। বিভাজ্য ধ্বনি আকৌ দুই প্ৰকাৰৰ— স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি। হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্ৰৱাহক জিভাৰ বিভিন্ন অংশৰ সঞ্চালনেৰে পৰিৱৰ্তিত কৰি যিবোৰ ধ্বনিৰ সৃষ্টি কৰা হয় সেইবোৰক স্বৰধ্বনি বোলা হয়। আনহাতে বতাহৰ প্ৰৱাহক আংশিক বা সম্পূৰ্ণৰূপে ৰোধ কৰি যিবোৰ ধ্বনি সৃষ্টি কৰা হয় সেইবোৰক ব্যঞ্জনধ্বনি বোলে। এই বিষয়ে পৰৱৰ্তী এটা অধ্যায়ত বহলাই আলোচনা কৰা যাব।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বাগ্ধ্বনিৰ ভাগ দুটা কি কি?

.....

৮.৩.২ ৰূপতত্ত্ব


ভাষাৰ অধ্যয়নৰ দ্বিতীয়টো স্তৰ হৈছে ৰূপতত্ত্ব। ধ্বনিতত্ত্বৰ মূল আধাৰ যিদৰে ধ্বনি সেইদৰে ৰূপতত্ত্বৰ মূল আধাৰ ৰূপ বা প্ৰাকৃতি। ৰূপতত্ত্বত ভাষাৰ ৰূপ বা প্ৰাকৃতিৰ অন্তৰ্গত প্ৰকৃতি, সৰ্গ; অৰ্থাৎ শব্দমূল, ধাতুমূল, প্ৰত্যয়, বিভক্তি আদিৰ পুংখানুপুংখ বিশ্লেষণ কৰা হয়। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, ক্ৰিয়া আদি শব্দ, বিভিন্ন প্ৰকাৰৰ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, পুৰুষ, বচন, কাল আদিৰ বিশ্লেষণ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বিষয়। ৰূপতত্ত্বত সাধাৰণতে দুটা দিশৰ ওপৰত অধ্যয়ন কৰা হয়। এটা হ'ল — শব্দ গঠনৰ প্ৰত্যয় আৰু আনটো পদ গঠনৰ বিভক্তি।

ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হৈছে — প্ৰাকৃতি বা ৰূপ। এই প্ৰাকৃতিৰ পৰা প্ৰাতিপাদিক, ধাতু, শব্দ আৰু এইবোৰৰ সাধন বা ৰূপ আদি নিষ্পন্ন কৰা হয়। প্ৰাকৃতি বৰ্ণৰ ওপৰৰ স্তৰৰ একক বিশেষ। এটা বা একাধিক বৰ্ণৰে প্ৰাকৃতি ৰচিত হয়। প্ৰাকৃতিৰ সদায় একোটা নিজস্ব অৰ্থ থাকে। অৰ্থাৎ বৰ্ণৰে নিৰ্মিত অবিভাজ্য অৰ্থাৎ ক্ষুদ্ৰতম অৰ্থযুক্ত ৰূপেই হৈছে প্ৰাকৃতি। উদাহৰণস্বৰূপে— 'মোমায়েকহঁতলৈ' এই পদটোৰ অৰ্থ পৰীক্ষা কৰিলে দেখা যায় যে কাৰোবাৰ লগত সম্বন্ধ থকা (নাম-পুৰুষবাচকত্ব - এক), মাকৰ ভায়েক বা ককায়েক (পুংলিংগবাচক), মোমায়েক এজন নহয় একাধিক অথবা মোমায়েকৰ লগৰ বা পৰিয়ালৰ একাধিক ব্যক্তি (বহুবচন বাচকত্ব - হঁত) আৰু

এই লোক সকললৈ (নিমিত্তার্থক - লৈ) — এই পাঁচোটা অর্থ সোমাই আছে। আৰু উক্ত পাঁচোটা অর্থৰ লগত সঙ্গতি ৰাখি পদটোক মোমাই - এক্ - হঁত্ - অলৈ — মাত্র এই চাৰিটা খণ্ডত ভগাব পাৰি। সেয়ে, এই চাৰিটা খণ্ডৰ প্রত্যেকটোৱে একোটাহঁত প্রাকৃতি। প্রাকৃতিসমূহৰ কিছুমানক স্বতন্ত্রভাৱে মাতিলে বা উল্লেখ কৰিলে সেইবোৰৰ স্বতন্ত্র অর্থ বুজি পোৱা যায়; যেনে — মানুহ, ঘৰ, গছ, ভাত আদি। এনেদৰে নিজে অর্থ প্রকাশ কৰিব পৰা ৰূপবোৰক মুক্ত প্রাকৃতি বা ৰূপ বোলে। আকৌ কিছুমান প্রাকৃতি অকলে উল্লেখ কৰিলে সিহঁতৰ একো অর্থ পোৱা নাযায়। দুটা বা ততোধিক প্রাকৃতি সংযুক্ত হ'লেহে তাৰ অর্থ বুজি পোৱা যায় এনে প্রাকৃতিক বদ্ধ বা যুক্ত প্রাকৃতি বা ৰূপ বোলে। যেনে— 'খাওঁ' পদৰ খা প্রাকৃতিটোৰ স্বকীয় অর্থ আছে, সেয়ে ই মুক্ত প্রাকৃতি; কিন্তু ইয়াৰ লগত লগা -ওঁ প্রাকৃতিটোৱে 'মই' বা 'আমি' অর্থ যে প্রকাশ কৰে, সেয়া ধৰিব নোৱাৰি; ধাতুটোৰ লগত যুক্ত হ'লেহে ধৰিব পাৰি। গতিকে -ওঁ এটা বদ্ধ প্রাকৃতি।

প্রাকৃতিৰ শ্রেণীবিভাগ তলত দিয়া ধৰণে কৰিব পাৰি—

চিত্র ৮.৩ ঃ প্রাকৃতিৰ শ্রেণীবিভাজন



প্রাকৃতিক প্রধানকৈ তিনিটা ভাগত ভাগ কৰা হয়, যথা— প্রকৃতি, মূলাভাস প্রাকৃতি, সর্গ। এই বিষয়েও পৰৱর্তী এটা অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ৰূপতত্ত্বৰ মূল আধাৰ কি?

.....

.....

৮.৩.৩ বাক্যতত্ত্ব

ভাষা-বিজ্ঞানৰ অধ্যয়নৰ আন এটা স্তৰ হ'ল বাক্যতত্ত্ব। অসমীয়া 'বাক্যতত্ত্ব' শব্দগুচ্ছ ইংৰাজী Syntax শব্দৰ সমার্থক হিচাপে ব্যৱহৃত। ইংৰাজী Syntax শব্দটো

আহিছে গ্ৰীক Syntaxis শব্দৰ পৰা। ইয়াৰ আভিধানিক অর্থ Rules of Sentence making। ধ্বনিসংযোগ আৰু ৰূপসংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক অর্থৰ সংগতি ৰাখি যথাস্থানত বহুৱাই বাক্যৰ সৃষ্টি কৰা হয়। বাক্যই মানুহৰ মনৰ এটি সম্পূর্ণ ভাৱ প্ৰকাশ কৰে। সেই কাৰণে ভাষাক বাক্যভিত্তিক বুলিও কোৱা হয়। আকৌ ৰূপৰ লগত ৰূপৰ সংযোগ, সিহঁতৰ ক্ৰম আৰু ৰূপৰ মাজত সম্পর্ক এই আটাইখিনি লগলাগিহে একোটা খণ্ডবাক্য বাক্য হয়। এটা বাক্যত ব্যৱহাৰ হোৱা ৰূপবোৰৰ বেছিভাগ ভাষাতে একোটা ক্ৰম থাকে অর্থাৎ এক শ্ৰেণী ৰূপৰ পাছত আন এক শ্ৰেণী ৰূপহে থাকিব পাৰে। উদাহৰণস্বৰূপে— 'তাই বৰ ভাল ছোৱালী' এই বাক্যটোত প্ৰথমতে আছে সর্বনাম, তাৰ পাছত ক্ৰিয়া বিশেষণ, তাৰ পাছত বিশেষণ আৰু শেষত বিশেষ্য শব্দ এটা। এই বাক্যটোৰ গাঁথনিক ক্ৰম সলনি হৈ 'বৰ তাই ছোৱালী ভাল' বা 'তাই ভাল বৰ ছোৱালী' আদি হ'লে একো অর্থ প্ৰকাশিত নহ'ব। আকৌ বাক্যত ৰূপবোৰৰ ক্ৰমৰ উপৰি ৰূপৰ সৈতে ৰূপৰ সম্পর্কৰ বিষয়েও জানিব লাগিব। তেতিয়াহে বাক্যটোৰ দ্বাৰা বুজাব খোজা অর্থখিনি স্পষ্ট হৈ উঠিব। প্ৰত্যেক ভাষাৰ বাক্যগঠন প্ৰণালীৰ বৈশিষ্ট্য আছে। পদ আৰু শব্দৰ সংযোগত বাক্যৰ সৃষ্টি হয়। অর্থযুক্ত পদ আৰু শব্দ যথাস্থানত বহুৱাই এটা সম্পূর্ণ বাক্য সজা হয়। বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটো পদৰ পাৰস্পৰিক সংগতি থাকে আৰু সেই অনুসৰি পদবোৰৰ ৰূপ হয়। বাক্যত সাধাৰণতে তলত দিয়া পদবোৰ পোৱা যায়— কাৰকবাচক পদ, ক্ৰিয়াপদ, বিশেষণ পদ, অব্যয় পদ। এইখন পাঠ্যবিষয়ৰে ত্ৰয়োদশ অধ্যায়ত এই বিষয়ে বহলাই আলোচনা কৰা যাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ 'Syntax' ৰ উৎপত্তি ক'ৰ পৰা হৈছে?

.....

৮.৩.৪ অর্থতত্ত্ব

ভাষা-বিজ্ঞানৰ এটা উল্লেখযোগ্য স্তৰ হ'ল — অর্থতত্ত্ব। ভাষাতত্ত্বৰ আলোচনাত অর্থৰ আলোচনাৰ দিশটোও অপৰিহার্য। ইংৰাজীত অর্থতত্ত্বৰ প্ৰতিশব্দ হিচাপে 'Semantics' শব্দটি ব্যৱহাৰ হয়। ইয়াৰ মূল হৈছে গ্ৰীক ভাষাৰ 'Semaino' শব্দটি। ইয়াৰ অর্থই হৈছে ভাষাৰ আত্মা। অর্থ অবিহনে ভাষাৰ কোনো মূল্য নাই। অর্থ সম্বন্ধে প্ৰাচীন কালৰে পৰাই বিভিন্ন আলোচনা চলি আহিছে। শব্দ একোটাই নির্দিষ্ট সময় বিশেষত আহৰণ কৰা অর্থ চিৰকাল বর্তি নাথাকিবও পাৰে। শব্দৰ মৃত্যু ঘটিব পাৰে। অকৌ নতুন শব্দৰ জন্ম হ'ব পাৰে অথবা প্ৰচলিত শব্দৰ অর্থৰ পৰিৱর্তন ঘটিবও পাৰে।

অর্থতত্ত্বত শব্দৰ অর্থ, অর্থ পৰিৱর্তনৰ ধাৰা, অর্থ পৰিৱর্তনৰ কাৰণ, শব্দৰ মৃত্যু, নতুন শব্দৰ জন্ম তাৰ কাৰণ — এই আটাইবোৰ দিশৰ আলোচনা কৰা হয়।

আমি মুখেৰে কিছুমান ধ্বনিৰ উচ্চাৰণ কৰোঁ, সেই ধ্বনিৰ পৰা একোটা শব্দৰ সৃষ্টি হয় আৰু সেই শব্দৰ অর্থ থাকে। এই অর্থপূর্ণ শব্দই একোটা বাক্যৰ সৃষ্টি কৰে। বাক্যৰ দ্বাৰাই মানুহে ভাবৰ আদান-প্রদান কৰে। প্রাচীন কালৰে পৰা বিশেষকৈ বৈদিক যুগৰ পৰা শব্দৰ অর্থৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। নিৰুক্ত শাস্ত্রৰ উদ্ভাৰক ব্যাকৰণ ৰচক য়াস্ক, কাত্যায়ন, পতঞ্জলি, পাণিনি আদিয়েও শব্দৰ অর্থৰ আলোচনা কৰিছিল। পাশ্চাত্যৰ গ্রীচদেশত সর্বপ্রথম ভাষা-চিন্তাৰ আৰম্ভণি হৈছিল। দার্শনিক প্লেটো আছিল ভাষা চিন্তা কৰা প্রথমজন ব্যক্তি। প্লেটোৰে তেওঁৰ 'Cratylus' গ্রন্থত শব্দ আৰু অর্থৰ নানা কথা আলোচনা কৰিছে। তেওঁৰ মতে ধ্বনিৰ অনুকৰণত শব্দৰ সৃষ্টি হয় আৰু প্রত্যেকটো শব্দৰ একোটা নিজা অর্থ আছে। তাৰ পিছত ভাষা-বিজ্ঞানী চ্যুৰে অর্থৰ বিষয়ে আলোচনা কৰি কৈছে যে উচ্চাৰণ কৰা শব্দৰ সম্বন্ধৰ মূল ভেটি হৈছে অর্থ। তেওঁ ভাষাক চিহ্নৰ প্রণালী বুলি কৈছে। 'ম+আ+ন+উ+হ' এই ধ্বনিকেইটাই গঢ়ি তোলা 'মানুহ' শব্দটো চিহ্ন। ইয়াৰ দ্বাৰা 'মানুহ' শব্দই শ্রোতাক পূর্বধাৰণা অনুসৰি এটা অর্থবোধক ইংগিত দিব। পঞ্চাশৰ দশকত ভাষা-বিজ্ঞানীসকলে ভাষাৰ গাঁথনিক বিশ্লেষণৰ আধাৰত অর্থ সম্পর্কে নতুন চিন্তাধাৰাৰ সূচনা কৰিলে। বক্তাই কি কৈছে, কিহৰ কাৰণে কৈছে, কি পৰিবেশত কেনে ধৰণৰ শব্দৰ প্রয়োগ কৰিছে — এই আটাইবোৰ নিৰীক্ষণ কৰিহে প্রকৃত অর্থ নিৰূপণ কৰিব পাৰি। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'মূৰ' শব্দটোৰে পৰিৱেশ ভেদে ভিন ভিন অর্থ প্রকাশ কৰে। যেনে— মোৰ মূৰ কামুৰিছে, সি মূৰত উঠিল, মোৰ মূৰটো খালে, তাৰ কথাত মূৰ ঘমাই লাভ নাই, ফিটাডালৰ মূৰত ধৰা। ইয়াৰে প্রথম বাক্যটোৰ 'মূৰ' শব্দটোৰে শৰীৰৰ অংশক বুজাইছে। দ্বিতীয় বাক্যটোত 'অতপালি' বুজাইছে; তৃতীয় বাক্যত 'সর্বনাশ' বুজাইছে; চতুর্থ বাক্যত 'চিন্তা' বুজাইছে আৰু পঞ্চম বাক্যটোত ফিটাডালৰ এটা দিশৰ শেষ অংশক বুজাইছে। পঞ্চাশ আৰু ষাঠিৰ দশকৰ মাজভাগত নোৱম চমস্কিয়ে তেওঁৰ তত্ত্ব ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণত একেটা শব্দৰে বেলেগ বেলেগ অর্থ প্রকাশ কৰিব পৰা দিশৰ উন্মোচন কৰিলে।

অর্থৰ পৰিৱর্তনৰ তিনিটা ধাৰা পোৱা যায়। সেইকেইটা হ'ল— অর্থ-সংকোচন, অর্থ-বিস্তাৰ আৰু অর্থ-সংশ্লেষ। এই বিষয়েও এইখন পাঠ্যবিষয়ে দ্বাদশ অধ্যায়ত বিস্তৃতভাৰে আলোচনা দাঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ইংৰাজীত অর্থতত্ত্বৰ প্রতিশব্দ হিচাপে কি শব্দটি ব্যৱহাৰ হয়?

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা-বিজ্ঞানত ভাষাৰ বিজ্ঞানসন্মত তথা প্রণালীবদ্ধ অধ্যয়ন কৰা হয়। ই কেৱল মাত্র এটা ভাষাতেই অধ্যয়ন সীমিত নাৰাখে। সকলো ভাষাৰে প্রণালীবদ্ধ অধ্যয়ন কৰে। সেইবাবে ভাষা-বিজ্ঞানক সাধাৰণ ভাষা-বিজ্ঞান বোলা হয়। ভাষাৰ গঠন প্রণালী বুলিলে সাধাৰণতে ধ্বনি, ৰূপ, বাক্য আৰু অর্থ এই চাৰিটা উপাদানক বুজা যায়। ভাষা অধ্যয়নৰ চাৰিটা স্তৰ আছে— ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, আৰু অর্থতত্ত্ব।
- ধ্বনিতত্ত্বৰ স্তৰত বাগ্ধ্বনি, ধ্বনিৰ পৰিৱর্তন, বর্ণ, উপধ্বনি আদিৰ বিষয়ে আলোচনা কৰা হয়। বাগধ্বনি দুই প্রকাৰৰ— বিভাজ্য আৰু অবিভাজ্য। বিভাজ্য ধ্বনিৰ আকৌ দুটা ভাগ পোৱা যায়। এটা হৈছে স্বৰধ্বনি আনটো হৈছে ব্যঞ্জনধ্বনি। সেইদৰে স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ আন আন ভাগ কিছুমান পোৱা যায়।
- ধ্বনিতত্ত্বৰ প্রধান আধাৰ যিদৰে ধ্বনি সেইদৰে ৰূপতত্ত্বৰ আধাৰ হ'ল ৰূপ বা প্রাকৃতি। ৰূপতত্ত্বত প্রধানকৈ দুটা দিশৰ ওপৰত অধ্যয়ন কৰা হয়। শব্দ গঠনৰ প্রত্যয় আৰু পদ গঠনৰ বিভক্তি।
- বাক্যতত্ত্বত একোটা ভাষাত ব্যৱহৃত পদসমূহৰ প্রণালী, ইটো পদৰ লগত সিটো পদৰ সম্পর্ক, সেই সম্পর্কৰ প্রকাৰ ভেদ আদিৰ বিশ্লেষণ কৰা হয়।ৰূপান্তৰ প্রক্রিয়াৰ দ্বাৰা এক শ্রেণীৰ বাক্যক আন শ্রেণীৰ বাক্যলৈ পৰিৱর্তন কৰিব পাৰি।
- অর্থ অবিহনে ভাষাৰ অস্তিত্ব সম্ভৱ নহয়। কিন্তু সময়ৰ লগে লগে শব্দৰ অর্থৰ পৰিৱর্তন হৈ থাকে। শব্দৰ অর্থ পৰিৱর্তনৰ ধাৰা তিনিটা। এই পৰিৱর্তনৰ বিভিন্ন কাৰণ আছে।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) কোঁৰৰ, অর্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্রমণিকা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, উপেন্দ্রনাথ (২০০১); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৮৬); *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, গোলোকচন্দ্র (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্রাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৭) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৮) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৯) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১০) পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (২০০৭); *অসমীয়া ভাষাৰ উপভাষা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

১১) পাটগিৰি, দীপ্তি ফুকন আৰু বৰা লীলাৱতী শইকীয়া (২০০৩); (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

১২) পাঠক, ৰমেশ (২০০৮); *উপভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

১৩) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

১৪) পাঠক, ৰমেশ (২০০৮); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১৫) পাদুন, নাহেন্দ্র (সম্পাঃ)(১৯৯৬-৯৭); *চিন্তা-প্রবাহ;* শিৱসাগৰ ঃ শিৱসাগৰ কলেজ।

১৬) পাদুন, নাহেন্দ্র (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৭) বৰা, লীলাৱতী শইকীয়া (২০০৬);*অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১৮) মৱল, দীপঙ্কৰ(১৯৯১); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

১৯) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

২০) হাকাচাম, উপেন ৰাভা (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

ইংৰাজী গ্রন্থ

২১) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

২২) Chatterji, S. K. (1979); *The Origin and Development of the Bengali Language.* London : Georege Allen & Unwin.

২৩) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

২৪) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২৫) Hall, R. A. (1964). *Introductory Linguistics.* Philadelphia: Chilton Company.

২৬) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.



৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ উপাদান চাৰিটা— ধ্বনি, ৰূপ, বাক্য, আৰু অর্থ।

২ নং প্রশ্নৰ উত্তৰ ঃ বাগ্‌ধ্বনিৰ ভাগ দুটা— বিভাজ্য ধ্বনি আৰু অবিভাজ্য ধ্বনি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰূপতত্ত্বৰ মূল আধাৰ হ'ল ৰূপ বা প্রাকৃতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ গ্রীক ভাষাৰ 'Syntaxis' ৰ পৰা ইংৰাজী 'Syntax' ৰ উৎপত্তি হৈছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজীত অর্থতত্ত্বৰ প্রতিশব্দ হিচাপে 'Semantics' শব্দটি ব্যৱহাৰ হয়।



৮.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) বাগ্‌ধ্বনি কাক বোলে?

খ) সর্গ কাক বোলে?

গ) ৰূপ বা প্রাকৃতি কাক বোলে?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) অর্থৰ পৰিৱর্তনৰ তিনিটা ধাৰা পোৱা যায়।

খ) হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রৱাহক জিভাৰ বিভিন্ন অংশৰ সঞ্চালনেৰে পৰিৱর্তিত কৰি যিবোৰ ধ্বনিৰ সৃষ্টি কৰা হয় সেইবোৰক ব্যঞ্জনধ্বনি বোলা হয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ধ্বনিতত্ত্বত কি কি বিষয় আলোচনা কৰা হয় সেই বিষয়ে এটি আলচ যুগুত কৰক।

প্রশ্ন ২ ঃ বাক্যৰ সৃষ্টি কেনেদৰে হয়, বাক্যতত্ত্বৰ সহায়ত উদাহৰণসহ এটি বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ৪ ঃ ৰূপতত্ত্বৰ স্তৰত কি কি বিষয় অধ্যয়ন কৰা হয় সেই সম্পর্কে এটি আলোচনা আগবঢ়াওক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ কেইটা আৰু কি কি বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাষা-বিজ্ঞানে ভাষাৰ অধ্যয়নত কোনবোৰ দিশ কেনেদৰে সামৰি লয় আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাষাৰ উপাদান অনুসৰি ইয়াৰ অধ্যয়নৰ স্তৰসমূহ কেনেদৰে গঢ় লৈছে বুজাই লিখক।

*** ***** ***

অধ্যায় ৯ ঃ ধ্বনিতত্ত্ব

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ধ্বনি — ধ্বনিতত্ত্ব
৯.৪ বাগিন্দ্রিয়
৯.৫ স্বৰ আৰু ব্যঞ্জনধ্বনি
৯.৬ বিশিষ্ট ধ্বনি আৰু উপধ্বনি
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হ'ব
- আমাৰ শৰীৰৰ ধ্বনি উচ্চাৰণত সহায়ক বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব
- ধ্বনিৰ সূত্র নির্ণয় কৰি স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে উদাহৰণসহ ব্যাখ্যা কৰিব পাৰিব
- দ্বিস্বৰধ্বনি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ সম্পর্ক আৰু পার্থক্য আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি ভাষা-বিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ সম্পর্কে কিছু কথা অধ্যয়ন কৰি আহিলোঁ। সেই অধ্যায়টোৰ পৰাই আমি গম পালোঁ যে ভাষা-বিজ্ঞান অধ্যয়নৰ এটি স্তৰ হ'ল — ধ্বনিতত্ত্ব। প্রসংগক্রমে উল্লেখযোগ্য যে এই বিষয়ে ইতিমধ্যে আপুনি তৃতীয় ষাণ্মাসিকতে বহলাই অধ্যয়ন কৰি আহিছে। তথাপিতো এই অধ্যায়টোতো আমি ধ্বনিতত্ত্বৰ একেখিনি কথাকে অধ্যয়ন কৰিম । কাৰণ তেনে কৰিলেহে আপোনাৰ এই বিষয় সম্পর্কে কৰা অধ্যয়ন অধিক গাঢ় হ'ব বুলি বিবেচনা কৰা হৈছে। আপুনি জ্ঞাত যে ভাষাৰ মূল সামগ্রী ধ্বনি।

ধ্বনিৰ অধ্যয়নৰ বাবে ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞান আদি কেইবাটাও শাখা আছে।

বাক্‌ধ্বনিৰ বিষয়ে য'ত আলোচনা কৰা হয় তাকে ধ্বনিবিজ্ঞান বোলে। বিশিষ্ট ধ্বনিবিজ্ঞানত নির্দিষ্ট ভাষাৰ বাক্‌ধ্বনিসমূহৰ গঠনাত্মক দিশসমূহ আলোচনা কৰা হয়। আনহাতে কোনো ভাষাৰ ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সমস্ত আলোচনা য'ত থাকে তাকে সেই ভাষাৰ ধ্বনিতত্ত্ব বোলা হয়। এই অধ্যায়ত ধ্বনি মানে কি সেই সম্পর্কে অৱগত হোৱাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব। লগতে স্বৰ আৰু ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনি আদি বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। আপুনি অধ্যায়টি অধ্যয়ন কৰি ওপৰত উল্লেখ কৰা ধ্বনিতত্ত্বৰ বিষয়সমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৯.৩ ধ্বনি — ধ্বনিতত্ত্ব

ভাষা মানুহৰ ভাব প্ৰকাশৰ মাধ্যম। প্ৰতিটো ভাষাৰে ভাব প্ৰকাশৰ নিজস্ব বৈশিষ্ট্য থাকে। সেয়েহে জার্মান ভাষী এজন লোকে জার্মান ভাষা নজনা এজন অসমীয়া ভাষীৰ লগত ভাব বিনিময় কৰিব নোৱাৰে, কাৰণ জার্মান ভাষাৰ স্বৰূপ আৰু অসমীয়া ভাষাৰ স্বৰূপ সম্পূর্ণ পৃথক। যিবোৰ বিশেষ নিয়ম বা বৈশিষ্ট্যৰ বাবে অসমীয়া আৰু জার্মান ভাষা পৰস্পৰ পৃথক সেইবোৰ নিয়ম বা বৈশিষ্ট্যৰে এটা প্ৰধান ভাগ হ'ল ধ্বনিতত্ত্ব।

আপুনি নিশ্চয় জানে যে ইংৰাজী Sound শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'ধ্বনি' শব্দৰ প্ৰয়োগ কৰা হয়। বহল অর্থত চৰাই-চিৰিকটি, জীৱ-জন্তুৰ মাত, ৰেলৰ উকি, গাড়ী মটৰৰ ঘৰ্‌ ঘৰণি, পেঁপাৰ মাত, হুইচেলৰ মাত আদি সকলোবোৰেই ধ্বনি। কিন্তু ভাষাবিজ্ঞানত একমাত্ৰ মানুহৰ বাগ্‌যন্ত্ৰৰ সহায়ত অর্থাৎ মুখেৰে উচ্চাৰিত হোৱা ধ্বনিৰহে আলোচনা কৰা হয়।


এতিয়া আপুনি প্ৰশ্ন কৰিব পাৰে, মানুহেনো এই ধ্বনিবোৰ কেনেদৰে সৃষ্টি কৰে? দৰাচলতে হাঁওফাঁওৰ পৰা নির্গত বায়ুপ্ৰৱাহক বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগৰ সহায়ত বিভিন্ন ধৰণে নিয়ন্ত্ৰণ অথবা বাধা প্ৰদান কৰিলে ধ্বনিৰ সৃষ্টি হয়। অৱশ্যে বাহিৰৰ পৰা মুখেৰে বতাহ শুহি নিও ধ্বনিৰ সৃষ্টি কৰিব পাৰি; কিন্তু এনে ধ্বনিৰ সংখ্যা সীমিত আৰু অসমীয়া ভাষাত এনে বাক্‌ধ্বনি নাই। ধ্বনিৰ সৃষ্টিত বাগ্‌যন্ত্ৰৰ ভূমিকা অতি গুৰুত্বপূর্ণ। বাগ্‌যন্ত্ৰ বুলিলে মানৱদেহৰ কোনো এটা নির্দিষ্ট যন্ত্ৰক নুবুজায়। ই মানৱদেহৰ বিভিন্ন অংগৰ সমন্বয়েৰে গঠিত। ইয়াৰ পৰাই আমি ক'ব পাৰোঁ যে, ভাষাৰ ধ্বনি হ'বলৈ সেই ধ্বনি মানুহৰ বাগ্‌যন্ত্ৰ বা বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত হ'ব লাগিব। মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত Soundক (Speech Sound) বুজাবলৈ ব্যৱহৃত শব্দটো হ'ল— Phone বা বাগ্‌ধ্বনি। সাধাৰণভাৱে ভাষাৰ ক্ষেত্ৰত ব্যৱহৃত বাগ্‌ধ্বনি (Phone)-কো 'ধ্বনি' বুলিয়েই কোৱা হয়। মন কৰিবলগীয়া, মানুহৰ বাগ্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত সকলো ধ্বনিয়েই ভাষাত ব্যৱহাৰ নহয়। যেনে— উৰুলি, সুহুৰি, শিশুৰ অস্ফুট ধ্বনি, বিকাৰগ্ৰস্তজনৰ প্ৰলাপ ইত্যাদি। গতিকে কেৱল মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত আৰু ভাষাত ব্যৱহৃত ধ্বনিহে ভাষা-বিজ্ঞানৰ ভিতৰুৱা।

দৈনন্দিন জীৱনত আমি অনায়াসে বহু কথা কওঁ— ভাব প্রকাশ কৰোঁ। কিন্তু এই কথা কোৱা কামটো আমি বিশেষ এটা পদ্ধতি মতেহে কৰো। মাতৃভাষী এজনৰ বাবে এয়া স্বতঃস্ফূর্ত সাংস্কৃতিক কার্য। আমি কোৱা কথাবোৰ আচলতে কিছুমান ধ্বনিৰ প্রণালীবদ্ধ সাজোন (arrangement)। যেনে — 'তুমি কি কৰিছা?' —এই বাক্যটোত তিনিটা খণ্ড আছে— তুমি/ কি/কৰিছা? —প্রতিটো খণ্ডক ক্রমে ত+উ+ম+ই /ক+ই /ক+অ+ৰ+ই+ছ+আ এইদৰে ভগাব পাৰি। অর্থাৎ ত, উ, ম, ই আদি ধ্বনিবোৰ বিশেষ ক্রমত সজাই আমি এটা সম্পূর্ণ ভাব প্রকাশ কৰিব পাৰিলোঁ। কিন্তু ধ্বনিবোৰৰ ক্রমগত সজ্জাটোৱেই শেষ কথা নহয়, তাৰ লগত আন কথা কিছুমানো জড়িত হৈ থাকে। তুমি খালা? আৰু তুমি খালা। এই বাক্য দুটাত একেকেইটা ধ্বনিয়ে একেটা ক্রমত সজোৱা হ'লেও দুয়োটা বাক্য কওঁতে এটা স্পষ্ট পার্থক্য আমাৰ কাণত ধৰা পৰে। এই পার্থক্যটো হ'ল সুৰৰ। সুৰটো ধ্বনিবোৰৰ উচ্চাৰণৰ মাজতে নিহিত থাকে।

আকৌ মন কৰক, ওপৰত যদিও আমি ধ্বনিবোৰ ত, উ, ম, ই আদিকৈ লিখিছোঁ, আচলতে ধ্বনিক দেখা নাযায়— শুনাহে যায়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিবোৰ ভৌতিক আৰু জৈৱিক প্রক্রিয়াৰে আমাৰ কাণত পৰে আৰু আমি শুনো, শুনি বুজি পাওঁ। এই যে উচ্চাৰণ কৰাৰ পৰা শুনি বুজালৈকে গোটেই প্রক্রিয়াটো দেখাত তেনেই সহজ যদিও স্বৰূপার্থত অতি সূক্ষ্ম আৰু জটিল। ধৰা হওক — শব্দ, কুশ, শ্লীল — এই তিনিটা শব্দত ব্যৱহৃত 'শ' ধ্বনিটো উচ্চাৰণ কৰোতে তিনিওটা শব্দৰ 'শ' ধ্বনিটো বেলেগ বেলেগ ৰূপত আমাৰ কাণত বাজে। অথচ তিনিটা শব্দত ব্যৱহৃত 'শ' তিনিটা আমি এটা 'শ' ধ্বনি বুলিয়েই কৈছোঁ। একেদৰে 'লাভ' আৰু 'ভাল' শব্দ দুটাৰ ভ ধ্বনি দুটাৰ উচ্চাৰণ মন কৰক— একে নহয়। গতিকে শব্দ, কুশ, শ্লীল ৰ 'শ' ধ্বনি তিনিটাক একেটা ধ্বনি বুলি ভবাৰ কাৰণ হ'ল এই ধ্বনি তিনিটাৰ প্রকৃতিগত লক্ষণ। আনহাতে, তিনিওটাৰ উচ্চাৰণৰ যি ভিন্নতা আমাৰ কাণত পৰিছে সেয়া প্রায়োগিক ক্ষেত্রৰ কথা। 'শব্দ'ৰ 'শ'টো আদিস্থান, 'কুশ'ৰ 'শ'টো শেষস্থানত আৰু 'শ্লীল'ৰ 'শ' টো ল-ৰ লগত যুক্তৰূপত। তিনিওটা 'শ' আচলতে এটা মূল 'শ' ধ্বনিৰে উচ্চাৰণ বৈচিত্র্য। এই মূল 'শ' ধ্বনিটোক ভাষাবিজ্ঞানৰ নিয়মত কোৱা হয় বিশিষ্টধ্বনি (Phoneme) আৰু উচ্চাৰণ-বৈচিত্র্যগত ৰূপ তিনিটা মূল ধ্বনিৰে উপধ্বনি (Allophone)। এই তিনিটা বিষয় ক্রমে Phone (ধ্বনি) Phoneme (বিশিষ্টধ্বনি) আৰু Allophone (উপধ্বনি)ৰ আলোচনাই ধ্বনিবিষয়ক দুটা শাখাৰ সৃষ্টি কৰিছে— ধ্বনিবিজ্ঞান (Phoneme) আৰু বিশিষ্টধ্বনি বিজ্ঞান বা বর্ণবিজ্ঞান (Phonemics)।

- **ধ্বনিবিজ্ঞান (Phonemics) ঃ** বাগ্‌ধ্বনি উচ্চাৰণ হয় বাগিন্দ্রিয়ৰ দ্বাৰা। হাওঁফাওঁৰ পৰা প্রৱাহিত বায়ুৰে মুখবিবৰ, নাসিকাবিবৰ আদিৰে কিদৰে কেতিয়াবা মুক্তভাৱে, কেতিয়াবা বাধাৰ মাজেৰে ওলাই বায়ুত নানা তৰংগৰ সৃষ্টি কৰে, সেই তৰংগ কিদৰে বতাহত ভাহি কাণত পৰে, কাণৰ পৰা তাৰ বার্তা মগজুলৈ গৈ তাৰ অর্থ উদ্‌ঘাটন হয়— এই গোটেই প্রক্রিয়াটো ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয়। কথাখিনি তলৰ ৰেখা চিত্রৰ পৰা আপুনি নিশ্চয় পৰিষ্কাৰকৈ বুজিব পাৰিব—

চিত্র নং ৯.১



ওপৰৰ ৰেখাচিত্ৰৰ (১) (২) (৩) স্তৰ অনুসৰি ধ্বনিবিজ্ঞানৰ তিনিওটা শাখা—

ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)

খ) ধ্বনিতৰংগ বিজ্ঞান (Acoustics) বা ভৌতিক ধ্বনিবিজ্ঞান

গ) শ্ৰুতিমূলক ধ্বনিবিজ্ঞান (Auditory Phonetics)

- **বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics)** ঃ কথা কওঁতে শুনা সকলোবোৰ ধ্বনি যে বিশিষ্ট ধ্বনি নহয়, ওপৰত কৈ অহা হৈছে। কোনো এটা ভাষাৰ কোনবোৰ বিশিষ্ট ধ্বনিৰ কি কি উচ্চাৰণ বৈচিত্র্য আছে, ইত্যাদিৰ আলোচনা বিশিষ্ট ধ্বনিবিজ্ঞানৰ ভিতৰুৱা।
- **ধ্বনিতত্ত্ব (Phonology)** ঃ ভাষাত বিশিষ্ট ধ্বনিৰ ভূমিকা (function), এটা বিশিষ্ট ধ্বনিৰ সৈতে আন বিশিষ্ট ধ্বনিৰ সংযোগৰ নিয়ম তথা শব্দৰ আদি-মধ্য-অন্ত্যস্থানত অৱস্থানৰ নিয়ম বিশ্লেষণ আৰু সূত্রবদ্ধ কৰা ধ্বনিতত্ত্বৰ প্ৰধান বিষয়। এই ক্ষেত্রত প্রত্যেক ভাষাৰ নিজস্ব নিয়ম আছে। গতিকে প্রত্যেক ভাষাৰ ধ্বনিতত্ত্ব সেই ভাষাৰ নিজস্ব বৈশিষ্ট্য। ধ্বনিবিজ্ঞান (Phonetics) ভাষা বিশেষৰো হ'ব পাৰে বা ভাষাৰ সাধাৰণ ধ্বনিবিজ্ঞানো (General Phonetics) হ'ব পাৰে। কিন্তু বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics) আৰু ধ্বনিতত্ত্ব (Phonology)-অত কিছু সাধাৰণ প্রশ্ন আলোচিত হ'লেও ধ্বনিতত্ত্বৰ এই দুই শাখা প্রধানত ভাষাবিশেষক কেন্দ্র কৰিয়েই সমৃদ্ধ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধ্বনি মানে কি?


.....

৯.৪ বাগিন্দ্রিয়

ধ্বনি উচ্চাৰণত ব্যৱহৃত মানৱ-শৰীৰৰ অংগ-প্রত্যঙ্গসমূহক বাগিন্দ্রিয় বোলা হয়। প্রকৃততে এই অংগ-প্রত্যঙ্গসমূহৰ প্রাথমিক কাম (primary function) ধ্বনি সৃষ্টি নহয়; খাদ্য গ্রহণ, শ্বাস-প্রশ্বাস আদি জৈৱিক কামহে। আচলতে যিবোৰ অংগ-প্রত্যঙ্গক আমি বাগিন্দ্রিয় বুলি কওঁ জীৱন প্রক্রিয়াৰ আপেক্ষিক গুৰুত্ব বিচাৰত ধ্বনি-উচ্চাৰণ সেইবোৰৰ গৌণ ক্রিয়াহে (Secondary function)। সিপিঠিত মানুহৰ বাগিন্দ্রিয়ৰ এটি চিত্র সংলগ্ন কৰা হ'ল আৰু তাতেই ধ্বনিসৃষ্টিৰ অংগসমূহ চিহ্নিত কৰি দিয়া হৈছে।

চিত্র নং ৯.২ — বাগিন্দ্রিয়ৰ চিত্র

১) ওঁঠ
২) দাঁত
৩) দন্তমূল
৪) কঠিন তালু
৫) কোমল তালু
৬) আলজিভা
৭) নাসিকা বিবৰ
৮) মুখ বিবৰ
৯) জিভা
১০) উপজিহ্বা
১১) গলকোষ
১২) স্বৰতন্ত্রী
১৩) কণ্ঠ
১৪) শ্বাসনলী



- **বাগ্‌যন্ত্রৰ বিভিন্ন অংগৰ বিৱৰণ ঃ** ধ্বনিৰ উচ্চাৰণত হাঁওফাঁওৰ ভূমিকা গুৰুত্বপূৰ্ণ। হাঁওফাঁওৰ সহায়ত মানুহে উশাহ-নিশাহ লৈ জীৱন ধাৰণ কৰে। হাঁওফাঁওৰ পৰা নির্গত হোৱা বহির্গামী বায়ুপ্রৱাহে বাগিন্দ্রিয়ৰ বিভিন্ন স্থানত আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্রাপ্ত হৈ ধ্বনিৰ সৃষ্টি কৰে। সেয়ে হাঁওফাঁওক বাগ্‌যন্ত্রৰ অন্যতম অংগ হিচাপে ধৰাত একো বাধা থাকিব নোৱাৰে। হাওঁফাওঁক বহুতে বাগিন্দ্রিয়ৰ ভিতৰত নধৰে। হাওঁফাওঁএ নিজে কোনো ধ্বনি উচ্চাৰণ নকৰে যদিও ধ্বনি সৃষ্টিত অপৰিহার্য বায়ুপ্রৱাহৰ ক্ষেত্রত হাওঁফাওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। সেয়ে নোয়েল আর্মফিল্ড নামৰ ধ্বনিবিজ্ঞানী গৰাকীয়ে হাওঁফাওঁক বাগিন্দ্রিয়ৰ ভিতৰত স্থান দিছে। হাঁওফাঁওৰ পৰা মুখ আৰু নাসিকা বিবৰেদি বতাহ ওলাই অহা আৰু সোমাই যোৱা যিডাল নলী আছে সেইডালেই হ'ল শ্বাসনলী (wind pipe)। ইয়াৰ তলৰ অংশ হাঁওফাঁওৰে সৈতে যুক্ত আৰু ওপৰৰ অংশ মুখ আৰু নাসিকা বিবৰৰ লগত মিলি গৈছে।

শ্বাসনলীৰ ওপৰৰ ফালে, গলকোষৰ ঠিক তলত যিটো স্ফীত অংশ আছে তাকে ঘটিকা বোলা হয়। শ্বাসনলীৰ এই অংশটোৰ ভিতৰ ভাগ তুলনামূলকভাৱে বেছি ফোপোলা আৰু ইয়াকে স্বৰযন্ত্র বোলে। স্বৰযন্ত্রৰ মাজত জিভাৰ দৰে দুচটা কোমল আৰু পাতল মাংসপেশী আছে। ইয়াক স্বৰতন্ত্রী বা কণ্ঠতন্ত্রী (Vocal Chords) বোলে। হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্রৱাহক স্বৰতন্ত্রী দুখনে বিভিন্ন ধৰণে নিয়ন্ত্রণ কৰি থাকে। স্বৰতন্ত্রী দুচটা ডিঙিৰ সন্মুখৰ ফালে পৰস্পৰ লগ লগা আৰু পিছৰ ফালে বিচ্ছিন্ন। স্বৰতন্ত্রী দুচটাক বহলাই দিবও পাৰি আৰু কোঁচাই নিবও পাৰি। স্বৰতন্ত্রী কোঁচাই নিলে বতাহ অহা-যোৱা কৰিবৰ বাবে মাজত যিটো পথ

ওলায় তাক স্বৰপথ (glottis) বোলে। কোনো কোনো ভাষাবিদে ইয়াক কণ্ঠ বুলি কৈছে। স্বৰতন্ত্রী দুচটা পৰস্পৰৰ পৰা যেতিয়া আঁতৰি থাকে তেতিয়া স্বৰপথেৰে হাঁওফাঁওৰ পৰা কোনো বাধা নোপোৱাকৈ বতাহ ওলাই আহে। এনে ক্ষেত্রত বতাহে স্বৰতন্ত্রীত কঁপনি তুলিব নোৱাৰে। এই অৱস্থাত মানুহে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰক অঘোষ ধ্বনি (Voiceless sound) বোলে। যেনে — অসমীয়া ভাষাৰ ক, খ, ত, থ আদি অঘোষ ধ্বনি। সংস্কৃত ভাষাৰ বর্গৰ প্রথম আৰু দ্বিতীয় ধ্বনি সমূহো অঘোষ। আকৌ স্বৰতন্ত্রী দুচটা ওচৰ চপাই আনি যেতিয়া স্বৰপথটোক ঠেক কৰা হয়, তেতিয়া সেই পথেদি ওলাই অহা বতাহে স্বৰতন্ত্রী দুচটাক ঠেলি দিয়ে। ইয়াৰ ফলত স্বৰতন্ত্রী দুচটাত কম্পনৰ সৃষ্টি হয় আৰু সেই কম্পনে এটা সুৰ উৎপাদন কৰে। এই সুৰকেই নাদ বা ঘোষ (Voice) বোলে। এনে অৱস্থাত যি ধ্বনি উচ্চাৰিত হয় তাক ঘোষ ধ্বনি (Voiced sound) বোলে। অসমীয়া ভাষাৰ গ, ঘ, দ, ধ আদি ঘোষ ধ্বনি।



জানি থোৱা ভাল

যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন উঠে তাক ঘোষ ধ্বনি আৰু যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন নুঠে তাক অঘোষ ধ্বনি বোলে। সাধাৰণতে স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। কোনো কোনো ভাষাত অঘোষ স্বৰধ্বনিও পোৱা যায়। ব্যঞ্জনধ্বনিবোৰ ঘোষ-অঘোষ দুয়ো প্রকাৰৰ হ'ব পাৰে।

শ্বাসনলী আৰু খাদ্যনলী সমান্তৰালভাৱে ওপৰলৈ ওলাই আহি ডিঙিৰ ভিতৰৰ যি ঠাইত মিলিত হৈ এটা নলীত পৰিণত হৈছে, সেই স্থানকেই গলকোষ (Pharynx) বোলে। গলকোষ হৈছে মুখ আৰু নাসিকা বিবৰৰ শেষ সীমা। অর্থাৎ ওপৰৰ ফালে ই মুখ আৰু নাসিকা বিবৰৰ লগত যুক্ত। গলকোষৰ ঘর্ষণৰ ফলত যি ধ্বনিৰ সৃষ্টি হয় তাক কণ্ঠনালীয় ধ্বনি বা গলকোষীয় ধ্বনি (Pharyngeal sound) বোলে। অসমীয়া ভাষাৰ 'হ' কণ্ঠনালীয় ধ্বনি।

শ্বাসনলীৰ ওপৰৰ মূৰত জিভাৰ দৰে আন এচটা সৰু মাংসপেশী আছে। ইয়াৰ এটা মূৰ জিহ্বামূলৰ ভিতৰ ফালৰ লগত যুক্ত। ইয়াক উপজিহ্বা (Pharynx)বোলে। এই উপজিহ্বাৰ আচল কাম কি সঠিকভাৱে ক'ব পৰা নাযায়।

উপজিহ্বা আৰু গলকোষৰ পিছতেই বাগ্‌যন্ত্রৰ উল্লেখনীয় অংগ হ'ল মুখ, জিহ্বা আৰু নাসিকা। হাঁওফাঁওৰ পৰা নির্গত বতাহ শ্বাসনলীয়েদি আহি গলকোষ এৰাৰ পিছত মুখবিবৰ আৰু নাসিকা বিবৰেৰে বাহিৰলৈ ওলায় যায়। সাধাৰণতে উশাহ-নিশাহ লওঁতে বতাহ নাসিকা বিবৰেদি চলাচল কৰে। নাসিকা বিবৰেদি ওলাই অহা বতাহে যেতিয়া তাৰ চাৰিওফালৰ বেৰত খুন্দিয়ায় তেতিয়া এটা অনুনাসিক নাদ (Nasal Resonance)ৰ সৃষ্টি হয়। এনে নাদৰ ফলত যি ধ্বনি উচ্চাৰিত হয় তাকেই কোৱা হয় নাসিক্য ধ্বনি (Nasal sound)। অসমীয়া ভাষাৰ ঙ, ন, ম ধ্বনি নাসিক্য ধ্বনি। নাসিকা আৰু মুখবিবৰ খোলা থাকিলে আৰু

দুয়ো ফালেদি বতাহ ওলাই আহিলে যি ধ্বনিৰ সৃষ্টি হয় তাক অনুনাসিক ধ্বনি বোলে। অনুনাসিক ধ্বনি সূচিত কৰিবলৈ ‘ঁ’ (চন্দ্রবিন্দু) ব্যৱহাৰ কৰা হয়। কাঁহ ,বাঁহ আদি শব্দৰ অনুনাসিক উচ্চাৰণ হয়।

নাসিকা আৰু মুখবিবৰক যিখন বেৰে পৃথক কৰিছে সেইখনক তালু (Palate) বোলে। তালুখনৰ ওপৰৰ ফালে নাসিকা বিবৰ আৰু তলৰ ফালে মুখবিবৰ। নাসিকা বিবৰত বতাহৰ প্ৰৱাহক বাধা দিবলৈ লৰচৰ কৰিব পৰা কোনো অঙ্গ নাই। মুখবিবৰৰ লগত যুক্ত বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগবোৰ হ’ল — ওঁঠ, দাঁত, তালু আৰু জিহ্বা। এইবোৰ ভিতৰত ওপৰৰ ওঁঠ, ওপৰৰ দাঁত আৰু তালুক উৰ্ধস্থ উচ্চাৰক (Upper Articulator) বোলে। আনহাতে, অতি সহজে সঞ্চালন কৰিব পৰা অঙ্গ (বিশেষকৈ তলৰ ওঁঠ আৰু জিভাখন) কেইটাক উচ্চাৰণ কৰণ (Articulator) বোলে।

৯.৫ স্বৰ আৰু ব্যঞ্জনধ্বনি

হাঁওফাঁওৰ পৰা নিৰ্গত হোৱা বহির্গামী বায়ুপ্ৰৱাহে বাগিন্দ্রিয়ৰ বিভিন্ন স্থানত (বাগিন্দ্রিয়ৰ চিত্ৰ দ্ৰষ্টব্য) আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্ৰাপ্ত হৈ এনে ধ্বনিৰ সৃষ্টি কৰে। স্বৰতন্ত্ৰীৰ পৰা ওঁঠ পৰ্যন্ত কোনো স্থানত যদি বহির্গামী বায়ু বাধাপ্ৰাপ্ত হয়, তেতিয়াই ধ্বনিৰ উৎপত্তি হয়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহক প্ৰধানতঃ দুটা ভাগত বিভক্ত কৰা হৈছে। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি।

যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ুপ্ৰৱাহে স্বৰতন্ত্ৰীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্ৰাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্ৰৱাহ নিয়ন্ত্ৰণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়। স্বৰধ্বনিসমূহ স্বয়ংসম্পূৰ্ণ অৰ্থাৎ অন্য ধ্বনিৰ আশ্ৰয় নোলোৱাকৈ উচ্চাৰিত হয়। তদুপৰি স্বৰধ্বনিক একে লেথাৰিয়ে উচ্চাৰণ কৰি থাকিব পাৰি। উদাহৰণস্বৰূপে আমি অ, আ, ই নাইবা উ কৈ বহুত সময় থাকিব পাৰোঁ। স্বৰধ্বনিবোৰ দূৰৰ পৰাই স্পষ্ট ৰূপত শুনা যায়। স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। এনে ধ্বনি উচ্চাৰণ কৰোঁতে স্বৰতন্ত্ৰীত কম্পনৰ সৃষ্টি হয়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে স্বৰধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — “যি ধ্বনিৰ উচ্চাৰণত মুখবিবৰৰ পথটি এনেদৰে বাধামুক্ত হৈ থাকে যে শ্বাসবায়ু, হাওঁফাওঁৰ পৰা প্ৰৱাহিত হৈ ক’তো বাধাগ্ৰস্ত হৈ বৈ নাযায়, বা ক’তো সংকীৰ্ণ পথেৰে জোৰেৰে পাৰ হ’বলগীয়া নহয়, ক’তো ঘৰ্ষণ নহয় অথবা সৰল পথেৰে পাৰহৈ যাব নোৱাৰি কাষৰীয়া অন্য পথেৰে প্ৰৱাহিত নহয়, কোনো বাগিন্দ্রিয়তে কম্পনৰ সৃষ্টি নকৰে, তেনে ধ্বনিয়েই স্বৰধ্বনি।” এক কথাত স্বৰধ্বনিৰ সৃষ্টিত বায়ুপ্ৰৱাহক বাধা দিয়া নহয়। সেয়ে স্বৰধ্বনিবোৰক অনিয়ত বা প্ৰৱাহ ধ্বনি বোলা হয়। স্বৰধ্বনিৰ সৃষ্টিত বিশেষ ভূমিকা লোৱা কথাকেইটা হ’ল— (ক) জিহ্বাৰ অৱস্থান, (খ) মুখবিবৰৰ বিস্তৃতিৰ পৰিমাপ, (গ) ওঁঠৰ আকৃতি।

হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু মুখবিবৰ পোৱাৰ পিছত জিভাখনৰ বিভিন্ন অংশ উঠা-নমা কৰিলে, ওঁঠ দুটাৰ অৱস্থান কিছু লৰচৰ কৰিলে বা মুখগহ্বৰৰ বিস্তৃতি কম-বেছি কৰিলে বায়ুপ্ৰবাহ কলিত হয় আৰু ধ্বনিবৈচিত্ৰ্যৰ সৃষ্টি হয়। ইয়াৰ আধাৰতেই স্বৰধ্বনিক শ্ৰেণীবিভাজনো কৰা যায়।

উশাহৰ একেটা টানতে দুটা স্বৰধ্বনি একেলগে উচ্চাৰণ কৰোঁতে যদি এটা অক্ষৰত পৰিণত হয়, তেতিয়া তাক দ্বিস্বৰধ্বনি বোলে। অসমীয়াত থকা দ্বিস্বৰধ্বনি কেইটামান এনেকুৱা — আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ। দ্বিস্বৰধ্বনি প্ৰয়োগ হোৱা কেইটামান শব্দ হ'ল — ভাই, বাই, ঘিউ, জিউ, হাইতাল, সেই, নেউল, নৈ, মৌ, জুই ইত্যাদি। নামনি অসমৰ উপভাষাত ত্ৰিস্বৰধ্বনিও পোৱা যায়। যেনে — কেউইলা, দেউইলা আদি। কামৰূপী উপভাষাত চতুঃস্বৰৰো প্ৰয়োগ আছে। যেনে — অউআই।

বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ আনটো ভাগ হ'ল ব্যঞ্জনধ্বনি। হাঁওফাঁওৰ পৰা অহা বতাহ মুখৰ ভিতৰত সম্পূৰ্ণ বা আংশিক ৰূপে বাধা পাই উচ্চাৰিত হোৱা ধ্বনিয়েই ব্যঞ্জনধ্বনি। ব্যঞ্জনধ্বনিক স্বৰধ্বনিৰ নিচিনাকৈ একে লেথাৰিয়ে উচ্চাৰণ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে — ক, ত, প, নাইবা ব বুলি বহুত সময় উচ্চাৰণ কৰি থাকিব নোৱাৰি। অৱশ্যে ঘঁহনি খাই হোৱা ব্যঞ্জনধ্বনিক বহুত সময় উচ্চাৰণ কৰি থাকিব পৰা যায়। যেনে— অসমীয়া ভাষাৰ চ, জ, স, হ ধ্বনি। ব্যঞ্জনধ্বনি স্বৰধ্বনি অবিহনে উচ্চাৰণ কৰিব নোৱাৰি। কিছুমান ব্যঞ্জনধ্বনি দূৰৰ পৰা স্পষ্ট ৰূপত শুনা নাযায়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে ব্যঞ্জনধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — "যি ধ্বনি উচ্চাৰণত শ্বাসবায়ু স্বৰপথ (glottis) বা মুখবিবৰৰ কোনো অংশত বাধা পাই কিছু ক্ষণৰ বাবে সংকীৰ্ণ পথেৰে জোৰকৈ পাৰহৈ যায় — পাৰহৈ যাওঁতে ঘৰ্ষণৰ সৃষ্টি কৰে, অথবা মুখেৰে ওলাই যাবলৈ সম্মুখত বাধা থকাত কাষৰীয়া অন্য পথেৰে প্ৰৰাহিত হয়, অথবা স্বৰতন্ত্ৰীৰ ওপৰভাগৰ (supraglottal) অন্য কোনো বাগিন্দ্ৰিয়ত কম্পনৰ সৃষ্টি কৰে, তেনে ধ্বনিক ব্যঞ্জনধ্বনি বোলা হয়।" কিন্তু সকলো ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত বাধাৰ স্বৰূপ আৰু মাত্ৰা একে নহয়। ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে— ১) উচ্চাৰণ স্থান (Points/places of Articulation) আৰু ২) উচ্চাৰণ প্ৰকৃতি (Nature of Articulation)ৰ ওপৰত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ স্বৰধ্বনি কাক বোলে?

.....

প্ৰশ্ন নং ৩ ঃ অসমীয়াত দ্বিস্বৰধ্বনি আছে নে? আছে যদি কেইটামান উদাহৰণ উল্লেখ কৰক।

.....

৯.৬ বিশিষ্ট ধ্বনি আৰু উপধ্বনি

যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট; বক্তা আৰু শ্রোতাৰ কাণত বাজি উঠে সেইবোৰক বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিবোৰ একোটা গোট (Unit); এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনি সন্নিৱিষ্ট হৈ বা লুকাই থাকে। বিশিষ্ট ধ্বনিৰ শব্দ পৃথক কৰিব পৰা ক্ষমতা থাকে। দুটা ধ্বনিৰ প্রয়োগত যদি বিৰোধ ঘটে অর্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আনটো বহুৱালে যদি অর্থৰ পৰিৱর্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি। যেনে —

কাল — ক - আ - ল

খাল — খ - আ - ল

ইয়াত আদ্যস্থানত থকা ক ধ্বনিৰ সলনি খ ধ্বনি ব্যৱহাৰ কৰা হৈছে অভিন্ন পৰিৱেশত। ফলত যি দুটা শব্দ পোৱা গ'ল সেয়া সম্পূর্ণ পৃথক অর্থযুক্ত শব্দ। সেয়ে অসমীয়াৰ ক আৰু খ বিশিষ্ট ধ্বনি।

বিশিষ্ট ধ্বনিৰে অন্য নাম বর্ণ। গোলোক চন্দ্র গোস্বামীয়ে বিশিষ্ট ধ্বনি বুজাবলৈ 'বর্ণ' শব্দৰ প্রয়োগ কৰে আৰু 'বর্ণ' আৰু 'আখৰ'ৰ মাজত ভেদ প্রতিষ্ঠা কৰিবলৈ যত্ন কৰে। আখৰ হ'ল বর্ণ বা বিশিষ্ট ধ্বনিৰ দৃশ্যমান প্রতীক। আখৰ আৰু বর্ণ সমার্থক নহয়। অসমীয়া ভাষাৰ স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণত থকা আখৰৰ তুলনাত বর্ণ বা বিশিষ্ট ধ্বনিৰ সংখ্যা আপেক্ষিকভাৱে কম।



জানি থোৱা ভাল

ইংৰাজী Phoneme শব্দটোৰ পৰিভাষা হিচাপে অসমীয়াত 'বিশিষ্ট ধ্বনি' শব্দটো ব্যৱহাৰ কৰা হয়। এই শব্দটো ১৮৭৬ খ্রীষ্টাব্দত ফৰাচী ভাষাতত্ত্ববিদ লুই আভে (Lauis Havet)ই আৱিষ্কাৰ কৰে । তেওঁ অৱশ্যে 'বাগধ্বনি' অর্থতেই শব্দটো ব্যৱহাৰ কৰিছিল। সুস্পষ্টভাৱে বিশিষ্ট ধ্বনিৰ অর্থত শব্দটোৰ প্রথম ব্যৱহাৰ কৰে পোলিচ ভাষাবিজ্ঞানী বোদুআঁ দি কুর্ত্যনে (Jan Baudouin de courtenay)।

এতিয়া আন এটা উদাহৰণ গ্রহণ কৰা যাওক —

১) ভাল — ভ +আ +ল

২) লাভ — ল +আ +ভ

প্রথম শব্দটোত 'ভ' ধ্বনিৰ উচ্চাৰণ যেনেদৰে হৈছে দ্বিতীয়টোত কিন্তু তেনেদৰে হোৱা নাই বা নহয়। অর্থাৎ প্রথম শব্দৰ ভ-ৰ উচ্চাৰণ সদায় শব্দৰ আদি স্থানত আৰু দ্বিতীয় শব্দৰ ভ-ৰ উচ্চাৰণ শব্দৰ অন্ত্যস্থানতহে হয়। এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। সেয়ে দুয়োটা 'ভ' ধ্বনিৰ মাজত বিৰোধৰ প্রশ্নই নাহে। গতিকে দুয়োটা পৃথক বিশিষ্ট ধ্বনি নহয়। এনে প্রয়োগক

পৰিপূৰক প্ৰয়োগ বোলে। পৰিপূৰক প্ৰয়োগ হোৱা ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলা হয়। ধ্বনি এটাৰ আগে পাছে কি ধ্বনি আছে, সেয়েই ধ্বনিটোৰ পৰিৱেশ। পৰিপূৰক প্ৰয়োগৰ ক্ষেত্ৰত এই পৰিৱেশৰ গুৰুত্ব সৰ্বাধিক। কোনো ধ্বনি (উপধ্বনি) শব্দৰ শেষত বা আদিত বা মধ্যত বহে। কোনো ধ্বনি (উপধ্বনি)আকৌ 'ৰ'-ৰ পিছতহে উচ্চাৰিত হয়, ইত্যাদি। বিশিষ্ট ধ্বনি বুজাবলৈ //চিন আৰু উপধ্বনি বুজাবলৈ [ ] চিন ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চৰ্তটো কি?

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হোৱাৰ লগতে ধ্বনিবিজ্ঞান, বিশিষ্ট ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে।
- মানুহৰ বাগিন্দ্ৰিয়ৰ বিভিন্ন অংগসমূহৰ পৰিচিতি লাভ কৰাৰ লগতে ধ্বনি সৃষ্টিত প্ৰত্যেকটো অংগৰ কামৰ বিষয়ে ধাৰণা লাভ কৰিলে।
- স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে সেই বিষয়ে অৱগত হ'ল।
- অভিন্ন পৰিৱেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ ধ্বনিকে বিশিষ্ট ধ্বনি বোলা হয়। আনহাতে কেতিয়াবা একোটা বিশিষ্ট ধ্বনিৰ পৰিপূৰক প্ৰয়োগ ঘটে আৰু তেনে ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলে।



৯.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) কোঁৱৰ, অৰ্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ

বৰুৱা এজেঞ্চি।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৬) গোস্বামী, গোলোকচন্দ্র (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) গোস্বামী, গোলোকচন্দ্র (১৯৯৬); *অসমীয়া বর্ণপ্রকাশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৮) গোস্বামী, গোলোকচন্দ্র (২০০৮); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৯) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

১০) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬); *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

১১) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

১২) পাদুন, নাহেন্দ্র (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৩) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১৪) পাটগিৰি, দীপ্তি ফুকন (২০০৯); *ভাষা-সাহিত্য-জিজ্ঞাসা;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১৫) বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (২০০৩); *ভাষা-জিজ্ঞাসা*; গুৱাহাটী ঃ বনলতা।

১৬) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

১৭) ভৰালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৮) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৯) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

ইংৰাজী গ্রন্থ

২০) Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu: Tashiwa Network Ltd.

২১) Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.

২২) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

২৩) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

২৪) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

২৫) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২৬) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.



৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানত একমাত্র মানুহৰ বাগ্‌যন্ত্রৰ সহায়ত অর্থাৎ মুখেৰে উচ্চাৰিত হোৱা শ্রুয়মান নাদক ধ্বনি বোলা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ুপ্রৱাহে স্বৰতন্ত্রীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্রাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্রৱাহ নিয়ন্ত্রণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আছে, যেনে— আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চর্তটো হ'ল ধ্বনিৰ প্রয়োগত বিৰোধ থাকিব লাগে; অর্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অর্থৰ পৰিৱর্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি।



৯.১০ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ধ্বনি বুলিলে কি বুজে?

খ) ধ্বনিৰ কেনেকৈ সৃষ্টি হয়?

গ) বিশিষ্ট ধ্বনি কাক বোলে?

প্রশ্ন ২ ঃ দ্বিস্বৰধ্বনি বুলিলে কি বুজে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে?

প্রশ্ন ২ ঃ চমুটোকা লিখক — দ্বিস্বৰধ্বনি, বিশিষ্ট ধ্বনি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাগিন্দ্রিয় বুলিলে কি বুজে? ছবি আঁকি ধ্বনি সৃষ্টিৰ অংশসমূহ চিহ্নিত কৰি শব্দ উচ্চাৰণৰ প্রক্রিয়া সম্পর্কে বহলাই লিখক।

প্রশ্ন ২ ঃ ধ্বনিৰ বিৰোধী প্রয়োগ আৰু পৰিপূৰক প্রয়োগ বুলিলে কি বুজে উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৩ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পার্থক্য কেনেধৰণৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ৰূপতত্ত্ব

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ৰূপতত্ত্ব
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্রগতিৰ খতিয়ান
১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপতত্ত্ব বুলি ক'লে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- ভাষাৰ ৰূপতাত্ত্বিক দিশ — আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ বিশদ পৰিচয় লাভ কৰিব
- শব্দ(word)ৰ শ্ৰেণীবিভাজন সম্পৰ্কে জানিব পাৰিব
- অক্ষৰ(syllable)ৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ৰূপতত্ত্বৰ অন্তৰ্গত বিষয়বোৰ শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ধ্বনিতত্ত্ব সম্পৰ্কে বিশদভাৱে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি ভাষাৰ ধ্বনিতত্ত্ব (Phonology) আৰু বাক্যতত্ত্ব (Syntax)ৰ মাজৰ সংযোগ সেতু স্বৰূপ ৰূপতত্ত্ব (Morphology)ৰ সাধাৰণ পৰিচয় দাঙি ধৰিম। এই বিষয়েও আপুনি তৃতীয় ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে যদিও পূৰ্ববৰ্তী অধ্যয়ত উল্লেখ কৰা একেটা কাৰণতে এই ষাণ্মাসিকতো পুনৰ অধ্যয়ন কৰিবলৈ দিয়া হ'ল।

ইংৰাজী Morphology শব্দৰ প্ৰতিশব্দৰূপে 'ৰূপতত্ত্ব', 'প্ৰাকৃতিবিজ্ঞান', 'ৰূপগ্ৰামবিজ্ঞান' আদি শব্দ ব্যৱহাৰ হৈ আহিছে। ব্যৱহাৰৰ আধিক্যলৈ লক্ষ্য কৰি ইয়াত আমি 'ৰূপতত্ত্ব' শব্দটোকে প্ৰাধান্য দিম। 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনৰ মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ বিৱৰণ। আমাৰ পঢ়াশলীয়া ব্যাকৰণবোৰত শব্দ-গঠন প্ৰক্ৰিয়া সম্বন্ধে যি আলোচনা পোৱা যায়, আধুনিক ভাষাবিজ্ঞানত তেনে বিষয়ৰ বিচাৰ-বিশ্লেষণকে 'ৰূপতত্ত্ব' আখ্যা দিয়া হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক ৰূপতত্ত্ব সম্পৰ্কে বিস্তৃত ধাৰণা প্ৰদান কৰিব।

১০.৩ ৰূপতত্ত্ব

'ৰূপতত্ত্ব' হ'ল ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ শৃঙ্খলাবদ্ধ বিৱৰণ। ই ভাষাবিজ্ঞানৰ অন্তৰ্গত এটি বিশেষ বিষয়। ভাষাৰ ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত ই সংযোগ সেতুৰ দৰে কাম কৰে। অসমীয়া ভাষাত 'ৰূপতত্ত্ব' শব্দগুচ্ছ ইংৰাজী Morphology-ৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ হৈ আহিছে। মূলতঃ জীৱবিদ্যাৰ পৰা আহৰিত ইংৰাজী ভাষাৰ এই পাৰিভাষিক শব্দটোৱে ঊনবিংশ শতাব্দীৰ মধ্যভাগৰ পৰা ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ অন্তৰ্গত মৌলিক উপাদানসমূহৰ বিচাৰ-বিশ্লেষণকো বুজাবলৈ লয়। প্ৰাণী বিজ্ঞানত জীৱকোষৰ গঠন বুজাবলৈ Morphology শব্দৰ ব্যৱহাৰ ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই হৈ আহিছে। ১৮৩০ চনৰ *Oxford English Dictionary*-য়ে প্ৰথমে ইয়াক এই অৰ্থতে সামৰিছে। ইয়াৰ কিছু বছৰৰ পাচতহে ভাষা বিজ্ঞানত 'শব্দৰ ৰূপৰ অধ্যয়ন' বুজাবৰ কাৰণে Morphology শব্দৰ ব্যৱহাৰ কৰিবলৈ লোৱা হয়। ইংৰাজী Morphology শব্দটো আকৌ গ্ৰীক ভাষাৰ পৰা অহা আৰু ই জাৰ্মান Formaniehre (the study of forms) শব্দৰ সমান্তৰাল।

'ৰূপ' আৰু 'তত্ত্ব' এই দুটা শব্দৰ সংযোগত 'ৰূপতত্ত্ব' শব্দটো গঠিত হৈছে। ভাষাবিজ্ঞানৰ পৰিসীমাত 'ৰূপ' মানে 'আকাৰ' বা 'আকৃতি' (Form, Morph)। সাধাৰণভাৱে ক'বলৈ গ'লে 'আকৃতি' হ'ল ভাষা একোটাত ব্যৱহৃত আৰু আমাৰ সকলোৱে জ্ঞাত শব্দসমূহ। গতিকে 'ৰূপতত্ত্ব'-ই ভাষা বিশেষৰ শব্দসমূহৰ গঠন-প্ৰণালীক বুজায়। ভাষাবিজ্ঞানৰ আলোচনাত Morph এটা নতুন শব্দ। ধ্বনিতত্ত্বৰ আলোচনাত 'ধ্বনি' যেনেদৰে মূল উপাদান, ৰূপতত্ত্বৰ আলোচনাত তেনেদৰে 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়। ভাষাবিদ E. A. Nida-ই তেওঁৰ *Morphology* (1957) গ্ৰন্থত ৰূপতত্ত্ব সংজ্ঞা দিছে এনেদৰে— 'Morphology is the study of Morpheme and their arrangement in forming words' ব্লুমফিল্ডৰ মতে, অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ বিশ্লেষণেই ৰূপতত্ত্ব। ৰূপতত্ত্বত শব্দ গঠনৰ প্ৰত্যয়বোৰৰ লগতে পদৰ লগত সম্পৰ্কিত কিছু কথাও আলোচনা কৰা হয়। বহুতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত স্পষ্ট সীমাৰেখা টানিব খোজে। কিন্তু ৰূপতত্ত্বৰ আলোচনাত বাক্যতত্ত্বৰ প্ৰসংগও আহি পৰে। ৰূপতাত্ত্বিক বিশ্লেষণ বিভিন্ন ভাষাবিজ্ঞানীয়ে বিভিন্ন ধৰণে কৰা দেখা যায়। ৰূপসমূহৰ বিস্তৃতি বা প্ৰসাৰ, শব্দত ৰূপসমূহৰ ভিন্নতা, শব্দত ৰূপ সংস্থাপনৰ ভূমিকা, শব্দ আৰু ৰূপসমূহৰ সম্পৰ্কৰ পৰ্যবেক্ষণ আদি কথাবোৰ ৰূপতাত্ত্বিক বিশ্লেষণে সামৰি লয়।

ৰূপতত্ত্বৰ পৰিসৰ অতি ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্‌ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল। ভাষা ভেদে বদ্ধৰূপবোৰ মূল ৰূপৰ আগত, পিছত বা মাজত যোগ হয়। কিছুমান ভাষাত আকৌ বদ্ধৰূপবোৰ মূল ৰূপৰ পৰা বিশ্লেষণ কৰি উলিওৱা বৰ জটিল, আনহাতে কিছুমান ভাষাত বদ্ধৰূপবোৰ স্পষ্টভাৱে

দেখা পোৱা যায়। এই বদ্ধৰূপবোৰে শব্দ সাধন আৰু পদ সাধনত কেনে কাৰ্য সাধন কৰে সেই কথা ৰূপতত্ত্বত আলোচনা কৰা হয়। আকৌ লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

পৰম্পৰাগতভাৱে চলি অহা ব্যাকৰণগত আলোচনাত 'শব্দ'-ক 'অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টি' বোলা হৈছে আৰু ই ইংৰাজী Word শব্দৰ প্ৰতিনিধিত্ব কৰি আহিছে। এই শব্দবোৰ যেতিয়া বিভক্তিযুক্ত হৈ বাক্যত ব্যৱহাৰ হয় তেতিয়া সিবোৰে 'পদ' নাম পায়। ভাষা এটাত ব্যৱহাৰ হোৱা পদবিলাক ন্যূনতম অৰ্থবিশিষ্ট খণ্ডলৈ ভাঙি উলিয়ালে আমি যিবোৰ উপাদান পাম সেইবিলাককে ভাষাবিজ্ঞানত 'ৰূপ' বা 'আকৃতি' বোলা হয়। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এই আলোচনাৰ পৰৱৰ্তী অংশত আমি 'ৰূপ' আৰু 'আকৃতি' দুয়োটা শব্দ তেনে অৰ্থত ব্যৱহাৰ কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰূপতত্ত্ব (Morphology) শব্দটো মূলতঃ কোন বিদ্যাৰ পৰা আহৰিত?

.....


- **ৰূপ বা আকৃতি (Morph) ঃ** ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত ক্ষুদ্ৰতম অৰ্থবহ গোটক ৰূপ বা আকৃতি (Morph) বোলা হয়। ৰূপ হ'ল ভাষা এটাৰ ৰূপতত্ত্বৰ মূল আধাৰ। উদাহৰণস্বৰূপে ইংৰাজী ভাষাত 'i' এটা ধ্বনিৰে গঠিত ৰূপ। আকৌ 'the' তিনিটা ধ্বনিৰে গঠিত ৰূপ। দুয়োটাৰে নিজা অৰ্থ আছে। সাধাৰণতে এটাতকৈ অধিক বৰ্ণৰে ৰূপ গঠিত হয়। ৰূপবোৰক দুটা ভাগত ভগাব পাৰি মুক্তৰূপ আৰু বদ্ধৰূপ। যিবোৰ ৰূপ উচ্চাৰণ বা উল্লেখ কৰাৰ লগে লগে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ পায়, সেইবোৰক মুক্তৰূপ (Free Morph) বোলে। যেনে— অসমীয়া ভাষাৰ চৰাই, হাতী, মানুহ, পথ, গাড়ী, জাহাজ, সোণ, ৰূপ, চন্দ্ৰ, তৰা ইত্যাদিবোৰ মুক্তৰূপ। ইহঁতৰ উচ্চাৰণৰ লগে লগে অৰ্থ প্ৰকাশ পায়।

  আন এটা কথা যে মুক্তৰূপবোৰ বাক্যত অকলে প্ৰয়োগ হ'ব পাৰে। আকৌ যিবোৰ ৰূপ অকলে উল্লেখ বা উচ্চাৰণ কৰিলে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ নাপায়, কোনো মুক্তৰূপৰ আগত, পিছত বা মাজত অথবা যি কোনো এটা মুক্ত ৰূপৰ লগত সংযুক্ত হ'লেহে সিহঁতৰ অৰ্থ প্ৰকাশ পায়, তেনেবোৰ ৰূপকে বদ্ধৰূপ (Bound Morph) বোলে। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ Unable, Weekly শব্দক অৰ্থৰ প্ৰতি খণ্ডিত কৰিলে পাওঁ Un-able, Week-ly। ইয়াত Un- আৰু -ly হ'ল বদ্ধৰূপ। ইহঁত মূল ৰূপ বা মুক্তৰূপ -able আৰু week-ৰ লগত লগ লাগিহে অৰ্থ প্ৰকাশ কৰিছে।

  মুক্তৰূপবোৰক আকৌ দুটা ভাগত ভগোৱা হৈছে — শব্দগত (Lexical) আৰু কাৰ্যগত (Functional)। সাধাৰণতে ভাষাৰ বিশেষ্য, বিশেষণ, ক্ৰিয়া আদিক শব্দগত শ্ৰেণীৰ আৰু সংযোজক, অব্যয় আদিক কাৰ্যগত শ্ৰেণীৰ মুক্তৰূপ বুলি ধৰা হয়। একেদৰে বদ্ধৰূপবোৰো

দুভাগত বিভক্ত — সাধনাত্মক (Derivational) আৰু ৰূপাত্মক (Inflectional)। সাধনাত্মক বদ্ধৰূপবোৰৰ সহায়ত শব্দমূল বা ধাতুমূলৰ পৰা ভিন্ ভিন্ অৰ্থসূচক নতুন নতুন শব্দ গঠন কৰিব পাৰি; যেনে— খেত্ + ই = খেতি, খেত্ + ই + অক্ = খেতিয়ক; বাজ্ + অনা = বাজনা ইত্যাদি। ইয়াৰ বিপৰীতে ৰূপাত্মক বদ্ধৰূপবোৰে শব্দৰ ব্যাকৰণগত কার্য নিষ্পন্ন কৰে, বা আন কথাত সাধাৰণভাৱে ব্যৱহাৰ হৈ থকা শব্দসমূহক পদলৈ ৰূপান্তৰিত কৰি বাক্যত সিবোৰৰ স্থান নির্দেশ কৰে। সাধনাত্মক বদ্ধৰূপবোৰ প্রত্যয় (Derivatives) আৰু ৰূপাত্মক বদ্ধৰূপবোৰ বিভক্তি (Inflectives) ৰূপে জনাজাত। ৰূপৰ উল্লিখিত ভাগবোৰ ৰেখাচিত্রৰ সহায়ত এনেদৰে দেখুৱাব পাৰি —

চিত্র ১০.১ — ৰূপ বা আকৃতিৰ ভাগ



পৰম্পৰাগত ব্যাকৰণত মুক্তৰূপক প্রাতিপদিক আৰু ধাতু আৰু বদ্ধৰূপক বিভক্তি আৰু প্রত্যয়ৰূপে আলোচনা কৰা হয়।

ইংৰাজী Morph-ৰ প্রতিশব্দ হ'ল আকৃতি বা ৰূপ। আকৌ Morpheme-ৰ প্রতিশব্দ হ'ল প্রাকৃতি আৰু ৰূপগ্রাম। অসমীয়া 'ৰূপ' বুজাবলৈ Morph আৰু Morpheme ব্যৱহাৰ কৰা হৈছে যদিও দুয়োৰে মাজত পার্থক্য আছে। তেনেদৰে অসমীয়া ৰূপ আৰু প্রাকৃতি শব্দৰ মাজতো পার্থক্য আছে। প্রসিদ্ধ ভাষাবিজ্ঞানীসকলৰ এই ক্ষেত্রত কৰা আলোচনাতো Morpheme শব্দৰে প্রাকৃতি বা ৰূপ দুয়োকে একে অর্থতে প্রয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে ৰূপৰ (প্রাকৃতিৰ) সংজ্ঞা বিভিন্ন ভাষাবিদে দিছে এনেদৰে—

- গ্লীচনৰ মতে, "Morphemes can be usually described as the smallest meaningful units in the structure of the language."
- নিডাৰ মতে, "Morphemes are the minimal meaningful units, which may constitute words or parts of words."
- হকেটৰ মতে, "Morphemes are the smallest individually meaningful elements in the utterances of a language."

উল্লিখিত সংজ্ঞাবোৰে প্রাকৃতিৰ প্রায় একেই বৈশিষ্ট্য উল্লেখ কৰিছে। অর্থাৎ প্রাকৃতি হ'ল ভাষা এটাৰ ক্ষুদ্রতম অর্থবহ একক গোট। প্রাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেয়া হ'ল—

- ৰূপৰ এটা অর্থ থাকিব লাগিব।

- ৰূপবোৰ এটা বা ততোধিক ধ্বনিৰে গঠিত হ'ব লাগিব।
- ৰূপৰ মর্যাদা পোৱা গোটটোৰ লগত অন্য গোটৰ ধ্বনিগত বা অর্থগত সাদৃশ্য থাকিব নালাগিব।
- ৰূপবোৰ বাক্যত ব্যৱহাৰ হোৱাৰ ক্ষমতা থাকিব লাগিব।
- ৰূপবোৰ ক্ষুদ্রতম গোট হ'ব লাগিব।

উদাহৰণস্বৰূপে — 'আমি খেলোঁ'। এই বাক্যটোত 'আমি' আৰু 'খেলোঁ' দুটা শব্দ পালোঁ। 'আমি' মুক্ত ৰূপ, কিয়নো ই নিজে অর্থ প্রকাশ কৰিব পাৰিছে। 'খেলোঁ' শব্দক অর্থৰ দৃষ্টিৰে ভাগ কৰিলে পাওঁ— খেল্ আৰু ওঁ। খেল্ হ'ল ধাতু আৰু ইয়াৰ নিজা অর্থ আছে। -ওঁ-টোৱে বর্তমান কালৰ প্রথম পুৰুষৰ ব্যক্তিবাচক সর্বনাম 'আমি'-ৰ লগত সম্পর্ক স্থাপন কৰিছে। -ওঁ-ৰ অর্থ আছে। কিন্তু ই অকলে নবহে, ধাতু শব্দৰ লগতহে তাৰ প্রয়োগ হয়। আমি, খেল্, ওঁ তিনিওটাই ক্ষুদ্রতম গোট আৰু ইহঁত বাক্য গঠনত প্রয়োগ হৈছে। সেয়ে এই তিনিটা একক গোট অর্থাৎ ৰূপ।

- **প্রাকৃতি (Morpheme) ঃ** প্রাকৃতি বা ৰূপ একেই বুলি আগৰ আলোচনাত উল্লেখ কৰি অহা হৈছে। আকৃতি বা ৰূপৰ পৰাই প্রাকৃতি আৰু উপাকৃতি (allomorph) নির্ণয় কৰা হয়। ভাষা এটাৰ বাক্যত ব্যৱহৃত পদবোৰৰ পৰা বিশ্লেষণৰ বাবে খণ্ডিতকৰণ প্রক্রিয়াৰে আকৃতি উলিওৱা হয়। তাৰ পিছত একে অর্থবাচক ৰূপবোৰ শ্রেণীবদ্ধ কৰা হয়। এনেদৰে শ্রেণীবদ্ধ ৰূপবোৰৰ মাজত বিৰোধ আছেনে নাই অর্থাৎ একে পৰিবেশত ব্যৱহৃত হৈ অর্থৰ শ্রেণী পৰিৱর্তন কৰিব পাৰিছেনে নাই বিশ্লেষণ কৰা হয়। বিৰোধ নথকা বদ্ধৰূপবোৰৰ সামূহিক গোট এটা কৰি তাৰ নাম দিয়া হয় প্রাকৃতি। গতিকে প্রাকৃতি এটা গোটৰহে নাম। প্রাকৃতি হ'ল অর্থগতভাৱে একে আৰু প্রয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্রেণীৰ নাম। (Morpheme is a class of morphs that are semantically similar. –E. A. Nida). উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ — books, glasses আৰু pens-ক অর্থৰ দৃষ্টিৰে খণ্ডিত কৰিলে book –s, glass –es আৰু pen –s পোৱা যায়। ইয়াত –s, –es আৰু –s-ৰ উচ্চাৰণ পৰিৱেশভেদে বেলেগ বেলেগ। ইয়াৰ প্রথমটো –s, দ্বিতীয়টো –iz আৰু তৃতীয়টো –z উচ্চাৰণ হয়। একে পৰিৱেশত এটাৰহে উচ্চাৰণ হয়, বাকী দুটাৰ হ'ব নোৱাৰে। গতিকে ইহঁতৰ মাজত বিৰোধ নাই। এই তিনিওটা ইংৰাজী ভাষাৰ বহু বচনৰ বদ্ধৰূপ। ইহঁত একে অর্থবোধক আৰু ইহঁতৰ মাজত কোনো ধ্বনিগত সাদৃশ্য নাই। ইহঁত তিনিওটাৰে একেটা পৰিৱেশত এটাৰহে প্রয়োগ হ'ব, আন দুটাৰ প্রয়োগ হ'ব নোৱাৰে। এনে প্রয়োগক পৰিপূৰক প্রয়োগ বোলে।

  এই আকৃতি তিনিটাৰ মাজত পৰিপূৰক প্রয়োগ ঘটে। ইহঁতক এটা গোট কৰি 'প্রাকৃতি' আখ্যা দিয়া হয়। প্রাকৃতিৰ অন্তর্ভুক্ত হোৱাৰ পিছত –s, –es আৰু –s প্রত্যেককে উপাকৃতি বোলা হ'ব। প্রাকৃতি বুজাবলৈ '/ /' চিন ব্যৱহাৰ কৰা হয়। উল্লিখিত প্রাকৃতিটোক আমি /s/ প্রাকৃতি বা /ইংৰাজী বহুবচনৰ প্রত্যয়/ নামেৰেও বুজাব পাৰোঁ।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ প্ৰাকৃতি বা ৰূপৰ বিভাগ দুটা কি কি?

.....

- **শব্দ (Word) ঃ** শব্দ বুলি ক'লে সাধাৰণতে কোনো ধ্বনিৰ (sound) কথাই মনলৈ আহে; যেনে— বতাহৰ শব্দ, ভৰিৰ খোজৰ শব্দ, চলন্ত গাড়ীৰ শব্দ ইত্যাদি। কেতিয়াবা আকৌ শব্দই শব্দমূলক বুজায়। যেনে— খা, যা, পঢ়, লিখ্, পানী, বতাহ, মানুহ, চৰাই ইত্যাদি। ইংৰাজী 'word' শব্দৰ অসমীয়া প্ৰতিশব্দ হ'ল 'শব্দ'। ইংৰাজীত stem আৰু base এই দুটা ৰূপো কেতিয়াবা word বুজাবলৈ ব্যৱহৃত হয়। গতিকে word কেতিয়াবা root আৰু কেতিয়াবা stem বা base হ'বও পাৰে। কিন্তু সেই বুলি root আৰু word একে নহয়। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ wall-clock এটা শব্দ। কিন্তু ইয়াৰ root দুটা wall আৰু clock।

  স্বাধীনভাৱে অর্থ প্ৰকাশ কৰা মূল ৰূপ বা প্ৰকৃতিবোৰক বহল অর্থত শব্দ বোলা হয়। সেই হিচাপত নাম প্ৰকৃতি, ধাতু-প্ৰকৃতি আৰু অব্যয় প্ৰকৃতিবোৰৰ প্ৰতিটোৱেই একোটা শব্দ। শব্দৰ অর্থ বুজিবলৈ হ'লে মানুহৰ ভাব-বিনিময় প্ৰক্ৰিয়াটোলৈ মন কৰিব লাগিব। মানুহে কথা কওঁতে মুখৰ অৱয়বৰ জৰিয়তে কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই সকলোবোৰ ধ্বনি একে সময়তে উচ্চাৰণ নকৰে। কিছুমান ধ্বনি মিলাই একোটা গোট বা সমষ্টি গঠন কৰে। কথা পাতোতে প্ৰতিটো গোট বা সমষ্টিৰ পাছত বিৰাম (pause) দি কথা কয়। বিৰাম আকৌ দীর্ঘ বিৰাম আৰু হ্ৰস্ব বিৰাম— দুই শ্ৰেণীত বিভক্ত। উদাহৰণ— বাঘটো/ হাবিত/ সোমাল/। উচ্চাৰণ কৰোতে তিনিটা বিৰাম দিয়া হয়। প্ৰথম দুটাত হ্ৰস্ব বিৰাম আৰু তৃতীয়টো দীর্ঘ বিৰাম। হ্ৰস্ব বিৰামৰ মাজত উচ্চাৰিত ধ্বনি সমষ্টিকে শব্দ (word) বোলা হয়।

  গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ বা স্বয়ংসিদ্ধ শব্দ (simple word বা root word) আৰু (খ) সাধিত বা যৌগিক (derived বা compound word) শব্দ।

  - *মৌলিক শব্দ ঃ* যিবোৰ শব্দই স্বাধীনভাৱে অর্থপ্ৰকাশ কৰিব পাৰে আৰু যাক অর্থপূর্ণভাৱে খণ্ডিত কৰিব নোৱাৰি তেনেবোৰেই মৌলিক শব্দ। ইংৰাজীত এনেবোৰ শব্দক 'simple stem' বোলা হয়। এনেবোৰ শব্দৰ গঠন প্ৰক্ৰিয়াও মৌলিক। মৌলিক শব্দৰ গঠনত আন কোনো মৌলিক শব্দ বা সর্গৰ ভূমিকা নাই। এইবোৰ স্বয়ংসিদ্ধ। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ সকলোবোৰ নাম শব্দই মৌলিক শব্দ।
  - *যৌগিক শব্দ ঃ* মৌলিক শব্দত বিভিন্ন সর্গ বা প্ৰত্যয় যোগ কৰি অথবা এটা মৌলিক শব্দত এটা মৌলিক বা সাধিত শব্দ সংযোগ কৰি যিবোৰ নতুন শব্দ গঠন কৰা হয়, সেইবোৰেই সাধিত শব্দ। সাধিত শব্দবোৰ অর্থপূর্ণভাৱে খণ্ড খণ্ড কৰিব পাৰি।

উদাহৰণস্বৰূপে — তল + সৰা = তলসৰা, নৰক + অসুৰ = নৰকাসুৰ, প্ৰাক্ + বৈষ্ণৱ = প্ৰাক্‌বৈষ্ণৱ, শংকৰ + উত্তৰ = শংকৰোত্তৰ ইত্যাদি।

সাধিত শব্দবোৰ মুখ্যতঃ দুটা ভাগত ভগাব পাৰি ঃ প্ৰত্যয় নিষ্পন্ন (inflected words) আৰু সংযুক্ত বা সমস্ত শব্দ (compounded word)। যিবোৰ শব্দ কৃৎ, তদ্ধিৎ আৰু উপসৰ্গ যোগত সাধিত হয়, সেইবোৰেই প্ৰত্যয় নিষ্পন্ন শব্দ। যেনে— খাৱন (খা + অন্), শোৱন (শো + অন্), ধাননি (ধান + অনি) আওমৰণ (আও + মৰণ) ইত্যাদি। সংযুক্ত বা সমস্ত শব্দবোৰ ভিন্ন অৰ্থবিশিষ্ট দুটা মৌলিক শব্দৰ সংযোগত, এটা বদ্ধ ৰূপৰ লগত আন এটা প্ৰত্যয় নিষ্পন্ন সাধিত শব্দৰ যোগত অথবা দুটা সাধিত শব্দৰ যোগত সংযুক্ত শব্দবোৰ গঠন কৰা হয়। উদাহৰণ— হাত-লৰ, চকু-চৰহা, পেট-কুলি, কেৰ-মতালি, লেং-পেঙ্গীয়া, এৰা-ধৰা, ঘটং-মটং ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

- **অক্ষৰ (Syllable) ঃ** এটা মাথোন হৃদস্পন্দনত উচ্চাৰিত ধ্বনি বা ধ্বনি সমষ্টিকে অক্ষৰ বোলে। অক্ষৰ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল syllable। অক্ষৰ হ'ল বৰ্ণৰ নিচিনাই উচ্চাৰণাত্মক গোট বা একক। উদাহৰণস্বৰূপে — অসমীয়া ব্যঞ্জন বৰ্ণমালাৰ কথা ক'ব পাৰি। ব্যঞ্জন বৰ্ণমালাৰ — ক, খ, গ, ঘ — প্ৰত্যেকেই একোটা অক্ষৰহে (syllable); কিয়নো ইহঁতৰ প্ৰত্যেকতে অ-স্বৰ যুক্ত হৈ থাকে। অ-স্বৰ যুক্ত হৈ ইহঁতে উচ্চাৰণৰ একক গোট একোটা অক্ষৰৰ সৃষ্টি কৰে। যেনে— ক - ক্অ, খ - খ্অ, গ - গ্অ, ঘ - ঘ্অ ইত্যাদি। অৰ্থাৎ ব্যঞ্জন বৰ্ণবোৰৰ আখৰবোৰত দুটাকৈ বৰ্ণ নিহিত হৈ থাকে। এটা ব্যঞ্জনবৰ্ণ আৰু আনটো স্বৰবৰ্ণ। অৰ্থাৎ ক, খ, গ, ঘ প্ৰত্যেকেই একোটা অক্ষৰ। অক্ষৰ হ'বলৈ হ'লে তাত এটা স্বৰধ্বনি থাকিবই লাগিব। এটা স্বৰধ্বনি অকলে এটা অক্ষৰ হ'ব পাৰে অথবা স্বৰযুক্ত একাধিক ব্যঞ্জন ধ্বনিয়েও এটা অক্ষৰ গঠন কৰিব পাৰে। অসমীয়া অনুজ্ঞাৰ ক্ৰিয়াৰূপ 'ধৰ' এটা অক্ষৰ (= ধৰ) মাথোন। কিন্তু 'ধৰা' দুটা অক্ষৰৰ সমষ্টি ঃ 'ধৰ্' আৰু 'আ'। এটা শব্দত কিমান অক্ষৰ থাকিব পাৰে তেনে কোনো ধৰা-বন্ধা নিয়ম নাই। এটা অক্ষৰো হ'ব পাৰে অথবা পাঁচ-ছটাও হ'ব পাৰে।

  অক্ষৰ দুই প্ৰকাৰৰ— বিবৃত (open) আৰু সংবৃত (close)। কোনোৱে ইয়াক মুক্ত (free) আৰু বাধাপ্ৰাপ্ত (checked) বুলিও কয়। এটা অক্ষৰ যদি স্বৰধ্বনিৰে শেষ হয় তেনে তাক বিবৃত অক্ষৰ (open) syllable) বোলে। আকৌ অক্ষৰ এটাৰ শেষত যদি এটা বা একাধিক ব্যঞ্জনধ্বনি থাকে তেন্তে সি সংবৃত অক্ষৰ।

- **প্ৰাকৃতি বা আকৃতিৰ চিনাক্তকৰণ (Identification of Morpheme) ঃ** প্ৰাকৃতি হ'ল

অর্থগতভাৱে একে, প্রয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্রেণী — 'Morpheme is a class of morph that are simantically similar'। ভাষা এটাৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ মৌলিক একক হ'ল প্রাকৃতি।

আগেয়ে উল্লেখ কৰা হৈছে যে ভাষাবিজ্ঞানী অধিকাংশই morph আৰু morpheme-অৰ ব্যাখ্যা একে ধৰণে প্রদান কৰিছে। অর্থাৎ morph-অৰ যি বৈশিষ্ট্য সেয়া Morpheme-অৰ ক্ষেত্রতো প্রয়োগ কৰিছে। কিন্তু morph আৰু morpheme-অৰ মাজত পার্থক্য বিদ্যমান। ইয়াত প্রাকৃতি বা আকৃতি চিনাক্তকৰণৰ ক্ষেত্রত, ভাষাবিজ্ঞানীসকলে আগবঢ়োৱা morpheme-অৰ সংজ্ঞাৰ ওপৰত ভিত্তি কৰি কেতবোৰ বৈশিষ্ট্য আগবঢ়োৱা হ'ল —

- প্রাকৃতি এক বা একাধিক বর্ণৰে গঠিত।
- প্রাকৃতি ৰূপতত্ত্বৰ প্রাথমিক একক।
- প্রাকৃতিবোৰৰ নিজা অর্থ থাকে।
- প্রাকৃতিবোৰৰ ইটোৰ লগত সিটোৰ প্রণালীবদ্ধভাৱে লগ হোৱাৰ ক্ষমতা থাকে।
- প্রাকৃতিবোৰ হ'ল ক্ষুদ্রতম একক।

প্রাকৃতি নির্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বর্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অর্থবাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। শ্রেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্রয়োগ বিশ্লেষণ কৰা হয়। প্রয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অর্থৰ শ্রেণী পৰিবর্তন কৰিব পাৰে নে নোৱাৰে; অর্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্রাকৃতি বুলি চিনাক্ত কৰা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ নঞৰ্থক ক্রিয়া গঠন কৰা ন-প্রাকৃতিটোৰ কথা ক'ব পাৰি। যেনে—

নহয়	ন - হ - য় (ই)
নাখায়	ন - খা - য় (ই)
নেখেলে	ন - খেল - এ
নুশুনে	ন - শুন্ - এ
নোশোৱে	ন - শো - এ
নিদিয়ে	ন - দি - এ

ইয়াত নেতিবাচক বুজাবৰ কাৰণে (ন-, না-, নে-, নু-, নো-, নি-) এই ছটা ভিন্ ভিন্ বদ্ধৰূপ ব্যৱহৃত হৈছে। অর্থগতভাৱে ইহঁতৰ একেটাই মাথোন কাম আৰু সেইটো হৈছে নেতিবাচক অর্থ কৰা। ইহঁতৰ এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। ইহঁত পৰিপূৰক অৱস্থানত থকা বাবে ইহঁতক একোটা গোট কৰি প্রাকৃতি হিচাপে ধৰা হয়। এই প্রাকৃতিটো নামকৰণ কৰিব পাৰি (অসমীয়া নঞৰ্থক ক্রিয়াৰ বদ্ধৰূপ) বা (ন-) প্রাকৃতি। এই প্রাকৃতিটোৰ অন্তর্ভুক্ত বিভিন্ন ভাগসমূহক সেই প্রাকৃতিটোৰ উপাকৃতি বোলা হয়।

- **উপাকৃতি (Allomorph)** ঃ উপাকৃতি হ'ল প্ৰাকৃতি এটাৰ অন্তৰ্গত এটা আকৃতি বা ৰূপ। প্ৰাকৃতি নিৰ্ণয়ৰ প্ৰসংগত উপাকৃতিৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। ভাষা এটাত ব্যৱহৃত পদবোৰক প্ৰথমতে খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি বাচি উলিওৱা হয়। আকৃতি নিৰ্ণয়ৰ পাছত ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰি সিহঁতক একোটা গোটত ভাগ কৰা হয়। এনে একোটা গোটক প্ৰাকৃতি আখ্যা দিয়া হয়। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱা আকৃতিসমূহক সেই প্ৰাকৃতিটোৰ উপাকৃতি বোলা হয়। উপাকৃতি বুজাবলৈ [-] চিন ব্যৱহাৰ কৰা হয়। উদাহৰণ— সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও। এইকেইটা সপ্তাহৰ বাৰৰ নাম। ইহঁত প্ৰত্যেকেই একোটা মুক্ত প্ৰাকৃতি। অৰ্থগতভাৱে ইহঁতৰ সাদৃশ্য আছে। ইহঁতৰ মাজত পৰিপূৰক প্ৰয়োগ হয়। ইহঁতক এটা শ্ৰেণীত আৱদ্ধ কৰা হ'ল— (সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও)। লগে লগে ইহঁতে প্ৰাকৃতি নাম পালে। নতুবা আন নামো দিব পৰা যায়। যেনে— (সপ্তাহৰ বাৰৰ নাম)। এই প্ৰাকৃতিটোৰ অন্তৰ্ভুক্ত প্ৰতিটো আকৃতিয়েই এই প্ৰাকৃতিটোৰ উপাকৃতি। অৰ্থাৎ [সোম], [মঙ্গল], [বুধ], [বৃহস্পতি], [শুক্ৰ], [শনি] আৰু [দেও] প্ৰত্যেকেই একোটা উপাকৃতি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰাকৃতিৰ চিনাক্তকৰণ কিদৰে কৰিব পাৰি — চমুকৈ লিখক। (৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনত প্ৰয়োগ হোৱা মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ

বিৱৰণ। পাশ্চাত্য দেশৰ এচাম ভাষাতাত্ত্বিকে ৰূপতত্ত্বক ব্যাকৰণ (Grammar) -ৰূপেও অভিহিত কৰিছে।

- ৰূপতত্ত্বৰ আলোচনাত 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়।
- ৰূপতত্ত্বৰ পৰিসৰ ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল।
- প্ৰাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেই বৈশিষ্ট্যসমূহৰ পৰা ৰূপৰ বিষয়ে স্পষ্ট ধাৰণা আগবঢ়াব পাৰি। অধ্যায়টিত আমি শব্দ, অক্ষৰ, প্ৰকৃতি বা আকৃতিৰ চিনাক্তকৰণ কেনেদৰে কৰা হয় সেই বিষয়েও চমুকৈ আলোচনা কৰিলোঁ। লগতে উপাকৃতি সম্পৰ্কে এটি টোকাও উল্লেখ কৰা হ'ল।



১০.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০০৩); *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৬); *অসমীয়া বৰ্ণপ্ৰকাশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৭) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৮) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৯) পাদুন, নাহেন্দ্ৰ (সম্পাঃ) (১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১০) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১) ভৰালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ

১৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

১৫) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১৮) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.

১৯) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২০) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.

২১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.



১০.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জীৱ বিদ্যাৰ পৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্তৰূপ আৰু বদ্ধৰূপ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ আৰু (খ) যৌগিক শব্দ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাকৃতি নিৰ্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। শ্ৰেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। প্ৰয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে নে নোৱাৰে; অৰ্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়।



১০.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মুক্তৰূপবোৰক কেইটা আৰু কি কি ভাগত ভগোৱা হৈছে?

খ) বদ্ধৰূপ কাক বোলে?

গ) শব্দ বুলি ক'লে কি বুজে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

খ) ৰূপ আৰু প্ৰাকৃতিৰ মাজত কোনো পাৰ্থক্য নাই।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপ বা আকৃতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অক্ষৰ মানে কি বুজাই লিখক।

প্ৰশ্ন ৩ ঃ উপাকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজা যায়? ভাষা একোটাত প্ৰয়োগ হৈ থকা প্ৰাকৃতি বা ৰূপবোৰক কি কি শ্ৰেণীত ভগাব পাৰি বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শব্দ মানে কি? শব্দৰ শ্ৰেণীবিভাজন কৰি সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ আকৃতি-প্ৰাকৃতি-উপাকৃতিৰ মাজৰ সম্পৰ্ক কি বুজাই লিখক।

প্ৰশ্ন ৪ ঃ ৰূপতত্ত্বৰ অধ্যয়নৰ পৰিসৰ সম্বন্ধে এটা প্ৰবন্ধ লিখক।

প্ৰশ্ন ৫ ঃ প্ৰাকৃতিৰ বৈশিষ্ট্যসমূহ কি কি? প্ৰাকৃতি কেনেদৰে নিৰ্ণয় কৰা হয় উদাহৰণসহ বুজাই লিখক।

*** ***** ***

অধ্যায় ১১ ঃ অর্থতত্ত্ব

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অর্থতত্ত্ব
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্রগতিৰ খতিয়ান
১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ অর্থতত্ত্বৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- অর্থ বিশ্লেষণৰ ধাৰা শ্রেণী বিভাজন কৰি দেখুৱাব পাৰিব
- অর্থৰ প্রকাৰ, অর্থ পৰিৱর্তনৰ ধাৰা, অর্থ পৰিৱর্তনৰ কাৰণ জানিব পাৰিব
- শব্দৰ গাঁথনিক দিশ অনুসৰি অর্থগত সম্পর্ক নির্ণয় কৰিব পাৰিব
- ভাষাভেদে অর্থৰ উপাদানো বিচাৰ কৰিব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি ৰূপতত্ত্বৰ লগত সম্পর্কিত দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি অর্থতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰিম।

আপোনালোকে এটা কথা নিশ্চয় জানে যে মানুহে উচ্চাৰণ কৰা শব্দ আৰু তাৰ অর্থৰ মাজত দৰাচলতে কোনোধৰণৰ সম্পর্ক নাথাকে। শব্দত অর্থসমূহ প্রকৃততে আৰোপ কৰাহে হয় আৰু পৰম্পৰাগতভাৱে সেই শব্দসমূহ ব্যৱহাৰ কৰি অহাৰ ফলত সেই আৰোপিত অর্থসমূহেই স্থায়ী অর্থ বহন কৰে আৰু মানুহে নিজৰ পূর্বজ্ঞানৰ জৰিয়তে ভাষাটো বুজি উঠে। ভাষাভেদে শব্দত আৰোপ কৰা এনে অর্থ বেলেগ বেলেগ হয়। সেয়ে একোটা নির্দিষ্ট বস্তুক বুজাবৰ বাবে বেলেগ বেলেগ ভাষাত বেলেগ বেলেগ শব্দ প্রয়োগ কৰা হয়। উদাহৰণস্বৰূপে— অসমীয়াত ‘মানুহ’ বুলি কওঁতে আমাৰ সন্মুখত যিখন ছবি ভাহি উঠে, সেই একেখন ছবি ইংৰাজীৰ ‘man’ আৰু হিন্দী ভাষাৰ ‘আদ্‌মী’ বুলি কওঁতেও ভাহি উঠিছে। গতিকে দেখা যায়, যদিহে শব্দ আৰু অর্থৰ মাজত এটা নির্দিষ্ট সম্পর্ক থাকিলেহেঁতেন তেতিয়া পৃথিৱীৰ সকলো ভাষাই একে

হ'লহেঁতেন। আপোনালোকে এই অধ্যায়টিত ভাষাৰ অর্থ সম্পর্কীয় তাত্ত্বিক দিশসমূহ অধ্যয়ন কৰাৰ লগতে অর্থ বিশ্লেষণৰ ধাৰা আৰু তাৰ অন্তর্নিহিত বিষয়বোৰ জানিব পাৰিব।

১১.৩ অর্থতত্ত্ব

অর্থবিজ্ঞান বা অর্থতত্ত্ব ভাষা-বিজ্ঞান অধ্যয়নৰ এটা গুৰুত্বপূর্ণ স্তৰ। ভাষাৰ মৌলিক উপাদান ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ তাত্ত্বিক আৰু প্রণালীবদ্ধ আলোচনাই হৈছে ভাষা-বিজ্ঞান। গতিকে অর্থবিজ্ঞানৰ আলোচনা অবিহনে ভাষা-বিজ্ঞানৰ আলোচনা আধৰুৱা। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ আলোচনাত যিদৰে ভাষাত প্রয়োগ হোৱা ধ্বনি, ৰূপ, বাক্যৰ অন্তর্গত দিশসমূহ তাত্ত্বিক আৰু প্রায়োগিক ক্ষেত্রত পুঙ্খানুপুঙ্খ বিশ্লেষণ কৰি প্রণালীবদ্ধ অধ্যয়ন কৰা হয়, ঠিক সেইদৰে অর্থতত্ত্বৰ আলোচনাতো মানুহে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা বাক্যৰ অর্থ আৰু তাত প্রয়োগ কৰা শব্দৰ প্রসঙ্গ অনুযায়ী হোৱা বিভিন্ন অর্থৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰা হয়। ইয়াকে কৰিবলৈ যাওঁতে ভাষাবিজ্ঞানীসকলে অর্থৰ অর্থ (the meaning of meaning), ভাব বিনিময়ৰ বিভিন্ন প্রণালীসমূহ সামৰি লয়। দৰাচলতে ক'বলৈ গ'লে অর্থৰ অবিহনে ভাষাৰ অন্যান্য উপাদানে ভাব প্রকাশ কৰিব নোৱাৰে। ভাবৰ সূচনা কৰে কেৱল অর্থই। অর্থৰ প্রধান কাম হৈছে— কোনো বস্তু বা বিষয় সম্পর্কে শব্দৰ জৰিয়তে বোধ জন্মোৱা, আমাৰ চাৰিওফালৰ বস্তুৰ প্রতি জ্ঞান আৰু ধাৰণা উপলব্ধি কৰোৱা, অভিজ্ঞতালব্ধ জ্ঞান আৰু মনোবৈজ্ঞানিক দিশৰ ব্যাখ্যা দাঙি ধৰা। উদাহৰণস্বৰূপে— অসমীয়া ভাষাত সাধাৰণতে অর্থ বুলি ক'লে মানুহে ব্যক্ত কৰা কোনো শব্দ, বাক্য অথবা বহলভাৱে ভাষাই যি ভাব বহন কৰে তাকে বুজা যায়; কিন্তু অন্য এটা অর্থত অসমীয়া ভাষাত অর্থ শব্দই টকা-পইচা, ধন-সম্পত্তি আদিকো বুজায়। দৰাচলতে কি প্রসংগত শব্দটো প্রয়োগ কৰা হৈছে, তাৰ ওপৰত নির্ভৰ কৰিহে শব্দটোত আৰোপিত অর্থৰ সঠিক অর্থ স্পষ্ট হয়। প্রাণীৰ দেহত বিভিন্ন অংগসমূহৰ উপৰি প্রাণসঞ্চাৰ হোৱাৰ দৰে ভাষাসমূহতো ধ্বনি, ৰূপ, বাক্য আদি উপাদান থকাৰ উপৰি ভাষাৰ গঠন প্রণালীত অর্থইহে প্রাণসঞ্চাৰ কৰিব পাৰে বাবে কাত্যায়ন, পতঞ্জলি, ব্যাস আদি সংস্কৃত পণ্ডিতসকলে শব্দৰ অর্থক 'ভাষাৰ সাৰভাগ' বুলি অভিহিত কৰিছে।

ইংৰাজী Sementics শব্দৰ অসমীয়া প্রতিশব্দ হিচাপে অর্থতত্ত্ব, অর্থবিজ্ঞান, শব্দার্থতত্ত্ব, শব্দার্থবিজ্ঞান, বাগতত্ত্ব আদি ভিন্ ভিন্ পৰিভাষা ভাষাবিজ্ঞানৰ অধ্যয়নত ব্যৱহাৰ কৰা হয়। গ্রীক ভাষাৰ বিশেষ্যৰূপ 'Sema' ৰ অর্থ হৈছে sign or signal (চিহ্ন বা সংকেত)। ইয়াৰ ক্রিয়াৰূপ 'Semains' যাৰ অর্থ হৈছে— Signal (সংকেত), 'mean' (অর্থ), 'signify' (ধাৰণা)। Semantics শব্দটোৰ অর্থ অতি ব্যাপক। ই কথা বা উক্তি (Speech) আৰু ভাষা (Language) উভয়কে সামৰি লয়। *The Shorter Oxford Dictionary*-এ শব্দৰ অর্থ এনেদৰে ব্যাখ্যা কৰিছে— চিনাক্তকৰণৰ লগত সম্বন্ধ অর্থাৎ অর্থৰ সম্পর্ক (as relating, to signification or meaning)। গতিকে অর্থতত্ত্ব হৈছে ভাষা-বিজ্ঞানৰ এনে এটা দিশ; যিয়ে বক্তব্য আৰু বিষয়ৰ লগত সম্পর্ক গঢ়ি তুলি দুয়োটাৰে মাজত এটা ধাৰণা জন্মায়। এক কথাত ক'বলৈ গ'লে, আমাৰ

চাৰিওফালৰ পাৰিপাৰ্শ্বিক জগতখনৰ লগত শব্দ আৰু অৰ্থই চিহ্ন আৰু প্ৰতীক ৰূপে কাম কৰে আৰু ভাষাৰ গাঁথনিক ৰূপৰ বাহ্যিক জগতৰ লগত সম্পৰ্ক বিচাৰ আৰু তাৰদ্বাৰা কিদৰে ভাৰ বিনিময় হয় তাৰ বিশ্লেষণেই হ'ল অৰ্থবিজ্ঞানৰ মূল উদ্দেশ্য।


- **অৰ্থৰ স্বৰূপ ঃ** অৰ্থৰ স্বৰূপ নিৰ্ণয় কৰাটো এক জটিল কৰ্ম। কেৱল ভাষাবিজ্ঞানীসকলেই নহয়; প্ৰাচীন কালৰেপৰা দাৰ্শনিক, মনোবিজ্ঞানী, বৈজ্ঞানিক, সাহিত্য-সমালোচক, আলংকাৰিক আদি বিভিন্ন পণ্ডিতে বিভিন্ন দৃষ্টিকোণেৰে অৰ্থৰ অৰ্থ বিচাৰ কৰি ইয়াৰ স্বৰূপ নিৰ্ণয়ৰ যত্ন কৰিছে। সংস্কৃত পণ্ডিত ভর্ত্তৃহৰিয়ে তেওঁৰ *বাক্য পদীয়ত* অৰ্থ সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে—

যস্মিন্তুচ্চৰিতে শব্দে যদা যোহার্থঃ প্রতীয়তে
তমাহুৰ্থ তসৈৰ নানার্থস্য লক্ষণম।

অৰ্থাৎ "শব্দ উচ্চাৰণ কৰোঁতে যি ধাৰণা হয়, সেয়ে তাৰ অৰ্থ। অৰ্থৰ অন্য কোনো বেলেগ লক্ষণ নাথাকে।"

ইংৰাজ ভাষাবিদ তথা দাৰ্শনিক Charles Kay Ogden (C.K. Ogden) আৰু Ivor Armstrong Richards (I.A. Richards) নামৰ পণ্ডিত দুগৰাকীয়ে তেওঁলোকৰদ্বাৰা ৰচিত *The Meaning of Meaning* নামৰ গ্ৰন্থত বিভিন্ন দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি অৰ্থ শব্দৰ বাইশটা অৰ্থৰ কথা উল্লেখ কৰিছে। Ogden আৰু Richards-এ চিহ্ন, ভাব বা ধাৰণা আৰু সূচিত — এই তিনিটা বিষয়ৰদ্বাৰা গঠিত এটা ত্ৰিভূজৰ জৰিয়তে অৰ্থৰ ব্যাখ্যা আগবঢ়াইছে, যাক অৰ্থ ত্ৰিভূজ (Semiotic Triangle) নামকৰণ কৰা হৈছে। তলত এই ৰেখাচিত্ৰটো উল্লেখ কৰা হ'ল।

চিত্ৰ ১১.১ — অৰ্থ ত্ৰিভূজ



তেওঁলোকৰ মতে, ধ্বনি, শব্দ, বাক্য আদি ভাষাগত উপাদানবোৰ হৈছে একপ্ৰকাৰৰ চিহ্ন। বাহ্য জগতৰ বস্তুসমূহ হৈছে সূচিত বিষয় । অৰ্থই সূচিত বিষয় সম্পৰ্কে চিহ্নৰ জৰিয়তে মানুহৰ মনত ভাব বা ধাৰণাৰ সূচনা কৰে। দৰাচলতে বাহ্য জগতৰ বস্তুৰ লগত ভাষাৰ কোনো পোনপটীয়া সম্পৰ্ক নাই। বাহ্য জগতৰ বস্তু বা বিষয়ৰ লগত ভাব বা ধাৰণাৰ জৰিয়তেহে শব্দৰ বা বাক্যৰ সম্পৰ্ক স্থাপন হয়। অৰ্থ ত্ৰিভূজ অনুসৰি চিহ্ন বা ভাষাগত উপাদান আৰু ভাব বা ধাৰণাৰ মাজত থকা সম্পৰ্ক মূলতঃ মনস্তাত্ত্বিক কাৰণ। যেতিয়াই মানুহে কোনো

এটা শব্দ বা বাক্য উচ্চাৰণ কৰে তাৰ লগে লগে মনত এটা ধাৰণাৰ উদ্রেক হয়। ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে, বক্তা আৰু শ্রোতাৰ বস্তুৰ সম্পর্কে পূর্বজ্ঞান নাথাকিলে বক্তা আৰু শ্রোতাৰ মাজত ভাব বিনিময় অসম্ভৱ। দৰাচলতে ধ্বনি, ধাৰণা, বস্তু কোনোটোৱেই ভাষা নহয়। ভাষাবিজ্ঞানৰ বিশেষ পদ্ধতিৰদ্বাৰা ভাষাৰ উপাদানসমূহ বাছি উলিয়াই সিহঁতৰ লগত অর্থৰ সম্পর্ক স্থাপন কৰা হয়। শব্দ, ৰূপ, বাক্য বা আন মাধ্যমেৰে মানুহে মনৰ ভাব প্রকাশ কৰে আৰু সেই ভাব অর্থপূর্ণ হ'লেই ভাষাৰূপে স্বীকৃতি দিয়া হয়। গতিকে ভাষা হ'বলৈ হ'লে অর্থপূর্ণ হ'বই লাগিব। কেইটামান কথাৰ ওপৰত ভিত্তি কৰি মানুহৰ মনত ভাব বা ধাৰণা গঢ় লৈ উঠে। সেইকেইটা হ'ল—

- কোনো ভাষাৰ ভাষাগত ৰূপ; যেনে— শব্দ, বাক্য আৰু এইবোৰত আৰোপিত অর্থ।
- বাস্তৱ জগতৰ বস্তু আৰু সেইবোৰৰ আকৃতি, প্রকৃতি।
- অবয়বসহ একক স্থিতি।
- স্বাভাৱিক লক্ষণ সার্বজনীনতা।

C.K. Ogden আৰু I.A. Richards এ ত্রিভূজৰ সহায়ত দাঙি ধৰা বিশ্লেষণ, চচ্যুৰে ভাষাবিজ্ঞানত আগবঢ়োৱা অর্থ বিশ্লেষণৰ ধাৰণাৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অর্থ ত্রিভূজৰ ধাৰণাটো কোনে কোনে ক'ত উল্লেখ কৰি গৈছে?

.....

.....

প্রসংগক্রমে উল্লেখযোগ্য যে সাধাৰণতে দুটা দৃষ্টিভংগীৰে অর্থৰ বিশ্লেষণ কৰা হয়— (ক) ঐতিহাসিক (Historical) আৰু (খ) বর্ণনাত্মক বা গঠনাত্মক (Structural)। ঐতিহাসিক দৃষ্টিভংগীৰে শব্দৰ অর্থৰ বিশ্লেষণ কৰোঁতে ঘাইকৈ অর্থৰ সংজ্ঞাৰ লগতে অর্থৰ প্রকাৰ, সময়ে সময়ে হোৱা অর্থৰ পৰিৱর্তন, অর্থ পৰিৱর্তনৰ অন্তৰালত থকা বিভিন্ন কাৰণ,নতুন শব্দৰ সৃষ্টি আদি বিষয়সমূহ ঐতিহাসিক প্রেক্ষাপটত বিচাৰ কৰি চোৱা হয়। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

- **অর্থৰ প্রকাৰ ঃ** শব্দ বা বাক্যৰ মাধ্যমেৰে বক্তাই মনৰ ভাব প্রকাশ কৰোঁতে কেতিয়াবা আভিধানিক অর্থ প্রেৰণ নকৰি অন্য অর্থহে প্রেৰণ কৰে। ঠিক একেদৰে শ্রোতায়ো কেতিয়াবা বক্তাৰ প্রেৰিত অর্থ গ্রহণ নকৰি কেতিয়াবা তাৰ বিপৰীত অর্থহে গ্রহণ কৰে। ইয়াৰ মূল কাৰণ হৈছে, বক্তাই প্রেৰণ কৰা বাক্যত হোৱা শব্দৰ সংযোজনৰ ওপৰত শ্রোতাৰ অর্থ গ্রহণ নির্ভৰশীল। সেয়েহে শব্দৰ সংযোজনৰ ওপৰত নির্ভৰ কৰি অর্থ বিভিন্ন ধৰণৰ হ'ব পাৰে। সেইসমূহৰ ভিতৰত—

- অভিধেয় অর্থ (Conceptual meaning)
- লক্ষ্যার্থ (Connotative meaning)
- ব্যঙ্গার্থ (Non-natural meaning)
- আনুভূতিক অর্থ (Emotive meaning)
- উদ্দিষ্টার্থ (Thematic meaning) আদি।

- *অভিধেয় অর্থ ঃ* বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ পৰস্পৰৰ লগত পৰস্পৰৰ সম্পৰ্ক স্থাপন কৰি বক্তাই মনৰ অভিপ্ৰায় প্ৰকাশ কৰাকে অভিধেয় অর্থ বোলে। সাধাৰণভাৱে বক্তাই উচ্চাৰণ কৰা শব্দবোৰে বাহ্যিক জগতৰ লগত সম্পৰ্ক থকা দৃশ্যমান অথবা দৃশ্যমান নোহোৱা সকলো ধৰণৰ আভিধানিক অর্থ সূচনা কৰা বস্তুৰ ভাবচিত্ৰ এখন শ্ৰোতাৰ সন্মুখত আনি দিয়ে। অৱশ্যে এই ক্ষেত্ৰত শ্ৰোতাৰ পূৰ্বজ্ঞান থকাটো অত্যাৱশ্যকীয়। অর্থবিজ্ঞানত ভাষাৰ অভিধেয় অর্থ বিশ্লেষণেই হৈছে মুখ্য বিষয়। উদাহৰণস্বৰূপে— 'গৰু' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে ঘৰচীয়া চাৰিঠেঙীয়া জন্তুটোৰ কথা মনলৈ আহে। ইয়ে হৈছে শব্দৰ অভিধেয় অর্থ।
- *লক্ষ্যার্থ ঃ* বক্তাই উচ্চাৰণ কৰা শব্দ বা বাক্যবোৰে সূচনা কৰা অভিধেয় অর্থৰ উপৰি কেতিয়াবা তাৰ লক্ষণা গুণৰ বাবে শ্ৰোতাৰ মনলৈ অন্য এটা ভাব আনি দিয়ে; তেনে অর্থকে লক্ষ্যার্থ বোলা হয়। এনে ক্ষেত্ৰত অভিধেয় অর্থৰ সলনি লক্ষণা গুণটোহে মুখ্য হৈ পৰে। উদাহৰণস্বৰূপে— 'এই গাধবোৰক পঢ়াই একো লাভ নাই' বাক্যটোত 'গাধবোৰক' অর্থাৎ গাধ নামৰ চাৰিঠেঙীয়া সাধাৰণতে বোজা কঢ়িওৱা জন্তুবোৰক বুজোৱা নাই। কিয়নো সেই জন্তুবিধক স্বাভাৱিকতেই কোনেও পঢ়ুৱাবলৈ নাযায়। পঢ়াৰ সম্পৰ্ক সদায় ছাত্ৰ-ছাত্ৰীৰ লগতহে থাকে। গতিকে বক্তাই গাধবোৰ বুলি কওঁতে শ্ৰোতাই মূৰ্খ অথবা পঢ়াৰ ক্ষেত্ৰত দূৰ্বল ছাত্ৰ-ছাত্ৰীৰ অর্থহে গ্ৰহণ কৰিব লাগিব। এনেদৰে 'গাধবোৰ' শব্দৰ অভিধেয় অর্থৰ সলনি তাৰ লগত সম্পৰ্ক জড়িত কৰি বুজোৱা অর্থ 'মূৰ্খ ছাত্ৰ-ছাত্ৰীবোৰ'-এ গ্ৰহণ কৰা অর্থটোৱে হৈছে লক্ষ্যার্থ। সাধাৰণতে বক্তাই আভিধানিক অর্থৰ সলনি অন্য কোনো অভিপ্ৰায়ত প্ৰয়োগ কৰিবলৈ হ'লে অভিধেয় অর্থৰ ঠাইত তাৰ লক্ষণা গুণযুক্ত শব্দৰ জৰিয়তে লক্ষ্যার্থৰ ভাব প্ৰকাশ কৰে।
- *ব্যঙ্গার্থ ঃ* বাক্যত ব্যৱহৃত শব্দবোৰে কেতিয়াবা অভিধেয় অর্থ আৰু লক্ষ্যার্থই ঢুকি নোপোৱা অন্য ভাবো প্ৰকাশ কৰিব পাৰে। এনে অর্থকে ব্যঙ্গার্থ বোলা হয়। উদাহৰণস্বৰূপে— ঘৰৰ গৃহস্থজনে যদি ঘৰৰ সকলোৱে শুনাকৈ সকীয়াই কয়, "হেৰ, চৰাই-চিৰিকটি বাহত সোমাল"; তেতিয়া ঘৰৰ গৃহিণীয়ে বুজিব যে, গধূলি হ'ল ৰান্ধনী ঘৰত সোমাবলৈ গা-ধুবৰ হ'ল অথবা গধূলি হ'ল, লেম্প-চাকি জ্বলাবৰ হ'ল। চোতালত খেলি থকা ল'ৰা-ছোৱালীয়ে বুজিব যে, খেলা সামৰি মুখ-হাত ধুই কিতাপ ল'বৰ হ'ল। 'চৰাই-চিৰিকটি বাহত সোমাল' বাক্যটোৱে নিজ খাদ্যৰ সন্ধানৰ বাবে ওলাই যোৱা চৰাই-চিৰিকটি বাহত সোমোৱা যি অর্থ বহন কৰিছে সেয়া হৈছে অভিধেয় বা মুখ্য অর্থ।

অন্যহাতে 'ৰান্ধনী ঘৰত সোমাবলৈ গা-ধুবৰ হ'ল', 'গধূলি হ'ল লেম্প-চাকি জ্বলাবৰ হ'ল', 'খেলা সামৰি মুখ-হাত ধুই কিতাপ ল'বৰ হ'ল' আদি নির্দিষ্ট পৰিৱেশত খাপ খোৱা যিকেইটা অর্থ পোৱা গ'ল সেইকেইটা মুখ্য অভিধেয় অর্থৰ লগত কোনো সম্পর্ক নাই, তথাপি উল্লিখিত বাক্যটোৱে সেই অর্থসমূহো বহন কৰিছে। এনেদৰে অভিধেয় অর্থৰ উপৰি তাৰ লগত সম্পর্ক নথকা অন্য নতুন অর্থ প্রকাশ কৰাটোৱে হৈছে ব্যঙ্গার্থ।

- *আনুভূতিক অর্থ ঃ* আনুভূতিক অর্থ বক্তা আৰু শ্রোতাৰ সংস্কাৰৰ ওপৰত নির্ভৰশীল। কিছুমান শব্দ এনেয়ে সাধাৰণ অর্থবাচক যদিও সংস্কাৰৰ বাবে শ্রোতাৰ অনুভূতিক আঘাত কৰিব পাৰে। জাত-পাত বুজোৱা শব্দ, অশ্লীল শব্দ, আর্থিক বৈষম্যসূচক শব্দ আদি এনেধৰণৰ।
- *উদ্দিষ্টার্থ ঃ* যেতিয়া বক্তাই কোনো নির্দিষ্ট ভাব বা বিষয়ৰ ওপৰত গুৰুত্ব দি কোনো শব্দ বা বাক্য উচ্চাৰণ কৰে, তেনে অর্থকে উদ্দিষ্টার্থ বোলা হয়। উদাহৰণস্বৰূপে—

  (ক) তুমি আজি আহিবা।

  (খ) তুমি আজিয়েই আহিবা।

  ওপৰৰ দুয়োটা বাক্য প্রায় একে যেন লাগিলেও দুয়োটা বাক্যৰ অর্থ বেলেগ ধৰণেৰে প্রকাশ পাইছে। প্রথম বাক্যত দ্বিতীয় পুৰুষজন আজি অহাৰ ভাব প্রকাশ পাইছে; কিন্তু দ্বিতীয়টো বাক্যত দ্বিতীয় পুৰুষজন অন্য দিনা নহয় 'আজিয়েই' অহাৰ কথা প্রকাশ পাইছে। সাধাৰণতে বাক্যত প্রয়োজন অনুসৰি সুৰ, সুৰ লহৰ, শ্বাসাঘাত আদি প্রয়োগ কৰি সাধাৰণ ভাবপ্রকাশক বাক্য এটাক উদ্দিষ্টার্থসূচক বাক্যলৈ পৰিণত কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লক্ষ্যার্থ কাক বোলে?

.....

.....

- **অর্থ পৰিৱর্তনৰ ধাৰা ঃ** পৰিৱর্তনশীল সময়ৰ লগে লগে যিদৰে ভাষাৰো পৰিৱর্তন হয়, সেইদৰে ভাষাৰ উপাদানসমূহৰ ঘাইকৈ ধ্বনিৰ উচ্চাৰণ, শব্দৰ অর্থ আদিতো পৰিৱর্তনে ধৰা দিয়ে আৰু স্বাভাৱিকতেই ভাষাৰ বিচাৰ-বিশ্লেষণতো পৰিৱর্তন আহি পৰে। ভাষাত ব্যৱহৃত শব্দৰ অর্থত হোৱা পৰিৱর্তনকে অর্থ পৰিৱর্তন বোলা হয়। অর্থ পৰিৱর্তন ভাষিক পৰিৱর্তনৰ মহত্বপূর্ণ প্রক্রিয়া বুলি ক'ব পাৰি।

  বিভিন্ন কাৰণত শব্দৰ নির্দিষ্ট অর্থৰ পৰিৱর্তন হোৱা দেখা যায়। ভাষা এটা শুদ্ধকৈ ব্যৱহাৰ কৰিবলৈ হ'লে, বিশেষকৈ শব্দ এটা শুদ্ধকৈ প্রয়োগ কৰিবলৈ হ'লে অর্থৰ পৰিৱর্তনৰ ইতিহাস জনাটো অতি প্রয়োজন। মানুহে কেতিয়াবা নজনাকৈ শব্দৰ অর্থ আৰোপ কৰে।

এনেদৰে আৰোপ কৰোঁতে কেতিয়াবা শব্দৰ অর্থৰ পৰিসৰ বহল হয়, কেতিয়াবা সংকুচিত হয় আৰু কেতিয়াবা সম্পূর্ণ বেলেগ ধৰণেৰে অর্থ আৰোপ কৰে। আকৌ ভৌগোলিক, সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক পৰিৱর্তনে শব্দৰ অর্থতো পৰিৱর্তন ঘটায়। শব্দতাত্ত্বিক দিশৰপৰাও অর্থৰ পৰিৱর্তন ঘটে। আলংকাৰিক প্রয়োগত, ব্যুৎপত্তিগত অজ্ঞানতাৰ বাবে অথবা কেতিয়াবা নতুন সন্দর্ভ বা নতুন ধাৰণাৰ অৱতাৰণা কৰিবলৈ প্রয়োগ কৰা শব্দৰ ক্ষেত্রত অর্থৰ পৰিৱর্তন আহে। শব্দৰ এনেধৰণৰ পৰিৱর্তন অতি বৈচিত্র্যপূর্ণ। শব্দৰ অর্থৰ পৰিৱর্তনক মূলতঃ তিনিপ্রকাৰে ভাগ কৰিব পাৰি, যাক অর্থ পৰিৱর্তনৰ ত্রিধাৰা বুলি কোৱা হয়। সেয়া হৈছে— (ক) অর্থ বিস্তাৰ (Expansion of meaning), (খ) অর্থ সংকোচ (Contraction of meaning), (গ) অর্থ সংশ্লেষ (Transference of meaning)।

- *অর্থবিস্তাৰ ঃ* কোনো শব্দৰ অর্থই বিস্তাৰিত ৰূপ পোৱাকে অর্থবিস্তাৰ বোলা হয়। পূর্বতে সীমিত আৰু কোনো নির্দিষ্ট বস্তুক বুজোৱা কিছুমান শব্দার্থই সময়ৰ লগে লগে তাৰ সীমিত পৰিসৰ অতিক্রমি ব্যাপক অর্থ প্রকাশ কৰিবলৈ লোৱা দেখা যায়। শব্দৰ এনে পৰিৱর্তনকে অর্থৰ বিস্তাৰ ঘটা বুলি কোৱা হয়। যেনে—'প্রৱীণ' শব্দই পোনতে বীণা বজোৱাত পাৰ্গত লোককহে বুজাইছিল; কিন্তু বর্তমান সময়ত যিকোনো কাম নিপুণভাৱে কৰিবপৰা জেষ্ঠ লোককে প্রৱীণ আখ্যা দিয়া হয়। যেনে— প্রৱীণ খেলুৰৈ, প্রৱীণ সাহিত্যিক আদি। ঠিক সেইদৰে, সংস্কৃতৰ 'গোষ্ঠী' শব্দই গাই-গৰুৰ জাক, গোশাল তেনে অর্থহে বহন কৰিছিল; কিন্তু সম্প্রতি গোট বা দল অর্থকো ই সাঙুৰি লৈছে। যেনে— কবিগোষ্ঠী, দার্শনিক গোষ্ঠী আদি। একেদৰে, 'বুৰঞ্জী' শব্দটোৱে আহোম ৰজাসকলৰ দিনত ৰাজনৈতিক ঘটনাৱলী, লিপিবদ্ধ কৰি ৰখা পুথিসমূহক বুজাইছিল; কিন্তু বর্তমান 'বুৰঞ্জী' শব্দটোৰ পৰিসৰ বৃদ্ধি কৰা হ'ল। যেনে— ভাষাৰ বুৰঞ্জী, সাহিত্যৰ বুৰঞ্জী, সংস্কৃত সাহিত্যৰ বুৰঞ্জী, অসম বুৰঞ্জী, ভাৰত বুৰঞ্জী, অর্থনৈতিক বুৰঞ্জী আদি।
- *অর্থসংকোচ ঃ* কোনো শব্দৰ অর্থৰ ক্ষেত্র সীমিত হোৱা অর্থাৎ ব্যাপক অর্থ প্রকাশ কৰা কোনো শব্দই সময়ৰ লগে লগে তাৰ সীমিত অর্থ প্রকাশ কৰাই হৈছে অর্থসংকোচ। অর্থসংকোচ অর্থবিস্তাৰৰ ঠিক ওলোটা প্রক্রিয়া। ইয়াত অর্থৰ ক্ষেত্রৰ পৰিৱর্তন নহয়, কিন্তু অর্থই পূর্বতে সামৰি লোৱা পৰিসৰ সংকুচিত হয়। এটা সময়ত কিছুমান শব্দৰ অর্থই যথেষ্ট বহল পৰিসৰক সামৰি লৈছিল; কিন্তু পৰৱর্তী সময়ত বিভিন্ন কাৰণত বিভিন্ন পৰিস্থিতিত সেই শব্দই ঠেক গণ্ডীত অর্থ প্রকাশ কৰিবলৈ লয়। সেয়াই অর্থসংকোচ।

সংস্কৃত ভাষাত 'মৃগ' শব্দই সকলো পশুকে বুজাইছিল। গছৰ ডালত বহা মৃগৰ ৰূপত থকা বান্দৰক 'শাখামৃগ' বুলি কোৱা হৈছিল। পশুৰ ভিতৰত ৰজা অর্থাৎ সিংহক বুজাবলৈ মৃগ+ইন্দ্র=মৃগেন্দ্র শব্দ ব্যৱহাৰ কৰা হৈছিল। সেইদৰে 'মৃগ' শব্দৰপৰা সৃষ্ট 'মৃগয়া' শব্দই পশু চিকাৰ কৰা অর্থক বুজায়। বর্তমান পশুৰ পর্যায়বাচী হিচাপে সৃষ্ট 'মৃগ' শব্দই অসমীয়াত অন্য পশুক বাদ দি কেৱল 'হৰিণ'কহে বুজায়। সেইদৰে 'সন্ধ্যা'

শব্দই সন্ধিকাল অর্থাৎ ৰাতিপুৱা, দুপৰীয়া, আবেলি, গধুলি আদি সকলো সময়ৰ সন্ধিকালক বুজা গৈছিল; কিন্তু এতিয়া কেৱল আবেলি আৰু ৰাতিৰ সন্ধিকালটোকহে বুজা যায়। ইংৰাজীৰ 'meat' শব্দই পূর্বতে যিকোনো আহাৰকে বুজাইছিল। বর্তমান ই কেৱল মাংসক বুজায়। গতিকে আলোচিত দুয়োটা শব্দৰ অর্থৰ সংকোচন ঘটিছে।

- *অর্থ সংশ্লেষ ঃ* সময়ৰ পৰিৱর্তনৰ লগে লগে সমাজ আৰু সংস্কৃতিৰো পৰিৱর্তন হয়। সংস্কৃতিৰ পৰিৱর্তনৰ ফলত পূর্বতে ব্যৱহৃত কিছুমান বস্তুৰ ব্যৱহাৰ নোহোৱা হয়, সেইবোৰ বস্তুৰ বিলুপ্তি হয় আৰু নতুন বস্তুৰ আমদানি ঘটে। ফলস্বৰূপে কেতিয়াবা তেনে শব্দসমূহৰ অর্থ সংশ্লেষ হয় নতুবা সম্পূর্ণৰূপে নোহোৱা হৈ পৰে। উদাহৰণস্বৰূপে— বেজবৰুৱাৰ লেখনীত পোৱা 'কাপ-মৈলাম' শব্দৰ 'কাপ'ৰ অর্থ হৈছে 'কলম'; কিন্তু আজিকালিৰ ল'ৰা-ছোৱালীয়ে 'কাপ' শব্দটো কেৱল 'পিয়লা' (ইংৰাজীৰ cup) বুজাবলৈহে ব্যৱহাৰ কৰে। চাবলৈ গ'লে ইও একপ্রকাৰ অর্থসংকোচহে। অর্থসংকোচৰে কিছুমান শব্দই এটা সময়ত যি অর্থ প্রকাশ কৰিছিল সময়ৰ লগে লগে তাৰ অন্য অর্থ প্রকাশ কৰিবলৈ লোৱা দেখা যায়। অর্থৰ এনে পৰিৱর্তনকে অর্থ সংশ্লেষ বোলা হয়। যেনে— অসমীয়াত 'চহকী' শব্দই পোনতে চহ কৰা লোক অর্থাৎ খেতি কৰা লোকসকলক বুজাইছিল। বর্তমান এই শব্দটোৱে যিকোনো কর্মৰে উপার্জিত ধন-সম্পত্তিৰে সমৃদ্ধ সকলো লোককে বুজায়। একেদৰে সংস্কৃত 'মহাজন' শব্দই ডাঙৰ মানুহ, বিখ্যাত পুৰুষ, মহান পুৰুষক বুজাইছিল। বর্তমান পুঁজিপতি লোককহে বুজোৱা হয়। আনকি গেলামালৰ দোকানী, মাটিৰ দালাল, বেপাৰী, যিকোনো ব্যৱসায়— গাখীৰৰ ব্যৱসায়, খৰিৰ ব্যৱসায়, ধানৰ ব্যৱসায় আদি কৰি ধন উপার্জন কৰা লোককো 'মহাজন' আখ্যা দিয়া হয়।

উল্লিখিত তিনিটা ধাৰাৰ উপৰি অর্থ পৰিৱর্তনৰ আৰু কিছুমান ধাৰা লক্ষ্য কৰা যায়। সেইবোৰ হৈছে— অর্থোন্নতি, অর্থ অৱনতি, অর্থোৎকর্ষ, অর্থাপকর্ষ, অর্থান্তৰ আদি। অর্থোন্নতি মানে শব্দার্থৰ উন্নতি ঘটা। অর্থবিস্তাৰ আৰু অর্থসংকোচত কিছুমান শব্দৰ অর্থৰ ক্ষেত্র পৰিৱর্তন হয় আৰু অর্থোন্নতিত শব্দৰ অর্থৰ ক্ষেত্র একেই থাকে কোনো পৰিৱর্তন নহয়; কিন্তু শব্দৰ অর্থগুণৰ পৰিৱর্তন হয়। ইয়াত প্রথম অৱস্থাত কোনো এটা শব্দত যি অর্থ আৰোপ কৰা হৈছিল, সেই অর্থ কালনিৰপেক্ষভাবে বর্তি থাকে; কিন্তু সেই অর্থৰ স্তৰত কিছু পৰিৱর্তনে দেখা দিয়ে। এইধৰণৰ পৰিৱর্তন ধাৰণাত্মক হয়। পাচী-আৰৰীত 'হাৰামজাদা' শব্দৰ অর্থ আছিল 'অবৈধ সন্তান'; 'বজ্জাত' (বদ+জাত) শব্দৰ অর্থ আছিল নীহকুলীয়; অসমীয়াত এই দুয়োটা শব্দৰ অর্থ উন্নত হৈ 'দুষ্ট' অর্থতহে ব্যৱহাৰ কৰা হয়। অর্থোন্নতিৰ মূল কাৰণ বিচাৰ কৰিলে সময়ৰ লগে লগে সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতি আৰু পৰম্পৰাত অহা পৰিৱর্তনে মুখ্য ভূমিকা গ্রহণ কৰে। সময়ৰ বিকাশৰ লগে লগে সামাজিক প্রমূল্য আৰু স্বীকৃতিতো পৰিৱর্তন আহি পৰে আৰু তেনে প্রমূল্য আৰু স্বীকৃতিয়ে শব্দৰ সৌন্দর্য বৃদ্ধি কৰে। আধুনিক চিন্তাধাৰাৰ বিকাশ, জ্ঞান-বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রগতি আদিয়েও সামাজিক ধ্যান-ধাৰণাত পৰিৱর্তন আনি দিয়ে। এনেদৰেই ঐতিহাসিক, সামাজিক, সাংস্কৃতিক

তথা বিজ্ঞানৰ প্ৰযুক্তিৰ বিকাশেই অৰ্থোন্নতিৰ মুখ্য কাৰণ বুলি ক'ব পাৰি।

অৰ্থোন্নতিৰ বিপৰীত প্ৰক্ৰিয়াই অৰ্থৰ অৱনতি। অৰ্থৰ অৱনতিও সামাজিক মূল্য আৰু সামাজিক স্বীকৃতিৰ পৰিৱৰ্তনৰ পৰাই নিৰ্ধাৰণ কৰা হয়। শিক্ষাৰ বিকাশ, ৰাজনৈতিক পদ্ধতি বা প্ৰক্ৰিয়াৰ পৰিৱৰ্তন, অন্য সামাজিক ব্যৱস্থাৰ সৈতে থকা সম্পৰ্ক, জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ, সমাজক নিয়ন্ত্ৰিত কৰা সামাজিক বৰ্গৰ অস্তিত্বৰ বাবে অহা পৰিৱৰ্তন তথা ঐতিহাসিক প্ৰসংগত সামাজিক ধাৰণাত অহা সহজ স্বাভাৱিক অন্তৰায় আদি কাৰণৰ পৰাই শব্দৰ অৰ্থৰ অৱনতি ঘটে। 'ধুৱন্ধৰ' শব্দই শ্ৰেষ্ঠ বা প্ৰধান অৰ্থ প্ৰকাশ কৰিছিল; কিন্তু অৰ্থৰ অৱনতি ঘটি অসমীয়াত লম্পট, দগাবাজ, দুষ্ট লোককহে বুজাবলৈ ধৰিলে। সেইদৰে 'পাষণ্ড' শব্দৰ মৌলিক অৰ্থ আছিল 'ধৰ্মসম্প্ৰদায়' (অশোকৰ অনুশাসন)। কিন্তু সেই শব্দটোৱে পিছত বিৰুদ্ধ ধৰ্মসম্প্ৰদায়কহে বুজোৱা হ'ল; অৰ্থাৎ ধৰ্মজ্ঞানহীন, অত্যাচাৰী লোককহে বুজাবলৈ ধৰিলে।

অৰ্থোৎকৰ্ষ মানে অৰ্থৰ উৎকৰ্ষ হোৱা বুজা যায়। সময় অনুসৰি কোনো শব্দৰ অৰ্থৰ উদ্‌গতি হৈ গৈ থাকিলে তেনে শব্দাৰ্থক অৰ্থোৎকৰ্ষ বুলি কোৱা হয়। অৰ্থবিস্তাৰত অৰ্থৰ ক্ষেত্ৰৰ বিস্তাৰ সাধন হয় আৰু অৰ্থোন্নতিত আৰোপিত অৰ্থ সেই একেই ক্ষেত্ৰত সীমিত ৰূপত প্ৰয়োগ হৈও তাৰ অৰ্থৰ সৌন্দৰ্য বৃদ্ধি পায়; কিন্তু অৰ্থোৎকৰ্ষত ব্যক্ত শব্দৰ অৰ্থৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন সাধন হৈ নঞৰ্থক প্ৰসংগৰ সলনি সদৰ্থক প্ৰসংগত অৱতাৰণা কৰা হয়। কোনো শব্দই প্ৰকাশ কৰা হেয় বা নিন্দিত প্ৰসংগৰ অৰ্থক পৰিত্যাগ কৰি তাৰপৰা কোনো বেলেগ ভাল প্ৰসংগৰ অৰ্থ বুজাবলৈ প্ৰয়োগ কৰিলে অথবা পূৰ্বৰেপৰা চলি থকা কোনো বস্তুক বুজোৱা শব্দৰ ঠাইত অন্য যোগাত্মক অৰ্থ প্ৰকাশ কৰিবলৈ প্ৰয়োগ কৰা শব্দক প্ৰকৃতাৰ্থত ভাষাবিজ্ঞানৰ আলোচনাত অৰ্থোৎকৰ্ষ বুলি কোৱা হয়। উদাহৰণস্বৰূপে— সংস্কৃতত 'সাহস' শব্দই হত্যা, চুৰি, লুট, ব্যভিচাৰ আদি অৰ্থক বুজাইছিল; কিন্তু অসমীয়াত শৌৰ্য, বীৰ্য, ক্ষমতা আদিক বুজোৱা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে কোনো কোনো ভাষাবিদে অৰ্থোন্নতি আৰু অৰ্থোৎকৰ্ষক একেটা ৰূপৰ মাজতে আলোচনা কৰিছে যদিও এই দুয়োটাৰ মাজত সূক্ষ্ম প্ৰভেদ পৰিলক্ষিত হোৱা দেখা যায়।

সময়ৰ গতিত কোনো শব্দৰ অৰ্থগুণৰ অৱনতি হ'লে তাক অৰ্থাপকৰ্ষ বুলি কোৱা হয়। কোনো উত্তম বিষয় বা বস্তুক বুজোৱা শব্দই সময়ৰ সোঁতত হেয়, তুচ্ছ বা নঞৰ্থক ভাব প্ৰকাশ কৰিলে তেনে শব্দৰ অৰ্থৰ অৱনতি ঘটা বুলি মনা হয়। অৰ্থসংকোচত শব্দই বহন কৰা অৰ্থৰ পৰিসৰ সীমিত হয়। অৰ্থৰ অৱনতিত অৰ্থৰ ক্ষেত্ৰ সংকুচিত হোৱাৰ লগতে সামাজিক পৰিৱেশগত কাৰণত শব্দৰ অৰ্থৰ অৱনতি ঘটে। ইয়াতো অৰ্থৰ ক্ষেত্ৰ-পৰিৱৰ্তন হয় আৰু পৰিৱৰ্তিত অৰ্থই সদৰ্থক অৰ্থৰ সলনি নঞৰ্থক অৰ্থ বহন কৰে। এনেদৰেই শব্দই উত্তম অৰ্থক বাদ দি অৱনত অৰ্থক গ্ৰহণ কৰা প্ৰক্ৰিয়াকে শব্দতত্ত্বৰ আলোচনাত অৰ্থাপকৰ্ষ বুলিব পাৰি। সংস্কৃতত পোনতে 'জুগুপ্সা' শব্দই 'ৰক্ষা কৰা' বা 'পালন-পোষণ' কৰিবলৈ বিচৰা' অৰ্থ বুজোৱা হৈছিল পৰৱৰ্তী সময়ত ঘৃণা কৰা অৰ্থহে বুজাবলৈ ধৰে।

কোনো শব্দই নিজৰ নির্দিষ্ট অর্থ সম্পূর্ণভাবে এৰি অন্য অর্থ গ্রহণ কৰা প্রক্রিয়াই হৈছে অর্থান্তৰ। অর্থৰ উন্নতি-অৱনতি, উৎকর্ষ-অপকর্ষ, বিস্তাৰ-সংকোচ আদি নিয়মসমূহ অর্থান্তৰৰ ক্ষেত্রত প্রয়োগ নহয়। শব্দই নিজৰ অর্থ এৰি পেলোৱাই অর্থান্তৰ। অসমীয়া ভাষাত অর্থান্তৰৰ উদাহৰণলৈ মন কৰিলে অসমীয়া জতুৱা খণ্ডবাক্যবোৰে বহুলাংশ আগুৰি আছে। যেনে— 'চকু' মানে শৰীৰৰ এক প্রকাৰৰ অংগ, যাৰ জৰিয়তে জীৱৰ চাৰিওকাষৰ পৰিৱেশ দৃষ্টিগোচৰ হয়। আনহাতে 'মুদা' মানে জাপ যোৱা। কিন্তু যেতিয়া 'চকু মুদা' বুলি কোৱা হয়, তেতিয়া মৃত্যু হোৱা, প্রাণ এৰাহে বুজা যায়। সেইদৰে 'হাত' মানে শৰীৰৰ একপ্রকাৰৰ অংগ। 'দীঘল' মানে জোখৰ এটা মাপ। কিন্তু 'হাতদীঘল' শব্দৰ অর্থ হৈছে ক্ষমতাশালী। ইয়াত এটাও মূল অর্থ ৰক্ষিত হোৱা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অর্থসংকোচ মানে কি?

.....

প্রশ্ন নং ৪ ঃ অর্থোৎকর্ষ বুলিলে কি বুজে?

.....

- **অর্থ পৰিৱর্তনৰ কাৰণ ঃ** অর্থ পৰিৱর্তনৰ মূল কাৰণ বিচাৰ কৰিলে মানুহৰ মনোবৈজ্ঞানিক জগতখনৰপৰা আৰম্ভ কৰি সাংস্কৃতিক, ভৌগোলিক, ভৌতিক আদি বহু পৰিবেশৰ লগত এই কাৰণসমূহ জড়িত। সময়ৰ লগে লগে অন্যান্য ভাষা-ভাষীৰ প্রভাৱৰ ফলস্বৰূপে সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতি, মানুহৰ ৰুচিবোধ, নম্রতা প্রদর্শন, সংস্কাৰ, আলংকাৰিক প্রয়োগ আদিতো পৰিৱর্তন আহে। জ্ঞান-বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রগতিয়েও সামাজিক ধ্যান-ধাৰণাত পৰিৱর্তন আনি দিয়ে। সেই সকলো দিশেৰে পর্যবেক্ষণ কৰি ভাষাবৈজ্ঞানিকসকলে অর্থপৰিৱর্তনৰ কেইটামান কাৰণ উল্লেখ কৰিছে। সেয়া তলত আলোচনা কৰা হ'ল—
  - ➢ *পৰিৱেশজনিত কাৰণ ঃ* কেতিয়াবা সমাজৰ পৰিৱর্তন, স্থানৰ পৰিৱর্তন আদিৰ ফলত শব্দৰ অর্থৰো পৰিৱর্তন হয়। মানুহে জীৱিকাৰ পথ বিচাৰি এঠাইৰপৰা অন্য ঠাইলৈ প্রব্রজন কৰোঁতে সমাজৰো পৰিৱর্তন ঘটে। ফলত দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন ক্ষেত্রত বিভিন্ন নতুন শব্দৰ আগমন ঘটে। বৈদিক সংস্কৃততে বেদৰ স্তুতিগীতবোৰত 'উষ্ট্র' শব্দই ম'হ বা মেথোনক বুজাইছিল, পাছলৈ এই 'উষ্ট্র' শব্দৰপৰা সৃষ্টি হোৱা 'উট' শব্দই কেৱল মৰুভূমি অঞ্চলত মানুহে অহা-যোৱা কৰা বাহন হিচাপে ব্যৱহাৰ কৰা এবিধ জন্তুক বুজোৱা হ'ল। মানুহৰ প্রব্রজনৰ বাবেই এই শব্দৰ অর্থ পৰিৱর্তন হৈছে বুলিব পাৰি। ধর্মীয় আৰু সামাজিক পৰিৱেশত একেটা শব্দই মূল অর্থতকৈ অধিক অর্থ প্রকাশ কৰিব পাৰে। যেনে— ইংৰাজী 'father' শব্দৰ অসমীয়া অর্থ হৈছে 'দেউতা'; কিন্তু খ্রীষ্টান ধর্মীয় পৰিৱেশত ধর্মযাজকজনক 'father' বোলা হয় আৰু খ্রীষ্টান

শিক্ষানুষ্ঠানসমূহত ছাত্র-ছাত্রীসকলে অনুষ্ঠানৰ মুৰব্বীজনক 'father' বুলিয়ে সম্বোধন কৰে। সমাজ পৰিৱৰ্তনৰ লগে লগে কিছুমান শব্দৰ অর্থয়ো পৰিৱৰ্তিত অর্থ বহন কৰে। আহোম যুগত বিশেষ বিষয়বাবৰ অধিকাৰী হিচাপে বৰফুকন, বৰগোঁহাই, হাজৰিকা, শইকীয়া আদি উপাধি প্রদান কৰা হৈছিল; কিন্তু আজিকালি সেইবোৰ শব্দ জন্মগতভাৱে লাভ কৰা কেৱল নামৰ পাছত লিখা একো একোটা উপাধিহে।

- *আলঙ্কাৰিক প্রয়োগ ঃ* বক্তব্য শুৱলা হ'বৰ বাবে মানুহে ভাষাত অলংকাৰ প্রয়োগ কৰে। এনে অলঙ্কাৰ প্রয়োগে শব্দৰ অর্থৰ পৰিৱৰ্তন ঘটায়। বহুক্ষেত্রত দেখা যায়, অলঙ্কাৰ প্রয়োগৰ ফলত যি পৰিৱৰ্তিত অর্থৰ সূচনা কৰে তাৰ লগত মূল অর্থৰ কোনো সম্পর্ক বিচাৰি পোৱা নাযায়। ভাষাভেদে এনে অলঙ্কাৰ ভিন ভিন। আলঙ্কাৰিক প্রয়োগে ভাষাৰ প্রকাশিকা শক্তি বৃদ্ধি কৰে আৰু তাৰ মাজতে মানুহৰ মনৰ সৌন্দর্যবোধ প্রতিফলন ঘটে। যেনে—" আকস্মিক দূর্ঘটনাটোৰ খবৰ শুনি গোটেই চুবুৰীটোৱে কাঁহ পৰি জীণ গৈছে।" বাক্যটোৰ 'কাঁহ পৰি জীণ গৈছে' খণ্ডবাক্যটোৰ জৰিয়তে চুবুৰীটোৰ নির্জনতাৰ কথাহে বুজাইছে। সেইদৰে, আকাশত চাং পতা, পানীৰ মিঠৈ, গাই বাই চা, ডলাৰ বগৰী, গা টঙা, গা লৰা আদি খণ্ডবাক্যবোৰে আক্ষৰিক অর্থ বা শব্দৰ প্রচলিত অর্থ বহন নকৰি অন্য একোটা বিশেষ ব্যঞ্জনা অর্থহে বহন কৰে যাৰ জৰিয়তে বক্তব্য অধিক আকর্ষণীয় কৰি তোলাত সহায়ক হয়।
- *নম্রতা প্রদর্শন ঃ* কেতিয়াবা নম্রতা প্রদর্শন কৰিবলৈ গৈও মূল শব্দৰ অর্থৰ পৰিৱৰ্তন হয়। বহুতো লোকে বিনয় ভাবত 'মই' ৰ পৰিৱৰ্তে 'আমি' ব্যৱহাৰ কৰে। পুৰণি কালত ৰজাৰ আগত প্রজাই নিজকে 'বন্দী' বুলি কৈ নম্রতা প্রদর্শন কৰে। সেইদৰে নিজৰ ঘৰটো সুন্দৰ আৰু স্থায়ী হ'লেও দৰিদ্রৰ ভগা পঁজা বুলি কৈ বিনয় প্রদর্শন কৰে। সেয়ে নিজৰ গৃহত আয়োজিত কোনো অনুষ্ঠানৰ নিমন্ত্রণী পত্রত 'দৰিদ্রৰ ভগা পঁজাত অকনমাণ পদধূলা পেলালে পৰম কৃতার্থ হ'ম' বুলি ব্যক্ত কৰি নিমন্ত্রণী পত্র আগবঢ়ায়।
- *সংস্কাৰজনিত কাৰণ ঃ* সামাজিক সংস্কাৰৰ বাবে কিছুমান শব্দ উচ্চাৰণ দোষণীয় বুলি ভবা হয়। ইয়াৰ ফলতো অর্থ পৰিৱৰ্তন হয়। অসমীয়া সমাজত ৰাতি 'হালধি' আৰু 'চূণ' বুলি উচ্চাৰণ নকৰে। কিছুমান দোকানীয়ে ৰাতি এই দুপদ বস্তু বিক্রী নকৰে; কিন্তু 'হালধি'ৰ সলনি 'ৰং' বা 'ৰংগুড়া' আৰু 'চূণ'ৰ সলনি 'বগা' বুলি খুজিলে দিয়াত আপত্তি নাই। সেইদৰে কিছুমান বস্তুৰ নাম আকৌ ৰাতি ল'ব নাপায় বুলি কয়। 'সাপ' তেনে এবিধ প্রাণী। সেয়ে ৰাতি মানুহে 'দীঘল' বুলি কয় আৰু কেনেবাকৈ সাপ বুলি উচ্চাৰণ কৰি পালেও 'আস্তিক' বুলি তিনিবাৰ উচ্চাৰণ কৰে।
- *সুভাষণ ঃ* মানুহে সমাজত কথা কওঁতে বা কোনো বিষয় ব্যক্ত কৰোঁতে কেতিয়াবা পোনপটীয়াকৈ নকৈ পৰিৱেশৰ লগত খাপ খোৱাকৈ শুনিবলৈ শুৱলা কৰি প্রকাশ কৰে। মৃত্যুৰ বাতৰি সকলোৰে বাবে যন্ত্রণাদায়ক। তেনে দুখজনক বাতৰি প্রকাশ কৰোঁতে মৰিল বুলি নকৈ মৃত্যু হ'ল, স্বর্গগামী হ'ল, ইহলীলা সম্বৰণ কৰিলে, অনন্তধামলৈ গতি

কৰিলে, পৰলোকলৈ গতি কৰিলে, নশ্বৰ দেহ ত্যাগ কৰিলে, কালে হৰি নিলে, যমে কাঢ়ি নিলে, চকু মুদিলে, হাড় পেলালে, মহানিদ্রাত পৰিলে আদি খণ্ডবাক্যসমূহ প্ৰয়োগ কৰে। সেইদৰে জোতা তৈয়াৰ কৰা মুচী, কাপোৰ চিলোৱা দর্জী, চুলিকটা নাপিত আদি লোকক বৃত্তিগত নামেৰে চিনাকি নিদি 'মিস্ত্রী' বুলি কোৱা হয়।

- *ভাবাবেগ ঃ* মনৰ উৎফুল্লতা, অনুভূতিৰ আতিশয্যৰ পৰাও শব্দৰ অর্থৰ পৰিৱর্তন ঘটে। ক্রোধ, ভয়, আনন্দ, বিৰক্তি আদি ভাবপ্রকাশক ভীষণ, ভয়ংকৰ, বিৰাট, প্রচণ্ড, প্রবল, বিয়াগোম, প্রকাণ্ড আদি শব্দই মূল অর্থতকৈ অতিৰঞ্জিত অর্থ প্রকাশ কৰে। যেনে— ভীষণ খং, ভয়ংকৰ আন্ধাৰ, বিৰাট আয়োজন, প্রবল বানপানী, প্রচণ্ড ধুমুহা, বিয়াগোম সাপ, প্রকাণ্ড ৰঙালাউ আদি। তদুপৰি অদ্ভুত আচৰণ, অসম্ভৱ কথা আদি শব্দ শুনিবলৈ যিমান ভয়ানক; কিন্তু ব্যৱহাৰিক ক্ষেত্রত সিমান ভয়ানক নহয়।
- *অজ্ঞতাজনিত কাৰণ ঃ* কিছুমান শব্দৰ মূল অর্থ জ্ঞাত নোহোৱাৰ হেতু ভিন্ন অর্থ বুজাবৰ বাবে তেনে শব্দসমূহ প্রয়োগ কৰাৰ ফলত একোটা শব্দৰ অর্থ ভিন্ন হৈ পৰে। কেতিয়াবা মূল শব্দৰ অর্থৰ অৱনতি ঘটে, কেতিয়াবা উন্নতি ঘটে। যেনে— সংস্কৃত 'অৱদান' শব্দৰ মূল অর্থ হৈছে আত্মত্যাগৰ জৰিয়তে কৰা গৌৰৱোজ্জ্বল দান অথবা শোধন, শুদ্ধকৰণ, মহৎকর্ম আদি। কিন্তু বর্তমান সময়ত অসমীয়া অৱদান শব্দটো 'দান' অর্থতহে ব্যৱহাৰ কৰা হয়। যিকোনো দান বা সৱসুৰা কার্যকো বর্তমান অবদান বুলি কোৱা হয়।
- *গৌণার্থৰ প্রাধান্য ঃ* সময়ৰ পৰিৱর্তনৰ লগে লগে কিছুমান শব্দৰ মুখ্য অর্থৰ ঠাইত গৌণ অর্থকহে প্রাধান্য দিয়া হয়। ফলত সময়ৰ গতিত অর্থৰো পৰিৱর্তন হয়। 'অক্ষ' শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে— নষ্ট নোহোৱা; ইয়াৰপৰাই ব্রহ্ম, আত্মা, মোক্ষ আদি অর্থৰ উৎপত্তি হৈছে। বর্তমান 'অক্ষ' শব্দৰপৰা সৃষ্ট 'আখৰ' শব্দই 'বর্ণ' বা 'হৰফ'ক বুজাবলৈ ধৰিলে, ফলস্বৰূপে সম্প্রতি গৌণ অর্থইহে প্রাধান্য পালে।
- *সাদৃশ্য ঃ* কেতিয়াবা কোনো শব্দই সূচিত আকৃতি প্রকৃতি আদিৰ সাদৃশ্যত কোনো শব্দ ব্যৱহাৰ কৰিলে শব্দৰ অর্থৰ পৰিৱর্তন হয়। যেনে— জীৱৰ দৃষ্টিশক্তি থকা চকুৰ সাদৃশ্যত আলু বা কচুৰ গজালি ওলোৱা অংশটোক চকু বুলি কোৱা হয়। ফলত চকু শব্দৰ অর্থ পৰিৱর্তন হৈ পৰে।
- *লোক-ব্যুৎপত্তি ঃ* লোক -ব্যুৎপত্তি হ'ল কোনো অপৰিচিত শব্দৰ মূল অর্থ নাজানি তাৰ কার্যৰ প্রতি লক্ষ্য ৰাখি নতুন অর্থ আৰোপ কৰা এক পদ্ধতি। কিছুমান বিদেশী শব্দ সর্বসাধাৰণৰ মাজত প্রচলিত হৈ পৰাৰ পাছত শব্দবোৰৰ মূল অর্থ সম্বন্ধে থকা জ্ঞানৰ অভাৱত সেই শব্দবোৰৰ অর্থ সম্পর্কে নিজে ধাৰণা কৰি লয় আৰু সাধাৰণতে পৰিচিত শব্দৰ চানেকিত মূল ৰূপটোও নতুনকৈ সাজি উলিয়াই তাত নতুন অর্থ আৰোপ কৰা হয়। ইংৰাজী ভাষাৰ 'arm chair' শব্দটোৰ অর্থ হ'ল 'বাহু থকা চকী'। যিহেতু ইয়াত বহিলে আৰাম পোৱা যায় সেইবাবে অসমীয়াত ই হ'লগৈ 'আৰামী চকী'।
- *শব্দৰ অর্থত এটা তত্ত্বৰ প্রমুখতা ঃ* কিছুমান শব্দৰ এটা দিশক প্রাধান্য দি অর্থ নির্দ্ধাৰণ

কৰা হয়। যেনে— গান্ধী টুপী বুলি ক'লে কংগ্রেছী লোকক বুজা যায়। সেইদৰে জৱাহৰ কোট, ঘৰ-বিভীষণ, ধর্ম-যুধিষ্ঠিৰ, ঘৰিয়ালৰ চকুলো আদি শব্দসমূহৰ অর্থৰ বোধ জন্মাবলৈ একোটা তত্ত্বৰ আধাৰত বিচাৰ কৰি চাব লগা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ লিখক — "বক্তব্য শুৱলা হ'বৰ বাবে মানুহে ভাষাত অলংকাৰ প্রয়োগ কৰে। এনে অলঙ্কাৰ প্রয়োগে শব্দৰ অর্থৰ পৰিৱর্তন ঘটায়।"

.....

ঐতিহাসিক দৃষ্টিভংগীৰে অর্থৰ বিজ্ঞানসম্মত আলোচনা কৰি অর্থৰ প্রকাৰ, অর্থৰ পৰিৱর্তন আদি পুঙ্খানুপুঙ্খ বিচাৰ বিশ্লেষণ কৰাৰ দৰেই বর্ণনাত্মক দৃষ্টিভংগীৰেও অর্থৰ বিশ্লেষণ কৰি শব্দ আৰু বাক্যৰ অর্থগত সম্পর্কৰ বিচাৰ-বিশ্লেষণ কৰা হয়। শব্দৰ সহাবদ্ধ আৰু ক্রমাবদ্ধ সম্পর্কৰ মাজেৰে অর্থগত সম্পর্কৰ বিষয়ে বিশ্লেষণ কৰি শব্দই কেনেদৰে অর্থ গ্রহণ কৰে আৰু প্রকাশ কৰে; সমার্থক শব্দ, বিপৰীতার্থক শব্দ অথবা বহুধা অর্থপ্রকাশক শব্দৰ আলমত কেনেদৰে শব্দৰ প্রকৃত অর্থ পাব পাৰি সেই সকলোবোৰ অর্থতত্ত্বৰ গঠনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা হয়। কোনো কোনো ভাষাবিদে এনে বিশ্লেষণক অর্থগত উপাদান (Semantics Component) বুলি ক'ব খোজে। তদুপৰি সুৰ বা সুৱলহৰ, বিৰাম আদিয়ে কেনেদৰে বাক্যৰ অর্থ নিয়ন্ত্রণ কৰে; বক্তা আৰু শ্রোতাৰ ভাবৰ সহগামিতাই কেনেকৈ বাক্যৰ অর্থ বোধগম্য কৰি তোলে— এইবোৰ বিষয়ো আধুনিক ভাষা-বিজ্ঞানত অর্থতত্ত্বই সামৰি ল'ব বিচাৰে।

- **অর্থগত সম্পর্ক** (Sense relation) ঃ শব্দৰ সহবদ্ধ আৰু ক্রমাবদ্ধ গঠনৰ ওপৰত ভিত্তি কৰি অর্থগত সম্পর্কক মূলতঃ পাঁচটা ভাগত ভাগ কৰিব পাৰি— (ক) একার্থতা (খ) অভ্যন্তৰার্থ (গ) বিপৰীতার্থ (ঘ) বহুধার্থ (ঙ) সমানার্থ।
  - ➢ *একার্থতা (Synonymy)* ঃ কোনো এটা ভাষাত ভিন ভিন শব্দ ব্যৱহাৰ কৰি একে অর্থ প্রকাশ কৰিলে, অর্থাৎ শব্দৰ ভিন্নতা স্বত্ত্বেও ভাব চিত্র বা সূচিত বস্তু এটা হ'লে তাক একার্থতা বোলা হয়। যেনে—

    পাহাৰৰ সৌন্দর্য বৰ মনোৰম।

    পাহাৰৰ সৌন্দর্য অতি বিতোপন।

    পাহাৰৰ সৌন্দর্য অতি চকুত লগা।

    বাক্যকেইটাৰ মনোৰম, বিতোপন, চকুত লগা শব্দকেইটা আক্ষৰিকভাৱে বেলেগ বেলেগ কিন্তু অর্থগতভাৱে প্রায় অভিন্ন বা একার্থক। বাক্যকেইটাৰ উল্লিখিত শব্দকেইটাৰ এটাৰ ঠাইত আনটো প্রয়োগ কৰিলেও অর্থৰ হেৰফেৰ নহয়।
  - ➢ *অভ্যন্তৰার্থ (Hyponymy)* ঃ কোনো এটা ভাষাত ব্যৱহৃত একোটা শব্দৰ মাজত

ব্যাপক অর্থত বাস্তৱ জগতৰ অন্যান্য অর্থযুক্ত ভালেমান বস্তু বা শব্দ সোমাই থাকিলে তাক অভ্যন্তৰার্থ বোলা হয়। অর্থাৎ ব্যাপক অর্থবাচক শব্দৰ আংশিক অর্থ বহন কৰিবপৰা শব্দ ব্যাপক অর্থবাচক শব্দৰ অভ্যন্তৰার্থ। যেনে— 'কন্দা' বুলি ক'লে তাৰ মাজত উচুপা, ফেকুৰা, চলচলীয়া, হুকহুকা আদি কন্দাৰ বিবিধ ধৰণ সোমাই থাকে।

- *বিপৰীতার্থ (Antonymy) ঃ* কোনো বিষয়ৰ আকৃতি, প্রকৃতি, অৱস্থা, গুণ, পৰিমাণ আদি বুজোৱা কোনো শব্দৰ ভাব বা তাৰ অর্থ আৰু তাৰ ঠিক বিপৰীত অৱস্থাৰ ভাব বা অর্থ প্রকাশ কৰা শব্দৰ অর্থ সম্বন্ধক বিপৰীতার্থ বোলা হয়। যেনে— আকৃতিবাচক অর্থ প্রকাশক সৰু-ডাঙৰ, দীঘল-চুটি; গুণবাচক অর্থ প্রকাশক ভাল-বেয়া; পৰিমাণবাচক অর্থপ্রকাশক কম-বেছি; প্রাণীৰ পুৰুষ লিংগ প্রকাশক শব্দ 'মতা' শব্দৰ বিপৰীত অর্থ স্ত্রীলিংগ প্রকাশক শব্দ 'মাইকী' আদি শব্দৰ সম্পর্ক বিপৰীতার্থক।

  কিছুমান ভাষাত বিপৰীতার্থ ধাৰণা নিদের্শক শব্দবোৰৰ উপৰি ইহঁতৰ মধ্যৱর্তী কিছুমান শব্দ পোৱা যায়। যেনে— অসমীয়া ভাষাত গৰমৰ বিপৰীতার্থ প্রকাশক শব্দ ঠাণ্ডা। অর্থাৎ যি গৰম নহয় সি ঠাণ্ডা; কিন্তু ইয়াৰ মাজত 'কুহুমীয়া' বুলি এটা শব্দ আছে, যাৰ অর্থ যি বেছি গৰম অথবা বেছি ঠাণ্ডা নহয়, ইয়াত গৰম আৰু ঠাণ্ডা দুয়োটাৰে কিছু গুণ থাকিব লাগিব। এনেধৰণৰ শব্দবোৰৰ প্রতি স্পষ্ট ধাৰণা নাথাকিলে অর্থবোধ জন্মাত খেলিমেলিৰ সৃষ্টি হ'ব পাৰে। অর্থতত্ত্বই শব্দৰ এনে দিশসমূহো বিশ্লেষণ কৰি শব্দৰ প্রকৃত অর্থ সম্পর্কে বক্তা আৰু শ্রোতাক সচেতন কৰি তোলে।
- *বহুধা অর্থ (Polysemy) ঃ* ভাষাত ব্যৱহৃত কিছুমান এনে শব্দ থাকে, যিবোৰ শব্দই এটাতকৈ অধিক অর্থ প্রকাশ কৰিব পাৰে। একোটা শব্দই এনেদৰে ভিন্ন অর্থ প্রকাশ কৰিলে অর্থসমূহৰ মাজত স্থাপন হোৱা সম্পর্কটোক বহুধার্থ বুলি কোৱা হয়। বহুধা অর্থ বা নানার্থযুক্ত শব্দৰ যথোপযুক্ত অর্থ নিৰূপণ কৰিবলৈ হ'লে বাক্যত ব্যৱহাৰ হোৱা অন্যান্য শব্দৰ সান্নিধ্য, অন্যান্য শব্দৰ অর্থসংগতি, বাক্য গঠনৰ ব্যাকৰণগত ৰূপ, প্রসংগ সংগতি বিচাৰ আদি দিশৰ ওপৰত লক্ষ্য ৰাখিবলগীয়া হয়। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ 'আই' শব্দই কেতিয়াবা মাকক বুজায়, কেতিয়াবা কন্যা, কেতিয়াবা মহিলা, কেতিয়াবা এবিধ বেমাৰক বুজায়। এনে অর্থই হৈছে শব্দৰ বহুধা অর্থ।
- *সমানার্থ (Homosemy) ঃ* যেতিয়া কোনো এটা শব্দৰ ভাব বা অর্থই অন্য এটা শব্দৰ ভাব অর্থক সম্পূর্ণভাৱে চিত্রিত কৰিব পাৰে তেতিয়া শব্দ দুটাৰ অর্থৰ মাজত সমার্থতা স্থাপন হয়। *সমানার্থক* শব্দবোৰ বাক্যত এটাৰ সলনি আন এটা প্রয়োগ কৰিলেও বাক্যটোৰ অর্থৰ কোনো সালসলনি নঘটে। যেনে— 'লোণ' শব্দৰ লগত সমার্থক সম্পর্ক থকা শব্দ হ'ল 'নিমখ' 'লৱন' আদি। ইয়াত ইটোৰ সলনি সিটো প্রয়োগ কৰাত একো অসুবিধা নাই; কিন্তু কিছুমান শব্দ ওপৰে ওপৰে চালে সমার্থবাচক শব্দ যেন লাগিলেও প্রকৃতার্থত সেইবোৰ সম্পূর্ণ সমার্থবাচক শব্দ নহয়। এনে শব্দ কিছুমান বাক্যত ব্যৱহাৰ কৰোঁতে এটাৰ ঠাইত অন্য এটা প্রয়োগ কৰিব নোৱাৰি। অসমীয়া ভাষাৰ

বিতোপন-ধুনীয়া, দ-গভীৰ, দেখা-চোৱা, তপত-গৰম, চেঁচা-ঠাণ্ডা আদি শব্দসমূহ সমানার্থ যেন লাগিলেও প্রকৃতার্থত সমানার্থ নহয়। ইহঁতক সকলো পৰিৱেশত এটাৰ ঠাইত অন্যটোক বহুৱাব নোৱাৰি। এইবোৰ দিশলৈ লক্ষ্য ৰাখি 'সমানার্থ'ক দুটা ভাগত ভগাব পাৰি— ঠেক বা প্রকৃত অর্থত (strict sense) আৰু বহল বা শিথিল অর্থত (looser interpreation)। ঠেক অর্থত একে অর্থবাচক দুটা ৰূপ সম্পূর্ণ একে। শিথিল অর্থত প্রায় একে অর্থবাচক ৰূপবোৰ লোৱা হয়।

উল্লিখিত ভাগকেইটাৰ উপৰি আধুনিক ভাষাবিজ্ঞানীসকলে অর্থগত সম্পর্কৰ আৰু এটা ভাগ কৰিছে, যাক চিৰাচৰিত সম্পর্ক (Collocation) আখ্যা দিয়া হৈছে। কিছুমান শব্দৰ লগত কিছুমান শব্দৰ সংযোগ একোটা ভাষাৰ স্বকীয় বৈশিষ্ট্য। মাতৃভাষী লোকে অভ্যাসবশতঃ এনে শব্দ প্রয়োগ কৰে আৰু শব্দৰ এনেধৰণৰ সম্পর্ককে চিৰাচৰিত সম্পর্ক বুলি কোৱা হয়। অসমীয়া ভাষাত ব্যৱহৃত এনে কিছুমান শব্দ হৈছে—

অগ্নি-শর্মা— (অত্যন্ত খং উঠা), অগ্নি-হাজৰিকা নহয়।

জোন-বাই— জোন মাহী বা জোন ভণ্টি নহয়।

কপাল নাই— (ভাগ্য নাই), মূৰ নাই, কাণ নাই নহয় আদি।

- **অর্থৰ উপাদান ঃ** অর্থতত্ত্বৰ বিজ্ঞানসম্মত আলোচনাৰ গুৰি ধৰোঁতা ভাষাবিজ্ঞানী Bierwisch Manfred-এ উল্লেখ কৰিছে যে শব্দৰ অর্থত প্রধানকৈ দুটা উপাদান নিহিত থাকে— অর্থগত উপাদান (Semantic Component) আৰু সম্পর্কগত উপাদান (Relational Component)।
  - ➢ *অর্থগত উপাদান ঃ* বক্তাই কোনো শব্দ উচ্চাৰণ কৰাৰ লগে লগে শ্রোতাৰ কাণত সেই শব্দই ক্রিয়া কৰে আৰু তাৰ প্রতিক্রিয়া স্বৰূপে শ্রোতাৰ মনত এখন ভাবচিত্র বা এক ধাৰণা গঢ় লৈ উঠে। অৱশ্যে বক্তাৰ ভাষা আৰু বিষয় সম্পর্কে শ্রোতাৰ পূর্বজ্ঞান থাকিলেহে তেনে ভাবচিত্র বা ধাৰণাৰ উদয় হয়। সেই চিত্র বা ধাৰণাই বাহ্য জগতৰ বিষয়বস্তু বা কোনো প্রাণীৰ লগত সম্পর্ক স্থাপন কৰে, যাক অর্থ বুলি কোৱা হয়।

    বক্তাই বাক্যত প্রয়োগ কৰা শব্দসমূহৰ অৱস্থা, গুণ, ধর্ম, বয়স অনুযায়ী শ্রোতাই তাক হৃদয়ংগম কৰি লয়। উদাহৰণস্বৰূপে— 'ঘৰ' বুলি ক'লে শ্রোতাৰ মনত যিখন চিত্রৰ উদয় হ'ব 'জুপুৰী' বুলি কওঁতে একেখন ছবি মনৰ মাজত উদয় নহয়। ইয়াৰ মূল কাৰণ হ'ল 'ঘৰ'ৰ মাজত অন্তর্নিহিত হৈ থকা যিবোৰ নির্ণায়ক গুণ, সেইবোৰ জুপুৰীৰ নির্ণায়ক গুণৰ লগত একে নহয়। গতিকে শব্দৰ মাজত উপলব্ধ এনে নির্ণায়ক গুণবোৰেই হ'ল শব্দৰ অর্থগত উপাদান। সেইদৰে 'ল'ৰা' শব্দটো শুনাৰ লগে লগে কেইটামান বৈশিষ্ট্যৰ কথা জানিবলগীয়া হয়, সেইকেইটা হৈছে— ই প্রাণীবাচক শব্দ, যিকোনো প্রাণী নহয়, ভাব, জ্ঞানসম্পন্ন মানুহ শ্রেণীৰ প্রাণী, ই পুংলিঙ্গবাচক, কম বয়সীয়া, বক্তাতকৈ বয়সত সৰু আদি বৈশিষ্ট্যবোৰ শব্দৰ অর্থগত উপাদান।

বাস্তৱ সত্যতাৰ ওপৰত ভিত্তি কৰিহে উচ্চাৰিত শব্দ বা বাক্যৰ অর্থ বা বক্তব্য সঁচা বা মিছা সেয়া নির্ণীত হয়। যেনে— 'আকাশ নীলা'। যদি আকাশ মেঘাচ্ছন্ন হৈ নাথাকে তেতিয়াহে আকাশৰ নীলা ৰং সকলোৰে চকুত পৰে। এই ক্ষেত্রত 'নীলা' আকাশখনৰ এটা বৈশিষ্ট্য; কিন্তু মেঘাচ্ছন্ন আকাশ কেতিয়াও নীলা নহয়। তথাপি আকাশ ৰঙা বা ক'লা বুলি ক'লে সেয়া বাস্তৱ সত্য নহয়। আকাশৰ নীলা ৰঙৰ ধাৰণাই শব্দৰ অর্থগত উপাদান।

➢ *সম্পর্কগত উপাদান ঃ* ভাষাত ব্যৱহৃত শব্দসমূহৰ অর্থ পৰস্পৰ নির্ভৰশীল। অর্থাৎ এটা শব্দৰ অর্থ বা ভাবে অন্য কিছুমান শব্দ সম্পর্কেও মনৰ মাজত এক ধাৰণা বা এখন ভাবচিত্র আনি দিয়ে। উদাহৰণস্বৰূপে— 'গছ' বুলি কোৱাৰ লগে লগে গছৰ লগত জড়িত শব্দবোৰ যেনে— শিপা, আলু, পুলি, পোখা, পাত, ডাল, ছাল, ফল, ফুল, লতা, গুল্ম, বৃক্ষ আদি শব্দৰ অর্থও জানিব লাগিব । ফলত দেখা যায়, আপোনা আপুনি এটা শব্দৰ অর্থৰ লগত আন কিছুমান শব্দৰ অর্থ সম্পর্ক যুক্ত হৈ পৰে। এনেধৰণৰ সম্পর্কযুক্ত শব্দবোৰৰ সমষ্টিয়ে একোখন অর্থগত ক্ষেত্র (Semantic field) গঢ়ি তোলে। সেইদৰে 'জন্তু' বুলি ক'লে দুঠেঙীয়া, চাৰিঠেঙীয়া, ঘৰচীয়া, বনৰীয়া, তৃণভোজী, মাংসভোজী, সর্বভোজী, নিশাচৰ আদি শব্দসমূহৰ উপৰিও বিভিন্ন প্রকাৰৰ জন্তুৰ নাম তথা সিবিলাকৰ লগত সম্পর্কজড়িত শব্দবোৰৰ অর্থগত সম্পর্কই হ'ল অর্থগত ক্ষেত্র বা সম্পর্কগত উপাদান। সেইদৰে বিশেষ্য আৰু ক্রিয়াপদৰ মাজতো কিছুমান সম্বন্ধ থাকে। লিখা, ভবা, নচা আদি ক্রিয়াই প্রাণীবাচক পদকহে (মানুহ) কর্তা হিচাপে লয়। সেইদৰে 'গৰজা' এটা ক্রিয়া ৰূপ। মানুহ, জন্তু আৰু অপ্রাণীবাচক বস্তু বুজোৱা কিছুমান বিশেষ পদহে এই ক্রিয়াৰূপৰ কর্তা হিচাপে বহে। যেনে— মানুহজনে গৰজিছে, বাঘে গৰজে, মেঘে গৰজে, সাগৰে গৰজে আদি। অর্থাৎ বাক্যত ব্যৱহৃত শব্দবোৰ অর্থৰ ক্ষেত্রত পৰস্পৰে পৰস্পৰৰ লগত সংপৃক্ত। অর্থতত্ত্বৰ বিচাৰ বিশ্লেষণে এনেধৰণৰ সম্বন্ধক সামৰি লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ বহুধার্থ কাক কোৱা হয়?

.....

প্রশ্ন নং ৭ ঃ ভাষাবিজ্ঞানী Bierwisch Manfred মতে শব্দৰ অর্থত প্রধানকৈ কেইটা আৰু কি কি উপাদান নিহিত থাকে?

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰ্থবিজ্ঞান বা অৰ্থতত্ত্ব ভাষা-বিজ্ঞান অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ স্তৰ। অৰ্থতত্ত্বৰ আলোচনাতো মানুহে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা বাক্যৰ অৰ্থ আৰু তাত প্ৰয়োগ কৰা শব্দৰ প্ৰসঙ্গ অনুযায়ী হোৱা বিভিন্ন অৰ্থৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰা হয়। ইয়াকে কৰিবলৈ যাওঁতে ভাষাবিজ্ঞানীসকলে অৰ্থৰ অৰ্থ (the meaning of meaning), ভাব বিনিময়ৰ বিভিন্ন প্ৰণালীসমূহ সামৰি লয়।
- সাধাৰণতে দুটা দৃষ্টিভংগীৰে অৰ্থৰ বিশ্লেষণ কৰা হয়— (ক) ঐতিহাসিক আৰু (খ) বৰ্ণনাত্মক বা গঠনাত্মক। ঐতিহাসিক দৃষ্টিভংগীৰে শব্দৰ অৰ্থৰ বিশ্লেষণ কৰোঁতে ঘাইকৈ অৰ্থৰ সংজ্ঞাৰ লগতে অৰ্থৰ প্ৰকাৰ, সময়ে সময়ে হোৱা অৰ্থৰ পৰিৱৰ্তন, অৰ্থ পৰিৱৰ্তনৰ অন্তৰালত থকা বিভিন্ন কাৰণ, নতুন শব্দৰ সৃষ্টি আদি বিষয়সমূহ ঐতিহাসিক প্ৰেক্ষাপটত বিচাৰ কৰি চোৱা হয়। অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- বৰ্ণনাত্মক দৃষ্টিভংগীৰেও অৰ্থৰ বিশ্লেষণ কৰি শব্দ আৰু বাক্যৰ অৰ্থগত সম্পৰ্কৰ বিচাৰ-বিশ্লেষণ কৰা হয়। শব্দৰ সহবদ্ধ আৰু ক্ৰমাবদ্ধ সম্পৰ্কৰ মাজেৰে অৰ্থগত সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰি শব্দই কেনেদৰে অৰ্থ গ্ৰহণ কৰে আৰু প্ৰকাশ কৰে; সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ অথবা বহুধা অৰ্থপ্ৰকাশক শব্দৰ আলমত কেনেদৰে শব্দৰ প্ৰকৃত অৰ্থ পাব পাৰি সেই সকলোবোৰ অৰ্থতত্ত্বৰ গঠনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা হয়। অধ্যায়টিত এই বিষয়েও বহলাই আলোচনা দাঙি ধৰা হ'ল।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) কোঁৱৰ, অৰ্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) গোস্বামী, গোলোকচন্দ্র (২০০৩); *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) দেৱী, প্ৰণীতা (২০১৪); *ভাষাবিজ্ঞানৰ জিলিকনি;* গুৱাহাটী ঃ প্ৰতিশ্ৰুতি প্ৰকাশন।

৭) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৮) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৯) পাদুন, নাহেন্দ্ৰ (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১০) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১) ভৱালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) শইকীয়া বৰা, লীলাৱতী আৰু পাটগিৰি, দীপ্তি ফুকন (২০০২)(সম্পা.); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ

১৪) Chomsky, N. (1965). *Aspects of the Theory of Syntax.* Cambridge Mass.: MIT

১৫) Chomsky, N. (2002). *Syntactic Structure.* Barlin: Walter de Gruyter GmbH & Co. KG.

১৬) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১৭) Robins, R.H. (1989). General Linguistics. London: Routledge.



১১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ Charles Kay Ogden (C.K. Ogden) আৰু Ivor Armstrong Richards (I.A. Richards) নামৰ পণ্ডিত দুগৰাকীয়ে তেওঁলোকৰদ্বাৰা ৰচিত *The Meaning of Meaning* নামৰ গ্ৰন্থত বিভিন্ন দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি অর্থ শব্দৰ বাইশটা অর্থৰ কথা উল্লেখ কৰিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বক্তাই উচ্চাৰণ কৰা শব্দ বা বাক্যবোৰে সূচনা কৰা অভিধেয় অর্থৰ উপৰি কেতিয়াবা তাৰ লক্ষণা গুণৰ বাবে শ্ৰোতাৰ মনলৈ অন্য এটা ভাব আনি দিয়ে; তেনে অর্থকে লক্ষ্যার্থ বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো শব্দৰ অর্থৰ ক্ষেত্ৰ সীমিত হোৱা অর্থাৎ ব্যাপক অর্থ প্ৰকাশ কৰা কোনো শব্দই সময়ৰ লগে লগে তাৰ সীমিত অর্থ প্ৰকাশ কৰাই হৈছে অর্থসংকোচ।

৪ নং প্রশ্নৰ উত্তৰ ঃ অর্থোৎকর্ষ মানে অর্থৰ উৎকর্ষ হোৱা বুজা যায়। সময় অনুসৰি কোনো শব্দৰ অর্থৰ উদ্‌গতি হৈ গৈ থাকিলে তেনে শব্দার্থক অর্থোৎকর্ষ বুলি কোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাষাত ব্যৱহৃত কিছুমান এনে শব্দ থাকে, যিবোৰ শব্দই এটাতকৈ অধিক অর্থ প্রকাশ কৰিব পাৰে। একোটা শব্দই এনেদৰে ভিন্ন অর্থ প্রকাশ কৰিলে অর্থসমূহৰ মাজত স্থাপন হোৱা সম্পর্কটোক বহুধার্থ বুলি কোৱা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ অর্থতত্ত্বৰ বিজ্ঞানসন্মত আলোচনাৰ গুৰি ধৰোঁতা ভাষাবিজ্ঞানী Bierwisch Manfred-এ উল্লেখ কৰিছে যে শব্দৰ অর্থত প্রধানকৈ দুটা উপাদান নিহিত থাকে— অর্থগত উপাদান আৰু সম্পর্কগত উপাদান।



১১.৭ আৰ্হি প্রশ্ন

ৰস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) অর্থৰ প্রকাৰসমূহ কি কি?

খ) 'উদ্দিষ্টার্থ' মানে কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) সংস্কৃতিৰ পৰিৱর্তনৰ ফলত পূর্বতে ব্যৱহৃত কিছুমান বস্তুৰ ব্যৱহাৰ নোহোৱা হয়, সেইবোৰ বস্তুৰ বিলুপ্তি হয় আৰু নতুন বস্তুৰ আমদানি ঘটে। ফলস্বৰূপে কেতিয়াবা তেনে শব্দসমূহৰ অর্থ সংশ্লেষ হয় নতুবা সম্পূর্ণৰূপে নোহোৱা হৈ পৰে।

খ) ভাষাত ব্যৱহৃত শব্দসমূহৰ অর্থ পৰস্পৰ নির্ভৰশীল।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নত অর্থতত্ত্বৰ গুৰুত্ব বিচাৰ কৰক।

প্রশ্ন ২ ঃ পৰিৱেশজনিত কাৰণত কেনেদৰে অর্থৰ পৰিৱর্তন ঘটে বুজাই লিখক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক — (ক) অর্থবিস্তাৰ (খ) অর্থ সংশ্লেষ

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অর্থ পৰিৱর্তনৰ ত্রিধাৰা বুলিলে কি বুজে? প্রতিটোৰে উদাহৰণসহ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ ভাষাৰ অর্থগত সম্পর্ক বুলিলে কি বুজে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ অর্থতত্ত্বৰ স্বৰূপ নির্ণয় কৰি অর্থ বিশ্লেষণৰ ধাৰা সম্পর্কে আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১২ ঃ বাক্যতত্ত্ব

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ বাক্যতত্ত্ব
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ বাক্যতাত্ত্বিক দিশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বাক্যতত্ত্বৰ অন্তৰ্গত বিষয়বোৰ শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰিব
- বাক্যত পদৰ যোগ্যতা, আকাংক্ষা আৰু আসত্তিৰ গুৰুত্ব কি জানিব পাৰিব
- ৰূপান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে নতুন নতুন বাক্য গঠন কৰিব পাৰিব
- পদসমষ্টিৰ আসত্তি ভেদে কেনেকৈ অৰ্থৰ ভেদ হয় সেয়া নিৰূপণ কৰিব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি অৰ্থতত্ত্ব সম্পৰ্কে অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰিম। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে যোৱা ষাণ্মাসিকতো আপুনি এই অধ্যায়টোত অন্তৰ্গত বিষয়সমূহৰ বিষয়ে বহলাই অধ্যয়ন কৰি আহিছে। কিন্তু অধ্যায় দশম আৰু একাদশৰ দৰেই আলোচ্য বিষয় সম্পৰ্কে অধ্যয়ন গাঢ় হ'বৰ বাবেই এই ষাণ্মাসিকতো পুনৰোক্তি কৰা হৈছে।

একোটা ভাষাৰ ধ্বনি, ৰূপ, শব্দ আদি মৌলিক বিষয়সমূহ নিহিত হৈ থাকে ভাষাটোৰ বাক্যসমূহত। গতিকে বাক্যতত্ত্বৰ আলোচনাত উল্লিখিত দিশসমূহৰ বিচাৰ-বিশ্লেষণৰো প্ৰয়োজনীয়তা আহি পৰে। পৃথিৱীৰ সকলো ভাষাতে চুটি আৰু দীঘল বাক্য পোৱা যায়; কিন্তু সকলো ভাষাৰে বাক্য-গঠন প্ৰণালী একে নহয়। অৱশ্যে এটা কথা ঠিক যে, ভাষাভেদে শব্দগঠন, বাক্য-ৰীতিত পাৰ্থক্য থাকিলেও ভাষা মাত্ৰেই কিছুমান উমৈহতীয়া উপাদান আৰু বৈশিষ্ট্য বিৰাজমান।সেই উমৈহতীয়া বৈশিষ্ট্যৰাজিক কেন্দ্ৰ কৰিয়েই ঘাইকৈ ভাষা-বিজ্ঞানীসকলে তেওঁলোকৰ বিশ্লেষণ

আগবঢ়ায়। বাক্যতত্ত্বৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। তেনে আলোচনাক ভিত্তি কৰিয়েই এইটো অধ্যায়ত বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে বাক্যতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ অত্যাৱশ্যকীয় উপাদানবোৰৰ বিষয়ে এটি চমু আলোচনা উপস্থাপন কৰা হ'ব। অধ্যায়টোৰ অধ্যয়নে আপোনাক বাক্যতত্ত্ব সম্পৰ্কে বিস্তৃত ধাৰণা প্ৰদান কৰিব।

১২.৩ বাক্যতত্ত্ব

সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলি ক'লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে য'ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়। অসমীয়াত প্ৰয়োগ কৰা 'বাক্যতত্ত্ব' শব্দটো ইংৰাজী Syntax শব্দৰ প্ৰতিশব্দ হিচাপে গ্ৰহণ কৰা হৈছে। দৰাচলতে গ্ৰীক ভাষাৰ 'Syn' আৰু 'taxis' শব্দ দুটাৰ সংযোগত ইংৰাজী Syntax শব্দটো গঠন কৰা হৈছে। গ্ৰীক ভাষাত Syntax শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল দিওনুছিয়াছ থ্ৰাক্স (Dionusious Thrax)-এ। গ্ৰীক ভাষাত Syntaxis শব্দটোৱে Systematic arrangement অৰ্থাৎ প্ৰণালীবদ্ধ গাঁথনিক বুজায়। থোৱতে ক'বলৈ গ'লে, বাক্যৰ অন্তৰ্গত পদৰ প্ৰয়োগ-ৰীতি বা পদৰ গাঁথনিক ৰীতিয়ে বাক্যতত্ত্ব। ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে, "It is evident that the sentences in any utterance are marked off by the mere fact that each sentence is an independent linguistics form, not included by virtue of any grammatical construction in any larger linguistic form" এনে বাক্যৰ অন্তৰ্গত বিভিন্ন অংশবোৰ যি তত্ত্বৰ সহায়ত পুংখানুপুংখকৈ বিশ্লেষণ কৰা হয় তাকে বাক্যতত্ত্ব বোলে। বাক্যৰ মূল গাঁথনিক স্বৰূপ আৱিষ্কাৰ কৰি সেই গাঁথনিৰপৰা কেনেকৈ প্ৰকৃততে ভাষাত ব্যৱহাৰ হোৱা শুদ্ধ বাক্য মাথোন পাব পাৰি, লগতে সম্ভাব্য নতুন নতুন বাক্য সৃষ্টি কৰিব পাৰি তাৰ সূত্ৰ বা নিয়ম নিৰ্ধাৰণ কৰাটোৱেই বাক্যতত্ত্বৰ মূল লক্ষ্য।

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ বাগিন্দ্ৰিয়ৰদ্বাৰা উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত শব্দৰ সৃষ্টি কৰে। শব্দবোৰ বিশেষ ৰূপত আৰু বিশেষ ক্ৰমত উচ্চাৰিত হয় আৰু এই শব্দবোৰক ইটোৰ লগত সিটোৰ একোটা সম্বন্ধেৰে বান্ধ খুৱাই বাক্য সজা হয়। এইদৰে গঠন কৰা বাক্যৰ জৰিয়তে বক্তাই শ্ৰোতাৰ আগত মনৰ ভাব প্ৰকাশ কৰে। বাক্যই হৈছে ভাষাৰ চানেকি। শব্দ সুন্দৰ হ'লেও যি কোনো স্থানত সংস্থাপন কৰিলে বাক্য শুদ্ধ নহয়। এটা বাক্য শুদ্ধ ৰূপত প্ৰকাশ কৰিবলৈ শব্দসমূহক উপযুক্ত স্থানত স্থাপন কৰিব লাগিব। বাক্যৰ সৃষ্টিতহে ভাষাৰ মৰ্যাদা বৃদ্ধি পায়। বাক্যই হ'ল ভাষাৰ শেষ পৰ্যায়।

ব্যাকৰণ তথা বাগ্‌বিজ্ঞানত বাক্যতত্ত্ব এটা বহল বিষয়। ৰূপতত্ত্বৰ সহায়ত শব্দ-গঠন আৰু পদ-গঠনৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ আলোচনা আগবঢ়োৱা হয়, কিন্তু বাক্যতত্ত্বত বিভক্তি, প্ৰত্যয় আদিৰ সংযোগত সৃষ্টি হোৱা বিভিন্ন শব্দ আৰু পদৰ মাজত থকা বাহ্যিক সম্বন্ধ আলোচনা কৰা হয়। অৰ্থাৎ বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ আদি বিভিন্ন দিশবোৰ সামৰা হয়।

- **বাক্যৰ উপাদান ঃ** বাক্যৰ মূল উপাদান দুটা—পদ আৰু সুৰ-লহৰ। বাক্য ৰচিত হয় পদেৰে আৰু এই পদেই বাক্য স্তৰৰ নিম্নতম ক্ষুদ্র একক বা গোট বিশেষ। এনে ধৰণৰ এক বা একাধিক পদৰ সুসংগঠনত বাক্যৰ সৃষ্টি হয়। সেয়েহে পদৰ গাঁথনি বা বাক্যৰীতি বুলিলে বাক্যৰ অন্তর্গত পদবোৰৰ প্রয়োগৰ ৰীতিকে বুজা যায় আৰু বাক্যৰ গঠনকে প্রকাৰান্তৰে ভাষাৰ গঠন (Structure of language) বুলি ক'ব পাৰি।

বাক্য গঠনত পদৰ উপৰি আৰু এবিধ অপৰিহার্য অংগ হৈছে সুৰ-লহৰ। সুৰ-লহৰে পদ বা পদ সমষ্টিৰে নির্মিত বাক্য, খণ্ডবাক্য, গর্ভবাক্য বা বাক্যাংশৰ সীমা নির্ণয় কৰি দেখুৱায়। তদুপৰি বাক্য এটাই সাধাৰণ বিবৃতি বুজাইছে নে অনুজ্ঞা অর্থ প্রকাশ কৰিছে তাক সুৰ-লহৰৰ পৰাহে জানিব পাৰি। অর্থাৎ সুৰ-লহৰৰ পৰাহে শ্রোতাৰ বাক্য শ্রৱণৰ আকাংক্ষা পূর্ণ হয়। সাধাৰণতে বিৰাম চিহ্ন বা যতি চিহ্নৰদ্বাৰা সুৰ-লহৰ সূচিত হয়। সুৰ-লহৰৰ সহায়ত এটা নিশ্চয়সূচক বাক্য প্রশ্নসূচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। উদাহৰণস্বৰূপে অসমীয়া ভাষাত—


ক) সি কিতাপখন পঢ়িলে। (নিশ্চয়বাচক)

(খ) সি কিতাপখন পঢ়িলে? (প্রশ্নসূচক)

সুৰ-লহৰ বুজাবলৈ লিখিত ভাষাত দাঁৰি, প্রশ্নবোধক চিন, কোলন, ছেমিকোলন, কমা, হাইফেন, ডেছ আদি বিভিন্ন যতিচিহ্ন ব্যৱহাৰ কৰা হয়। এই যতিবোৰে বাক্যৰ একোটা খণ্ডৰ মাজত অর্থৰ সঙ্গতি ৰাখি ক্ষণিক বিৰামৰ ইঙ্গিত দিয়ে আৰু এনেকৈয়ে সুৰ-লহৰৰ বৈশিষ্ট্য দাঙি ধৰে।

ধ্বনিতাত্ত্বিক স্তৰত — ধ্বনি, বর্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়; ৰূপতাত্ত্বিক স্তৰত আকৃতি, প্রাকৃতি, উপাকৃতি আদিৰ সূক্ষ্ম বিচাৰ কৰাৰ উপৰি প্রাকৃতিৰ পৰা সৃষ্টি হোৱা শব্দ আৰু পদৰ বিষয়েও আলোচনা কৰা হয়। বাক্যতাত্ত্বিক স্তৰত — বাক্যৰ নিম্নতম গোট অর্থাৎ পদসমূহৰ সু-সংগঠনত বাক্যৰ সৃষ্টি সম্পর্কে আলোচনা কৰা হয়। অর্থতত্ত্বৰ স্তৰত আকৌ শব্দৰ অর্থ-বিশ্লেষণ আৰু সম্পূর্ণ ভাব-প্রকাশক একোটা বাক্যৰ অর্থ বিচাৰ কৰা হয়। উল্লিখিত সকলো উপাদানেৰে বাক্য এটা গঠিত হয় আৰু প্রত্যেক উপাদানৰে একোটা সহ সম্বন্ধ আছে। তলত ৰেখাচিত্রৰ সহায়ত ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ সহ সম্বন্ধ দেখুওৱা হৈছে।

চিত্র ১৩.১ ঃ ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ সহ সম্বন্ধ



- **বাক্য গঠন প্রক্রিয়া ঃ** বাক্যৰ গঠনত পদেই মূল সামগ্রী। পদবোৰ যেনেকৈ তেনেকৈ লগ

লগালেই বাক্য পোৱা নাযায়। বাক্য হ'বলৈ হ'লে — (ক) বাক্যৰ আকাংক্ষা পূৰ্ণ হ'ব লাগে; (খ) পদবোৰ বাক্যত প্ৰয়োগ হ'বৰ যোগ্য হ'ব লাগে; আৰু (গ) পদৰ লগত পদৰ আসত্তিও সুদৃঢ় আৰু সুস্পষ্ট হ'ব লাগে। যোগ্যতা থকা আসত্তিযুক্ত পদে আকাংক্ষা পূৰ্ণ কৰিলেহে বাক্য পোৱা যায়।

- *পদৰ আকাংক্ষা ঃ* বাক্যৰ যোগেদি মনৰ ভাব প্ৰকাশ কৰিবলৈ লওঁতে বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা আৱশ্যকীয় পদসমূহ ব্যৱহাৰ কৰিবলৈ বক্তাৰ আকাংক্ষা জাগিব লাগিব। ঠিক সেইদৰে বক্তাৰ মনৰ ভাব শুনিবলৈও শ্ৰোতাৰ আকাংক্ষা জন্মিব লাগিব।
- *পদৰ যোগ্যতা ঃ* বাক্যত যিকোনো পদৰ লগত যিকোনো পদ লগ লগাব নোৱাৰি। পদৰ যোগ্যতা অনুসৰিহে বাক্যত পদসমূহ সংস্থাপন কৰা হয়। পদৰ যোগ্যতা নিৰ্ভৰ কৰে দুটা কথাৰ ওপৰত— অৰ্থগত যোগ্যতা আৰু ৰূপগত যোগ্যতা।
  - অৰ্থগত যোগ্যতা ঃ বাক্যত ব্যৱহৃত পদৰ অৰ্থৰ সঙ্গতি থাকিব লাগিব। প্ৰত্যেক ভাষাতে বিশেষ্য পদ অনুসৰি ক্ৰিয়া পদসমূহৰ ৰূপ নিৰ্দিষ্ট। যেনে— 'আমি পানী পিওঁ' কিন্তু 'ভাত খাওঁ'। বক্তব্য ৰাখে নহয়, বক্তব্য দাঙি ধৰে বা বক্তৃতা দিয়ে। আকৌ ইংৰাজীত warm reception হ'লেও অসমীয়াত 'উষ্ম সম্বৰ্ধনা' নজনায়, 'সাদৰ সম্বৰ্ধনা'হে জনায়। গতিকে একোটা বিশেষ পদৰ অৰ্থৰ লগত একোটা বিশেষ অৰ্থবাচক পদৰহে সংগতি স্থাপন হ'ব পাৰে। তেনে সঙ্গতি ভঙ্গ হ'লে পদে অৰ্থগত যোগ্যতা হেৰুৱায়।
  - ৰূপগত যোগ্যতা ঃ বাক্যত ব্যৱহৃত পদবোৰৰ মাজত অৰ্থৰ সঙ্গতি থকাৰ দৰে ব্যাকৰণগত ৰূপসমূহৰ মাজতো সঙ্গতি স্থাপন হ'ব লাগিব। ৰূপগত যোগ্যতাৰ অভাৱত বাক্য দেখাত শুদ্ধ যেন লাগিলেও প্ৰকৃতাৰ্থত অসাৰ্থক আৰু ভুল হয়।

    পদৰ ৰূপগত যোগ্যতাকো আকৌ দুটা ভাগত ভগাব পাৰি—

    (ক) ৰূপাত্মক যোগ্যতা আৰু

    (খ) সাধনগত যোগ্যতা।

    (ক) ৰূপাত্মক যোগ্যতা ঃ আপোনালোকে ইতিমধ্যে শব্দৰ ৰূপ আৰু ধাতুৰ ৰূপৰ কথা আগৰ অধ্যায়ত পঢ়ি আহিছে। সম্বন্ধবাচক পুৰুষৰ বিভক্তি আৰু কাৰকৰ বিভক্তি যোগ হ'লে নাম শব্দবোৰ বাক্যত ব্যৱহাৰৰ উপযোগী পদ হয়। সেইদৰে ধাতুৰূপৰ পুৰুষবাচক বিভক্তিবোৰ যোগ হ'লে ধাতু বা ধাতুশব্দবোৰ ক্ৰিয়াপদ হৈ বাক্যত পদ হৈ পৰে। এই বিভক্তিবোৰ নালাগিলে বাক্যত শব্দৰ ব্যৱহাৰ হ'ব নোৱাৰে বা যি শব্দত য'ত যি বিভক্তি লাগে সেই শব্দত সেই বিভক্তি নলগোৱাকৈ কথা ক'লে বা লিখিলে পদে ৰূপাত্মক যোগ্যতা হেৰুৱায়। তেতিয়া বাক্য ভুল হয়। উদাহৰণস্বৰূপে—

    চৰাইবোৰ আকাশত উৰি আছে।

    ছোৱালীবোৰে পুখুৰীত সাঁতুৰি আছে।

এই বাক্য দুটাৰ ক্রিয়াপদ 'উৰি আছে' আৰু 'সাঁতুৰি আছে' —দুয়োটা অকর্মক। সেইদৰে 'আকাশত' আৰু 'পানীত' — একে অধিকৰণ কাৰকৰ পদ। তথাপি— প্রথম বাক্যৰ 'চৰাইবোৰ' পদত কর্তা কাৰকৰ শূন্য বিভক্তি যোগ হৈছে আৰু দ্বিতীয় বাক্যৰ 'ছোৱালীবোৰ' পদত একে কর্তা কাৰকতে -এ বিভক্তি যোগ হৈছে। অর্থাৎ কর্তাপদ দুটাৰ ৰূপগত ভিন্নতা প্রকাশ পাইছে। গতিকে বাক্য দুটাৰ পৰা আমি এটা কথা জানিলোঁ যে, সাঁতুৰি আছে ক্রিয়া পদৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ হ'লে -এ বিভক্তি নিতান্তই প্রয়োজন। কিন্তু উৰি আছে ক্রিয়াপদৰ লগত সঙ্গতি ৰাখিবলৈ কর্তা পদত শূন্য বিভক্তিৰহে প্রয়োজন। পদৰ লগত পদৰ এনে সঙ্গতি স্থাপন কৰিব পৰা গুণকে পদৰ ৰূপাত্মক যোগ্যতা বোলে।

(খ) সাধনগত যোগ্যতা ঃ শব্দৰ সাধন ভুল হ'লেও পদৰ ৰূপগত যোগ্যতা নোহোৱা হয়। অসমীয়া ভাষাত লিঙ্গ আৰু বচনৰ প্রত্যয়বোৰ শব্দ সাধনৰ প্রত্যয়। সেইকাৰণে এইবোৰ প্রত্যয়ৰ প্রয়োগত ভুল হ'লে শব্দৰ সাধন ভুল হয়, তেতিয়া সেই শব্দৰ পৰা পোৱা পদো ভুল হয়। যেনে—

	ভুল	*শুদ্ধ*
লিঙ্গ ঃ	তিৰোতাজনী কণা	তিৰোতাজনী কাণী।
বচন ঃ	তেখেতলোকৰ দাবী	তেখেতসকলৰ দাবী।
প্রত্যয় ঃ	প্রাধান্যতা লাভ কৰিছে	প্রাধান্য লাভ কৰিছে।

➢ *পদৰ আসত্তি ঃ* আসত্তি শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে ওচৰতে বহা বা লগালগিকৈ থকা অৱস্থা অর্থাৎ নিকটতা। অর্থগত আৰু ৰূপগত যোগ্যতা থকা পদবোৰ বাক্যত যথোপযুক্ত ক্রমত যথাসম্ভৱ ওচৰা-উচৰিকৈ সজোৱা হয় ; পদবোৰৰ এনে অৱস্থাকে পদৰ আসত্তি বোলে।

বাক্যত পদৰ আসত্তি নির্ণয় কৰি তলত দিয়া কথাবোৰ জানিব পাৰি—

(১) পদৰ লগত পদৰ সঙ্গতি আৰু সঙ্গতিৰ গাঢ়তা

(২) খণ্ডবাক্যৰ গঠন

(৩) গর্ভবাক্যৰ গঠন আৰু অৱস্থান, আৰু

(৪) বাক্যৰ অর্থৰ স্পষ্টতা।

বাক্যতত্ত্বৰ বিশ্লেষণত বাক্যত সংস্থাপন কৰা আসত্তিযুক্ত পদ অর্থাৎ আসন্ন অঙ্গসমূহৰ বিচাৰ কৰি প্রকৃত অর্থ নিৰূপণ কৰা হয়। তলৰ উদাহৰণ দুটালৈ চোৱা যাওক—

(১) ল'ৰাবোৰে খেলিছে।

(২) তেখেত মোৰ দেউতা।

ওপৰৰ প্রথম বাক্যটোত দুটা পদ আছে। এই দুটা পদৰ অর্থগত আৰু ৰূপগত

যোগ্যতা আছে। ইহঁতৰ প্ৰত্যেকৰে পদমৰ্যাদা আছে আৰু পৰস্পৰে পৰস্পৰৰ আসন্ন অংগ। দ্বিতীয় বাক্যটোত তিনিটা পদ আছে। এই তিনিটা পদক দুটা অংগত বিভক্ত কৰিলে হ'ব— 'তেখেত' আৰু 'মোৰ দেউতা'। 'মোৰ দেউতা' অংগটোত আকৌ দুটা পদ আছে — 'মোৰ' আৰু 'দেউতা'। ইহঁত পৰস্পৰ আসন্ন অংগ। ইহঁতৰ অংগ বিচাৰ কৰিলে হ'ব—

তেখেত মোৰ দেউতা।

তেখেত মোৰ দেউতা।

মোৰ দেউতা।

বাক্যত পদৰ স্থানান্তৰ হ'লে কেতিয়াবা অৰ্থৰ সলনি হয় নাইবা কেতিয়াবা বাক্য নিৰৰ্থক হৈ পৰে। সেয়েহে বাক্যত আসন্ন অংগবোৰ যথাসম্ভৱ ওচৰা-উচৰিকৈ লিখিব লাগে। উদাহৰণস্বৰূপে—

ভুল ঃ প্ৰাক্তন অসম সাহিত্য সভাৰ সভাপতি

শুদ্ধ ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

ওপৰৰ আলোচনাৰপৰা ক'ব পাৰি যে, এটা শুদ্ধ বাক্য গঢ় দিবলৈ বিশেষকৈ দুটা কথালৈ লক্ষ্য কৰিবলগীয়া হয়—

(ক) বাক্যত পদৰ ক্ৰম।

(খ) শব্দবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক।

পৃথিৱীৰ সকলো ভাষাতে বাক্যৰ পদৰ ক্ৰম একে নহয়। অসমীয়া ভাষাৰ বাক্যত প্ৰথমে কৰ্তা, কৰ্ম আৰু তাৰপাছত ক্ৰিয়া বহে। কিন্তু ইংৰাজী ভাষাৰ বাক্যত প্ৰথমে কৰ্তা, তাৰপাছত ক্ৰিয়া আৰু শেষত কৰ্মপদ বহে। উদাহৰণস্বৰূপে— 'গীতাই কিতাপ পঢ়ে।' ইয়াত 'গীতাই' কৰ্তা,'কিতাপ' কৰ্ম, আৰু 'পঢ়ে' ক্ৰিয়া পদ; কিন্তু ইংৰাজীত এই বাক্যটো হ'ব 'Geeta reads book' (গীতাই পঢ়ে কিতাপ)। ইয়াত Geeta কৰ্তা, reads ক্ৰিয়া আৰু book কৰ্ম। দেখা যায়, অসমীয়া বাক্যত কৰ্তা-কৰ্ম-ক্ৰিয়াৰ পদক্ৰম বাধ্যতামূলক; কিন্তু কৰ্তাহীন বা কৰ্মহীন বা ক্ৰিয়াহীন বাক্যৰ শুদ্ধ প্ৰয়োগো পোৱা যায়। উদাহৰণস্বৰূপে—

(ক) ঘৰলৈ যোৱা। (কৰ্তাহীন)

(খ) চৰাই উৰে। (কৰ্মহীন)

(গ) জোন মাক-দেউতাকৰ আলাসৰ লাডু। (ক্ৰিয়াহীন)

বাক্যসমূহ কিছুমান খণ্ডৰ সমষ্টি। এই খণ্ডসমূহ এটা বা তাতকৈ বেছি পদেৰে গঠিত। বাক্যত ব্যৱহৃত পদসমূহ খণ্ডিতকৰণ প্ৰক্ৰিয়া (Segmantally analysed)ৰে খণ্ডিত কৰি সকলো ভাষাৰে বাক্যৰ পুঙ্খানুপুঙ্খ বিশ্লেষণ কৰি দেখুৱাব পাৰি।

কিছুমান বাক্য আছে যাক দীৰ্ঘত্ব (Length), শ্বাসাঘাত (Stress) আৰু সুৰ (Pitch) অনুসৰি দেখুৱাব পাৰি। বাক্যৰ এনে ক্ৰমক উপাহিত অনুক্ৰম (Supra Segmental) বোলে। অসমীয়া ভাষাৰ বাক্যৰ উদাহৰণেৰে তলত দেখুওৱা হ'ল—

(ক) সি কেনে কৈ যাব।

(খ) সি কেনেকৈ যাব?

সন্ধি আৰু অক্ষৰৰ পৰিৱৰ্তনৰ লগে লগে ওপৰৰ একেটা বাক্যই দুটা বেলেগ অর্থ বহন কৰিছে। আকৌ নির্দিষ্ট বাক্যৰ নির্দিষ্ট শব্দৰ উচ্চাৰণত দিয়া জোৰ অনুসৰিও অর্থ পৰিৱৰ্তন হ'ব পাৰে। উদাহৰণস্বৰূপে—

(ক) ভীম বৰুৱা ছাৰ আহিছে।

(খ) ভীম, বৰুৱা ছাৰ আহিছে।

ওপৰৰ প্রথম বাক্যটোত 'ভীম বৰুৱা ছাৰ' শব্দ তিনিটাত জোৰ দিয়াত ভীম বৰুৱা নামৰ ছাৰজনক বুজাইছে; কিন্তু পাছৰ বাক্যটোত ভীম নামৰ ছাত্রজনক বৰুৱা ছাৰ অহাৰ কথা জনোৱাৰ উমান পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাধাৰণ অর্থত বাক্যতত্ত্ব বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ২ ঃ বাক্যতত্ত্বত সাধাৰণতে কোনবোৰ বিষয়ৰ বিশ্লেষণ কৰা হয়?

.....

প্রশ্ন নং ৩ ঃ বাক্য গঠন প্রক্রিয়াত পদৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব কি?

.....

প্রশ্ন নং ৪ ঃ তলত দিয়া বাক্যকেইটা শুদ্ধ ৰূপত লিখক —

(ক) বাহুল্যতাৰ ভয়ত ইমানতে সামৰিলোঁ।

(খ) আপুনি কেতিয়া আহিলে?

(গ) ৰাণীজনী বৰ শুৱনী।

(ঘ) তেওঁ মোক ফোন কৰিছিল।

.....

.....

.....

.....

পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক দুটা ভাগত ভাগ কৰিছে—

(ক) আন্তঃকেন্দ্রিক গঠন (Endocentric construction)

(খ) বহিঃকেন্দ্রিক গঠন (Exocentric construction)

➢ *আন্তঃকেন্দ্রিক গঠন ঃ* কেতিয়াবা বাক্যত ব্যৱহাৰ হোৱা পদসমূহৰ যিকোনো এক বা একাধিক পদ সম্পূর্ণ বাক্যটোৰ সলনি প্রয়োগ কৰিলেও বাক্যটোৰ অর্থ ব্যাকৰণগতভাৱে

একে থাকে। অর্থাৎ বক্তাৰ ভাব প্ৰকাশত আৰু শ্ৰোতাৰ অৰ্থ গ্ৰহণত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয়, ব্যাকৰণগতভাৱে শুদ্ধ তেনে গঠন প্ৰক্ৰিয়াক আন্তঃকেন্দ্ৰিক গঠন বুলি কোৱা হয়। উদাহৰণস্বৰূপে— 'ল'ৰাজন কামে-কাজে বৰ ভাল' বাক্যটোত 'ল'ৰাজন' পদটো প্ৰধান বা কেন্দ্ৰ পদ। বাক্যটোত কেৱল 'ল'ৰাজন ভাল' বুলি ক'লেও অৰ্থটো ওলাই পৰে; কিন্তু 'কামে-কাজে বৰ' বা 'বৰ ভাল' বুলি ক'লে সম্পূৰ্ণ অৰ্থ প্ৰকাশ নাপায়। 'ল'ৰাজন কামে-কাজে ভাল' বুলি ক'লেহে সম্পূৰ্ণ অৰ্থ প্ৰকাশ পায়। বাক্যটোত 'ল'ৰাজন' পদটোৰ লগত বাকীকেইটা পদৰ সম্পৰ্ক আন্তঃকেন্দ্ৰিক।

- *বহিঃকেন্দ্ৰিক গঠন ঃ* কোনো বাক্যত প্ৰয়োগ হোৱা পদসমূহৰ ভিতৰত এক বা একাধিক শব্দ বাক্যটোৰ সলনি প্ৰয়োগ কৰিলে বাক্যটোৰ অৰ্থ প্ৰকাশ নাপায়, বাক্যটো ব্যাকৰণগতভাৱে শুদ্ধ নহয়। তেনে গঠনক বহিঃকেন্দ্ৰিক গঠন বোলে। উদাহৰণস্বৰূপে— 'শিক্ষকসকলৰ প্ৰতি ছাত্ৰজনে নমস্কাৰ জনাইছিল' বাক্যটোত প্ৰধান পদ হ'ল 'ছাত্ৰজনে'। 'ছাত্ৰজনে' পদটিৰ সৈতে 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ সম্প্ৰসাৰক ৰূপে প্ৰয়োগ হৈছে। বাক্যটোত 'ছাত্ৰজনে' পদটোৰ ঠাইত কেৱল 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ প্ৰয়োগ হ'লে বাক্যটোৰ সঠিক অৰ্থ প্ৰকাশ নাপাব; কিন্তু 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ বাদ দিলেও বাক্যটোৰ অৰ্থ প্ৰকাশত কোনোধৰণৰ অসুবিধা নহয়। গতিকে বাক্যটোত 'শিক্ষকৰ প্ৰতি' বাক্যাংশৰ গঠন বহিঃকেন্দ্ৰিক গঠন।

আন্তঃকেন্দ্ৰিক গঠন দুই ধৰণৰ —

(ক) সমানাধিকাৰ আন্তঃকেন্দ্ৰিক (Co-ordination) আৰু

(খ) অধীনস্থ আন্তঃকেন্দ্ৰিক (Sub-ordination)


কোনো বাক্যৰ অন্তৰ্ভুক্ত পদসমূহে যদি সমান অধিকাৰ লাভ কৰে অৰ্থাৎ আটাইবোৰ পদ যদি সম গুণসম্পন্ন হয় তেনে গঠনক সমানাধিকাৰ আন্তঃকেন্দ্ৰিক গঠন বোলে। যেনে— 'ল'ৰাজনে ভাত-পানী খালে' বাক্যটোত 'ভাত' আৰু 'পানী' দুয়োটা পদৰ গঠন সমানাধিকাৰ। আনহাতে, যদি কোনো বাক্যত পদসমূহ সংগঠিত কৰোঁতে প্ৰধান বা কেন্দ্ৰ পদটোৱে অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু বাকীবোৰ পদৰ গুৰুত্ব কম হৈ পৰে অৰ্থাৎ বাক্যটোত থকা প্ৰধান পদটোৰ অধীনত বাকীবোৰ পদ থাকে, তেনে গঠনেই অধীনস্থ আন্তঃকেন্দ্ৰিক গঠন। যেনে— 'মুনীন বৰুৱাই লিখা নাটক এখন চালোঁ' বাক্যটোত প্ৰধান পদ হ'ল 'নাটক' আৰু 'চালোঁ'। 'নাটক এখন চালোঁ' বাক্যাংশটোৰ গুণবোধক সম্প্ৰসাৰক ৰূপে 'মুনীন বৰুৱাই লিখা' বাক্যাংশটো সংযোজিত হৈছে। এই বাক্যাংশটো সংযোজন নকৰিলেও নাটক চোৱা প্ৰধান কাৰ্যটো সুন্দৰ ৰূপে প্ৰকাশ পায়। অৰ্থাৎ বাক্যটোত প্ৰধান বাক্যাংশটোৱে গুৰুত্ব পাইছে। গতিকে দেখা যায়, উল্লিখিত পূৰ্ণাংগ বাক্যটোৰ 'মুনীন বৰুৱাই লিখা' বাক্যাংশটোক 'নাটক এখন চালোঁ' বাক্যাংশৰ লগত হোৱা গাঁথনিক সম্পৰ্কক অধীনস্থ আন্তঃকেন্দ্ৰিক সম্পৰ্ক বুলি ক'ব পাৰি।

বিংশ শতিকাৰ মাজভাগত আমেৰিকাৰ ভাষাবিজ্ঞানী নোয়ম চমস্কিয়ে তেওঁৰ *Aspects of the Theory of Syntax* (Noam Chomsky) গ্ৰন্থৰ বাক্যতত্ত্বৰ আলোচনাত এক নতুন দিগন্ত উন্মোচন কৰে। তেওঁৰ মতে — "The users of each and every language of the world have some inborn abilities of their own those make them produce such types of sentences which they never have used and even never have heard before"। অৰ্থাৎ ভাষা মানুহৰ সৃজনশীলতাৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ। প্ৰত্যেক মানুহে নিজৰ সৃজনী ক্ষমতাৰে প্ৰতিদিনে নতুন নতুন বাক্য সৃষ্টি কৰে। চমস্কিয়ে মানুহৰ এই ক্ষমতাৰ দুটা দিশৰ কথা উল্লেখ কৰিছে— (ক) ভাষাগত সামৰ্থ্য (Linguistic Competence), (খ) বাস্তৱ বাক্ ব্যৱহাৰ (Linguistic Performance)। চমস্কিয়ে উল্লিখিত একেখন গ্ৰন্থতে বাক্য গঠনৰ দুই প্ৰকাৰৰ নিয়মৰ কথা কৈছে—


(ক) খণ্ডবাক্য গঠনৰ নিয়ম।

(খ) ৰূপান্তৰ নিয়ম।

চিত্ৰ ১২.২ ঃ অসমীয়া ভাষাৰ বাক্য



চিত্ৰ ১৩.৩ ঃ ইংৰাজী ভাষাৰ বাক্য



তেওঁ কৈছে যে, পৃথিৱীৰ সকলো ভাষাতে নির্দিষ্টসংখ্যক মূল বা সাৰবাক্য থাকে, যিবোৰপৰা ৰূপান্তৰ প্ৰক্ৰিয়াৰে বিভিন্ন নতুন নতুন বাক্য গঠন কৰিব পাৰি। এনে বাক্যবোৰক তেওঁ Kernal Sentence বুলি কৈছে। উদাহৰণস্বৰূপে— অসমীয়া ভাষাত 'মই খাওঁ'— এই সাৰ বাক্যটোৰপৰা সম্প্ৰসাৰক পদৰ জৰিয়তে অথবা নঞৰ্থক ৰূপৰ সংযোগত তলত দিয়া ধৰণেৰে নতুন নতুন বাক্য গঠন কৰিব পাৰি—

কর্তা + ক্রিয়া — মই খাওঁ।

কর্তা + কর্ম + ক্রিয়া — মই ভাত খাওঁ।

কর্তা + কৰণ + কর্ম + ক্রিয়া — মই হাতেৰে ভাত খাওঁ।

কর্তা + ক্রিয়া বিশেষণ + কৰণ + কর্ম + ক্রিয়া — মই সদায় হাতেৰে ভাত খাওঁ।

কর্তা + ক্রিয়া বিশেষণ + কৰণ + কর্ম + নঞৰ্থক ক্রিয়া — মই সদায় হাতেৰে ভাত নাখাওঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

.....

প্রশ্ন নং ৬ ঃ চমস্কিয়ে বাক্য গঠনৰ কেইপ্ৰকাৰৰ আৰু কি কি নিয়ম আছে বুলি কৈছে?

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ 'বাক্যতত্ত্ব' হ'ল বাক্যৰ গাঁথনিৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ। পৃথিৱীৰ সকলো ভাষাৰে বাক্যগত উপাদান — ধ্বনি, ৰূপ অর্থাৎ বাক্যত ব্যৱহৃত পদসমূহ, খণ্ডবাক্য, বাক্যাংশ আদি ভাষাৰ মৌলিক উপাদানবোৰ একে। কিন্তু প্ৰতিটো ভাষাৰ ধ্বনিৰ উচ্চাৰণ, ৰূপৰ গঠন, বাক্যৰ গঠন সুকীয়া সুকীয়া।
- বাক্যতত্ত্বত বাক্যৰ উপাদান, বাক্যৰ গঠন প্ৰক্ৰিয়া, বাক্য গঠনত ৰূপান্তৰ প্ৰক্ৰিয়া — আদি দিশসমূহৰ পুংখানুপুঙ্খ বিশ্লেষণ কৰা হয়।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) কোঁৱৰ, অৰ্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৫) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) গোস্বামী, গোলোকচন্দ্ৰ (২০০৩); *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৭) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৬); *অসমীয়া বৰ্ণপ্ৰকাশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৯) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

১০) পাদুন, নাহেন্দ্ৰ (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১১) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১২) ভৰালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্ৰন্থ

১৪) Chomsky, N. (1965). *Aspects of the Theory of Syntax.* Cambridge Mass.: MIT

১৫) Chomsky, N. (2002). *Syntactic Structure.* Barlin: Walter de Gruyter GmbH & Co. KG.

১৬) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৭) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.

১৮) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.



১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ অন্তর্গত বিভিন্ন অংশবোৰ যি তত্ত্বৰ সহায়ত পুংখানুপুংখকৈ বিশ্লেষণ কৰা হয় তাকে বাক্যতত্ত্ব বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ গাঁথনি, বাক্যৰ প্রকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তর্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগৰ বিশ্লেষণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ যোগ্যতা থকা আসত্তিযুক্ত পদে আকাংক্ষা পূর্ণ কৰিলেহে বাক্য পোৱা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) বাহুল্যৰ ভয়ত ইমানতে সামৰিলোঁ।

(খ) আপুনি কেতিয়া আহিল?

(গ) ৰাণীগৰাকী বৰ শুৱনী।

(ঘ) তেওঁ মোলৈ ফোন কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক দুটা ভাগত ভাগ কৰিছে— আন্তঃকেন্দ্রিক গঠন আৰু বহিঃকেন্দ্রিক গঠন।

৬ নং প্রশ্নৰ উত্তৰ ঃ চমস্কিয়ে বাক্য গঠনৰ দুই প্রকাৰৰ নিয়মৰ কথা কৈছে— খণ্ডবাক্য গঠনৰ নিয়ম আৰু ৰূপান্তৰ নিয়ম।



১২.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) 'বাক্যতত্ত্ব' বুলিলে কি বুজা যায়?

খ) 'সাধনগত যোগ্যতা' মানে কি?

গ) 'পদৰ আসত্তি' বুলিলে কি বুজে?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) আসত্তি বিচাৰৰ জৰিয়তে দীঘলীয়া বাক্যৰ গঠন শুদ্ধ হৈছেনে নাই বিচাৰ কৰিব পাৰি।

খ) বাক্যতাত্ত্বিক স্তৰত — ধ্বনি, বর্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাক্যতত্ত্বৰ আলোচনাত কোনবোৰ দিশ বিশ্লেষণ কৰা হয় আলোচনা কৰক।

প্রশ্ন ২ ঃ 'পদৰ যোগ্যতা' সম্পর্কে চমুকৈ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ বাক্যৰ 'আন্তঃকেন্দ্রিক গঠন' মানে কি উদাহৰণ দি বুজাই লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাক্য গঠন প্রক্রিয়াত পদৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব কিমান? অসমীয়া ভাষাৰ উদাহৰণসহ বর্ণনা কৰক।

প্রশ্ন ২ ঃ বাক্যৰ গঠন প্রক্রিয়া সম্পর্কে উদাহৰণসহ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ বাক্যতত্ত্ব বুলিলে কি বুজে? বাক্যতত্ত্বৰ আলোচনাত কি কি দিশ অন্তর্ভুক্ত হৈ আছে সেই বিষয়ে উদাহৰণসহ এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ উপভাষা বিজ্ঞান

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ভাষা আৰু উপভাষা

১৩.৪ উপভাষাৰ গঠন

১৩.৪.১ আঞ্চলিক উপভাষা

১৩.৪.২ সামাজিক উপভাষা

১৩.৪.৩ জাতি বা বর্ণগত উপভাষা

১৩.৪.৪ লিংগগত উপভাষা

১৩.৫ পাৰস্পৰিক বোধগম্যতা

১৩.৬ ব্যক্তি ভাষা

১৩.৭ মান্য ভাষা

১৩.৮ পৰিস্থিতি নির্ধাৰক ভাষা

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্রগতিৰ খতিয়ান

১৩.১২ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা আৰু উপভাষা সম্পর্কে ধাৰণা লাভ কৰি উপভাষাৰ প্রকাৰভেদৰ বিষয়ে জানিব পাৰিব
- ব্যক্তি ভাষা, উপভাষা, মান্য ভাষা, পৰিস্থিতি নির্ধাৰক ভাষা— ভাষাৰ এই বিভিন্ন ৰূপৰ ধাৰণা লাভ কৰিব পাৰিব
- উপভাষাৰ লগত পাৰস্পৰিক বোধগম্যতাৰ সম্পর্ক কি সেই বিষয়ে জানিব পাৰিব
- উপভাষা গঠন কেনেকৈ হয়, মান্য ভাষা কেনেকৈ সৃষ্টি হয়, মান্য ভাষা কেতিয়াবা উপভাষাত পৰিণত হ'ব পাৰেনে এনে কথা জানিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বাক্যতত্ত্ব সম্পর্কে বহলাই অধ্যয়ন কৰিলে। এই

অধ্যায়টোত আপুনি উপভাষা বিজ্ঞান সম্পর্কে বহলাই অধ্যয়ন কৰিব। প্রসংগক্রমে উল্লেখ কৰোঁ যে উপভাষা সম্পর্কে আপুনি ইতিমধ্যে এইখন পাঠ্যবিষয়ৰে পঞ্চম অধ্যায়তে কিছু কথা অধ্যয়ন কৰি আহিছে। সেই অধ্যায়তে আপুনি ধাৰণা লাভ কৰিছে যে ভাষা অধ্যয়নত উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা আছে।

মনৰ ভাব প্রকাশ কৰিবলৈ আমি সকলোৱে ভাষা ব্যৱহাৰ কৰোঁ। কিন্তু এটা ভাষা সম্প্রদায়ৰ অন্তর্গত সকলো ব্যক্তিয়ে ভাষাটোক একে ধৰণে ব্যৱহাৰ কৰেনে? নিশ্চয় নকৰে। সঘনে যোগাযোগ নথকা অঞ্চল বা লোকৰ মাজত ভাষা ব্যৱহাৰৰ ভিন ভিন ৰূপ দেখা যায়। অর্থাৎ ভাষা ব্যৱহাৰৰ ওপৰত নির্ভৰ কৰিয়েই ভাষাগত বিভিন্নতা (linguistic variation) পৰিলক্ষিত হয়। ভাষা ব্যৱহাৰৰ বিভিন্নতাত প্রাকৃতিক, ভৌগোলিক, সামাজিক আদি নানা কাৰকে সহায় কৰে যদিও ভৌগোলিক আৰু সামাজিক কাৰক প্রধানভাৱে উল্লেখযোগ্য। সেয়ে ভৌগোলিক অৱস্থান অনুযায়ী একেটা ভাষাৰে ভিন ভিন আঞ্চলিক ৰূপ পৰিলক্ষিত হয়। তেনেদৰে সমাজৰ ভিন ভিন স্তৰত একেটা ভাষাৰে সুকীয়া সুকীয়া ৰূপৰ সৃষ্টি হয়। এনে ধৰণৰ সুকীয়া ৰূপবোৰৰ মাজতে ভাষা এটাৰ মৌলিক বৈশিষ্ট্যসমূহ সংৰক্ষিত হৈ থাকে। যিবোৰে ভাষাৰ প্রকাশিকা শক্তিক সমৃদ্ধিশালী কৰি তোলে। এই অধ্যায়ত ভাষাৰ বিভিন্ন ৰূপ সম্পর্কে আপুনি ধাৰণা কৰিব পাৰিব।

১৩.৩ ভাষা আৰু উপভাষা

এটা ভাষা সাধাৰণতে কেইবাটাও উপভাষাৰ সমষ্টি। অর্থাৎ এটা ভাষাৰ অন্তর্গত কেইবাটাও উপভাষা থাকিব পাৰে। এই উপভাষাসমূহৰ মাজত ইটোৰ লগত সিটোৰ যদি আংশিক বোধগম্যতা থাকে তেতিয়া হ'লে এক বিশাল জনসমষ্টিত বা বিশাল অঞ্চলত এটা বিশেষ ভাষাৰ পৰিধি সৃষ্টি হয়। ইয়াকে সেই অঞ্চলৰ বা জনসমষ্টিৰ ভাষা বুলি কোৱা হয়। যেনে— অসমৰ অসমীয়া ভাষা, বংগৰ বাংলা ভাষা, উড়িষ্যাৰ উড়ীয়া ভাষা ইত্যাদি। এই ভাষাৰে আকৌ মান্য ভাষা (Standard language), মান্য কথিত (Standard colloquial), মান্য লিখিত (Standard written), কথিত, লিখিত আদি নানা স্তৰ নিৰূপণ কৰি লোৱা হয়। মান্য ভাষা, উপভাষাৰে এটা মর্যাদাসম্পন্ন ৰূপ। এটা ভাষাৰ অন্তর্গত উপভাষাসমূহৰ যিটো উপভাষা চৰকাৰী কাম-কাজ, শিক্ষানুষ্ঠান, বা-বাতৰি প্রচাৰ, গ্রন্থ প্রকাশ আদিত ব্যৱহাৰ কৰা হয় সেই উপভাষাটোৱে মর্যাদাসম্পন্ন হৈ উঠে। যিয়ে আন আন উপভাষাসমূহৰ প্রতিনিধি হিচাপে চিহ্নিত হয় আৰু মান্য ভাষা বুলি গ্রহণ কৰা হয়। এই মান্য ৰূপটোকে কওঁতে বা লিখোতে যি ভিন্নতা পৰিলক্ষিত হয় তাকে মান্য কথিত আৰু মান্য লিখিত ৰূপ বুলি কোৱা হয়। লিখিত ভাষাকহে যে মান্য ভাষা বুলি কোৱা হয় এনে নহয়। লিখিত ৰূপ নথকা ভাষাও মান্য ভাষা হ'ব পাৰে।

একে ভাষা সম্প্রদায়ৰ ভাষা ব্যৱহাৰৰ ভিন্নতাৰ বাবে উপভাষা সৃষ্টি হয়। সচৰাচৰ কোৱা হয় যে কোনো এটা ভাষা সম্প্রদায়ৰ ভৌগোলিক পৰিসৰ যদি বিস্তৃত হয়, তেতিয়া ভিন ভিন অঞ্চলত ভাষা ব্যৱহাৰ ভিন ভিন হয়। এই ভিন্ন আঞ্চলিক ৰূপকে উপভাষা বোলা হয়। ভাষাবিদ

উপেন্দ্রনাথ গোস্বামীৰ মতে এটা অঞ্চলৰ ভাষাৰ মাজত ধ্বনি, ধ্বনি সংযোগ বা ৰূপ আৰু শব্দমালাৰ নানা পৰিবর্তনে দেখা দিয়ে। ভাষাৰ এনে আঞ্চলিক ৰূপক উপভাষা বোলে। উপভাষা অধ্যয়নৰ আৰম্ভণি ভৌগোলিক দৃষ্টিকোণৰ পৰা হোৱা কাৰণে সম্ভৱ উপভাষাৰ সংজ্ঞা এনে ধৰণে নিৰূপণ কৰা হৈছিল। কিন্তু এনে সংজ্ঞাই উপভাষাৰ সকলো দিশ সামৰি ল'ব নোৱাৰে। সেয়ে আধুনিক ভাষাবিজ্ঞানীসকলে আন এটা দৃষ্টিকোণৰ পৰা উপভাষাৰ সংজ্ঞা দাঙি ধৰিছে। তেওঁলোকৰ মতে ভাষাৰ সংকীর্ণতম ৰূপ হ'ল ব্যক্তি ভাষা। দুজন ব্যক্তিৰ মুখৰ গঢ় বা খোজ-কাটল যেনেদৰে একে নহয়, ঠিক তেনেদৰে দুজন ব্যক্তিৰ ভাষাও একে নহয়। তাৰ মানে ব্যক্তি ভাষাৰ মাজত পার্থক্য আছে। এটা সমষ্টিৰ ব্যক্তি ভাষাসমূহৰ মাজত পার্থক্য থাকিলেও সেই পার্থক্যই পৰস্পৰৰ মাজত ভাব বিনিময় কৰোঁতে কোনো অসুবিধাৰ সৃষ্টি নকৰে। কাৰণ সেই ব্যক্তি ভাষাসমূহৰ সাদৃশ্যৰ তুলনাত পার্থক্য বা ভেদ তেনেই নগণ্য। ব্যক্তিভাষাসমূহৰ সাদৃশ্যৰ গুৰিতে হ'ল ঘনিষ্ঠ যোগাযোগ, ব্যৱসায়-বাণিজ্য, বিয়া-বাৰু, সামাজিক চাল-চলন আদিৰ ক্ষেত্রত থকা পৰস্পৰৰ মাজৰ সমন্বয়। এনেদৰে কোনো এটা ভাষাৰ পৰস্পৰ মিল থকা ব্যক্তি ভাষাৰ বিশেষ জনসমষ্টিৰ ভাষাকে উপভাষা বুলি কোৱা হয়। অর্থাৎ চমু কথাত যি জনসমষ্টিৰ ইজনে সিজনৰ ব্যক্তি ভাষা বুজে, সেই জনসমষ্টিৰ ব্যক্তি ভাষাৰ সমগ্রতাই হ'ল এটা উপভাষা। উপভাষা মূল ভাষা এটাৰ অন্তর্গত এক বিশেষ ৰূপহে। মূল ভাষাৰ লগত ধ্বনি, ৰূপ, শব্দমালাৰ পার্থক্য থাকিলেও সি দুর্বোধ্য নহয়। এই সম্পর্কে Peter Trudgillৰ মন্তব্যটি প্রণিধানযোগ্য — "We could say that if two speakers cannot understand one another, then they are speaking different language. Similarly, if they can understand each other, we could say that they are speaking dialects of the same language."

ভাষা আৰু উপভাষাৰ মাজত এটা সম্পর্ক আছে। ভাষাৰ সংকীর্ণ ৰূপ হৈছে উপভাষা। ভৌগোলিক আৰু সামাজিক ভিন্নতাৰ কাৰণে উপভাষা সৃষ্টি হয়। সেয়ে উপভাষা বুলিলে এটা ভাষাৰে অন্তর্গত ভিন্ন ৰূপ এটাকহে বুজায়। উপভাষা মানে বেলেগ এটা ভাষা নহয় ।

ভাষা আৰু উপভাষাৰ পার্থক্য নির্ণয় কৰাটো সহজ নহয়। গ্রীয়ার্চনে সেয়ে তেওঁৰ *Linguistic Survey of India, Vol-V Part-1*ত ভাষা আৰু উপভাষাৰ পার্থক্য নির্ণয় কৰিবলৈ পর্বত আৰু পাহাৰৰ তুলনা কৰিছে। কিমান ডাঙৰ আৰু বিশাল হ'লে পাহাৰ এখনক পর্বত বুলিব পাৰি সেই কথা যেনেকৈ কোৱা টান, তেনেকৈ কিমান ডাঙৰ আৰু বিশাল হ'লে উপভাষা এটাক ভাষা বুলিব পাৰি কোৱা টান। ভাষা আৰু উপভাষাৰ পার্থক্য আকৃতিগত নহয়, লক্ষণগত বা প্রকৃতিগতহে।

১৩.৪ উপভাষাৰ গঠন

উপভাষা গঠনত ভাষাগত বিভিন্নতা (linguistic variation)ৰ বিশেষ ভূমিকা আছে। ভাষাগত বিভিন্নতাত কেইটামান স্থায়ী কাৰকে প্রভাৱান্বিত কৰে। F. C. Stock আৰু J. D. A

Widdrwsonএ *Learning about Linguistics* গ্ৰন্থত এনেদৰে কৈছে— "The variety of language we use is more permanently influenced by such factors as our age group, sex, geographical, educational and social background." ভাষাগত বিভিন্নতাত বয়স, লিংগ, ভৌগোলিক, শৈক্ষিক আৰু সামাজিক পটভূমিৰ প্ৰভাৱ আছে যদিও ইয়াক বহুলভাবে দুটা ভাগত ভাগ কৰিব পাৰি। সেই দুটা হ'ল— ভৌগোলিক আৰু সামাজিক ভাষাগত বিভিন্নতা। ভৌগোলিক ভাষাগত বিভিন্নতাত প্ৰাকৃতিক নানা বাধাই সহায় কৰে। যেনে— ডাঙৰ নৈ, ডাঙৰ পাহাৰ, ডাঙৰ হাবি ইত্যাদি। কিন্তু এই প্ৰাকৃতিক বাধাসমূহ সৰ্বজন গৃহীত নহয়। কাৰণ কেতিয়াবা কোনো ডাঙৰ নৈ বা ডাঙৰ পাহাৰ আদি থকা সত্ত্বেও দুটা অঞ্চলৰ মাজত ভাষাগত বিভিন্নতা পৰিলক্ষিত নহয়। উত্তৰ লখিমপুৰ, মাজুলী আৰু ডিব্ৰুগড়ৰ মাজত ডাঙৰ নৈ ব্ৰহ্মপুত্ৰ থকা সত্ত্বেও ইয়াৰ ভাষাৰ মাজত ব্যৱধান ইমান কম যে সেইসমূহ অঞ্চলৰ ভাষা একে উপভাষাৰে অন্তৰ্গত বুলি কোৱা হয়। ইয়াৰ বিপৰীতে দৰং আৰু নলবাৰী অঞ্চলৰ মাজত প্ৰাকৃতিক বাধা নথকা সত্ত্বেও দুই অঞ্চলৰ ভাষাৰ মাজত ভেদ (বিভিন্নতা) পৰিলক্ষিত হয়। সেয়েহে দেখা যায় প্ৰাকৃতিক বাধাতকৈ সামাজিক বাধাইহে উপভাষা গঠনত বেছি প্ৰভাৱ বিস্তাৰ কৰে।

সামাজিক ভাষাগত বিভিন্নতা বিশেষকৈ আৰ্থ-সামাজিক, জাতিভেদ, লিংগভেদ, বয়স, শিক্ষা আৰু সামাজিক পটভূমিৰ ওপৰত নিৰ্ভৰ কৰে। আৰ্থ-সামাজিক ব্যৱস্থাই সমাজত বিভিন্ন শ্ৰেণীৰ সৃষ্টি কৰে। এনে শ্ৰেণীবোৰৰ মাজত ভাষাগত বিভিন্নতা পৰিলক্ষিত হয়। উচ্চ শ্ৰেণীৰ লোক এজনৰ ভাষাৰ নিম্ন শ্ৰেণীৰ লোকৰ ভাষাৰ লগত অমিল পোৱা যায়। কাৰণ দুয়োটা শ্ৰেণীৰ জীৱন-নিৰ্বাহ, আচাৰ-ব্যৱহাৰ, ভাব-ভংগী আদি সুকীয়া সুকীয়া। এনে ব্যৱধান প্ৰকট হৈ পৰিলে শ্ৰেণীগত উপভাষাৰ সৃষ্টি হয়। তেনেদৰে বৰ্ণ বা জাতিৰ মাজতো ভাষাগত বিভিন্নতা দেখিবলৈ পোৱা যায়। সমাজৰ কোনো এক বিশেষ জাতি বা বৰ্ণৰ মাজত এই প্ৰক্ৰিয়াটো আবদ্ধ হৈ থাকে। এনে ব্যৱধান প্ৰকট হ'লে জাতিগত উপভাষাৰ সৃষ্টি হয়। লিংগভেদেও ভাষাগত বিভিন্নতা দেখিবলৈ পোৱা যায়। পুৰুষ আৰু মহিলাৰ মাজত এনে বিভিন্নতা অধিক হ'লে লিংগগত উপভাষাৰ সৃষ্টি হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উপভাষাৰ সৃষ্টি কিয় হয়?

.....

প্ৰশ্ন নং ২ ঃ লিংগভেদেও ভাষাগত বিভিন্নতাৰ সৃষ্টি হ'ব পাৰেনে?

.....

১৩.৪.১ আঞ্চলিক উপভাষা

ভৌগোলিক ভাষাগত বিভিন্নতাৰ বাবে সৃষ্টি হয় আঞ্চলিক উপভাষা। কোনো

এটা ভাষাৰ ভৌগোলিক পৰিসৰ যদি বিস্তৃত হয় তেনেহ'লে অঞ্চলভেদে ভাষাটোৰ কিছুমান সুকীয়া সুকীয়া ৰূপৰ সৃষ্টি হয়। অঞ্চলভেদে সৃষ্টি হোৱা এনে সুকীয়া ৰূপবোৰকে আঞ্চলিক উপভাষা বোলা হয়। ভৌগোলিক ব্যৱধানৰ ওপৰত নির্ভৰ কৰি ভাষাৰ আঞ্চলিক বিভিন্নতাৰ সৃষ্টি হোৱাৰ কাৰণে আঞ্চলিক উপভাষাক ভৌগোলিক উপভাষা বুলিও কোৱা হয়। ভৌগোলিক ব্যৱধান যিমানে বেছি হয় ব্যক্তি ভাষাৰ পাৰস্পৰিক বোধগম্যতা (Mutual Intelligibility) সিমানে কম হয়। শদীয়াৰ পৰা ধুবুৰীলৈ প্ৰচলিত অসমীয়া ভাষাৰ দুজন ব্যক্তিৰ ব্যক্তি ভাষাৰ পাৰস্পৰিক বোধগম্যতা কম। কিন্তু শদীয়া আৰু শিৱসাগৰৰ দুজন ব্যক্তিৰ ব্যক্তি ভাষাৰ পাৰস্পৰিক বোধগম্যতা বেছি।

এটা ভৌগোলিক বা আঞ্চলিক উপভাষাৰে আকৌ অঞ্চল বিশেষে আঞ্চলিক ৰূপ থাকিব পাৰে। এনে স্থানীয় আঞ্চলিক ৰূপকে স্থানীয় উপভাষা (Sub-Dialect) বোলা হয়। এটা স্থানীয় উপভাষা কোৱা সেই অঞ্চলৰ লোকসকলৰ কথা-বতৰাৰ মাজত শব্দ, ধ্বনি, ৰূপ আৰু বাক্যগত স্তৰৰ মিল থাকে। সেই লোকসকলৰ মাজত পৰস্পৰে এশ শতাংশই বুজি পায়। কিন্তু বেলেগ স্থানীয় উপভাষাৰ লোকে এশ শতাংশই বুজি নাপায়।

ভৌগোলিক উপভাষাৰ লগত সীমা নির্ধাৰণৰ বিষয়টো জড়িত হৈ আছে। ভৌগোলিক উপভাষা আৰু ইয়াৰ অন্তর্গত স্থানীয় উপভাষাৰ লগত ভাষাৰ সীমা নির্ধাৰণ কৰা হয়। কোনো এটা ভাষাৰ ধ্বনি, ৰূপ, বাক্য আৰু অর্থ-ৰচনাৰ এটা প্ৰণালী থাকে। উপভাষা এটায়ো সেই প্ৰণালী অনুসৰণ কৰে। সেয়ে উপভাষাৰ সীমা নির্ধাৰণ কৰিবলগীয়া হ'লে ভাষাৰ উপাদানসমূহ কিমান দূৰলৈ বিয়পি আছে তাক উলিয়াব লগা হয়। সেইটো কৰিবলৈ কিছুমান কাল্পনিক ৰেখা অংকন কৰা হয়। ইয়াকে সীমা নির্ধাৰণ ৰেখা (Isogloss) বোলা হয়। ভিন্ন অঞ্চলৰ শব্দৰ পার্থক্য বুজোৱা ৰেখাক শব্দ-ৰেখা, ধ্বনিৰ পার্থক্য বুজোৱা ৰেখাক ধ্বনি-ৰেখা, ৰূপ-ৰচনাৰ পার্থক্য বুজোৱা ৰেখাক ৰূপ-ৰেখা আৰু সুৰৰ পার্থক্য বুজোৱা ৰেখাক সুৰ-ৰেখা বোলা হয়। যি ঠাইৰ মাজেৰে এনে বহুত পার্থক্যসূচক ৰেখা অতিক্ৰম কৰে সেই ঠাইডোখৰেই হৈছে উপভাষাৰ সীমা।

১৩.৪.২ সামাজিক উপভাষা

ভাষা-বিজ্ঞানৰ উল্লেখযোগ্য শাখা এটি হ'ল সমাজ ভাষাবিজ্ঞান (Sociolinguistics)। সমাজ ভাষাবিজ্ঞানে সমাজৰ আর্থ-সামাজিক, সাংস্কৃতিক, শৈক্ষিক সকলো দিশ প্ৰতিফলিত হোৱাকৈ ভাষা অধ্যয়ন কৰে। সমাজত বসবাস কৰা বিভিন্ন জাতি-উপজাতি, ধনী-দুখীয়া, পুৰুষ-মহিলা, শিক্ষিত-অশিক্ষিত আদি লোকৰ জীৱন নির্বাহৰ পদ্ধতি ভিন ভিন। জীৱন নির্বাহৰ এনে বিভিন্নতাই ভাষাৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়। সমাজৰ এই বিভিন্ন শ্ৰেণী লোকৰ ভাষা ব্যৱহাৰ (Linguistics

behaviour)ৰ অধ্যয়ন সমাজ ভাষা বিজ্ঞানত কৰা হয়। সমাজ ভাষা-বিজ্ঞানৰ অধ্যয়নৰ বিষয়বোৰৰ মাজতে সামাজিক উপভাষা (Social Dialect বা Sociolect)ৰ অধ্যয়নৰ সমলবোৰো অন্তর্নিহিত হৈ আছে। সেয়ে সমাজৰ যিবোৰ দিশত ভাষাগত বিভিন্নতা পৰিলক্ষিত হয় তাতেই সামাজিক উপভাষাৰ সৃষ্টি হয়। সামাজিক উপভাষাই ভাষা ব্যৱহাৰৰ সামাজিক বিভিন্নতাক বেছি পোহৰলৈ আনে। এই বিষয়ে পৰৱর্তী অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হ'ল।

১৩.৪.৩ জাতি বা বর্ণগত উপভাষা

সামাজিক উপভাষাৰ অন্তর্গত আন এটি ৰূপ হৈছে জাতিগত উপভাষা (Caste Dialect)। সমাজত বিভিন্ন ব্যক্তিৰে গঢ় লোৱা বিভিন্ন দল বা ফৈদ থাকে। এই দল বা ফৈদসমূহ জাতি অনুযায়ী বিভিন্ন সামাজিক শ্রেণীত বিভক্ত কৰিব পাৰি। জাতি প্রথাক কেন্দ্র কৰি সৃষ্টি হোৱা সামাজিক শ্রেণীয়ে হৈছে একো একোটা জাতিগোষ্ঠী। যেতিয়া সেই জাতিগোষ্ঠীক কেন্দ্র কৰি ভাষাগত বিভিন্নতা সৃষ্টি হয়, তেতিয়া তাক জাতিগত উপভাষা বোলা হয়। অর্থাৎ জাতিক কেন্দ্র কৰি জাতিগত উপভাষাৰ সৃষ্টি হয়। জাতিগত উপভাষাৰ নিদর্শন দক্ষিণ ভাৰতৰ কানাড়া ভাষাত পোৱা যায়। কানাড়াভাষী ব্রাহ্মণ আৰু অব্রাহ্মণসকলৰ মাজত ইমান পার্থক্য আছে যে ই উপভাষাত পৰিণত হৈছে। শ্রেণীগত উপভাষাতকৈ জাতিগত উপভাষা অধিক স্পষ্ট আৰু সুনির্দিষ্ট। শ্রেণীগত উপভাষা সৃষ্টি হয় মূলতঃ অর্থনৈতিক কাৰণত। অর্থনৈতিকভাবে এসময়ৰ প্রাণচঞ্চল লোক এজনো এটা সময়ত দৰিদ্র হোৱা আৰু অষ্টম দৰিদ্র এজনো এসময়ত ধনী হৈ পৰা উদাহৰণ সমাজত দেখা যায়। সেয়ে শ্রেণীগত উপভাষা সুনির্দিষ্ট নহয়। কিন্তু জাতিগত উপভাষাৰ প্রচলন এটা নির্দিষ্ট জাতি বা গোষ্ঠীৰ মাজত আবদ্ধ থাকে আৰু ই বংশগতভাৱে প্রচলন হৈ থাকে। অইন জাতিৰ লগত মিলা-মিছা হ'লেও বা ভৌগোলিক দূৰত্বয়ো জাতিগত উপভাষাত প্রভাৱ পেলাব নোৱাৰে। ধাৰোৱাৰ আৰু বাংগালোৰ চহৰ দুখনত প্রচলিত কানাড়া ভাষী ব্রাহ্মণ আৰু অব্রাহ্মণসকললৈ লক্ষ্য কৰি Peter Trudgillএ উল্লেখ কৰিছে যে দুয়োখন চহৰৰ মাজত দূৰত্ব ২৫০ মাইল যদিও দুয়োখন চহৰৰ অব্রাহ্মণসকলৰ ভাষাৰ যিদৰে মিল আছে তেনেদৰে দুয়োখন চহৰৰ ব্রাহ্মণসকলৰ ভাষাৰ মাজতো মিল দেখা যায়।

১৩.৪.৪ লিংগগত উপভাষা

লিংগভেদেও সমাজত ভাষাগত বিভিন্নতা থাকিব পাৰে। পুৰুষ আৰু মহিলাৰ মাজত এনে বিভিন্নতা দেখিবলৈ পোৱা যায়। অৱশ্যে কম-বেছি পৰিমাণে পুৰুষ আৰু মহিলাৰ মাজত ভাষাগত বিভিন্নতা থাকে। কিন্তু কিছুমান সমাজত এই বিভিন্নতা অতি

বেছি। ফলত লিংগগত উপভাষাৰ সৃষ্টি হয়। অর্থাৎ যি সমাজত পুৰুষ আৰু মহিলাৰ ভাষা ব্যৱহাৰত ভাষাগত বিভিন্নতা থাকে তাকে লিংগগত (Sex and language) উপভাষা বোলে। উদাহৰণস্বৰূপে ৱেষ্ট ইণ্ডিজ (West-Indies)ৰ পুৰুষ আৰু মহিলাৰ ভাষালৈ আঙুলিয়াব পাৰি। আমেৰিকাৰ আদিম অধিবাসীসকলৰ অন্যতম ভাষা 'Chiquito'ত পুৰুষ আৰু মহিলাৰ ভাষাৰ মাজত পার্থক্য দেখা যায়। অসমত লিংগগত উপভাষাৰ নিদর্শন নাই যদিও কিছুমান নিষিদ্ধ শব্দ আৰু সম্বন্ধবাচক শব্দ প্রয়োগত পুৰুষ আৰু মহিলাৰ পার্থক্য আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ স্থানীয় উপভাষা (Sub-Dialect) কাক বোলা হয়?

.....

.....

প্রশ্ন নং ৪ ঃ জাতিগত উপভাষা সম্পর্কে চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....


.....

.....

১৩.৫ পাৰস্পৰিক বোধগম্যতা

ব্যক্তি ভাষাসমূহৰ মাজত থকা মিল বা দুজন ব্যক্তিৰ কথোপকথনৰ বোধেই হৈছে পাৰস্পৰিক বোধগম্যতা (Mutual Intelligibility)। পাৰস্পৰিক বোধগম্যতা প্রকৃততে ব্যক্তি ভাষাৰ লগত সম্পর্কিত। কোনো এটা ভাষাৰ বিভিন্ন উপভাষাৰ শাখা-প্রশাখা চিহ্নিত কৰিবলৈ ভাষাবিজ্ঞানী বা উপভাষা বিজ্ঞানীয়ে পাৰস্পৰিক বোধগম্যতাকে মূল নীতি হিচাপে গ্রহণ কৰিব বিচাৰে। দুজন বা ততোধিক বক্তাই কোনো অসুবিধা নোহোৱাকৈ যেতিয়া পৰস্পৰৰ কথা-বতৰা বুজি পায় তেতিয়া তেওঁলোকৰ উপভাষাত পাৰস্পৰিক বোধগম্যতা থকা বুলি ধৰা হয়। কিন্তু তেওঁলোকৰ কথা-বতৰা যদি পৰস্পৰে বুজিব নোৱাৰা বিধৰ হয় তেন্তে তেওঁলোকৰ উপভাষা পাৰস্পৰিক বোধগম্যহীন (Mutual unintelligibible) বুলি ধৰা হয়। C.F. Hockettএ পাৰস্পৰিক বোধগম্যতাক ৰেখাচিত্রৰ সহায়েৰে এনেদৰে ব্যাখ্যা কৰিছে—

চিত্র ১৩.১ — পাৰস্পৰিক বোধগম্যতাৰ ৰেখাচিত্র



চিত্র ১৪.১ত দেখুওৱা প্রতিটো বিন্দুৱে একোটা ব্যক্তি ভাষাৰ নির্দেশ কৰিছে। এই প্রত্যেক বিন্দুক সংযোগ কৰা ৰেখাই পাৰস্পৰিক বোধগম্যতাৰ অৱস্থাক বুজাইছে। ইয়াত পাঁচটা অজটিল উপভাষাৰ (language-simplex) সমষ্টি আছে। ১-২-৩-৪-৫; ৪-৫-৬-৭; ৬-৭-৮; ৮-৯-১০; আৰু ১১। ১-২-৩-৪-৫-৬ ব্যক্তি ভাষা সমষ্টিয়ে অজটিল ভাষা সমষ্টিৰ নির্দেশ নকৰে। কাৰণ ৬ বিন্দুৱে নির্দেশ কৰা উপভাষাৰ লগত ১-২-৩-৪ৰ পার্থক্য আছে। সেই কাৰণে এইকেইটা পাৰস্পৰিক বোধগম্য নহয়। ১-২-৩-৪-৫ বিন্দুৱে নির্দেশ কৰা ব্যক্তি ভাষাৰ মাজত মিল আছে। সেয়ে এই বিন্দুকেইটাই নির্দেশ কৰা সমষ্টিটো এটা অজটিল ভাষা সমষ্টি। ১১ বিন্দুৱে নির্দেশ কৰা ব্যক্তি ভাষাৰ বাহিৰে ১ৰ পৰা ১০লৈ পাৰস্পৰিক বোধগম্য নহ'লেও ইয়াক এটা শ্রেণীৰ ভিতৰত ধৰিব পাৰি। তাৰ মানে ১ৰ পৰা ১০ পর্যন্ত পাৰস্পৰিক সম্বন্ধযুক্ত। এনেদৰে যিবিলাক ব্যক্তি ভাষা পাৰস্পৰিক সম্বন্ধযুক্ত সেই আটাইবিলাক সমষ্টিয়ে গঢ়ি তোলা সমষ্টিক জটিল ভাষা-সমষ্টি (language complex) বা L-complex হিচাপে নির্দেশ কৰিছে। ১১ বিন্দুৱে অন্য এক ভাষাৰ অৱস্থিতিৰ নির্দেশ কৰিছে।

তাত্ত্বিকভাৱে কম-বেছি পৰিমাণে পাৰস্পৰিক বোধগম্য থকা ভাষাৰ ভিন্ন ৰূপবোৰেই উপভাষা যদিও ইয়ে চূড়ান্ত সিদ্ধান্ত হ'ব নোৱাৰে। আপেক্ষিক ভৌগোলিক দূৰত্বৰ ওপৰতো ব্যক্তি ভাষাসমূহৰ পাৰস্পৰিক বোধগম্যতা সম্পূর্ণৰূপে নির্ভৰ নকৰে। গোৱালপৰীয়া উপভাষা আৰু উত্তৰ বংগৰ ভাষাৰ দুজন ব্যক্তি ভাষাৰ পাৰস্পৰিক বোধগম্যতা বেছি। ভৌগোলিক দূৰত্বও কম। কিন্তু গোৱালপৰীয়া উপভাষা উত্তৰ বংগ ভাষাৰ অন্তর্গত নহয়, অসমীয়া ভাষাৰহে অন্তর্গত।

১৩.৬ ব্যক্তি ভাষা

আপুনি নিশ্চয় জানে যে প্রতিজন ব্যক্তিৰ কথা কোৱা ভংগী বা বাক্-ভংগী স্বকীয় বৈশিষ্ট্যসম্পন্ন। সেই কাৰণে দুজন ব্যক্তিৰ মাজত নানা কাৰণত ভাষাগত ভেদ পৰিলক্ষিত হয়। ব্যক্তি এজনৰ বৈশিষ্ট্যসম্পন্ন বাক্-ভংগীকে ব্যক্তি ভাষা (Ididect) বোলা হয়। C. F. Hockettৰ মতে কোনো এজন ব্যক্তিয়ে কোনো এটা সময়ত ব্যৱহাৰ কৰা বাক্-অভ্যাস (speech habits)ৰ সমগ্রতাই ব্যক্তিভাষা।

শিশুৰ পৰা বৃদ্ধলৈ লক্ষ্য কৰিলে দেখা যায় প্রত্যেকৰে কথা কোৱাৰ ভংগী কিছু নহয় কিছু বেলেগ হয়। শিশুৱে ডাঙৰৰ মাত-কথা অবিকল অনুকৰণ কৰি কথা নকয়। ডাঙৰৰ মুখৰ

কথা শুনি শুনি প্রণালীটো শিকি নতুন শব্দ বা বাক্য গঠন কৰি বিভিন্ন প্রসংগত ব্যৱহাৰ কৰে।

বিভিন্ন কাৰকে ব্যক্তি ভাষাৰ স্বতন্ত্রতা নির্ণয় কৰে। সেই কাৰকবোৰ হ'ল শিক্ষা, ব্যৱসায়, আর্থিক অৱস্থা, সামাজিক চাল-চলন ইত্যাদি। এজন ব্যৱসায়ী আৰু এজন উকীলৰ মাজত কথা-বতৰাৰ প্রভেদ যথেষ্ট। এজন সদায় বাহিৰত ফুৰা-চকা কৰা ব্যক্তি আৰু সদায় নিজৰ গাঁৱতে সোমাই থকা ব্যক্তি এজনৰ কথা-বতৰা নিশ্চয় বেলেগ হ'ব।

ব্যক্তি ভাষা যে কেৱল মাতৃভাষাই হ'ব এনে কথা নাই। এজন ব্যক্তিৰ এটাতকৈ বেছি ব্যক্তি ভাষা হ'ব পাৰে। এটা অসমীয়া পৰিয়াল যদি দীর্ঘদিন বাংলা ভাষী লোকৰ মাজত থাকিবলগীয়া হয়, সেই পৰিয়ালৰ মানুহে বাংলা ভাষা ক'ব পৰা হ'ব। তেতিয়া সেই পৰিয়ালৰ ব্যক্তি ভাষা দুটা হ'ব পাৰে। অৱশ্যে ব্যক্তি ভাষা-১ আৰু ব্যক্তি ভাষা-২ৰ মাজত তাৰতম্য থাকিব পাৰে।

১৩.৭ মান্য ভাষা

মান্য ভাষাও এটা বিশেষ উপভাষাহে। একাধিক উপভাষাৰ মাজত যিটো উপভাষা সন্মানীয় বা মর্যাদাসম্পন্ন বুলি বিবেচিত হয় সেই বিশেষ উপভাষাটোকে মান্য ভাষা হিচাপে গণ্য কৰা হয়। সেই উপভাষাটোক আন উপভাষা কোৱাসকলেও ব্যৱহাৰ কৰে। শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্য, সভা-সমিতি, প্রচাৰ মাধ্যম আৰু সামাজিক লেনদেন আদি সকলো ক্ষেত্রতে বিশেষ উপভাষাটো ব্যৱহাৰ কৰা হয়। ফলত ই মর্যাদাসম্পন্ন হৈ পৰে। এনে ধৰণৰ মর্যাদাসম্পন্ন উপভাষাটোকে মান্য ভাষা বা সাধু ভাষা (standard language) বোলা হয়।

উপভাষা এটা মর্যাদাসম্পন্ন হ'লে উৎকৃষ্ট আৰু নহ'লে নিকৃষ্ট বুলি বিবেচনা কৰাটো ভুল। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা কোনো উপভাষা উৎকৃষ্ট বা কোনো উপভাষা নিকৃষ্ট বুলি বিবেচনা কৰা নহয়।

মান্য ভাষা সদায় মান্য ভাষা হৈ থাকিব বা উপভাষা সদায় উপভাষাই হৈ থাকিব— এনে কথা নহয়। এসময়ত মান্য ভাষা ৰূপে স্বীকৃতি পোৱা উপভাষা পুনৰ উপভাষাত পৰিণত হ'ব পাৰে। তেনেদৰে এসময়ৰ উপভাষা এটাই মান্য ভাষা ৰূপে স্বীকৃত হ'ব পাৰে। এনে ঘটনা জগতৰ বিভিন্ন ঠাইত ঘটে। অসমীয়া ভাষাতো এনে উদাহৰণ আছে। মাগধীয় ৰূপৰ পৰা ৰূপান্তৰিতহৈ অসমত বিশেষকৈ পশ্চিম অসমত গঢ় লৈ উঠা ৰূপটোৱে হ'ল অসমীয়া ভাষা। কালক্রমত এই ভাষাটো নামনিৰ পৰা উজনিলৈ বিয়পি পৰে। সোতৰ শতিকাৰ আগৰ কালছোৱাত অসমৰ নামনি অঞ্চলতে সাহিত্য-কলাৰ কেন্দ্র গঢ়ি উঠিছিল। কমতাপুৰ, জয়ন্তাপুৰ আৰু কোচবিহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত প্রাচীন অসমীয়া সাহিত্যৰ সৃষ্টি এই অঞ্চলতে হৈছিল। অসমীয়া সাহিত্যৰ প্রথম কাব্য ৰচক হেম সৰস্বতী, অপ্রমাদী কবি মাধৱ কন্দলি, অসমীয়া নাট্য-সাহিত্যৰ জনক শংকৰদেৱ, অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ, মাধৱদেৱ, মনসা কবি মনকৰ, দুর্গাবৰ আদিৰ সাহিত্য সৃষ্টি নামনি অসমৰ ভাষাত হৈছিল। তেতিয়া নামনি অসমৰ ভাষাটোৱেই মান্য ভাষা ৰূপে স্বীকৃত হৈছিল। সাংস্কৃতিকভাৱে প্রাধান্য পোৱাৰ কাৰণে এই স্বীকৃতি পাইছিল। কিন্তু ৰাজনৈতিক আৰু সাংস্কৃতিক কেন্দ্র সময়ে সময়ে সলনি হয়। সোতৰ শতিকাৰ পৰা অসমৰ

সাংস্কৃতিক কেন্দ্র সলনি হৈছিল। নামনি অসমত কোচ-ৰাজ্য পতন হোৱাত আহোম ৰজাসকলৰ তত্ত্বাৱধানত শিৱসাগৰ অঞ্চল সাংস্কৃতিক কেন্দ্রত পৰিণত হৈছিল। সেই সময়ৰ পৰাই শিৱসাগৰ অঞ্চলৰ উপভাষাটোৱে প্রাধান্য লাভ কৰিবলৈ ধৰিছিল। ১৮৩৬ চনত আমেৰিকাৰ বেপ্টিষ্ট মিছনাৰীসকলে তেওঁলোকৰ ধর্ম প্রচাৰৰ কেন্দ্রস্থল হিচাপে বাচি লোৱাত শিৱসাগৰে বিশেষভাৱে প্রাধান্য লাভ কৰিছিল। তেওঁলোকে সেই অঞ্চলৰ উপভাষাটোকে কিতাপ-পত্র, আলোচনী আদিত ব্যৱহাৰ কৰাৰ ফলত উপভাষাটোৱে প্রাধান্য লাভ কৰিছিল আৰু পিচত মান্য ভাষা হিচাপে স্বীকৃতি লাভ কৰিলে। নামনিৰ ভাষাটো পুনৰ উপভাষাত পৰিণত হৈ পৰিল।

উপভাষা এটাই কেইটামান কার্য-প্রক্রিয়াৰ জৰিয়তে মান্য মর্যাদা পায়। এই প্রক্রিয়াকে মান্যতা প্রাপ্তি কার্য-প্রক্রিয়া (Process of Standardization) বোলা হয়। এই প্রক্রিয়াত নিহিত হৈ থকা স্তৰকেইটা হৈছে— নির্বাচন (Selection), মানভুক্তকৰণ (Codification), কার্যকৰণ (Function) আৰু গ্রহণযোগ্যতা Acceptance)।

- **নির্বাচন ঃ** প্রথমে কোনো এটা উপভাষা নির্বাচন কৰি ল'ব লাগিব। সেইটো কোনো অঞ্চলত প্রচলিত উপভাষাও হ'ব পাৰে বা সম্বন্ধ থকা কোনো লোক সমষ্টিৰ বিভিন্ন উপভাষাৰ একত্রিত মিশ্রিত ৰূপো হ'ব পাৰে। উপভাষা এটাক মান্য ভাষা ৰূপে নির্বাচন কৰাৰ ক্ষেত্রত সামাজিক আৰু ৰাজনৈতিক প্রাধান্যক অধিক গুৰুত্ব প্রদান কৰা হয়।
- **মানভুক্তকৰণ ঃ** মান্য ভাষা হিচাপে নির্বাচন কৰি লোৱা ভাষাটোৰ ৰূপবোৰক সকলোৱে মানি চলিব পৰাকৈ অকাডেমী জাতীয় কিছুমান প্রতিষ্ঠানে অভিধান, ব্যাকৰণ আদি যুগুত কৰি স্থিৰ কৰি দিয়ে। প্রধান কথিত ৰূপ এটাৰ লগতে গৌণ লিখিত ৰূপ এটাও সৃষ্টি কৰি দিয়ে। এনেদৰে মানভুক্তকৰণ প্রক্রিয়াৰ সূচনা হয়। এবাৰ মানভুক্তকৰণ হোৱা ৰূপবোৰ সকলোৱে শুদ্ধকৈ শিকাৰ প্রয়োজন হৈ পৰে। শুদ্ধকৈ শিকাৰ পিচত নিজৰ নিজৰ উপভাষাৰ ৰূপবোৰ লিখাত ব্যৱহাৰ নকৰা হয়। মুঠতে মানভুক্তকৰণৰ দ্বাৰা মান্য ভাষাৰ মর্যাদা লাভ কৰা উপভাষাটোৱে এটা সুসংগঠিত ৰূপ লাভ কৰে।
- **কার্য ঃ** সকলো আনুষ্ঠানিক কার্য, চৰকাৰী কাম-কাজ, আদালতত নথি-পত্র, শিক্ষানুষ্ঠান, অনাতাঁৰ বা দূৰদর্শনৰ অনুষ্ঠান, লিখিত সাহিত্য, চিঠি-পত্র লিখা আদি সকলোতে মান্য ভাষা প্রয়োগ কৰা হয়। অর্থাৎ সমূহীয়া সকলো কাম-কাজ আৰু চৰকাৰী কাম-কাজত ব্যৱহাৰ হোৱা প্রক্রিয়াটোৱে হৈছে কার্য।
- **গ্রহণযোগ্যতা ঃ** নির্বাচিত উপভাষাটোক মান্য ভাষা হিচাপে সকলো সমষ্টিয়ে গ্রহণ কৰা প্রক্রিয়াটোৱে হৈছে গ্রহণযোগ্যতা। সকলোৰে গ্রহণযোগ্য হ'লে ই জাতীয় ঐক্য-সংহতি দৃঢ় কৰাত আৰু আত্মপ্রতিষ্ঠা লাভ কৰাত অৰিহণা যোগায়।

১৩.৮ পৰিস্থিতি নির্ধাৰক ভাষা (Register)

সমাজ ভাষা-বিজ্ঞানৰ মতে ভাষা ব্যৱহাৰৰ ধৰণ (According to use) অনুযায়ী সৃষ্টি

কৰা বিভিন্নতাই পৰিস্থিতি নির্ধাৰক ভাষা। পৰিস্থিতি নির্ধাৰক ভাষা কেতিয়া, ক'ত আৰু কাক উদ্দেশ্য কৰি কোৱা হয় তাৰ ওপৰত নির্ভৰ কৰে। এজন উকীল যেতিয়া ঘৰত পৰিয়ালৰ লগত থাকে তেতিয়া কোৱা কথা-বতৰা আৰু তেওঁৰ মক্কেলৰ লগত হোৱা কথা-বতৰা একে নহয়। কোনো এজন ব্যক্তিৰ কর্মক্ষেত্রত হোৱা কথা-বতৰা আৰু বজাৰ-সমাৰ কৰোতে হোৱা কথা-বতৰা বেলেগ হয়। অভিযন্তা এজনে আন এজন অভিযন্তাৰ লগত যি ধৰণে কথা পাতে, খেতিয়ক এজনৰ লগত তেনে ধৰণৰ কথা নাপাতে। গতিকে দেখা যায় মানুহৰ বৃত্তিভেদে ব্যক্তিৰ ভাষা পৃথক পৃথক হয়। বৃত্তি অনুযায়ী একেটা ভাষাৰ ভিতৰতে যি ভেদ পৰিলক্ষিত হয় তাক ভাষাৰ বৃত্তিগতভেদ বা পঞ্জী (Register) বোলা হয়। অর্থাৎ পৰিস্থিতি নির্ধাৰক ভাষাক বৃত্তিগত ভেদ বা পঞ্জী বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ পাৰস্পৰিক বোধগম্যতা কাক বোলে?

.....

.....

প্রশ্ন নং ৬ ঃ উপভাষাৰ মান্যতা প্রাপ্তি কার্য-প্রক্রিয়া নিহিত স্তৰকেইটা কি কি?

.....

.....



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কোনো জনসমষ্টিৰ সাদৃশ্য থকা ব্যক্তিভাষাসমূহৰ সমষ্টিয়ে উপভাষা। উপভাষা সৃষ্টিত ভৌগোলিক বা প্রাকৃতিক বাধাতকৈ সামাজিক বাধাইহে সবল ভূমিকা গ্রহণ কৰে। যাক আমি 'ভাষা' বুলি কওঁ সি যে কম-বেছি পৰিমাণে সাদৃশ্য থকা উপভাষাসমূহৰ প্রতিনিধিত্বমূলক সুকীয়া মর্যাদা প্রদান কৰা উপভাষাহে। মন কৰিবলগীয়া যে ভাষা ব্যৱহাৰৰ ভিন্নতাৰ বাবে বিভিন্ন প্রকাৰৰ উপভাষা সৃষ্টি হ'ব পাৰে। আঞ্চলিক ভাষাগত বিভিন্নতাই ভৌগোলিক উপভাষা; আর্থ-সামাজিক কাৰণত উদ্ভৱ হোৱা ভাষাগত বিভিন্নতাই শ্রেণীগত উপভাষা; জাতিক কেন্দ্র কৰি উদ্ভৱ হোৱা ভাষাগত বিভিন্নতাই জাতিগত উপভাষা আৰু লিংগভেদে সৃষ্টি হোৱা উপভাষাই লিংগগত উপভাষা। এই সম্পর্কে অধ্যায়টোত চমুকৈ আলোচনা কৰা হৈছে।
- ভাষাৰ সংকীর্ণ ৰূপ উপভাষা। উপভাষাৰ সংকীর্ণ ৰূপ ব্যক্তি ভাষা। অর্থাৎ ভাষাৰ ক্ষুদ্রতম ৰূপ হ'ল ব্যক্তি ভাষা। ব্যক্তি ভাষাৰ পাৰস্পৰিক বোধগম্যতাত ভৌগোলিক দূৰত্বতকৈ সঘন

মিলা-মিছা বা সঘন যোগাযোগে বিশেষ ভূমিকা লয়।

- মান্য ভাষা এটা সদায় মান্য ভাষাই হৈ থাকিব বা উপভাষা এটা সদায় উপভাষাই হৈ থাকিব বুলি কোনো নির্দিষ্ট কথা নাই। এসময়ৰ মান্য ভাষা এটা কালক্রমত উপভাষালৈ পর্যবসিত হ'ব পাৰে আৰু উপভাষা এটা মান্য ভাষাত পৰিণত হ'ব পাৰে। অধ্যায়টিত উপভাষাৰ লগতে মান্য ভাষা, ব্যক্তি ভাষা, পৰিস্থিতি নির্ধাৰণ ভাষা আৰু পাৰস্পৰিক বোধগম্যতাৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হ'ল।



১৩.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) গোস্বামী, উপেন্দ্রনাথ (২০০৪); *ভাষা-বিজ্ঞান*; গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) দত্তবৰুৱা, ফণীন্দ্র নাৰায়ণ (১৯৯০); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্রুগড় ঃ বাণী প্রকাশ।

৩) ফুকন পাটগিৰি, দীপ্তি (সম্পা.) (২০০৭); *অসমীয়া ভাষাৰ উপভাষা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

৪) মৰল, দীপংকৰ (১৯৯১); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

ইংৰাজী গ্ৰন্থ ঃ

৫) Hockett, Charles. F. (1970). *A Course in Modern Linguistics.* New Delhi: Oxford & IBH Publication.

৬) Trudgill, P., (2001). *Sociolinguistics.* Cambridge: Cambridge University Press.



১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ একে ভাষা সম্প্রদায়ৰ ভাষা ব্যৱহাৰৰ ভিন্নতাৰ বাবে উপভাষা সৃষ্টি হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ এটা ভৌগোলিক বা আঞ্চলিক উপভাষাৰে আকৌ অঞ্চল বিশেষে আঞ্চলিক ৰূপ থাকিব পাৰে। এনে স্থানীয় আঞ্চলিক ৰূপকে স্থানীয় উপভাষা (Sub-Dialect) বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক উপভাষাৰ অন্তর্গত আন এটি ৰূপ হৈছে জাতিগত উপভাষা। সমাজত বিভিন্ন ব্যক্তিৰে গঢ় লোৱা বিভিন্ন দল বা ফৈদ থাকে। এই দল বা ফৈদসমূহ জাতি অনুযায়ী বিভিন্ন সামাজিক শ্রেণীত বিভক্ত কৰিব পাৰি। জাতি প্রথাক কেন্দ্র কৰি সৃষ্টি হোৱা সামাজিক শ্রেণীয়ে হৈছে একো একোটা জাতিগোষ্ঠী। যেতিয়া সেই জাতিগোষ্ঠীক কেন্দ্র কৰি ভাষাগত বিভিন্নতা সৃষ্টি হয়, তেতিয়া তাক জাতিগত উপভাষা বোলা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি ভাষাসমূহৰ মাজত থকা মিল বা দুজন ব্যক্তিৰ কথোপকথনৰ বোধেই হৈছে পাৰস্পৰিক বোধগম্যতা (Mutual Intelligibility)। পাৰস্পৰিক বোধগম্যতা প্রকৃততে ব্যক্তি ভাষাৰ লগত সম্পর্কিত।

৬ নং প্রশ্নৰ উত্তৰ ঃ উপভাষা এটাৰ মান্যতা প্রাপ্তি কার্য-প্রক্রিয়াত নিহিত হৈ থকা স্তৰকেইটা হৈছে— নির্বাচন (Selection), মানভুক্তকৰণ (Codification), কার্যকৰণ (Function) আৰু গ্রহণযোগ্যতা Acceptance)।



১৪.১২ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষা আৰু উপভাষাৰ সম্পর্ক কি?

খ) উপভাষা কি?

গ) মান্য ভাষা বা সাধু ভাষা কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) ব্যক্তি ভাষা সদায়েই মাতৃভাষাই হ'ব লাগিব।

খ) শ্রেণীগত উপভাষা সুনির্দিষ্ট নহয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উপভাষা এটা মান্য ভাষা হ'ব পাৰেনে? যদি পাৰে কি কি প্রক্রিয়াৰে হ'ব পাৰে?

প্রশ্ন ২ ঃ পৰিস্থিতি নির্ধাৰক ভাষা কি? চমুকৈ আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষাগত বিভিন্নতাক প্রধানতঃ কেইটা ভাগত ভাগ কৰিব পাৰি? বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ পাৰস্পৰিক বোধগম্যতা কি? ভাষা বা উপভাষাৰ লগত ইয়াৰ সম্পর্ক কি বিচাৰ কৰক।

প্রশ্ন ৩ ঃ মাতৃভাষাৰ বাহিৰে অন্য এটা ভাষা ব্যক্তিভাষা হ'ব পাৰেনে? যদি পাৰে কেনেকৈ? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ সমাজ ভাষা-বিজ্ঞান

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সমাজ ভাষা-বিজ্ঞান
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা-বিজ্ঞানৰ এটা উল্লেখযোগ্য শাখা সমাজ ভাষা-বিজ্ঞানৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- সমাজ ভাষা-বিজ্ঞানৰ প্ৰকাৰ সম্পৰ্কে জানিব পাৰিব
- ভাষা আৰু সামাজিক শ্ৰেণী সম্পৰ্কে জানিব পাৰিব
- ভাষা আৰু লিঙ্গভেদৰ ধাৰণা স্পষ্ট হ'ব
- ভাষিক যোগাযোগ সম্বন্ধে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টো 'ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান' শীৰ্ষক পাঠ্যবিষয়ৰ শেষৰ অধ্যায়। ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি ইতিমধ্যে ভাষা-বিজ্ঞান আৰু ভাষা-বিজ্ঞানৰ বিবিধ প্ৰকাৰ সম্পৰ্কে পুঙ্খানুপুঙ্খভাৱে অধ্যয়ন কৰি আহিছে। এই অধ্যায়ত ভাষা-বিজ্ঞানৰে এটা গুৰুত্বপূৰ্ণ শাখা সমাজ ভাষা-বিজ্ঞানৰ সম্যক জ্ঞান লাভ কৰিব।

আপুনি এটা কথা জানে যে, ভাষা আৰু সমাজ পৰস্পৰ সম্পৰ্কযুক্ত। ভাষা আহৰণ এক সামাজিক প্ৰক্ৰিয়া আৰু এই সামাজিক প্ৰক্ৰিয়াত সমাজ একোখনক প্ৰভাৱিত কৰা কাৰকসমূহে ভাষাৰ ওপৰতো প্ৰভাৱ পেলায়। এনে কাৰকসমূহ ঘাইকৈ সামাজিক পৰিৱেশ, ব্যক্তিৰ সামাজিক স্থিতি, শিক্ষা-দীক্ষা, বৃত্তি, ক্ষমতা, লিঙ্গ আদি। মানুহ যিহেতু সমাজৰ অংশীদাৰ, গতিকে সেই নিৰ্দিষ্ট সমাজখনত বসবাস কৰা সমাজৰ অংশীদাৰসকলৰ আচাৰ-আচৰণৰ লগতে ভাষা ব্যৱহাৰৰ জৰিয়তেও বক্তাৰ সংস্কাৰ আৰু তেওঁ প্ৰতিনিধিত্ব কৰা সমাজখন প্ৰতিফলিত হয়। আপুনি এই

অধ্যায়টোৰ জৰিয়তে সমাজ ভাষা-বিজ্ঞানৰ বিষয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে ভাষিক যোগাযোগ সম্বন্ধে জানিব পাৰিব।

১৪.৩ সমাজ ভাষা-বিজ্ঞান

সমাজ ভাষা-বিজ্ঞান ভাষা-বিজ্ঞান অধ্যয়নৰ এনে এক ক্ষেত্ৰ য'ত ভাষা-বিজ্ঞান আৰু সমাজতত্ত্ব, লগতে অন্যান্য মানৰ বিজ্ঞান একত্ৰিত হৈ ভাষাৰ কথিত ৰূপ আৰু অন্য মানৰ আচৰণৰ ভাষিক ৰূপৰ অধ্যয়ন কৰে। ইংৰাজী ভাষাৰ Socio (society) আৰু linguistics শব্দৰ সংযোজনত গঠিত Sociolinguistics শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'সমাজ ভাষা-বিজ্ঞান' পৰিভাষাটো ব্যৱহাৰ কৰা হয়, যাক চমুকৈ ভাষাৰ সামাজিক দিশৰ পদ্ধতিগত অধ্যয়ন বুলি ক'ব পাৰি। ভাষা-বিজ্ঞানৰ এটা শাখা হিচাপে সমাজ ভাষা-বিজ্ঞান বিষয়টি আপেক্ষিকভাৱে নতুন। ঊনবিংশ শতিকাৰ পঞ্চাশৰ দশকতে ভাষাচৰ্চাৰ লগত পোনপটীয়াভাৱে ভাষাৰ সামাজিক দিশ, পাৰস্পৰিক প্ৰভাৱ আদিৰো আলোচনা হোৱা দেখা যায় যদিও সেই সময়লৈকে 'সমাজ ভাষা-বিজ্ঞান' হিচাপে ইয়াৰ চৰ্চা হোৱা নাছিল। ১৯৫২ চনত Haver C. Currie-এ 'A Projection of Socio-linguistics : The relation of speech to social status' নামৰ এটা প্ৰবন্ধত Sociolinguistics শব্দটো পোন প্ৰথমে ব্যৱহাৰ কৰে বুলি জনা যায়; কিন্তু ইউজিন নিদা (Eugene Nida) ই তেওঁৰ Morphology নামৰ গ্ৰন্থৰ দ্বিতীয় সংস্কৰণত প্ৰকৃতাৰ্থত ভাষাবিজ্ঞানৰ প্ৰসঙ্গত পোনপ্ৰথমে উক্ত শব্দটো ব্যৱহাৰ কৰে।

'Sociolinguistics' নামটোৰ সম্বন্ধে প্ৰথম অৱস্থাত পণ্ডিতসকলৰ মাজত মতভেদ থকা পৰিলক্ষিত হয়। যিহেতু ভাষা মাত্ৰেই সামাজিক, সমাজক বাদ দি ভাষা নহয় সেয়ে কিছুমান পণ্ডিতে ভাষাৰ এনে অধ্যয়নক 'the sociology of language', 'the ethonography of speaking' ইত্যাদি নামৰহে পোষকতা কৰিছিল; কিন্তু পাছলৈ 'Sociolinguistics' শব্দটোৱেই স্থায়ীভাৱে ব্যৱহৃত হ'বলৈ ধৰিলে আৰু ভাষা-বিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ আৰু চিন্তা-চৰ্চাৰ গভীৰতাৰ লগে লগে সমাজ ভাষা-বিজ্ঞান বিষয়টোৱেও অধিক গুৰুত্ব পাবলৈ ধৰিলে।

নৃতাত্ত্বিক, সমাজবিজ্ঞানী, মনোবিজ্ঞানী আদি বিভিন্ন দিশৰ পণ্ডিতসকলে সমাজ ভাষা-বিজ্ঞানৰ বিভিন্ন সংজ্ঞা দাঙি ধৰিছে; কিন্তু সমাজ ভাষা-বিজ্ঞানৰ 'সামগ্ৰিক বিষয়'ক কোনো বিশেষ সংজ্ঞাৰ অন্তৰ্ভুক্ত কৰাটো অতি কঠিন। তথাপি সামাজিক পৃষ্ঠভূমি আৰু সমাজৰ লগত ভাষাৰ সম্পৰ্কই এই সংজ্ঞাসমূহৰ মূল আধাৰ।

হাডছ্নৰ মতে, "The study of language in relation to society" অৰ্থাৎ "সমাজৰ সম্বন্ধত ভাষাৰ অধ্যয়ন।"

ডেভিড ক্ৰিষ্টেলে *Encyclopedia of Language*-ত সমাজ ভাষা-বিজ্ঞানৰ সূত্ৰ দিছে এনেদৰে— "The study of the interaction between language and the structures and fuctioning of sociey.) (p.418) "সমাজত ব্যৱহৃত ভাষাৰ গঠন আৰু কাৰ্যকৰী ৰূপৰ অধ্যয়নেই সমাজ ভাষা-বিজ্ঞান।"

Joshua A Fishman এ *Language in Sociocultural Change* নামৰ গ্ৰন্থত সমাজ ভাষা-বিজ্ঞানৰ (ফিছমেনৰ মতে, ভাষাৰ সমাজতত্ত্ব) সংজ্ঞা দিছে এনেদৰে— "The sociology of language focuses upon the entire gamut of topics related to social organization of language behaviour, including not only language usage per se but also language attitude, overt behaviour toward language and toward language users." (*A Glossary of Sociolinguistics*) অৰ্থাৎ 'ভাষাৰ সমাজতত্ত্বই সামাজিক সংগঠনসমূহৰ ভাষা-ব্যৱহাৰৰ সমগ্ৰ দিশৰ ওপৰত আলোকপাত কৰে, কেৱল ইমানেই নহয় ভাষা-ব্যৱহাৰকাৰীসকলৰ ভাষিক আচৰণ, ভাষা-ব্যৱহাৰিকসকলৰ তেওঁলোকৰ ভাষাৰ প্ৰতি থকা মানোভাবৰ প্ৰতিও গুৰুত্ব দিয়ে।"

দৰাচলতে ক'বলৈ গ'লে, ভাষাৰ আলোচনা সমাজ বিজ্ঞানৰে (Social Science) অন্তৰ্গত বিষয়। সমাজ ভাষা-বিজ্ঞানৰ ক্ষেত্ৰতো এই কথাষাৰ প্ৰযোজ্য। ই বহুমাত্ৰিক আৰু ব্যাপক বিষয়। সেয়ে ইয়াক এটা নিৰ্দিষ্ট সংজ্ঞাৰ ভিতৰত ধৰি ৰখা টান। সাধাৰণভাৱে ক'বলৈ হ'লে সমাজত ভাষা (Language in Society) সম্পৰ্কীয় সকলো বিষয়ৰ বিজ্ঞানসন্মত, যুক্তিনিষ্ঠ অধ্যয়নকে সমাজ ভাষা-বিজ্ঞান পৰিভাষাটোৱে সামৰি লয়। ই মূলতঃ সমাজৰ সম্বন্ধত ভাষাৰ আলোচনা কৰে; ভাষাৰ বৈচিত্ৰ্য অধ্যয়ন কৰে আৰু ভাষা-বৈচিত্ৰ্যৰ কাৰণসমূহ জানিবলৈ বিচাৰে। অৰ্থাৎ সমাজ ভাষা-বিজ্ঞানে ভাষিক ভিন্নতাৰ অধ্যয়ন, ভাষিক পৰিৱৰ্তনৰ কাৰণ আৰু ভাষিক পৰিৱৰ্তনত কি কি কাৰকে প্ৰভাৱিত কৰে সেয়াও ব্যাখ্যা কৰে।

কোনো এটা ভাষাৰ শব্দসম্ভাৰ আৰু তাৰ গাঁথনিক ৰূপৰ মাজেদি একোখন সমাজৰ সামাজিক স্তৰবিন্যাস আৰু বিবিধ সামাজিক সংগঠনসমূহৰ প্ৰতিফলন ঘটে। ভাষা ব্যৱহাৰৰদ্বাৰা ঘাইকৈ দুটা কথা স্পষ্ট হয়। সেয়া হৈছে—

- সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কাৰ্যকাৰিতা; (...the fuction of language in establishing social relationships)আৰু
- ভাষা-ব্যৱহাৰে বক্তাৰ বিষয়ে তথ্যও যোগান ধৰে (...the role played by language in conveying information about the speaker.)

ব্যক্তিৰ মৰ্যাদা অনুসৰি ভাষা-ব্যৱহাৰতো ভিন্নতা ধৰা পৰে। তদুপৰি বক্তা আৰু শ্ৰোতাৰ মাজৰ সম্পৰ্ক, বক্তা আৰু শ্ৰোতা সমমৰ্যাদাৰ নে অসমমৰ্যাদাৰ সেয়া ভাষা-ব্যৱহাৰৰদ্বাৰা বুজিব পৰা যায়। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ প্ৰয়োগলৈ মন কৰিলে দেখা যায়, দ্বিতীয় পুৰুষৰ দুটা আৰু তৃতীয় পুৰুষৰ সৰ্বনামৰ ক্ষেত্ৰত তুচ্চাৰ্থ, মান্যাৰ্থ আৰু অধিক মান্যাৰ্থ তিনিটা ৰূপ আছে। সেয়া হ'ল—

দ্বিতীয় পুৰুষ—

তুচ্চ— তই

মান্য— তুমি

তৃতীয় পুৰুষ—

তুচ্চ— সি

মান্য— তেওঁ

অধিক মান্য— তেখেত।

এই সর্বনামবোৰৰ প্রয়োগ ব্যক্তি ভেদে বেলেগ বেলেগ হয়। দ্বিতীয় পুৰুষৰ তুচ্চ ৰূপ 'তই' ৰ ব্যৱহাৰ অতি গুৰুত্বপূর্ণ। কিয়নো ইয়াক তুচ্চ ৰূপ বুলি উল্লেখ কৰা হৈছে যদিও অতি আপোন লোকৰ ক্ষেত্রত 'তই'ৰ ব্যৱহাৰ কিন্তু তুচ্চার্থত নহয়। যেনে— সন্তানে নিজৰ মাক-দেউতাকক, বায়েক-ভনীয়েক, ককায়েক-ভায়েক, বন্ধু-বান্ধৱৰ মাজত 'তই'ৰ ব্যৱহাৰে বক্তা আৰু শ্রোতাৰ গভীৰ সম্পর্কহে প্রকাশ কৰে। অসমীয়া ভাষাৰ এই ব্যক্তিবাচক সর্বনামৰ ৰূপবোৰৰপৰা আমি বক্তাৰ লগত শ্রোতাৰ সম্পর্কৰ বিষয়ে ধাৰণা কৰিব পাৰোঁ। আকৌ সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কার্যকাৰিতাৰ ক্ষেত্রত মন কৰিলে দেখা যায়, সমাজৰ প্রতিপত্তিশালী ব্যক্তি এজনৰ ভাষা আৰু এজন সাধাৰণ ব্যক্তিৰ ভাষা কেতিয়াও একে নহয়। প্রতিপত্তিশালী ব্যক্তিজনৰ ভাষাত দমনীয় ভাব প্রকাশ পোৱাৰ বিপৰীতে সাধাৰণ ব্যক্তিজনৰ ভাষাত নমনীয় ভাব প্রকাশ পোৱা পৰিলক্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষা ব্যৱহাৰৰদ্বাৰা ঘাইকৈ কি দুটা কথা স্পষ্ট হয়?

.....

.....

- **সমাজ ভাষা-বিজ্ঞানৰ পৰিসৰ ঃ** যিদৰে সমাজ বুলি কোৱাৰ লগে লগে এটা ব্যাপক ধাৰণা মনলৈ আহে সেইদৰে সমাজ ভাষা-বিজ্ঞান বিষয়টোও এটা ব্যাপক ক্ষেত্রৰ লগত জড়িত; য'ত সমাজতত্ত্ব (Sociology), নৃতত্ত্ব (Anthropology), সমাজ মনোবিজ্ঞান (TheSocial Phychology), শিক্ষাতত্ত্ব (Education), ভাষা পৰিকল্পনা (Language Planing) আদি বিশেষভাৱে জড়িত হৈ থাকে। তদুপৰি, বহুভাষিকতা (Multilingual)ৰ অধ্যয়ন, সামাজিক উপভাষা (Sociolect), কথোপকথনমূলক ভাব বিনিময়, ভাষাৰ পৰিৱর্তন, সামাজিক গোটৰ ভাষিক অভিব্যক্তি আদি বিষয়বোৰো সমাজ ভাষা-বিজ্ঞানৰ অন্তর্গত বিষয়। অৱশ্যে উল্লিখিত বিষয়সমূহ অধ্যয়নৰ বাবে সুকীয়া সুকীয়া পদ্ধতি বা উদ্দেশ্য আছে; কিন্তু এনে ভাষাগত বিভিন্নতাক সমাজ ভাষা-বিজ্ঞানীসকলেও সমাজ ভাষা-বিজ্ঞানৰ আওতালৈ আনি আলোচনা কৰাৰ প্রয়াস কৰে। কিয়নো বিষয় একে হ'লেও তথ্য সংগ্রহ, পদ্ধতি, গুৰুত্ব, লক্ষ্য আদিৰ ক্ষেত্রত পার্থক্য পৰিলক্ষিত হয়।

  সমাজৰ অধ্যয়ন মানেই হৈছে, এটা নির্দিষ্ট কার্যতন্ত্রৰ অধ্যয়ন— যি ব্যক্তি, গোট, সম্প্রদায়, শ্রেণী, জাতি, ৰাষ্ট্র আদি বিভিন্ন উপাদানেৰে সংগঠিত। বাস্তৱ সমাজ এখনলৈ লক্ষ্য কৰিলে দেখা যায়, তাত বিভিন্নধৰণৰ শ্রেণীকৰণ থাকে, বর্গীয় ধাৰণা থাকে, প্রব্রজনমূলক পৰিস্থিতি

থাকে, চলনশীলতা থাকে আৰু বহুধৰণৰ পৰিস্থিতি বা প্ৰক্ৰিয়া প্ৰকাশ্যে বা গোপনে ক্ৰিয়াশীল হৈ থাকে। তেনে এখন সমাজৰ ভাষা ব্যৱহাৰকাৰীসকল এনেবোৰ সামাজিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, বিভিন্ন অনুভূতি, মনোযোগৰ পৰিৱৰ্তন, কথোপকথনৰ ভিন্ন পৰিস্থিতি আদিৰদ্বাৰা প্ৰভাৱিত হয় আৰু এনে প্ৰভাৱ আৰু প্ৰয়োগ ভাষাৰ ব্যৱহাৰৰ মাজত অনিবাৰ্য। একোখন সমাজৰ সাংস্কৃতিক কৰ্ম-কাণ্ডই সেই নিৰ্দিষ্ট সমাজখনক গতিশীলতা প্ৰদান কৰি থাকে আৰু তাক ক্ৰিয়াশীল কৰি ৰাখে তাত প্ৰচলিত ভাষাটোৱে। এই সকলোবোৰ বিষয় সন্মুখত ৰাখি সমাজ ভাষা-বিজ্ঞানে ভাষাৰ অধ্যয়নত ভাষাৰ মুখ্য উপাদানবোৰ কি, বৃহৎ গোট উৎপাদনত ভাষাৰ উপাদানবোৰ কেনেদৰে সংগঠিত হয়, বিভিন্ন উপাদান সংগঠিত কৰি মানুহে যোগাযোগৰ পদ্ধতি হিচাপে ভাষাক কেনেদৰে ব্যৱহাৰ কৰে, সামাজিক বিভিন্নতাৰ স্বৰূপে ভাষাৰ বিভিন্নতাক কেনেদৰে গঢ় দিয়ে, সামাজিক সম্পৰ্ক আৰু আৰ্হিয়ে কেনেদৰে ভাষাৰ আৰ্হিক গঢ় দিয়ে, ভাষাৰ আৰ্হিয়ে সামাজিক সম্পৰ্ক আৰু আৰ্হিক কেনেধৰণে আকাৰ দিয়ে আদি কিছুমান বিষয় উলিয়াই আনিবৰ যত্ন কৰে।

- **সমাজ ভাষা-বিজ্ঞানৰ প্ৰকাৰ ঃ** সমাজ ভাষা-বিজ্ঞানৰ ব্যাপক পৰিধিলৈ লক্ষ্য ৰাখি সমাজ ভাষা-বিজ্ঞানীসকলে ইয়াক বিভিন্ন ভাগত ভাগ কৰি আলোচনা কৰা দেখা যায়। কিছুমানে সমাজ ভাষা-বিজ্ঞানক তাত্ত্বিক (Theretical) আৰু প্ৰায়োগিক (Applied)— এই দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিছে। তাত্ত্বিক ভাগটোৱে ভাষিক গোটৰ ভাষা ব্যৱহাৰ আৰু ভাষিক ভিন্নতা বিশ্লেষণৰ বাবে এটা আদৰ্শ ৰূপ আৰু পদ্ধতিৰ প্ৰতি মনোনিৱেশ কৰে। আনহাতে প্ৰায়োগিক সমাজ ভাষা-বিজ্ঞানে বিভিন্ন ৰাজহুৱা অনুষ্ঠানত, যেনে— বিদ্যালয়, কাৰ্যালয় আদিত ভাষাগত প্ৰাথমিক অসমতাৰ মাজত ৰাজনৈতিক আৰু সামাজিক ব্যৱহাৰ ইংগিত কৰে।

  সমাজ ভাষা-বিজ্ঞানৰ ক্ষেত্ৰখনৰ অধ্যয়নৰ পৰিসৰলৈ লক্ষ্য ৰাখি আন কিছুমানে ব্যাপ্ত সমাজ ভাষা-বিজ্ঞান (macro sociolinguistics) আৰু অণু সমাজ ভাষা-বিজ্ঞান (micro sociolinguistics) এই দুটা ভাগত ভাগ কৰিছে। ব্যাপ্ত সমাজ ভাষা-বিজ্ঞানে এটা সামাজিক গোটৰ সংগঠক হিচাপে ভাষাই গ্ৰহণ কৰা দিক্ নিৰ্ণয়কাৰী ভূমিকাক অধ্যয়ন কৰে। আনহাতে, অণু সমাজ ভাষা-বিজ্ঞানত ভাষাৰ গঠন বা পৰিৱৰ্তনত যিবিলাক সামাজিক কাৰকে প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়বোৰ আলোচনা কৰা হয়।

  Fishman-এ সমাজ ভাষা-বিজ্ঞান তিনিধৰণেৰে ভাগ কৰি আলোচনা কৰিছে। সেয়া হৈছে— (ক) বৰ্ণনাত্মক সমাজ ভাষা-বিজ্ঞান (Descriptive Sociology of language), (খ) গতিশীল সমাজ ভাষা-বিজ্ঞান (Dynamic Sociology of language), আৰু (গ) প্ৰায়োগিক সমাজ ভাষা-বিজ্ঞান (Applied Sociology of language)

  - *বৰ্ণনাত্মক সমাজ ভাষা-বিজ্ঞান ঃ* বৰ্ণনাত্মক সমাজ ভাষা-বিজ্ঞানৰ মূল আলোচ্য বিষয়— ভাষাৰ কথিত ৰূপটোৰ ভাষাগত ভিন্নতা। এটা ভাষাৰেই সামাজিক স্তৰভেদে ভিন্ন ৰূপ পোৱা যায়। বক্তাৰ জৰিয়তে প্ৰকাশ লাভ কৰা ভাষাৰ এই ভিন্ন ৰূপৰ আলোচনা কৰোঁতে

বর্ণনাত্মক সমাজ ভাষা-বিজ্ঞানত প্রথম গুৰুত্ব লাভ কৰে বক্তাই। হাইম্‌ছে *The Ethnography of Speaking* নামৰ গ্ৰন্থত কৈছে যে ভাষা একোটাৰ অভিব্যক্তি ঘাইকৈ তিনিটা কথাৰ ওপৰত নির্ভৰ কৰে। সেয়া হৈছে— বক্তা, শ্ৰোতা আৰু ভাষা-ব্যৱহাৰৰ উপলক্ষ্য। এই তিনিটা অভিব্যক্তিৰ জৰিয়তে ব্যক্তিজন সমাজৰ কোন স্তৰৰ মানুহ, বক্তাৰ শিক্ষা-দীক্ষা, বক্তাৰ বৃত্তি, বক্তাৰ লিঙ্গ, বক্তাৰ বয়স, বক্তাৰ সামাজিক সম্পৰ্ক আদি জানিব পাৰি। সমাজত বসবাস কৰা লোকসকলক আর্থিক, সামাজিক আৰু শিক্ষাগত অৰ্হতাৰ ওপৰত ভিত্তি কৰি উচ্চ, মধ্যবিত্ত, নিম্ন আদি শ্ৰেণীগত বিভিন্নতাসমূহ কৰা হয় আৰু তেওঁলোকে ব্যৱহৃত ভাষাৰ মাজতো পার্থক্য পৰিলক্ষিত হয়। সেইদৰে, বক্তা এজনৰো উপলক্ষ্য অনুসৰি ভাষাৰীতি বেলেগ বেলে হ'ব পাৰে। বক্তাৰ সামাজিক পৰিচয়ো তেনে ভাষাৰীতিৰ জৰিয়তে নির্ণয় কৰিব পৰা যায়।

কাক উদ্দেশ্য কৰি ভাষাটো কোৱা হৈছে তাৰ ওপৰতে বক্তাৰ ভাষাৰ ধৰণ নির্ভৰ কৰে। অর্থাৎ শ্ৰোতা অনুযায়ী বক্তাৰ ভাষা-ৰীতিৰো পৰিৱর্তন হয়। উদাহৰণস্বৰূপে— আমি ঘৰত মা-দেউতাৰ লগত, খেলত সমনীয়াৰ লগত অথবা শিক্ষানুষ্ঠানত শিক্ষকৰ লগত একেধৰণেৰে কথা নাপাতোঁ। অর্থাৎ শ্ৰোতা অনুযায়ী বক্তাৰ কথোপকথন ৰীতিও ভিন্ন হয়। ইয়াৰপৰা এটা কথা স্পষ্ট হয় যে, ভাষাটো কোনে কৈছে অর্থাৎ বক্তা যিদৰে গুৰুত্বপূর্ণ সেইদৰে কাক উদ্দেশ্য কৰি কৈছে অর্থাৎ শ্ৰোতাও তেনেদৰে গুৰুত্বপূর্ণ।

উপলক্ষ্য অনুসৰিও বাক্ ৰীতি বেলেগ বেলেগ হয়। সভা-সমিতিত ভাষণ দিওঁতে, শ্ৰেণীত পাঠদান কৰোঁতে, কাজিয়া কৰোঁতে— এই সকলোতে বাক্ ৰীতি ভিন্ন হয়। এনেদৰে উপলক্ষ্য অনুসৰি পৰিৱর্তন হোৱা ভাষাক ৰেজিষ্টাৰ বোলা হয়। তদুপৰি উপলক্ষ্য অনুযায়ী ভাষাৰ সঞ্চৰণো হয়। সাধাৰণতে দ্বিভাষিকতাৰ পটভূমিত এনে প্ৰক্ৰিয়া সংঘটিত হয়। বর্ণনাত্মক সমাজ ভাষা-বিজ্ঞানে ভাষা ব্যৱহাৰৰ সাধাৰণ নিয়ম অর্থাৎ সাধাৰণভাৱ গ্ৰহণযোগ্য ভাষা ব্যৱহাৰৰ আৰ্হি, এটা বিশেষ সামাজিক সংগঠন বা ভাষিক গোটৰ মাজত ভাষাৰ মাধ্যমেৰে প্ৰকাশ হোৱা আচৰণ বা মনোভাব প্ৰকাশ কৰিবলৈ যত্ন কৰে।

- *গতিশীল সমাজ ভাষা-বিজ্ঞান ঃ* গতিশীল সমাজ ভাষা-বিজ্ঞানত এটা ভাষা ব্যৱহাৰ কৰা সামাজিক গোটৰ মাজত কেনেকৈ আৰু কিয় বেলেগ বেলেগ ঘটনাৰ ক্ষেত্ৰত নির্বাচিতভাৱেই পার্থক্য আহি পৰে সেই বিষয়বোৰ সামৰি লৈ সমাজ ভাষা-বিজ্ঞানীসকল আলোচনাত আগবাঢ়ে। বর্ণনাত্মক সমাজ ভাষা-বিজ্ঞানত সামাজিক স্তৰভেদে ভাষা-ব্যৱহাৰত দেখা পোৱা পার্থক্যসমূহ বিচাৰ কৰি চোৱা হয় আৰু গতিশীল সমাজ ভাষা-বিজ্ঞানত সামাজিক স্তৰ সলনি হোৱাৰ লগে লগে ভাষা-ব্যৱহাৰত আহি পৰা পৰিৱর্তন সম্পর্কে আলোচনা কৰা হয়। উদাহৰণস্বৰূপে— এজন দৈনিক হাজিৰা কৰা নিম্নবিত্ত শ্ৰেণীৰ শ্ৰমিকে ব্যৱসায় কৰা আৰম্ভ কৰিলে। লাহে লাহে ব্যৱসায়ত তেওঁ লাভৰ মুখ

দেখা পালে। তেতিয়া তেওঁৰ আর্থিক অৱস্থাৰো পৰিৱর্তন হ'ব। ক্রমে বাসস্থান সলনি হ'ব, কাপোৰ-কানি, ঘৰুৱা আচ-বাব, খাদ্য-তালিকাতো পৰিৱর্তন আহিব। পৰৱর্তী সময়ত দেখা যাব তেওঁৰ মুখৰ ভাষাও সলনি হৈছে। এইদৰে সামাজিক স্তৰৰ ঊর্ধগতি বা নিম্নগতিৰ লগে লগে ভাষাৰ যি পৰিৱর্তন হয়, সেয়া হ'ল উলম্ব বা vertical পৰিৱর্তন। আনহাতে এটা ভাষিক গোটৰ এটা নির্দিষ্ট সামাজিক স্তৰৰ মানুহে যদি এটা স্তৰতেই থাকে আৰু পৰিস্থিতি অনুযায়ী ঘৰ, কার্যালয়, সভা-সমিতি, বজাৰ আদিত পূর্বনির্ধাৰিত ৰূপত ভাষা ব্যৱহাৰ কৰি থাকে, তেনে পৰিস্থিতি অনুযায়ী তেওঁৰ ভাষা-ব্যৱহাৰৰ যি গতিশীলতা সেয়া হ'ব সমান্তৰাল বা horizontal গতিশীলতা। সমাজত ভাষাৰ উদ্ভৱ, বিৱর্তন, বিস্তাৰ আৰু সংকোচনৰ ধাৰাক সামৰি কৰা আলোচনাই গতিশীল সমাজ ভাষা-বিজ্ঞান।

- *প্রায়োগিক সমাজ ভাষা-বিজ্ঞান ঃ* সমাজ ভাষা-বিজ্ঞানৰ তৃতীয় ভাগটো হ'ল প্রায়োগিক সমাজ ভাষা-বিজ্ঞান। ইয়াত বক্তা, শ্রোতা আৰু উদ্দেশ্য— এই সকলোৰে ওপৰত নির্ভৰ কৰি ভাষা প্রয়োগৰ ক্ষেত্রত যি বিশিষ্টতা পোৱা যায় সেয়া আলোচনা কৰা হয়। যেনে— সর্বসাধাৰণৰ বাবে লিখা চৰকাৰী জাননী এখনৰ ভাষা ব্যৱহাৰৰ ক্ষেত্রত ভাষাটো সৰল, সহজবোধ্য, সুস্পষ্ট হ'ব লাগিব। তেতিয়াহে উদ্দেশ্য সফল হ'ব, অন্যথা সাধাৰণ মানুহে বুজিব নোৱাৰিব। আনহাতে কোনো এটা বিষয়, সেই বিষয়টোৰ বিশেষজ্ঞক বুজাবলৈ হ'লে সহজ-সৰলভাৱে বুজোৱাৰ কথা নাথাকে। সেই নির্দিষ্ট বিষয়টোৰ পৰিভাষাও অনায়াসে ব্যৱহাৰ কৰিব পাৰি। যেনে— এজন প্রশাসনিক বিষয়াই অন্য এজন প্রশাসনিক বিষয়াৰ লগত প্রশাসন সম্বন্ধে কথা পাতিলে প্রশাসনৰ লগত জড়িত বিশেষ পৰিভাষাবোৰ ব্যৱহাৰ কৰিব পাৰে যিবোৰ সাধাৰণ মানুহৰ বাবে বুজি পাবলৈ অসুবিধা হ'লেও তেওঁলোকৰ নিজৰ মাজত বোধগম্যতাৰ কোনো অসুবিধা নাথাকে। কি উদ্দেশ্যত, কি ভাষাৰূপ ব্যৱহাৰ কৰা হৈছে, সেই বিশেষ ভাষাৰূপ কার্যকৰী হৈছেনে নাই আদি ভাষাৰ কার্যকৰী দিশসমূহ প্রায়োগিক সমাজ ভাষা-বিজ্ঞানে সামৰি লয়। তদুপৰি ভাষা পৰিকল্পনা(language planinig), ভাষা শিক্ষণ (language teaching) আদিবোৰো এই ভাগটোৰ আলোচ্য বিষয়। বহুভাষিক পৰিস্থিতিত ভাষা পৰিকল্পনা কেনেদৰে ফলপ্রসু কৰিব পাৰি, ইয়াৰ কার্যকৰীকৰণৰ আঁচনি, পাঠ্যপুথি প্রস্তুতি, ভাষিক সংঘর্ষ, ভাষা কর্ষণ, ভাষা পুনৰোজ্জীৱিতকৰণ, কথোপকথনৰ দীনতা আদি বিষয়বোৰো প্রায়োগিক সমাজ ভাষা-বিজ্ঞানে আলোচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ Fishman-এ সমাজ ভাষা-বিজ্ঞানক কেইটা আৰু কি কি ভাগত ভগাইছে?

.....

.....

.....

.....

- **ভাষা আৰু সামাজিক শ্ৰেণী ঃ** সামাজিক শ্ৰেণী বুলি ক'লে সামাজিক স্তৰ বিন্যাসত স্পষ্ট হৈ পৰা গোটৰ কথাই বিচাৰ কৰিব পাৰি। এনে সামাজিক শ্ৰেণী গঢ় লৈ উঠাৰ শক্তিশালী কাৰক হৈছে— অৰ্থনৈতিক অৱস্থা। পশ্চিমৰ উন্নত দেশবোৰত উদ্যোগীকৰণ আৰু পুঁজিবাদী অৰ্থনীতিয়ে এক নতুন শ্ৰেণী বিন্যাসৰ সৃষ্টি কৰে। ফলস্বৰূপে সমাজত গঢ়ি উঠা এনে শ্ৰেণীবিন্যাসৰ ফলত সামাজিক বৈষম্যই গা কৰি উঠে। ভাৰতবৰ্ষৰ দৰে দেশত জাতিভেদ প্ৰথাই সামাজিক দিশত শক্তিশালী ভূমিকা গ্ৰহণ কৰি থকাৰ পাছত নিশ্চয়কৈ ইয়াৰ ভূমিকাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। বৰ্ণ বা জাতি ব্যৱস্থাক যদিও পোনপটীয়াকৈ ভাষাৰ লগত সাঙুৰিব নোৱাৰি, সামাজিক দিশত এই ব্যৱস্থাবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু ভাষা-ব্যৱহাৰতো পাৰ্থক্যৰ সৃষ্টি কৰে। সামাজিক শ্ৰেণীবিন্যাসৰ আলোচনা আমি তলত দিয়া ধৰণেৰে কৰিব পাৰোঁ—

সামাজিক শ্ৰেণী

সামাজিক শ্ৰেণীগত উপভাষা সামাজিক জাতিগত উপভাষা

➢ *সামাজিক শ্ৰেণীগত উপভাষা ঃ* সামাজিক শ্ৰেণী ঘাইকৈ অৰ্থনৈতিক কাৰণত উদ্ভৱ হয়। সমাজত যিমানেই অৰ্থনৈতিক বিষমতা বৃদ্ধি পায়, সিমানেই এনে শ্ৰেণীবোৰ স্পষ্ট হৈ পৰে। সহজভাৱে ক'বলৈ গ'লে সমাজত ধনী-দুখীয়াৰ পাৰ্থক্য বাঢ়ি গ'লে এনে শ্ৰেণীবোৰ অধিক স্পষ্ট হৈ পৰে। এনে আৰ্থিক স্বচ্ছলতাৰ ভিত্তিত উচ্চ, মধ্যবিত্ত, নিম্নবিত্ত আদি ধৰণে শ্ৰেণীবিন্যাস কৰিব পাৰি। সমাজ ভাষা-বিজ্ঞানী এজনে সমাজ একোখনৰ অন্তৰ্ভাগত পৰিলক্ষিত হোৱা বিভিন্ন স্তৰসমূহৰ মাজত আন্তঃসম্পৰ্কৰ আলোচনা কৰে। এনে অধ্যয়নৰদ্বাৰা সমাজ একোখনত দেখা দিয়া অসমানতা বা বৈষম্যৰ কাৰণসমূহ, সময়ে সময়ে হোৱা পৰিৱৰ্তন আৰু এই পৰিৱৰ্তনৰ প্ৰভাৱসমূহে সামাজিক জীৱনত কি প্ৰভাৱ পেলায়, সেয়া জানিবলৈ প্ৰয়াস কৰে। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল— সমাজ একোখনত বিভিন্ন পৰ্যায়ত থকা এই স্তৰবিভাজন সদায় স্থিৰ নহয়। মানৱ সমাজৰ বিভিন্ন স্তৰৰ মাজত সদায় পাৰস্পৰিক ক্ৰিয়া সংঘটিত হৈ থাকে আৰু সেয়ে ই পৰিৱৰ্তনশীল। কোনো সামাজিক দল বা কোনো দলৰ ব্যক্তিবিশেষ, কোনো সময়ত প্ৰভাৱশালী হৈ উঠিব পাৰে। পুজিঁবাদী অৰ্থনীতিৰ সম্প্ৰসাৰণৰ দ্ৰুত গতিয়ে আমাৰ দেশতো এনে স্তৰ বিভাজন ক্ৰমাৎ অধিক স্পষ্ট কৰি তুলিছে। সমাজ ভাষা-বিজ্ঞানীয়ে এনেবোৰ দিশ পৰ্যবেক্ষণ কৰি তেওঁলোকৰ অধ্যয়ন আগবঢ়াই নিয়ে।

সামাজিক শ্ৰেণীবিভাজন যদিও সমাজতত্ত্ব বা সমাজবিজ্ঞানৰ আলোচিত

বিষয়বস্তুহে, তথাপি সমাজ ভাষা-বিজ্ঞানৰ লগত ইয়াৰ সম্পৰ্ক আছে আৰু সেই সম্পৰ্ক হৈছে শ্ৰেণীবিভাজনৰ ফলত সৃষ্টি হোৱা ভাষা-ব্যৱহাৰৰ পাৰ্থক্যত। সমাজ ভাষা-বিজ্ঞানীসকলে এনে সামাজিক শ্ৰেণীবিভাজনৰ ফলত হোৱা ভাষিক পৰিৱৰ্তনৰ নাম দিছে সামাজিক শ্ৰেণীগত উপভাষা (Social Class Dialect)। একোখন সমাজৰ স্তৰ বিন্যাস নিৰ্ণয় কৰাটো যথেষ্ট কঠিন কাম। তদুপৰি গতিশীলতাৰ মাপ নিৰ্ণয়ৰ উপাদানসমূহ নিৰ্ণয় কৰাও সমস্যা। কিয়নো, একোখন সমাজ বিভিন্ন উপাদানৰ সমাহাৰত জটিল ৰূপত একীভূত হৈ থাকে। গতিকে কোনো এক নিৰ্দিষ্ট উপাদানৰ আধাৰত স্তৰবিন্যাস কৰিলে সি অসম্পূৰ্ণ হৈ ৰ'ব। আকৌ সামাজিক গতিশীলতা কোনো স্থিৰ ৰূপৰ অন্তৰ্গত নহয়। এনে গতিশীলতা সাধাৰণতে দুই ধৰণৰ হয়— ঊৰ্ধমুখী গতিশীলতা (upward mobility) আৰু নিম্নমুখী গতিশীলতা (downward mobility)। সমাজভেদে এনে গতিশীলতাৰ উপাদানসমূহ ভিন্ন প্ৰকাৰৰ হয়। সেয়ে সমাজৰ স্তৰবিন্যাস কৰিবলৈ যাওঁতে উমৈহতীয়া উপাদানৰ সলনি প্ৰথমে সমাজ অনুযায়ী তাৰ গঠনৰ স্বৰূপ নিৰ্ণয় কৰি সেই উপাদানসমূহৰ আধাৰতহে স্তৰবিন্যাস কৰাত অগ্ৰসৰ হোৱা উচিত।

উইলিয়াম লেৱোৱে তেওঁৰ বিখ্যাত গৱেষণামূলক গ্ৰন্থ *The Social Stratification of English in New York City*-ত পেছা, শিক্ষা আৰু আয়— এই তিনিটা উপাদানক প্ৰধান আধাৰ হিচাপে লৈ কিছুমান মাপকাঠি তৈয়াৰ কৰিছিল আৰু সেইসমূহৰ সহায়ত তেওঁ মূল স্তৰবিন্যাস প্ৰস্তুত কৰিছিল; কিন্তু ওপৰত কৈ অহাৰ দৰেই তেওঁৰ এই স্তৰবিন্যাস প্ৰণালীৰ লগত অন্য এখন সমাজৰ স্তৰবিন্যাস প্ৰণালী হুবহু একে নহ'ব। তথাপি ভাৰতবৰ্ষৰ সামাজিক প্ৰেক্ষাপটলৈ মন কৰিলে দেখা যায়, নগৰীকৰণ আৰু মুক্ত অৰ্থনীতিৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত পাশ্চাত্যৰ ঔদ্যোগিক সমাজখনত দেখা পোৱা সামাজিক স্তৰ বিভাজন ভাৰতবৰ্ষতো স্পষ্ট হৈ উঠিছে। সেয়েহে তলত লেৱোৰ স্তৰবিন্যাস প্ৰণালীৰ আৰ্হিত এখন তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল—

পেছা

(৫) ব্যৱসায়ী, প্ৰবন্ধক আৰু উচ্চ পদস্থ আধিকাৰিক বৰ্গ
(বেতনপ্ৰাপ্ত আৰু স্ব-নিয়োজিত)
(৪) সহকাৰী আধিকাৰিক বৰ্গ, ক'ম্পেনী আদিৰ বিষয়াসকল)
(৩) কেৰাণী আৰু বিক্ৰেতা কৰ্মচাৰী
(২) শিল্পকৰ্মী আৰু ফ'ৰমেন, স্বনিয়োজিত চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী
(১) চালক বা যন্ত্ৰচালকসকল, চাফাই কৰ্মী, শ্ৰমিক আৰু নিবনুৱা

শিক্ষাগত অৰ্হতা

(৪) কলেজীয়া শিক্ষা সম্পূৰ্ণ বা তাতোকৈ অধিক
(৩) হাইস্কুলীয়া শিক্ষা সমাপ্ত
(২) হাইস্কুলীয়া শিক্ষা

(১) প্রাথমিক শিক্ষা বা তাতোকৈ কম/নিৰক্ষৰ

আয়

(৫) শ্রমিক শ্রেণী

(৪) নিম্ন মধ্যবিত্ত

(৩) মধ্য মধ্যবিত্ত

(২) উচ্চ মধ্যবিত্ত

(১)উচ্চ শ্রেণী

লেৰোৰে সামাজিক স্তৰ অনুযায়ী ভাষিক ভিন্নতাসমূহ পৰিমাপগত পদ্ধতিৰ জৰিয়তে দাঙি ধৰি তেওঁৰ বিশ্লেষণৰ প্রমাণিকতা প্রতিষ্ঠা কৰাৰ লগতে সামাজিক কাৰকে যে ভাষাগত ভিন্নতাৰ সৃষ্টি কৰে সেই কথাও তেওঁৰ বিশ্লেষণৰ জৰিয়তে দৃঢ়ভাৰে প্রতিষ্ঠা কৰিলে।

- *সামাজিক জাতিগত উপভাষা ঃ* কোনো এক সম্প্রদায়ৰ বিশেষ এক জাতিয়ে উত্তৰাধিকাৰীসূত্রে ব্যৱহাৰ কৰা উপভাষাই সামাজিক জাতিগত উপভাষা। জাতিভেদৰ বিন্যাস সমগ্র ভাৰতবর্ষত একে নহয়। হিন্দু সমাজ ব্যৱস্থাত প্রথমাৱস্থাত কর্ম অনুসৰি ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্রৰ যি বর্ণভেদ আৰম্ভ হৈছিল, পৰৱর্তী সময়ত এই বিন্যাসৰ বিলুপ্তি ঘটিছিল আৰু উত্তৰাধিকাৰী সূত্রেহে বর্ণৰ নির্ণয় হ'বলৈ ধৰিছিল আৰু সেইটোৰে এতিয়াও চলি আছে। পূর্বৰ বর্ণব্যৱস্থাত ব্রাহ্মণসকলৰ সামাজিক মর্যাদা অতি উচ্চ স্থানত আছিল আৰু শূদ্রসকলৰ স্থান আছিল একেবাৰে নিম্নত। পৰৱর্তী সময়ত এই বর্ণ ব্যৱস্থা ইমান কঠোৰ হৈ পৰিছিল যে সমাজৰ নিম্ন শ্রেণীটোক অর্থাৎ শূদ্রসকলক মূল সুঁতিৰপৰা আঁতৰাই ৰখা হৈছিল। ভাৰতীয় সমাজ-ব্যৱস্থাত অৱহেলিত হৈ থকা বাবে অথবা সংকুচিত সমাজ-ব্যৱস্থাৰ অংশীদাৰ হৈ ৰোৱা বাবে, সমাজৰ তথাকথিত নিম্নস্তৰত স্থাপিত লোকসকলৰ ভাষা-ব্যৱহাৰতো সুকীয়া ৰূপ লক্ষ্য কৰা যায়। বর্ণভেদে সমাজৰ তথাকথিত নিম্ন শ্রেণীটোক মূল সুঁতিৰপৰা আঁতৰত ৰখাৰ ফলতেই অর্থাৎ সামাজিক দূৰত্বৰ বাবেই সামাজিক জাতিগত উপভাষাৰ সৃষ্টি। উদাহৰণস্বৰূপে— দক্ষিণ ভাৰতত ব্রাহ্মণ আৰু অব্রাহ্মণসকলৰ ভাষা-ব্যৱহাৰত পার্থক্য চকুত পৰে। তামিল ভাষাত 'পানী' বুজাবলৈ ব্রাহ্মণসকলে 'জলম' বা 'তীর্থম' শব্দ ব্যৱহাৰ কৰে। ইয়াৰ বিপৰীতে অব্রাহ্মণসকলে 'তান্নি' শব্দৰ ব্যৱহাৰ কৰে।

জাতিভেদ অনুসৰি ভাষাত স্পষ্ট ভেদ নাথাকিলেও কেতিয়াবা মান্যৰূপৰ মাজতো জাত-পাত বা সম্প্রদায় সম্পর্কে বিভিন্ন ইংগিত লুকাই থাকিব পাৰে। উদাহৰণস্বৰূপে—

- কণা হওক কুঁজা হওক ভূঞাৰ পোৱালী— কণা, কুঁজা যিয়েই নহওক সমাজ-ব্যৱস্থাত ভূঞাসকল বিশেষ সন্মানৰ পাত্র।
- বামুণৰ টিকনিতে বুধি— বামুণ জাতৰ লোকসকল বুধিয়ক বুলি ধাৰণা কৰা হয়

আৰু তেওঁলোকৰ মূৰৰ টিকনিডালতে সেই বুধি লুকাই থাকে বুলি ভবা হয়।

- আহোমৰ তলে পুতল— আহোম সম্প্রদায়ৰ লোকসকলে আনক নেদেখুৱাকৈ ভিতৰি কাম সমাধা কৰে বুলি ধাৰণা। যি কূটনৈতিক দূৰদর্শিতাৰ বাবে ছশ বছৰ ৰাজত্ব কৰিব পাৰিছিল।

ওপৰৰ উদাহৰণকেইটাত ব্যৱহৃত শব্দসমূহে মূল আভিধানিক অর্থৰ উপৰি একোটা সামাজিক অর্থও বহন কৰিছে। এনে সামাজিক অর্থৰ জৰিয়তে একোটা ধাৰণাৰ সৃষ্টি কৰা হয়, য'ত ভাষা-ব্যৱহাৰকাৰীৰ ব্যক্তিগত ভাব-ভংগী, পছন্দ-অপছন্দ, আবেগ-অনুভূতি আদিও প্রতিফলিত হয়।

সমাজৰ তথাকথিত নিম্ন শ্রেণীৰ লোক বুলি বিবেচিত লোকসকলৰ সামাজিক জীৱনলৈ লক্ষ্য কৰিলে আমি দেখিম যে এই লোকসকলৰ অধিকাংশই অশিক্ষিত বা কম শিক্ষিত আৰু আর্থিকভাৱে দুর্বল। তেওঁলোকৰ জীৱন পুৰণিকলীয়া ৰীতি-নীতিৰদ্বাৰা পৰিচালিত আৰু সামাজিকভাৱে তথাকথিত উচ্চ শ্রেণীৰদ্বাৰা অৱদমিত। উদাহৰণস্বৰূপে— অসমীয়া ভাষা-ব্যৱহাৰকাৰীৰ ক্ষেত্রতে দেখা যায় জাত-পাতৰ ক্ষেত্রতেই হওক বা আর্থিক অৱস্থাৰ উচ্চ-নীচ বা উভয় ক্ষেত্রতেই হওক সমাজৰ উচ্চ মর্যাদাৰ অধিকাংশই নিম্ন মর্যাদাৰ মানুহক 'তই' সম্বোধন কৰে। বয়সত ডাঙৰ হ'লে 'তুমি' ক'লেও 'আপুনি' ৰ প্রয়োগ সাধাৰণতে অনুপস্থিত। আত্মীয়তা বা ওচৰ সম্পর্কৰ মানুহৰ ক্ষেত্রত অথবা নিজতকৈ কনিষ্ঠজনক মৰমতে 'তই' সম্বোধন কৰিলেও শ্রেণীগত বা জাতিগতভাৱে ব্যৱহাৰ কৰা 'তই' সম্বন্ধ আত্মীয়তাসূত্রে বুলি ক'ব নোৱাৰি। সেইদৰে বজাৰত পাচলি বিক্রেতা বা ঠেলাৱালা এজনক বয়সত ডাঙৰ হ'লেও 'আপুনি'ৰ পৰিৱর্তে তুমি' সম্বোধন কৰা দেখা যায়। এনেদৰেই উল্লিখিত বিভিন্ন কাৰকৰ বাবেই ভাষা-ব্যৱহাৰকাৰীৰ ভাষা-ব্যৱহাৰৰ জৰিয়তে সমাজত প্রচলিত ভাষাত পার্থক্য আহি পৰে আৰু ভাষাৰ মাজত সামাজিক শ্রেণীগত উপভাষা, সামাজিক জাতিগত উপভাষা আদি সামাজিক-ভাষিক শ্রেণীবিন্যাসৰ সৃষ্টি হয়। সামাজিক দৃষ্টিভংগী আৰু চেতনা সলনি হ'লেহে ভাষাৰ সামাজিক অর্থও সলনি হ'ব বুলি আশা কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সামাজিক জাতিগত উপভাষা মানে কি?

.....

.....

- **ভাষা আৰু লিঙ্গভেদ ঃ** সামাজিক স্তৰ বিন্যাসৰ লগত লিঙ্গগত পার্থক্যৰ সহসম্বন্ধ আছে। জাতিগত দিশতেই হওক বা শ্রেণীগত দিশতে হওক প্রতিটো স্তৰতেই নাৰী-পুৰুষৰ সুকীয়া স্তৰ পৰিলক্ষিত হয়। বিজ্ঞানীসকলে পুৰুষ আৰু নাৰীৰ মগজুৰ কার্য-সংগঠনৰ ধৰণৰ বাবেই

অর্থাৎ জৈৱিক পার্থক্যৰ কাৰণেই ল'ৰা-ছোৱালীৰ কার্য অথবা খেলৰ ধৰণ পৃথক বুলি ক'ব খুজিলেও সমাজভেদে নাৰী আৰু পুৰুষৰ এনে ভিন ভিন অৱস্থানৰ অন্তৰালত থকা কাৰকসমূহ সমাজ বিজ্ঞানীসকলে বিশ্লেষণ কৰি মূলতঃ সামাজিক-সাংস্কৃতিক পৰিৱেশকহে প্রধানকৈ লিঙ্গবৈষম্যৰ বাবে জগৰীয়া কৰিব বিচাৰে। সেয়া আমাৰ বিষয়ৰ অন্তর্গত আৰু বিস্তৃতভাৱে জানিবৰ বাবে আপুনি অধ্যায়ৰ শেষত দিয়া গ্রন্থৰ সহায় ল'ব পাৰিব। ইয়াত লিঙ্গভেদে ভাষা-ব্যৱহাৰত পার্থক্য থাকেনে, যদি থাকে ভাষা-ব্যৱহাৰৰ এই পার্থক্যৰ কাৰণ কি— সমাজ ভাষা-বিজ্ঞানীসকলে লিঙ্গানুসৰি সমাজ এখনত ব্যৱহৃত ভাষাক কেনেদৰে বিচাৰ কৰি চায় সেইসমূহহে আলোচনাৰ আওতালৈ অনা হ'ব। দৰাচলতে চাবলৈ গ'লে, কোনো মানৰ শিশুৱে পুৰুষ বা মহিলাৰ আচৰণ বা ভাষিক ব্যৱহাৰ কেতিয়াও জন্মতে লগত লৈ নাহে। লিংগ প্রভেদৰ সামাজিকীকৰণেহে লাহে লাহে শিশুক নিজৰ সম্পর্কে সচেতন কৰি তোলে। সেইদৰে পুৰুষ-মহিলাৰ ভাষা-ব্যৱহাৰৰ পার্থক্য সমাজ অনুযায়ী বেলেগ বেলেগ হয়। এনে প্রভেদ ক'ৰবাত স্পষ্ট আন ক'ৰবাত সূক্ষ্মভাৱে পর্যবেক্ষণ নকৰিলে ধৰিব নোৱাৰি। সেয়া যি হ'লেও, সামাজিক জাতিগত উপভাষা, নৃগোষ্ঠীয় উপভাষা আৰু সামাজিক শ্রেণীগত উপভাষা আদিৰ প্রধান কাৰণ হৈছে— সামাজিক দূৰত্ব (social distance); কিন্তু লিঙ্গভেদে ভাষা-ব্যৱহাৰৰ প্রভেদৰ কাৰণটো হৈছে— সামাজিক পার্থক্যহে (social difference)। সমাজ আৰু ইয়াৰ মূল্যবোধসমূহৰপৰা ভাষাক নিলগাই ৰাখিব নোৱাৰি। লিঙ্গভেদে ভাষা-ব্যৱহাৰৰ ক্ষেত্রত হোৱা সামান্য পার্থক্য বা অৱহেলা বা উপহাসসমূহে সমাজত নাৰী আৰু পুৰুষ সমমর্যাদাৰ নে অসমমর্যাদাৰ সেইটো নির্ণয় কৰাত সহায় কৰে। ইয়াৰ লগতে ভাষাত ব্যৱহৃত কেতবোৰ শব্দই সামাজিক ৰীতি-নীতি, দৃষ্টিভংগী আদিও বহন কৰে।

অট' জেপাৰছনে *Language : Its Nature Development and Origin* নামৰ গ্রন্থত The Women শীর্ষক অধ্যায়ৰ জৰিয়তে নাৰী-পুৰুষৰ ভাষাৰ মাজত থকা পার্থক্য প্রথম উল্লেখ কৰে। তেওঁ কৈছে— "There are tribes in which men and women are said to speak totally different languages, or at any rate distinct dialects. ..... The first to mention their distinct sex dialects was the Dominican Breton, who, in his Dictionnaire Caraibe-franqais (1664), says that the Caribbean chief had exterminated all the natives except the women, who had retained part of their ancient language."

ৰবীন লেকফে ১৯৭৫ চনত *Language and Woman's Place* শীর্ষক গ্রন্থত লিঙ্গভেদে ভাষাৰ ক্ষেত্রত অনা প্রভেদৰ আলোচনাই অন্য সমাজতাত্ত্বিক তথা সমাজ ভাষা-বিজ্ঞানীসকলৰ বিশেষ দৃষ্টি আকর্ষণ কৰে আৰু পৰৱর্তী সময়ত লেকফে আগবঢ়োৱা ধাৰণাসমূহৰ তাত্ত্বিক আৰু প্রায়োগিক ব্যাখ্যা তেওঁলোকৰ আলোচনাৰ বিষয় হৈ পৰে। লেকফৰ মতে— "নাৰী আৰু পুৰুষৰ ভাষা-ব্যৱহাৰৰ পার্থক্য আছে আৰু ইয়ে সামাজিকভাৱে নাৰী যে অৱদমিত সেয়া প্রতিফলিত কৰে।" (...women have a different way of

speaking and produces a sub-ordinate position in society.)

উদাহৰণস্বৰূপে, অসমীয়া ভাষাতে এনে কিছুমান শব্দৰ প্ৰয়োগ আছে যিবোৰৰ কোনো বিপৰীত শব্দ পোৱা নাযায়। অসমীয়া ভাষাত 'সতী' শব্দৰ কোনো পুংলিঙ্গবাচক ৰূপ নাই। *হেমকোষ* অভিধানত ইয়াৰ অর্থ দিয়া হৈছে— পতিব্ৰতা, নিজ স্বামীত বাজে আনক নভজা। অর্থাৎ এই গুণটো সমাজে কেৱল নাৰীৰ ক্ষেত্ৰতহে থকাটো বিচাৰে। সেইবাবে 'পতিব্ৰতা' শব্দটোৰ সমার্থক হিচাপে 'পত্নীব্ৰত' শব্দ আমাৰ ভাষাত পোৱা নাযায়। অসমীয়া ভাষাত 'তিৰোতা সেৱুৱা' বুলি এটা শব্দ আছে; কিন্তু নেতিবাচক অর্থতহে ইয়াক প্ৰয়োগ কৰা হয়। 'তিৰোতা সেৱুৱা' মানুহক হীন দৃষ্টিৰে চোৱা হয়। সেইদৰে দূৰ্বল, লাজকুৰীয়া পুৰুষক বুজাবলৈ 'মাইকী' শব্দও ব্যৱহাৰ কৰা হয়, যেনে—' ই একেবাৰে মাইকীৰ নিচিনা'। এয়াও মহিলাৰ প্ৰতি হীন ভাৱৰ পোষকতা। তেনেদৰে সমাজ ব্যৱস্থাত পুৰুষৰ মনোৰঞ্জনৰ বাবে 'বেশ্যা' নাৰীৰ প্ৰচলন থকাৰ বাবেই ভাষাত এই শব্দ এতিয়াও ব্যৱহাৰ হৈ আছে। আকৌ, অসমীয়া ভাষাত ব্যৱহাৰ হোৱা স্ত্ৰীসূচক নির্দিষ্টতাবাচক '-জনী' ৰূপৰ ব্যৱহাৰতো সামাজিক বৈষম্যৰ ৰূপ স্পষ্টৰূপত ধৰা পৰে। যেনে— মানুহজন (পুংলিঙ্গ), মানুহজনী (স্ত্ৰীলিঙ্গ)। ইয়াৰে -জন ৰূপটো কেতিয়াও ইতৰ প্ৰাণীৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা নহয়, যেনে— গৰুজন, কুকুৰজন আদি ৰূপৰ ব্যৱহাৰ অসমীয়া ভাষাত নাই। অৱশ্যে '-জন'তকৈ তুচ্ছার্থ নির্দেশ কৰা '-টো' ৰূপটো মানুহ, ইতৰ প্ৰাণী; অপ্ৰাণীবাচক ৰূপ এই সকলোৰে পাছত ব্যৱহাৰ হয়। গতিকে '-জন' ৰূপটো কেৱল পুৰুষৰ ক্ষেত্ৰত সম্ভ্ৰমসূচক নির্দেশক ৰূপ হিচাপে প্ৰয়োগ হয়। আনহাতে স্ত্ৰী বুজোৱা '-জনী' ৰূপটো ইতৰ প্ৰাণীৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰা হয়, যেনে— কুকুৰজনী, হাঁহজনী, ছোৱালীজনী। স্ত্ৰীবাচক '-জনী' ব্যৱহাৰেৰে সমাজত স্ত্ৰী আৰু ইতৰ প্ৰাণীৰ মাজত কোনো পার্থক্য ৰখা নাই। অৱশ্যে এইখিনিতে উল্লেখনীয় যে, পুংলিঙ্গসূচক '-জন'তকৈ তুচ্চার্থ ৰূপ '-টো'ৰ দৰে স্ত্ৰীলিঙ্গসূচক ৰূপ নাই অথবা এনেদৰেও ক'ব পাৰি, '-জন'ৰ দৰে সম্ভ্ৰমসূচক ৰূপ স্ত্ৰীলিঙ্গৰ ক্ষেত্ৰত নাই। লিঙ্গ অনুসৰি ভাষাৰ ক্ষেত্ৰত দেখা পোৱা এনে প্ৰভেদসমূহ সমাজভেদে ভাষাভেদে বেলেগ। কিয় ক'ত কেনেদৰে এই পার্থক্য আহে সেয়া সমাজ ভাষা-বিজ্ঞানৰে বিচার্য বিষয়।

লেকফে ইংৰাজী ভাষাত লক্ষ্য কৰা নাৰীৰ কিছুমান বিশেষ ভাষিক বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছিল। তেওঁ উল্লেখ কৰা ধৰণেৰেই এই ভাষিক বৈশিষ্ট্যবোৰ তলত দাঙি ধৰা হ'ল—

- নাৰীৰ কথনভংগীত অনুৰোধৰ বিস্তৃতি বেছি।
- ইংৰাজী tag question আৰ্হিৰ বাক্যৰ প্ৰয়োগ।
- উদাত্ত সুৰৰ প্ৰয়োগেৰে ব্যাখ্যামূলক বর্ণনা।
- শূন্য বিশেষণৰ বাক্য।
- ৰঙৰ বর্ণনাত সিদ্ধহস্ত।
- প্ৰাবল্যকৃত ৰূপৰ প্ৰয়োগ।

- মানকৃত ৰূপৰ প্ৰয়োগ।
- নমনীয় ৰূপৰ ব্যৱহাৰ।
- অতি অমাৰ্জিত ৰূপৰ প্ৰয়োগৰপৰা দূৰ অৱস্থান গ্ৰহণ।
- শ্বাসাঘাতৰ প্ৰবল প্ৰয়োগেৰে কোনো বিশেষ অভিব্যক্তিৰ প্ৰকাশ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কোনে কেতিয়া ক'ত নাৰী-পুৰুষৰ ভাষাৰ মাজত থকা পাৰ্থক্য প্ৰথম উল্লেখ কৰে?

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ ভাষা-বিজ্ঞান ভাষা-বিজ্ঞান অধ্যয়নৰ এনে এক ক্ষেত্ৰ য'ত ভাষা-বিজ্ঞান আৰু সমাজতত্ত্ব, লগতে অন্যান্য মানৱ বিজ্ঞান একত্ৰিত হৈ ভাষাৰ কথিত ৰূপ আৰু অন্য মানৱ আচৰণৰ ভাষিক ৰূপৰ অধ্যয়ন কৰে। ইংৰাজী ভাষাৰ Socio (society) আৰু linguistics শব্দৰ সংযোজনত গঠিত Sociolinguistics শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'সমাজ ভাষা-বিজ্ঞান' পৰিভাষাটো ব্যৱহাৰ কৰা হয়, যাক চমুকৈ ভাষাৰ সামাজিক দিশৰ পদ্ধতিগত অধ্যয়ন বুলি ক'ব পাৰি। এই সম্পৰ্কে অধ্যায়টোত চমুকৈ আলোচনা কৰা হৈছে।
- সমাজ ভাষা-বিজ্ঞানৰ পৰিসৰ, প্ৰকাৰভেদ, ভাষা আৰু সামাজিক শ্ৰেণী, ভাষা আৰু লিংগভেদ সম্পৰ্কে অধ্যায়টোত চমুকৈ আলোচনা সন্নিৱিষ্ট কৰা হ'ল। অধ্যায়টোৰ অধ্যয়নে আপোনাক সমাজ ভাষা-বিজ্ঞানৰ লগত সম্পৰ্কীত এই দিশ কেইটাৰ বিষয়ে সম্যক ধাৰণা প্ৰদান কৰিলে।



১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কোঁৱৰ, অৰ্পণা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমণিক;* , ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৬); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৩) দত্তবৰুৱা, ফনীন্দ্র নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৪) ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) দাস, বিশ্বজিৎ (২০১৫); *সমাজ ভাষা-বিজ্ঞান;* নগাঁও ঃ বুকচ্ এণ্ড বিয়ণ্ড।

৬) দুৱৰা, সপোন (২০০২); *ভাষা আৰু সমাজ;* গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰচ।

৭) দেৱী, প্রণীতা (২০১৪); *ভাষাবিজ্ঞানৰ জিলিকনি;* গুৱাহাটী ঃ প্রতিশ্রুতি প্রকাশন।

৮) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৯) পাদুন, নাহেন্দ্র (সম্পা.)(১৯৯৩); *ভাষাৰ তত্ত্ব-কথা;* শিৱসাগৰ ঃ অসম সাহিত্য সভাৰ ঊনষষ্ঠিতম অধিবেশন।

১০) ভট্টাচার্য, বসন্ত কুমাৰ (১৯৯৩); *ভাষা বিজ্ঞান প্রৱেশ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১১) মৰল, দীপাঙ্কৰ (১৯৯৭); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰচ।

১২) শইকীয়া বৰা, লীলাৱতী আৰু ফুকন পাটগিৰি, দীপ্তি (সম্পা.) (২০০২); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

১৩) শর্মা, অনুৰাধা (২০১৬); *সমাজ আৰু ভাষা সমাজ ভাষা-বিজ্ঞান পৰিচয়;* গুৱাহাটী ঃ বান্ধৱ।

ইংৰাজী গ্রন্থ ঃ

১৪) Fasold, R. (1984). *The Sociolinguistic of Society.* New York: Basil Blackwell.

১৫) Fishman, Joshua A.(2001). Can Threatened Languages Be Saved? Reversing Language Shift Revisited : A 21st Century Perspective, Multilingual Matters" p.116.

১৬) Hudson, R.A (2001). *Sociolinguistics*. Cambridge: Cambridge University Press.

১৭) Kakati, B.K. (1941). *Assamese, Its Formation and Development.* Gauhati: Department of Historical and Antiquarian Studies.

১৮) Romaine, S. (2000. *Language and Society: An Introduction to Sociolinguistics.* New York: Oxford University Press.

১৯) Labov, W (2010). *A Social Stratification of English in New York City.*

২০) Lakoff, R. T. (2004). *Language and Women's Place.* (Edited by Mary Bucholtz) New York: Oxford University Press.



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কোনো এটা ভাষাৰ শব্দসম্ভাৰ আৰু তাৰ গাঁথনিক ৰূপৰ মাজেদি একোখন সমাজৰ সামাজিক স্তৰবিন্যাস আৰু বিবিধ সামাজিক সংগঠনসমূহৰ প্রতিফলন ঘটে। ভাষা ব্যৱহাৰৰদ্বাৰা ঘাইকৈ দুটা কথা স্পষ্ট হয়। সেয়া হৈছে— সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কার্যকাৰিতা আৰু ভাষা-ব্যৱহাৰে বক্তাৰ বিষয়ে তথ্যও যোগান ধৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ Fishman-এ সমাজ ভাষা-বিজ্ঞান তিনিধৰণেৰে ভাগ কৰি আলোচনা কৰিছে। সেয়া হৈছে— (ক) বর্ণনাত্মক সমাজ ভাষা-বিজ্ঞান (Descriptive Sociology of language), (খ) গতিশীল সমাজ ভাষা-বিজ্ঞান (Dynamic Sociology of language), আৰু (গ) প্রায়োগিক সমাজ ভাষা-বিজ্ঞান (Applied Sociology of language)।

৩ নং প্রশ্নৰ উত্তৰ ঃ কোনো এক সম্প্রদায়ৰ বিশেষ এক জাতিয়ে উত্তৰাধিকাৰীসূত্রে ব্যৱহাৰ কৰা উপভাষাই সামাজিক জাতিগত উপভাষা।

৪ নং প্রশ্নৰ উত্তৰ ঃ অট' জেপাৰছনে *Language : Its Nature Development and Origin* নামৰ গ্রন্থত The Women শীর্ষক অধ্যায়ৰ জৰিয়তে নাৰী-পুৰুষৰ ভাষাৰ মাজত থকা পার্থক্য প্রথম উল্লেখ কৰে।



১৪.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) হাডছনে সমাজ ভাষা-বিজ্ঞান সম্পর্কে আগবঢ়োৱা সংজ্ঞাটো লিখক।

খ) সামাজিক শ্রেণীবিভাজনৰ লগত সমাজ ভাষা-বিজ্ঞানৰ সম্পর্ক কি?

গ) ৰবীন লেকফে নাৰী আৰু পুৰুষৰ ভাষা-ব্যৱহাৰৰ পার্থক্য সম্পর্কে কি মন্তব্য কৰিছিল উল্লেখ কৰক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) বর্ণনাত্মক সমাজ ভাষা-বিজ্ঞানে ভাষা ব্যৱহাৰৰ সাধাৰণ নিয়ম অর্থাৎ সাধাৰণভাৱে গ্রহণযোগ্য ভাষা ব্যৱহাৰৰ আৰ্হি, এটা বিশেষ সামাজিক সংগঠন বা ভাষিক গোটৰ

মাজত ভাষাৰ মাধ্যমেৰে প্ৰকাশ হোৱা আচৰণ বা মনোভাব প্ৰকাশ কৰিবলৈ যত্ন কৰে।

খ) জাতিভেদ অনুসৰি ভাষাত স্পষ্ট ভেদ নাথকিলেও কেতিয়াবা মান্যৰূপৰ মাজতো জাত-পাত বা সম্প্ৰদায় সম্পৰ্কে বিভিন্ন ইংগিত লুকাই থাকিব পাৰে।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষা-বিজ্ঞানৰ অধ্যয়নত সমাজ ভাষা-বিজ্ঞানৰ গুৰুত্ব বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ বিভিন্ন পণ্ডিতৰ সংজ্ঞাৰ আধাৰত সমাজ ভাষা-বিজ্ঞানৰ সংজ্ঞা নিৰূপণ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সমাজ ভাষা-বিজ্ঞানৰ পৰিসৰ সম্পৰ্কে এটা থূলমূল আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ সমাজ ভাষা-বিজ্ঞানৰ প্ৰকাৰ সম্পৰ্কে Fishman-এ উল্লেখ কৰা ভাগকেইটা লিখি প্ৰতিটোৰে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাষাৰ লগত সামাজিক শ্ৰেণীৰ সম্পৰ্ক কেনেধৰণৰ? আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভাষা আৰু লিঙ্গভেদ সম্পৰ্কে অসমীয়া ভাষাৰ উদাহৰণৰ সৈতে আলোচনা আগবঢ়াওক।

*** ***** ***